


গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

একাদশ বছৰ ■ সংখ্যা ১০৩ ■ গুৱাহাটী ■ বুধবাৰ, ১৮ নৱেম্বৰ, ২০২০, ২ আঘোণ, ১৯৪২ শক ■ RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মুঠ পৃষ্ঠা =১২ ■ মূল্য ঃ ৭.০০ টকা

VOL. 11 ISSUE NO. 103 Dainandin Barta ■ Guwahati, Wednesday ■ 18 November 2020 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 7.00 Only






বাৰ্তাৰ অতিথিৰ কলম

■ বিপিন শইকীয়া

## বন্ধুৰ অসুখ

সুখ আৰু আনন্দৰ খবৰতকৈ আজি কালি অসুখ আৰু বিষাদৰ খবৰ অধিক। দৰিদ্ৰতাৰ দৰেই ৰোগ হৈছে মানুহৰ আটাইতকৈ ডাঙৰ শত্ৰু। সাধাৰণ ৰোগবোৰ সাধাৰণ শত্ৰু আৰু ইবোৰক নিয়ন্ত্ৰণসৈল আনিব পাৰি। এনে কিছু জ্ঞাত আৰু অজ্ঞাত ৰোগ আছে যিবোৰ চিকিৎসা বিজ্ঞানৰ দ্বাৰা সহজ সাধ্য হৈ উঠা নাই। নতুন নতুন ৰোগৰ বীজাণুৱে মানুহৰ লগতে সমস্ত প্ৰাণী কূলকে আক্ৰান্ত কৰি আহিছে যুগ যুগ ধৰি। বিজ্ঞান আৰু চিকিৎসা বিজ্ঞানৰ গৱেষণাই ইবোৰক পৰীক্ষা-নিৰীক্ষা, ঔষধ আদিৰ আৱিষ্কাৰ, ধাৰাবাহিক ভাৱেই কৰি ■ ৮ পৃষ্ঠাত

দুলীয়াজানত আজিৰ পৰা আৰম্ভ সদৌ অসম ছাত্ৰ সন্থাৰ সপ্তদশ অধিৱেশন



## আঢ়ৈকুৰিৰ দেওনা পাৰ হোৱা নেতাই অব্যাহত ৰাখিছে আছুৰ শীৰ্ষ পদবী লাভৰ প্ৰচেষ্টা

দহ হাজাৰ প্ৰতিনিধিৰ অংশগ্ৰহণৰ সম্ভাৱনা ঃ অসমৰ জনপ্ৰিয় কণ্ঠশিল্পীৰ উপস্থিতিত জীপাল হ'ব অধিৱেশনথলী

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰডুবি, ১৭ নৱেম্বৰ ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা আহিব লগা ১০ হাজাৰ প্ৰতিনিধিবৰ্গই একেলগে বহিব পৰাকৈ অধিৱেশনৰ মূল মণ্ডপৰ দৈৰ্ঘ্য ৩৮০ ফুট আৰু প্ৰস্থ ৭৫ ফুটৰ এক বিশাল মণ্ডপ প্ৰস্তুত কৰি অতিথি আপ্যায়ন কৰিবলৈ সাজু অভ্যৰ্থনা সমিতি। ইয়াৰ বাবে সদৌ অসম ছাত্ৰ সন্থাৰ সপ্তদশ কেন্দ্ৰীয় অধিৱেশন উপলক্ষে দুলীয়াজান ছলাকটকী ৰাজহুৱা খেলপথাৰত আটকধুনীয়াকৈ নিৰ্মাণ কৰা হৈছে বিশাল মূল মণ্ডপ আৰু বিভিন্ন চিত্তাকৰ্ষক আৰ্হি । নিতৌ যুদ্ধকালীন তৎপৰতাৰে ■ ২ পৃষ্ঠাত

## অসমৰ সৰ্বাংগীন বিকাশ সাধনেহে জাতিৰ উত্তৰণ ঘটাব ঃ লুৰীণজ্যোতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মদাৰখাত, ১৭ নৱেম্বৰ ঃ** অসমৰ সৰ্বাংগীন বিকাশ সাধন হ'লেহে অসমীয়া জাতিৰ উত্তৰণ সম্ভৱপৰ হ'ব। বিভিন্ন ভাষা-ভাষী তথা ■ ৮ পৃষ্ঠাত

# অপেক্ষাৰ অন্ত

# বিটিআৰ-তিৱা পৰিষদত নিৰ্বাচন

## বিটিআৰত ৭ আৰু ১০, তিৱা পৰিষদত ১৭ ডিচেম্বৰত ভোটগ্ৰহণ ঃ ৰাজ্যিক নিৰ্বাচন আয়োগৰ ঘোষণা

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৭ নৱেম্বৰ ঃ** সকলো বাক-বিতণ্ডা আৰু জল্পনা-কল্পনাৰ সমাপ্তি ঘটাই আজি ৰাজ্যিক নিৰ্বাচন আয়োগে ঘোষণা কৰিলে বিটিআৰৰ ভোটগ্ৰহণৰ দিন। লগতে তিৱা স্বায়ত্তশাসিত পৰিষদৰো নিৰ্বাচনৰ দিন সদৰী কৰে। উল্লেখ্য যে চলিত বৰ্ষৰ ৪ এপ্ৰিল তাৰিখে বিটিচিৰ নিৰ্বাচনৰ দিন স্থিৰ কৰা হৈছিল। কিন্তু ক'ৰনা ভাইৰাছৰ সংক্ৰমণ আৰু লকডাউনৰ বাবে সকলো প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ পিছতো স্থগিত হ'ল বিটিচিৰ ভোটগ্ৰহণ। এই ■ ৮ পৃষ্ঠাত



দপ্তৰ ভগালে বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে

## নিজলৈ গৃহ বিভাগ ৰাখি ২ উপ-মুখ্যমন্ত্ৰীকো দিলে গুৰুত্বপূৰ্ণ দপ্তৰ

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৭ নৱেম্বৰ ঃ** এদিনৰ পূৰ্বে শপতগ্ৰহণৰ পিছত আজি বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে চৰকাৰৰ বিভিন্ন দপ্তৰসমূহ বিতৰণ কৰে শপতগ্ৰহণ কৰা মন্ত্ৰীসকলৰ মাজত। মুখ্যমন্ত্ৰীৰ উপৰিও নীতিশ কুমাৰে নিজৰ হাতত ৰাখিলে গৃহ বিভাগ, সাধাৰণ প্ৰশাসন, তদাৰকী বিভাগ আৰু বৰ্তমানলৈকে বিতৰণ নোহোৱা অন্যান্য বিভাগসমূহ। প্ৰথমজন উপ-মুখ্যমন্ত্ৰী তাৰ্কিসুৰ প্ৰসাদক অৰ্পণ কৰিলে বিত্ত বিভাগ, ■ ৮ পৃষ্ঠাত

## শোণিতপুৰৰ বৰগাঁৱত বড়ো সাহিত্য সভাৰ জন্মদিন 'জিডো' নৱেম্বৰ পালন

মাদল-জঠা-চিফুঙৰ শব্দ আৰু বাগৰুম্বা-খেৰাই নৃত্যৰ তালত আহ্লাদিত ৰাইজ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৭ নৱেম্বৰ ঃ** জিডো নবেম্বৰ, মানে ১৬ নবেম্বৰ, বড়ো সাহিত্য সভাৰ জন্মদিন। ১৯৫২ চনত গঠন হল ভাষা-সাহিত্যৰ এক সমূহীয়া মঞ্চ। নাম ৰখা হ'ল 'বড়ো সাহিত্য সভা'। জন্ম হ'ল 'বড়ো সাহিত্য সভা'ৰ। সেয়া আছিল ১৯৫২ চনৰ ১৬ নবেম্বৰ। জয়ভদ্ৰ হাগজেৰ বড়ো সাহিতা সভাৰ ■ ৮ পৃষ্ঠাত




গুৱাহাটীত মঙলবাৰে চিটুৰ প্ৰতিবাদ



প্ৰত্নতাত্ত্বিক সম্পদ সংৰক্ষণত নিৰলস সাধনাত ব্ৰতী তিনি ব্যক্তি-অনুষ্ঠানলৈ 'ঐতিহ্য মিত্ৰ' সন্মান

বিশ্ব ঐতিহ্য সপ্তাহত প্ৰদান কৰিব মুখ্যমন্ত্ৰীয়ে

## ধেমাজিৰ ঘুগুহা দৌল সংৰক্ষণ সমিতিলৈ 'ঐতিহ্য মিত্ৰ' সন্মান

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৭ নৱেম্বৰ ঃ** ঐতিহাসিক সম্পদ সংৰক্ষণ নতুন প্ৰজন্মৰ মাজত ইতিহাস চেতনা জাগ্ৰত কৰি ইতিহাস অধ্যয়ন-বিশ্লেষণ কৰি ■ ৮ পৃষ্ঠাত

## বৰপেটাত ৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মিত কেইবাটাও আঁচনি উদ্বোধন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ

## 'সময়ৰ সৈতে খাপ খুৱাই চলিব নোৱাৰিলে আমি পিছপৰি থাকিব লাগিব'

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ১৭ নৱেম্বৰ ঃ** সময়ৰ সৈতে খাপ খুৱাই সময়ৰ উপযুক্ত ব্যৱহাৰেৰে পদক্ষেপ ল'ব নোৱাৰিলে আমি পিছপৰি থাকিম। সময়ৰ সৈতে এডজাষ্ট কৰি চলিব ■ ৮ পৃষ্ঠাত



উঠি অহা প্ৰজন্মৰ বৌদ্ধিক, শাৰীৰিক, আৰ্থিক, নৈতিক সকলো দিশৰ বিকাশ হোৱাত গুৰুত্ব দিছে চৰকাৰে ঃ মুখ্যমন্ত্ৰী

## ৰাজস্থানৰ মন্ত্ৰী বানোৱাৰলাল মেঘৱালৰ মৃত্যু

প্ৰধানমন্ত্ৰীৰ শোক প্ৰকাশ

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৭ নৱেম্বৰ ঃ** ৰাজস্থান চৰকাৰৰ সামাজিক ন্যায় আৰু সৰলীকৰণ বিভাগৰ কেবিনেট মন্ত্ৰী বানোৱাৰলাল ■ ৮ পৃষ্ঠাত

নাজিৰাত এজেপিৰ নিৰ্বাচনী ৰণশিঙা

## অৰুণোদয় আঁচনিয়ে মানুহক গৰুতকৈ নিম্নস্তৰলৈ নিলে

নাজিৰাত এজেপিৰ আহ্বায়ক সমিতি গঠন ঃ তৃণমূল কংগ্ৰেছৰ অসম ৰাজ্যিক মহিলা পৰিষদৰ সভানেত্ৰী ৰিবুলয়া গগৈ আৰু সম্পাদক হৰি কৃষ্ণ গগৈৰ যোগদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৭ নৱেম্বৰ ঃ** ২০২১ত হ'বলগীয়া অসম বিধানসভা নিৰ্বাচনৰ ৰণশিঙা বজাই নাজিৰাত অসম ■ ৮ পৃষ্ঠাত

কৃষি মন্ত্ৰী অতুল বৰাৰ দুমুখীয়া স্থিতি

## অবৈধ নিবিদাৰ চূড়ান্ত তালিকাত চহী কৰিবলৈ কৃষি সঞ্চালকক হেঁচা !

প্ৰতিবেদন-৬

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, ১৭ নৱেম্বৰ ঃ** দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীল চৰকাৰৰ মন্ত্ৰী অতুল বৰাই নিজ বিভাগত দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰী আৰু যোগানীয়াৰক বৰপীৰা পাতি দিয়াৰ এক গুৰুতৰ অভিযোগ উত্থাপন হৈছে। অভিযোগ ■ ৮ পৃষ্ঠাত

কৃষি সঞ্চালকালয়-উদ্যান শস্য আৰু খাদ্য সংসাধন বিভাগৰ মাজত উলম্ব বিভাজন ঃ মুখ্য মন্ত্ৰীৰ প্ৰত্যক্ষ হস্তক্ষেপৰ দাবী




চাবুৱাত অগপৰ বিশাল জাতীয় ঐক্য সন্মিলন

## মিত্ৰতা মানে কাৰোবাৰ তলত থকাটো নুবুজায়, মিত্ৰতা অসমৰ জ্বলন্ত সমস্যা সমাধানৰ স্বাৰ্থত ঃ সভাপতি অতুল বৰা

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাবুৱা, ১৭ নৱেম্বৰ ঃ** ৰাজ্যত ২০২১ বৰ্ষৰ বিধানসভা নিৰ্বাচনৰ দিন যিমানে ওচৰ চাপিছে সিমানে ৰাষ্ট্ৰীয় আৰু আঞ্চলিক ৰাজনৈতিক দলসমূহৰ মাজত ৰাজনৈতিক কুচ-কাৱাজ বৃদ্ধি পাইছে। কংগ্ৰেছ, বিজেপি, ৰাইজৰ দল, এজেপিকে ধৰি ৰাজ্যৰ প্ৰধান আঞ্চলিক ৰাজনৈতিক দলৰূপে পৰিচিত অসম গণ পৰিষদেও সমান্তৰালকৈ ৰাজ্যৰ বিভিন্ন ঠাইত ৰাজনৈতিক ■ ৮ পৃষ্ঠাত

কাৰ্বি আংলঙৰ ভূমিত নগাৰ বেদখল

## নাগালেণ্ডৰ বিৰুদ্ধে অৰ্থনৈতিক অৱৰোধ জাতীয় সংগঠনৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাজান, ১৭ নৱেম্বৰ ঃ** কাৰ্বিআংলং জিলাৰ ভূমি নাগালেণ্ডে বেদখল কৰাৰ প্ৰতিবাদত ৩৯নং আৰু ৩৬ নং ৰাষ্ট্ৰীয় ঘাইপথত আজিৰে পৰা নগালেণ্ডৰ বিৰুদ্ধে অনিৰ্দিষ্টকালীন অৰ্থনৈতিক অৱৰোধ কাৰ্যসূচী আৰম্ভ কৰিছে কাৰ্বি আংলংৰ কেইবাটাও জাতীয় সংগঠনে। কাৰ্বিআংলং ছাত্ৰ সন্থাৰ নেতৃত্বত কেএছ ৱাই চি, কে ইউ ৱাই এ, কে এফ এ, কে এল এন এল এফ, ইউ কে ৱাই এ, জাকাছ, ■ ৮ পৃষ্ঠাত







# বৰপেটা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ নৱনিৰ্মিত ভৱন উদ্বোধন

## পূৰ্বৰ চৰকাৰৰ দিনত কাৰ্যালয় ভৱনবোৰৰ জৰাজীৰ্ণ অৱস্থাই কৰ্ম-সংস্কৃতিৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাইছিল ঃ মুখ্যমন্ত্ৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৭ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি বৰপেটা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ নৱনিৰ্মিত ভৱন আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰি ৰাইজৰ সেৱাত





উৎসৰ্গিত কৰে। 2.76 কোটি টকা ব্যয়ৰে আধুনিক সা-সুবিধা উপলব্ধ এই কাৰ্যালয় ভৱনে বৰপেটা চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ কাম-কাজ সুচাৰুৰূপে চলাই নিয়াৰ দিশত সহায় কৰিব। এই উপলক্ষে নৱনিৰ্মিত কাৰ্যালয়ৰ চৌহদত বৰপেটা জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গুৰু দুজনাৰ আধ্যাত্মিক, সাংস্কৃতিক শক্তিৰে পৰিপুষ্ট বৰপেটাবাসীয়ে অতীজৰে পৰা বৃহত্তৰ অসমক বৌদ্ধিক, আধ্যাত্মিক, সাংস্কৃতিক, বিদ্যায়তনিক দিশত পথ প্ৰদৰ্শন কৰি আহিছে। আগন্তুক দিনটো এই মহাস্থানৰ আধ্যাত্মিক শক্তিৰে পৰিপুষ্ট সমাজখনে অসমৰ নৱ প্ৰজন্মক আগুৱাই যোৱাৰ পথ প্ৰদৰ্শন কৰিব পাৰিব। পূৰ্বৰ চৰকাৰৰ দিনত কাৰ্যালয় ভৱনসমূহৰ জৰাজীৰ্ণ অৱস্থাই কৰ্ম সংস্কৃতিৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাইছিল বুলি উল্লেখ কৰি বৰ্তমানৰ ৰাজ্য চৰকাৰখনে 2016 চনত শাসনভাৰ লোৱাৰে পৰা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ পৰা মৈত্ৰী আঁচনিৰে থানাসমূহ আধুনিকীকৰণৰ দৰে লোৱা পদক্ষেপৰে কাৰ্যালয়সমূহত এক ইতিবাচক পৰিৱেশৰ সৃষ্টিৰে জনসাধাৰণলৈ সময় সাপেক্ষ তথা দায়ৱদ্ধ সেৱা আগবঢ়োৱাৰ বাবে দৃঢ়তাৰে পদক্ষেপ লৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। বৃহত্তৰ অসমৰ বৰাক-ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰা 3 কোটি 50 লাখ জনসাধাৰণক অহৰ্নিশে সেৱা আগবঢ়োৱাৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে দৃঢ়তাৰে পদক্ষেপ লৈ আছে বুলিও তেওঁ কয়। একবিংশ শতিকাৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ এই প্ৰতিযোগিতামুখী বাতাবৰণৰ সৈতে খাপ খোৱাকৈ জনসাধাৰণক উপযুক্ত সেৱা প্ৰদানৰ বাবে কাৰ্যালয়সমূহৰ আন্তঃগাঁথনি শক্তিশালীকৰণ, ৰাস্তা-পদূলি উন্নত কৰা, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান গঢ় দিয়া, প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত গৃহ নিৰ্মাণ, স্বচ্ছ ভাৰত অভিযানৰ অধীনত শৌচাগাৰ নিৰ্মাণকে ধৰি নৱপ্ৰজন্মৰ শিক্ষাৰ প্ৰতি ধাউতি বৃদ্ধিৰ বাবে বৰ্তমানৰ চৰকাৰখনে উচ্চ শিক্ষাৰ বহু অনুষ্ঠান-প্ৰতিষ্ঠান গঢ় দিছে বুলিও তেওঁ কয়। বৰ্তমানৰ চৰকাৰখনে জনসাধাৰণৰ স্বাৰ্থ সুৰক্ষিতকৰণৰ বাবে দিনে-নিশাই নিকা মানসিকতাৰে কাম কৰিছে বুলি উল্লেখ কৰি অসমীয়া জাতিৰ মান-সন্মান, স্বাভিমান সুৰক্ষিতকৰণৰ কাৰণে ভৱিষ্যতেও শক্তিশালী পদক্ষেপ লৈ যাব বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে আজি উদ্বোধন কৰা কাৰ্যালয় ভৱনটোৱে জনসাধাৰণক মান সম্পন্ন সেৱা প্ৰদান কৰিব পাৰিব বুলিও আশা প্ৰকাশ কৰে। আজিৰ এই অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী নৱ কুমাৰ দলে, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, বৰপেটা বিধানসভা সমষ্টিৰ বিধায়ক গুণীন্দ্ৰ নাথ দাস, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ জয়ন্ত মল্ল বৰুৱা, জিলা উপায়ুক্ত মুনীন্দ্ৰ শৰ্মা, আৰক্ষী অধীক্ষক ৰবীন কুমাৰ সিঙকে ধৰি বিভিন্ন নিগম-নিকায়ৰ অধ্যক্ষ-উপাধ্যক্ষ তথা গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

### সৰুলাহত পাঁচমহীয়া অন্তঃসত্ত্বা বোৱাৰীক হত্যা
## হত্যাকাৰীক ফাঁচিৰ দাবীত শুৱালকুছি থানাত উত্তাল প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ১৭ নৱেম্বৰ ঃ** কামৰূপ জিলাৰ শুৱালকুছি থানাৰ অন্তৰ্গত সৰুলাহত কালি এগৰাকী ৫মহীয়া অন্তসত্ত্বা বোৱাৰীক হত্যা কৰা ঘটনাই অঞ্চলজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জানিব পৰা মতে সৰু লাহ নিৱাসী ৰবীন দাস আৰু উৰ্বশী দাসৰ পুত্ৰ কাৰ্তিক দাসে (৩৪) ১১ মাৰ্চত অৰ্থাত ৮ মাহ পূৰ্বে বৰদধিৰ দীনেশ দাসৰ কন্যা পিকুমণি দাসৰ লগত বিবাহপাশত আবদ্ধ হৈছিল। বিবাহৰ পিছৰে পৰা পিকুমণিৰ শহুৰেকৰ পৰিয়ালে যৌতুকজনিত কাৰণত সৰু সৰু কথাতেই বিভিন্ন অত্যাচাৰ কৰি আহিছিল বুলি পৰিয়ালৰ লোকে জানিবলৈ দিছে। আনকি যোৱা কেইদিনমান আগতে হৈ যোৱা কালী পূজাৰ দিনাখন পিকুমণিক স্বামীৰ পৰিয়ালে অমানুষিকভাৱে শাৰীৰিক অত্যাচাৰ কৰি থকাৰ সময়তে ওচৰৰ লোকে সহ্য কৰিব নোৱাৰি বাধা প্ৰদান কৰিবলৈ যাওঁতে উক্ত পৰিয়ালটোৱে ওলোটাই দুৰ্ব্যৱহাৰ কৰি খেদি পঠিয়ায়। গাঁওখনৰ লোকসকলে জানিবলৈ দিয়া মতে কালি আবেলি প্ৰায় ৩ মান বজাতেই পূৰ্বপৰিকল্পিত মতে পিকুমণিৰ শহুৰেক স্বাস্থ্য বিভাগৰ কৰ্মচাৰী ৰবীন দাসে পৰিয়ালৰ স'তে লগ হৈ বোৱাৰীয়েকক নিৰ্মমভাৱে হত্যা কৰি ৰূমৰ ভিতৰত ওলমাই থয়। পিছত শহুৰেকে ঘৰৰ মাৰুতি গাড়ী, বাইক, গৰু আদি আঁতৰাই বেলেগ ঠাইত ৰাখি পত্নী উৰ্বশীৰ লগত ঘৰৰ পৰা পলায়ন কৰে। তাৰ পিছত গধূলি সময়ত পিকুমণিৰ স্বামী কাৰ্তিক দাসে নিজে শুৱালকুছি থানাত উপস্থিত হৈ তেওঁৰ পত্নী পিকুমণিয়ে আত্মহত্যা কৰা বুলি খবৰ দি লগত পুলিচ বাহিনী লৈ যায়। ৰাইজে অভিযোগ কৰা মতে পিকুমণিক হত্যা কৰাৰ সময়ত মূল কালপ্ৰিট ৰবীনৰ জী - জোঁৱাই, শাহুৰেক আদিও থকা বুলি কয়। সেয়ে ৰাইজে হত্যাকাৰীৰ ফাঁচিৰ দাবীত শুৱালকুছি থানা ঘেৰাও কৰি সৰু লাহ প্ৰগতিশীল মহিলা সমিতিৰ সভানেত্ৰী প্ৰতিভা দাস, সম্পাদিকা ৰঞ্জনী দাস, হিন্দু সুৰক্ষা সেনাৰ কেন্দ্ৰীয় সহঃ সম্পাদক টংকেশ্বৰ ডেকাকে ধৰি প্ৰায় কেইবা শতাধিক লোক থানাত উপস্থিত হৈ হত্যাকাৰীক ২৪ ঘণ্টাৰ ভিতৰত গ্ৰেপ্তাৰ কৰাৰ দাবী জনাই কঠোৰ শাস্তি দিবলৈ কয়। পিকুমণিৰ পৰিয়ালৰ অভিযোগৰ ভিত্তিত স্বামী কাৰ্তিক দাসক শুৱালকুছি থানাই গ্ৰেপ্তাৰ কৰিছে যদিওঁ ৰাইজৰ মতে কালপ্ৰিট পলাতক হৈ আছে।

## জ্যেষ্ঠ ফটোগ্ৰাফাৰৰ মৃত্যুত শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৭ নৱেম্বৰ ঃ** তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ অৱসৰপ্ৰাপ্ত ফটোগ্ৰাফাৰ পঙ্কজ শইকীয়াৰ কালি পুৱতি নিশা পৰলোকগামী হয়। মৃদুভাষী, সহজ-সৰল শইকীয়াই সুদীৰ্ঘকাল জনসংযোগ বিভাগৰ ফটোগ্ৰাফাৰ হিচাপে কাৰ্যনিৰ্বাহ কৰি যোৱা 2018 চনৰ 31 অক্টোবৰ তাৰিখে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। কৰ্মচাৰীগৰাকীয়ে জনসংযোগ বিভাগত 1979 চনতে ফটোগ্ৰাফাৰ হিচাপে যোগদান কৰিছিল। কৰ্মচাৰীগৰাকীৰ আকস্মিক মৃত্যুত আজি সঞ্চালকালয়ৰ সমূহ বিষয়া-কৰ্মচাৰীৰ উপস্থিতিত এখন শোকসভা অনুষ্ঠিত হৈ যায়। সঞ্চালক অনুপম চৌধুৰীৰ উপস্থিতিত কৰ্মচাৰীগৰাকীৰ বিদেহ আত্মাৰ সদ্‌গতিৰ অৰ্থে 1 মিনিট সময় মৌনতা অৱলম্বন কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰা হয়।

## জাগুনত ছাত্ৰীৰ আত্মহত্যা

**দৈনন্দিন বাৰ্তাৰ সেৱা, জাগুন, ১৭ নৱেম্বৰ ঃ** ৰাজ্যৰ চৌদিশে দিপাৱলীৰ আনন্দ উল্লাসৰ মাজতে তিনিচুকীয়া জিলাৰ জাগুন আৰক্ষী চকীৰ অন্তৰ্গত ৰামপুৰ মাঞ্চিপথাৰ গাঁৱত এগৰাকী অষ্টম শ্ৰেণীৰ ছাত্ৰীয়ে ঘৰৰ ওচৰতে লাগি থকা এজোপা গছত চিপ লৈ আত্মহত্যা কৰা ঘটনাই উক্ত অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যই বিৰাজ কৰিছে। ঘটনাৰ বিবৰণী মতে জাগুনৰ ৰামপুৰ মাঞ্চিপথাৰ গাঁও নিবাসী হীৰেণ গোৱালাৰ কন্যা ৰূপালী গোৱালাই(15) নিশা ঘৰৰ ওচৰতে লাগি থকা এজোপা গছত চিপ লৈ আত্মহত্যা কৰে। ঘটনাটো বৰ্তমানলৈকে আত্মহত্যা নে পৰিকল্পিত হত্যা সেয়া পোহৰলৈ অহা নাই যদিও জাগুন আৰক্ষীয়ে ইতিমধ্যে মৃতদেহ উদ্ধাৰ কৰি মনোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰাৰ উপৰিও ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে।

## আঢ়ৈকুৰিৰ দেওনা পাৰ হোৱা নেতাই অব্যাহত

*প্ৰথম পৃষ্ঠাৰ পৰা...* মণ্ডপসমূহ ইতিমধ্যে সাজি উলিওৱা হৈছে। ইফালে প্ৰতিনিধি সভাৰ মণ্ডপৰ দৈৰ্ঘ্য ৩৫০ ফুট আৰু প্ৰস্থ ৮০ ফুটকৈ নিৰ্মাণ কৰা হৈছে। আনহাতে অতিথিসকলক আপ্যায়নৰ বাবে ১৭০ ফুট দৈৰ্ঘ্য আৰু ৫৫ ফুট প্ৰস্থৰ দুটাকৈ ৰান্ধনী গৃহ নিৰ্মাণ কৰা হৈছে। তদুপৰি গ্ৰন্থমেলা, থলুৱা খাদ্যমেলা আৰু প্ৰদৰ্শনী মেলাকে ধৰি ১২৪খন বিপণীয়ে অংশগ্ৰহণ কৰিব অধিৱেশনথলতী। এই অধিৱেশনতে অভ্যৰ্থনা সমিতিৰ উদ্যোগত স্মৃতিগ্ৰন্থ আৰু দুলীয়াজান শীৰ্ষক দুখনকৈ গ্ৰন্থ উন্মোচিত হ'ব বুলি জানিবলৈ দিছে কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য শংকৰজ্যোতি বৰুৱাই। কাইলৈৰ পৰা অৰ্থাৎ ১৮ নৱেম্বৰৰ পৰা অনুষ্ঠিত অধিৱেশনৰ কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পুৱা ৯ বজাত সামূহিক চাফাইৰ অন্তত ১০ বজাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মূল তোৰণ জ্যোতি বাটচ'ৰাৰ আৰ্হিত মূল বাটচ'ৰা মুকলি কৰিব দুলীয়াজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লোক বিকাশ গগৈয়ে। দিনৰ ১১ বজাত মূল তোৰণ মুকলি কৰিব দুলীয়াজান মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অৱসৰপ্ৰাপ্ত অধ্যক্ষ পূৰ্ণকান্ত হাজৰিকাই। ১১.৩০ বজাত শ্বহীদ সোঁৱৰণী মূল মঞ্চ আৰু মণ্ডপ মুকলি কৰিব অভ্যৰ্থনা সমিতিৰ সভাপতি ড° সুৰেন্দ্ৰনাথ গগৈয়ে। ১২ বজাত শিক্ষাবিদ নিত্যা দত্ত সোঁৱৰণী প্ৰদৰ্শনী আৰু গ্ৰন্থমেলাৰ দ্বাৰ উদ্‌ঘাটন কৰিব দুলীয়াজান ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লখিমী ফুকনে। দিনৰ ১ বজাত প্ৰতিনিধিৰ নাম পঞ্জীয়নৰ পাছত প্ৰতিনিধিৰ শিবিৰ মুকলি কৰিব দুলীয়াজান মহাবিদ্যালয়ৰ উপাধ্যক্ষ সন্তোষ দাসে। বিয়লি ৩ বজাত জন বেৰি হোৱাইট হাউছৰ আৰ্হিৰ অতিথিশালাৰ দ্বাৰ মুকলি কৰিব অইলৰ মুখ্য আৱাসিক বিষয়া দিলীপ কুমাৰ দাসে। বিয়লি ৪ বজাত ভোজনালয়ৰ দ্বাৰ মুকলি কৰিব দুলীয়াজান বালিকা বিদ্যাপীঠৰ প্ৰধান শিক্ষয়িত্ৰী অলি বৰুৱাই। সন্ধিয়া দুলীয়াজানৰ স্থানীয় শিল্পী আৰু বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক হেমকান্ত গগৈয়ে। নিশা ৯ বজাত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাৰে প্ৰথমদিনাৰ কাৰ্যসূচী সামৰণি পৰিব। সেইদৰে ১৯ নৱেম্বৰ পুৱা ৯.৩০ বজাত সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰিব সভাপতি দীপাংক কুমাৰ নাথে। ১০.৩০ বজাত শ্বহীদ তৰ্পণ কৰিব সাঃ সম্পাদক লুৰীণজ্যোতি গগৈয়ে। দিনৰ ১১ বজাত সমন্বয়ৰ সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব আছুৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই আৰু শোভাযাত্ৰাথলীত উপস্থিত থাকিব অঃজাঃযুঃছাত্ৰ পৰিষদৰ সভাপতি ৰাণাপ্ৰতাপ বৰুৱা। অংশগ্ৰহণ কৰিব অভিনয় শিল্পীদ্বয় অৰুণ হাজৰিকা, মাধুৰীমা চৌধুৰী আৰু কণ্ঠশিল্পী দীপলীনা ডেকাই। বিয়লি ২ বজাত জগত শইকীয়া সোঁৱৰণী জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰিব ৰজত কমল বঁটাপ্ৰাপক বিশিষ্ট চলচ্চিত্ৰ পৰিচালক যদুমণি দত্তই। ৩ বজাত গ্ৰন্থমেলা আৰু প্ৰদৰ্শনীথলীতে অনুষ্ঠিত হ'ব মুকলি কুইজ প্ৰতিযোগিতা। সন্ধিয়া ৫ বজাত প্ৰতিনিধি সভা উন্মোচন কৰিব ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই। ৬ বজাত সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব অৱসৰপ্ৰাপ্ত শিক্ষক পোনাৰাম বৰগোহাঞিয়ে। সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰিব ৰাজীৱ শদিয়া, দীপলীনা ডেকা, ৰিদিপ ৰংকিত, ৰমেন দানহ আৰু আকাশ নিবিড়ে। কাৰ্যসূচী অনুসৰি ২০ নৱেম্বৰলৈ পুৱা ১০ বজাত প্ৰতিনিধি সভা, ১১ বজাত চিত্ৰাংকন প্ৰতিযোগিতা আৰম্ভ হ'ব। ১২ বজাত মূল মণ্ডপত অনুষ্ঠিতব্য সদৌ অসম ভিত্তিত আন্তঃ মহাবিদ্যালয় শ্বহীদ সোঁৱৰণী তৰ্ক প্ৰতিযোগিতা উদ্বোধন কৰিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড° সত্যকাম বৰঠাকুৰে। বিয়লিলৈ ২ বজাত অসম ভিত্তিত কবি সন্মিলন আৰু সন্ধিয়া ৬ বজাত অনুষ্ঠিতব্য সাংস্কৃতিক অনুষ্ঠানেৰে অধিৱেশনৰ তৃতীয় দিনা কাৰ্যসূচী সামৰণি পৰিব। সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব অৱসৰপ্ৰাপ্ত শিক্ষক জগত বৰুৱাই। সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰিব অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী মানস ৰবীন, লোহিত গগৈ, দিগন্ত গোহাঁই, মাধৱ ৰঞ্জন আৰু নীলাক্ষী নেওগে। অধিৱেশনৰ অন্তিম দিনা অৰ্থাৎ ২১ নৱেম্বৰলৈ দিনৰ ১১ বজাত সভাপতি দীপাংক নাথৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হ'ব। আদৰণী ভাষণ আগবঢ়াব ড° সুৰেন্দ্ৰ নাথ গগৈয়ে। আছুৰ দৃষ্টিভংগীৰ সন্দৰ্ভত ব্যাখ্যা কৰিব লুৰীণজ্যোতি গগৈয়ে। মুকলি সভাত মুখ্য অতিথিৰূপে বিশিষ্ট সাহিত্যিক ড° নগেন শইকীয়া, বিশেষ বক্তা অসম সাহিত্য সভাৰ সভাপতি কুলধৰ শইকীয়া, নিৰ্দিষ্ট বক্তা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, বিশিষ্ট অতিথি অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকা, বিশেষ সন্মানীয় অতিথি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ কমলাকান্ত গগৈ, সন্মানীয় অতিথি জিলা উপায়ুক্ত পল্লৱ গোপাল ঝা আৰু উত্তৰ পূৰ্বাঞ্চল ছাত্ৰ সংগঠনৰ অধ্যক্ষ চেমুৱেল জেউৰা, বিশেষ আমন্ত্ৰিত অতিথি অইল ইণ্ডিয়াৰ অধ্যক্ষ আৰু পৰিচালন সঞ্চালক সুশীল চন্দ্ৰ মিশ্ৰ আৰু অসম গেছ কোম্পানীৰ পৰিচালন সঞ্চালক গকুল চন্দ্ৰ স্বৰ্গীয়াৰী উপস্থিত থাকিব। সেইদৰে আমন্ত্ৰিত অতিথিৰূপে অসমৰ বিভিন্ন জাতি জনগোষ্ঠীয় সংগঠনৰ সভাপতি সম্পাদকসকলে অংশগ্ৰহণ কৰিব। সন্ধিয়ালৈ সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব ডিব্ৰুগড় জিলা আৰক্ষী অধীক্ষক প্ৰতীক থুবে-ই। সাংস্কৃতিক অনুষ্ঠানৰ মুখ্য আকৰ্ষণ হ'ব নীল আকাশ, প্ৰিয়ংকা ভৰালী, আচুৰ্য বৰপাত্ৰ আৰু ৰাকেশ ৰিয়ান। নিশা ৮ বজাত বিষয় বাচনি সভাৰে আছুৰ সপ্তদশ দুলীয়াজান অধিৱেশন সামৰণি পৰিব।

**আঢ়ৈকুৰি দেওনা পাৰ হোৱা নেতাই অব্যাহত ৰাখিছে আছুৰ শীৰ্ষ পদৱী লাভৰ প্ৰচেষ্টা**

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা ঃ** ৰাজ্যত আগন্তুক নিৰ্বাচনৰ দামামা বজাৰ সমান্তৰালভাৱে এতিয়া ৰাজ্যখনৰ অন্যতম জাতীয় সংগঠন আছুৰ পৰৱৰ্তী সভাপতি-সম্পাদকক লৈ চলিছে ব্যাপক জল্পনা-কল্পনা। কিয়নো ছাত্ৰ সংগঠনটোৰ আগন্তুক দুলীয়াজান অধিৱেশনখনত বৰ্তমানৰ সভাপতি দীপাংক নাথ আৰু সম্পাদক লুৰীণজ্যোতি গগৈৰ স্থানত নতুন মুখৰ ছাত্ৰ নেতা স্থলাভিষিক্ত হোৱাৰ সম্ভাৱনা দেখা দিছে। এনে পৰিপ্ৰেক্ষিতত জাতীয় সমস্যাৰ ক্ষেত্ৰত স'ততে মাত মাতি অহা ছাত্ৰ সংগঠনটোৰ নতুন নেতৃত্বই পৰৱৰ্তী সংগ্ৰামখন সফলভাৱে আগবঢ়াই নিব পাৰিবনে নাই সেয়া অনিশ্চিত হৈ পৰিছে। কিয়নো ৰাজনৈতিক দলৰ নেতাৰ পদাংক অনুকৰণ কৰি ছাত্ৰ সংগঠনটোৰ একাংশ নেতায়ো সম্প্ৰতি সভাপতি-সম্পাদকৰ পদক লৈ কেৱল ক্ষমতাকেন্দ্ৰিক যুঁজ চলোৱা বুলি চৰ্চা চলিছে। আনকি ছাত্ৰ সংগঠনটোৰ সংবিধানৰ নীতি উলংঘা কৰি একাংশ জ্যেষ্ঠ ছাত্ৰ নেতাই ক্ষমতাৰ মোহত বন্দী হৈ পৰা বুলি অভিযোগ উঠিছে। সদৌ অসম ছাত্ৰ সন্থাৰ দুলীয়াজানৰ অধিৱেখনত সভাপতি দীপাংকৰ নাথ আৰু সাধাৰণ সম্পাদক লুৰীণজ্যোতি গগৈয়ে পদ এৰিলে তেওঁলোকৰ উত্তৰসূৰী কোন হ'ব এই লৈ ব্যাপক জল্পনা-কল্পনা চলি থকাৰ সমান্তৰালভাৱে একাংশ আঢ়ৈকুৰি দেওনা পাৰ হোৱা আৰু বিবাহিত নেতাইও পৰৱৰ্তী কাৰ্যকালৰ বাবে শীৰ্ষ পদ লাভ কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। সভাপতি হিচাপে উৎপল শৰ্মা আৰু প্ৰজ্ঞান ভূঞা আৰু সাধাৰণ সম্পাদক পদত উদ্দীপজ্যোতি গগৈৰ নাম চৰ্চালৈ আহিছে। আছুৰ এই দুই শীৰ্ষ পদৰ বাবে এই তিনি ৩০ বছৰ অনুৰ্ধৰ নেতাৰ নাম চৰ্চাত থকাৰ সময়তে আঢ়ৈকুৰিৰ দেওনা পাৰ হোৱা আৰু বিবাহিত কেইগৰাকীমান নেতাই কেন্দ্ৰীয় সমিতিৰ শীৰ্ষ পদ দুটা খামুচি ধৰি থাকি নিজৰ অস্তিত্ব বৰ্তাই ৰখাৰ চেষ্টাত ব্ৰতী হোৱা বুলি এক সূত্ৰৰ পৰা জানিব পৰা গৈছে। ইতিমধ্যে শিৱসাগৰ জিলাৰ পৰা বৰ্ষীয়ান ছাত্ৰ নেতা শৰৎ হাজৰিকাই পুনৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকলৈ নাম নিবলৈ সমৰ্থ হোৱাৰ লগতে নৱগঠিত চৰাইদেউ জিলাৰ প্ৰতিনিধি হিচাপে বৰ্তমানৰ আছুৰ কেন্দ্ৰীয় উপ-সভাপতি তথা ২০১২ বৰ্ষৰ ২৫ জানুৱাৰীত কামৰূপ জিলাৰ বিবাহ বিষয়া কাৰ্যালয়ত চৰকাৰী নীতি মৰ্মে পঞ্জীয়ন কৰি ৰঞ্জিতা চৌধুৰী নামৰ এগৰাকী যুৱতীৰ সৈতে বিবাহপাশত আৱদ্ধ হোৱা বৰ্ষীয়ান ছাত্ৰ নেতা মানিক গগৈ, বৰ্তমানৰ সাংস্কৃতিক সম্পাদক তথা ডিব্ৰুগড়ৰ পৰা অনিল গগৈ, গোলাঘাটৰ মনোৱাৰা হুছেইন, কামৰূপৰ ধৰ্মেশ্বৰ দাস, প্ৰকাশ দাস, বিপুল ৰাভা আদি নেতাৰ বয়স আঢ়ৈকুৰি অতিক্ৰম কৰিছে যদিও পুনৰ একোগৰাকী শক্তিশালী ছাত্ৰ নেতা হিচাপে প্ৰতিষ্ঠা বৰ্তাই ৰাখিবলৈ চেষ্টা অব্যাহত ৰাখিছে। অভিযোগ অনুসৰি ইয়াৰে দুজনমানৰ বাদে বাকীকেইগৰাকীৰ শিক্ষাগত অৰ্হতাও স্নাতক আৰু উচ্চতৰ মাধ্যমিক অনুতীৰ্ণ। জানিব পৰা মতে মানিক গগৈ আৰু শৰৎ হাজৰিকা আদিয়ে অসম জাতীয় পৰিষদৰ পৰা প্ৰাৰ্থিত্ব লাভৰ কুচকাৱাজ আৰম্ভ কৰি হতাশ হৈহে পুনৰ আছুতে কেন্দ্ৰীয় সমিতিত পদ লাভ কৰি থকাৰ পৰিকল্পনা কৰিছে। ইফালে সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ শেহতীয়া অধিৱেশনত এগৰাকী উচ্চতৰ মাধ্যমিক অনুতীৰ্ণ নেতাই সভাপতিৰ পদ লাভ কৰিবলৈ সক্ষম হোৱা বিষয়কলৈ সমগ্ৰ জিলাখনতে আছুৰ ভিতৰে- বাহিৰে বিৰূপ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। বহু বছৰ নাজিৰা মহকুমা ছাত্ৰ সন্থাৰ সভাপতি পদ খামুচি ধৰি থকা মানৱ হাজৰিকা নামৰ অ-ছাত্ৰ নেতাজনে বিগত শিমলুগুৰি অধিৱেশনতেই জিলাৰ সভাপতি পদৰ দাবীদাৰ হৈছিল। কিন্তু সেইবাৰ শিক্ষাগত অৰ্হতাৰ কথা আহি পৰা আৰু আছুৰ সংবিধানৰ আওতাত নপৰাৰ বাবেই সভাপতিৰ পৰিৱৰ্তে কৌশলেৰে উপ-সভাপতি পদ লাভ কৰিবলৈ সক্ষম হ'ল। কিন্তু এইবাৰ হাজৰিকাক কিয় সভাপতিৰ দায়িত্ব অৰ্পণ কৰা হ'ল সেয়া জনগণৰ বাবে সাথৰ হৈ থাকিল।

### ৰেলৱে বিজ্ঞপ্তি

শ্ৰীনৃপেন দাস, প্ৰাক্তন এছ এছ/এম জে বি টি বৰ্তমান এছ এছ/ডি কিউ এল, পিতৃ উমা ৰাম দাস, গাঁও আৰু ডাক ঃ গন্ধমৌ, থানা ঃ শুৱালকুছি, জিলা ঃ কামৰূপ, ৰাজ্য ঃ অসম, পিন ঃ ৭৮১১০৩ ৰ বিপক্ষে ৰেলৱে চাৰ্ভিছ কণ্ডাক্ট ৰুলচ - ১৯৬৬ৰ বিধি নং ঃ ৩.১ (ii) তথা (iii) আৰু আই আৰ চি এম ভলিউম IIৰ পাৰা ২৪২০ (a)ৰ বিধি-ব্যৱস্থাৰ উলংঘনৰে চৰকাৰী ধন ( এইছ জে এল আই হল্ট ষ্টেচনৰ উপাৰ্জন) ৰ অপব্যৱহাৰৰ বাবে মেজৰ মেম'ৰেণ্ডাম চাৰ্জশ্বিট (এছ এফ -৫) নং ঃ টি/চি জি/আৰ এন/১৮/ডি কিউ এল, দিনাংক ঃ ০২-১১-১৮ ৰ অধীনত ৰেলৱে চাৰ্ভেণ্টচ (ডিচিপ্লিন এণ্ড আপিল) ৰুলচ, ১৯৬৮ৰ বিধি-৯ মৰ্মে অনুশাসনমূলক প্ৰক্ৰিয়া ৰুজু কৰা হৈছে। যিহেতু তেওঁৰ কোনো সন্ধান নাই সেয়ে এছ এফ -৫) ৰ প্ৰতিলিপি ৰেজিষ্টাৰ্ড ডাকৰ জৰিয়তে চাৰ্ভিছ ৰেকৰ্ডত থকা তেওঁৰ আৱাসিক ঠিকনালৈ প্ৰেৰণ কৰাৰ লগতে ০২ জন সাক্ষীৰ উপস্থিতিৰ স্বাক্ষৰ সহ তেওঁৰ অন্তিম কৰ্মস্থলীতো আৰি দিয়া হৈছে। ১৯-১২-১৮ তাৰিখে চি. ওৰ উক্ত প্ৰতিলিপিৰ প্ৰাপ্তিলাভ হয় যদিও তেওঁৰ ফালৰ পৰা কোনো ধৰণৰ সহাৰি পোৱা নগ'ল। ই. ওৰ দ্বাৰা দুবাৰকৈ প্ৰযোজ্য বিধি অনুসাৰে ডি এ আৰ তদন্ত নিৰ্ধাৰিত কৰা স্বত্বেও চি. ওৰ ফালৰ পৰা কোনো সহাৰি লাভ নহ'ল আৰু তেওঁৰ কোনো সন্ধানো পোৱা নগ'ল। শ্ৰী নৃপেন দাস, এছ এছ / ডি কিউ এলক ইয়াৰ দ্বাৰা, স্থানীয় ইংৰাজী, অসমীয়া আৰু হিন্দী বাতৰিকাকতত এই বিজ্ঞপ্তি প্ৰকাশৰ ১৫ (পোন্ধৰ) দিনৰ ভিৰত এই গোচৰৰ শীঘ্ৰে সমাপ্তিৰ বাবে ডি ও এম/আই চি/আৰ এন ওৱাইৰ কাৰ্যালয়ত তদন্তৰ কাৰণে উপস্থিত হ'বলৈ নিৰ্দেশ দিয়া হ'ল। যদিহে, এই বিজ্ঞপ্তি প্ৰকাশৰ ১৫ দিনৰ ভিতৰত তেওঁ এই কাৰ্যালয়ত উপস্থিত নহয় তেনে ক্ষেত্ৰত এই বিষয়ত একপক্ষীয় সিদ্ধান্ত গ্ৰহণ কৰা হ'ব।

ডি ও এম/আই চি/ৰঙিয়া
উত্তৰপূৰ সীমান্ত ৰেলৱে
হাঁহিমুখে গ্ৰাহকলৈ সেৱা

### LOST

I have lost my HSLC ( Compartmental ) Examinations Original Marksheet Roll C1037 No 5002 for the Year of 2000.

Anuar Hussain
S/O Khuda Boxa
Vill : Mahmara
P O : Garaimari
P S : Laharighat
Dist : Morigaon
(Assam)
PIN : 782104
Ph. : 9577339623

Memo NO.PHEE/ JOR/TC-I/ 2019-20/

### Notice Inviting Tender : No. 10 J of 2020 -21

Sealed tender affixing court fee stamp of Rs.8.25 (Rupees Eight and paisa Twenty Five) only eventually to be drawn up in APWD F-2 form are invited by the undersigned from the intending registered Class-II and Class-HI category contractors under Jorhat (PHE) Circle, Jorhat respectively for **Installation of Spot Source (M-II H.P/Singur Type H.P/ Ring Wei) including Construction of C.C Plate form, Drain,Souk Pit etc under CM's Budget announcement Programme for the Year 2019-20** in Jorhat(PHE) Division and will be received by the undersigned upto 2 PM on 23/11 /2020. Received tenders will be opened on the same date & hours in presence of the intending tenders or their authorised agents who would like to be present. If the receiving & opening date falls on any Govt. holiday or any unavoidable circumstances, the same will be received and opened on the next working day at the same time.

The detailed tender paper(s) may be obtained from the office of the undersigned on working days only upto 21/11/2020 on payment of Rs. 100.00 (Rupees Hundred) I.P.O only for each tender paper which is non-refundable.

For any clarification the intending bidders may send their queries in writing on or before 21/11/2020 to the office of the undersigned.

Sd/-
Executive Engineer(PHE)
Jorhat Division, Jorhat

Janasanyog/C/7013/20

### E-Auction Sale Notice

**Lot statement showing the timber lot under korhat division**

| Lot No & Year | Nature of Timber | Volume (in $m^3$) | Logs (in nos.) | EMD | Govt. Value | Depot |
|---|---|---|---|---|---|---|
| JT/1(A) OF 2020-21 | Unclaimed seized | 3.507 | 21 | 898/- | 8,855/- | BO Campus, Nimati |
| JT/1(B) OF 2020-21 | Unclaimed seized | 0.369 | 2 | 14/- | 135/- | BO Campus, Nimati |
| JT/2 OF 2020-21 | Unclaimed seized | 1100 kg Sashi kunda | -- | 440/- | 4,400/- | BO Campus, Nimati |
| JT/3 OF 2020-21 | Unclaimed seized | 3.295 | 16 | 527/- | 5,268/- | BO Campus, Nimati |
| JT/4 OF 2020-21 | Unclaimed seized | 1.173 | 5 | 812/- | 4,187/- | BO Campus, Nimati |
| M/4 OF 2020-21 | Seized | 30.337 | 327 pieces | 18133/- | 1,81,331/- | Meleng Beat, Mariani |
| JT/5 OF 2020-21 | Seized | 24.800 | 350pieces. | 15904/- | 1,55,177/- | Meleng Beat, Mariani |
| JT/6 OF 2020-21 | Seized | 20.230 | 141pieces. | 4186/- | 41,858/- | Meleng Beat, Mariani |
| JT/17 OF 2020-21 | Seized | 4.217 | 23 | 924/- | 9,245/- | BO Campus, Nimati |
| JT/18 OF 2019-20 | Wind fallen departmentally operated | 4.447 | 33 | 1323/- | 13,232/- | DFO residence campus |
| JT/19 OF 2019-20 | Wind fallen departmentally operated | 1.771 | 10 | 829/- | 4,134/- | DFO residence campus |

Bidders intending to participate in this tender are required to visit http:/ www.assamforestonline.in fot further details.

Sd/-
Divisional Forest Offocer,
Jorhat Division, Jorhat

Janasanyog/C/6991/20

**GOVERNMENT OF ASSAM**
**OFFICE OF THE DIRECTOR, A. H. & VETERINARY DEPARTMENT, B.T.C.,**
**KOKRAJHAR**

**NOTICE INVITING QUOTATION**

Sealed quotations affixing non-refundable Court fee of **Rs. 8.25 (Rupees eight and twenty five paisa)** only are invited from the interested Manufacturers / Dealers / Company Authorized Farms / Traders in separate covers for each group for the supply of the below mentioned groups of Vety. Surgical / Bandage etc. items to the office of the Director, A.H. & Vety. Deptt., BTC, Kokrajhar for the Financial Year 2020-21.

| Group No. | Name of Item | Remarks |
|---|---|---|
| A | Surgical Instruments, Bandage Cloths, Cotton, Casting Rope, Hand Gloves, Mask etc. | Detailed lists of Vety. Surgical Instruments, Bandage Clothes etc. and A. A. amount against the supply items may be collected from the office of the undersigned during office hours upto 12.00 noon of **21st Nov'2020.** |

**The bidder should enclose the following documents with their bid.**


(a) Bid Security/Earnest Money @ 1% of A.A. amount for each group in the form of Call Deposit/NSC/Demand Draft duly pledged in favour of "The Director, A.H. & Veterinary Department, BTC, Kokrajhar".
(b) Copy of Trade License with up-to-date validity.
(c) Drug License with up-to-date validity.
(d) Self attested copy of GST Registration Certificate.
(e) Self attested copy of PAN Card.

The quotations will be received at the Office of the undersigned up to **1.00 P.M. of 21st Nov'2020** and will be opened at **1.30 P.M.** of the same day. In case, last date of receipt is happened to be a non-working day for any reason, the next working day will be considered as the date for submission of Quotations and opening thereof. The bidders or their representatives may remain present at the time of opening of the quotations.

**Terms & Conditions**

01. Rate should be quoted for 1(One) Unit as per required presentation of each item.
02. The Quoted Rate should not exceed the MRP of the particular item (wherever applicable) and should be quoted legibly both in **Figure and Words.**
03. The rate should be quoted including GST.
04. **To facilitate prompt evaluation, the bidder shall quote rate as per format of quotation attached.**
05. The purchaser is not bound to procure all the items even it is in the approved list.
06. The Vety. Surgical/Bandage etc. thus to be supplied should be of full quantity as per order otherwise short supplied items will not be received.
07. All the items should be supplied within 15 days from the date of issue of supply order.
08. The decision of the Director, A.H. & Veterinary Department, BTC, Kokrajhar/BTC Secretariat shall be the final in case of any dispute.
09. The selected bidders will have to execute a Bond with this Department before the issue of formal order of supply.
10. Vety. Surgical/Bandage etc. thus to be supplied should be placed before the checking committee of this Department for acceptance thereby by the Department.

### LOOK OUT NOTICE



The above is the photograph of Pawan Kumar (26 Yrs) S/O Late Meda Ram of Vill- Manpura, P.S.- Rajgarh, District- Churu State: Rajasthan, has been missing on 22/10/2020 at 11.20 PM from Rangia Railway Station.

**The Descriptive Roll of the Missing men is as follows :**

1. Name - Pawan Kumar
2. Age - 26 Years
3. Height - 5 Feet 7 inch
4. Complexion - Swarthy
5. Wearing - Black T-Shirt and Blue Jeans
6. Language - Hindi

Please take all out efforts to trace out the missing girl and if and found intimate this office (Kamrup PCR. 0361-2684402, E-mail-**sp-kamrup@assampolice.gov.in**) at the earliest for taking follow up action from this end. This refers to Rangia PS MMR No. 24/2020 Dated 01-11-2020

Sd/-
**Superintendent of Police,**
**Kamrup :::: Amingaon**

Janasanyog /D/7090/20

### ৰাশিফলত আজিৰ দিনটো

**২ আঘোণ, বুধবাৰ, ১৮ নৱেম্বৰ, ১৪২৭ ভাস্কৰাব্দ**
**তিথি ঃ তৃতীয়া, নক্ষত্ৰ ঃ উত্তৰভাদ্ৰপদ, জন্মৰাশি ঃ মেষ**
**সূৰ্যোদয়-০৪.৩৫, সূৰ্যাস্ত-০৬.০৩**



■ **মেষ** ঃ ব্যয় বৃদ্ধি। ■ **বৃষ** ঃ স্বাস্থ্য ক্ষতি। ■ **মিথুন** ঃ আনৰ সহায়। **কৰ্কট** ঃ মাতৃৰ সহায়। ■ **সিংহ** ঃ আলহী আগমন। ■ **কন্যা** ঃ আনৰ সহায়। ■ **তুলা** ঃ প্ৰেমত শুভ। ■ **বৃশ্চিক** ঃ ব্যৱসায়ত লাভ। ■ **ধনু** ঃ মন পৰিৱৰ্তন। ■ **মকৰ** ঃ প্ৰেমত নিৰাশ। ■ **কুম্ভ** ঃ ব্যয়বহুলতা। ■ **মীন** ঃ অৰ্থ ব্যয়।

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

১৮ নৱেম্বৰ, ২০২০ বুধবাৰ, গুৱাহাটী ২ আঘোণ ১৯৪২ শক






কৰিমগঞ্জ ধৰ্ষণকাণ্ডৰ প্ৰতিবাদত অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ লখিমপুৰ জিলা সমিতিৰ সমদল

### তামাৰহাটত মৰ্মান্তিক ঘটনা, এজনক জেললৈ

## মাতৃৰ অবৈধ সম্পৰ্কৰ বাবেই দশম শ্ৰেণীত অধ্যয়নৰত কন্যাৰ আত্মহত্যা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ১৭ নৱেম্বৰ ঃ** অন্য পুৰুষৰ লগত মাতৃৰ অবৈধ সম্পৰ্কই কাল হ'ল দশম মান শ্ৰেণীত অধ্যয়নৰত ছাত্ৰী বৰ্ণালী ৰায়ৰ। নিজ মাতৃৰ কু-কৰ্ম সহিব নোৱাৰি চিপ লৈ আত্মহত্যাৰ দৰে কঠিন পথ বাছি ল'লে ১৬বছৰীয়া কন্যাই। এনে এক মৰ্মান্তিক তথা হৃদয় বিদাৰক ঘটনা সংঘটিত হৈছে ধুবুৰী জিলাৰ তামাৰহাটত। ঘটনাৰ বিৱৰণী মতে ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত মধ্যপেটলা গাঁৱৰ বাসিন্দা সুনীল ৰায় কৰ্মসূত্ৰে চুবুৰীয়া ৰাজ্য মেঘালয়ত থাকে। সুনীল ৰায় ঘৰত নথকাৰ সুযোগ গ্ৰহণ কৰি একেখন গাঁৱৰ বাসিন্দা বজৰুল শ্বেখ নামৰ বিবাহিত ব্যক্তিজনে সুনীলৰ ঘৈণীয়েক কণিকা ৰায়ক ফুচুলাই অবৈধ প্ৰেমৰ সম্পৰ্ক গঢ়ি তোলে। এনেকি লম্পট চৰিত্ৰৰ বজৰুল শ্বেখে কণিকা ৰায়ৰ লগত অবৈধ শাৰীৰিক সম্পৰ্কতো লিপ্ত হয়। মাতৃৰ এনে কু-কৰ্ম নিজ চকুৰে দেখি সুনীল ৰায় আৰু কণিকা ৰায়ৰ প্ৰথমা কন্যা তথা শাতশেওৰা কল্যাণকামী হাইস্কুলৰ দশম শ্ৰেণীৰ ছাত্ৰী বৰ্ণালী ৰায় (১৬) অতিষ্ঠ হৈ বজৰুল শ্বেখক তেওঁলোকৰ ঘৰলৈ আহিবলৈ বাৰম্বাৰ মানা কৰিছিল। পিছলৈ কণিকা ৰায় আৰু বজৰুলৰ অবৈধ সম্পৰ্কৰ মাজত হেঙাৰ হৈ পৰা বৰ্ণালীক মাতৃ কণিকা আৰু অবৈধ প্ৰেমিক বজৰুলে অত্যাচাৰ কৰিবলৈ আৰম্ভ কৰিলে। কিন্তু তাতে ক্ষান্ত নাথাকি চৰিত্ৰহীনা মাতৃ কণিকা ৰায় আৰু অবৈধ প্ৰেমিক লম্পট বজৰুলে বৰ্ণালীক নানা ধৰণে ডাবি-ধমকি দি কু-কৰ্ম চলাই থাকিল। মাতৃৰ উক্ত অনৈতিক কাৰ্য সহ্য কৰিব নোৱাৰি দুৰ্ভগীয়া কণমানি বৰ্ণালী ৰায়ে কালি ঘৰত কোনো নথকাৰ সুযোগতে ঘৰৰ ভিতৰতে চীপ লৈ আত্মহত্যা কৰে । স্থানীয় ৰাইজৰ পৰা ঘটনাৰ খবৰ পাই তামাৰহাট থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ বৰ্ণালীৰ মৃতদেহ উদ্ধাৰ কৰাৰ লগতে বৰ্ণালীয়ে সমস্ত ঘটনা লিখি থৈ যোৱা এখন ছুইছাইড টোকাও উদ্ধাৰ কৰিবলৈ সক্ষম হয়। দুৰ্ভগীয়া বৰ্ণালীয়ে লিখি থৈ যোৱা ছুইছাইড টোকাটো উদ্ধাৰৰ পিছতে সকলো ঘটনা পোহৰলৈ আহে। পিছত আৰক্ষীয়ে তদন্ত ক্ৰমে লম্পট স্বভাৱৰ বজৰুলক আটক কৰি সোধা-পোছাৰ অন্তত আজি ধুবুৰীৰ জে'ল হাজোতলৈ প্ৰেৰণ কৰাৰ লগতে বৰ্ণালীৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে ধুবুৰী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। উক্ত হৃদয় বিদাৰক ঘটনাটোৱে বৃহত্তৰ তামাৰহাট আঞ্চলটোত এক তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে । এটি নিষ্পাপ ফুল কুমলীয়া কিশোৰীৰ জীৱন অকালতে নিঃশেষ কৰি পেলোৱা বজৰুলক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনাইছে স্থানীয় বিভিন্ন দল-সংগঠনে।

### ৰাজেদ আলী চৌধুৰীৰ মন্তব্যৰ প্ৰতিক্ৰিয়া ডিব্ৰুগড় জিলা কংগ্ৰেছৰ সভাপতি এতোৱা মুণ্ডাৰ

## কংগ্ৰেছে সন্মুখত এতিয়া আন্ধাৰ দেখি প্ৰলাপ বকিছে ঃ বিধায়ক বিমল বৰা

**দৈনন্দিন বাৰ্তাৰ সেৱা, টিংখাং, ১৭ নৱেম্বৰ ঃ** কংগ্ৰেছে এতিয়া ভ্ৰম বকিবলৈ আৰম্ভ কৰিছে। তেওঁলোকক মিঞা মিউজিয়াম লাগে, মিঞা বিদ্যালয় লাগে, উজনি অসমৰ ভোটাৰ গুৰুত্ব নাই এনেধৰণৰ বাক্যাংশ প্ৰয়োগ কৰিবলৈ আৰম্ভ কৰিছে, মানুহে যেতিয়া মানসিক ভাৰসাম্য হেৰুৱাই পেলায়, সন্মুখত যেতিয়া আন্ধাৰ দেখিবলৈ পায় তেতিয়াই এনেদৰে প্ৰলাপ বকে। গতিকে কংগ্ৰেছ আৰু এআইইউডিএফে তেনে এটা পৰিবেশৰ মাজলৈ গৈ আছে। সেয়ে প্ৰলাপ বকিছে। ৰাজেদ আলী চৌধুৰীৰ মন্তব্যৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি টিংখাঙৰ বিজেপি বিধায়ক বিমল বৰাই এনেদৰে কয়। বিধায়ক বৰাই লগতে কয় যে উজনি অসমৰ জনসাধাৰণ যথেষ্ট সচেতন। অৰ্থনৈতিকভাৱে সমগ্ৰ অসমৰ সমাজ জীৱনক উজনি অসমৰ চাহ উদ্যোগে, খাৰুৱা তেলৰ জৰিয়তে কেনেধৰণে আগুৱাই লৈ গৈ আছে এই কথা সকলোৱে জানে। গতিকে এনেধৰণে উজনি অসম, নামনি অসম ভাগ কৰাৰ কোনো কথা নাই। কংগ্ৰেছে উজনি-নামনিৰ নামত যি ভাগ কৰিব বিচাৰিছে, বিভিন্ন ধৰণৰ অপব্যাখ্যাৰে সমাজখন বিভ্ৰান্ত সৃষ্টি কৰিব বিচাৰিছে ইয়াৰ প্ৰত্যুত্তৰ আগন্তুক দিনত অসমৰ জনসাধাৰণে দিব বুলি সদৰী কৰে। আনহাতে কংগ্ৰেছৰ প্ৰাক্তন মন্ত্ৰী তথা ডিব্ৰুগড় জিলা কংগ্ৰেছৰ সভাপতি এতোৱা মুণ্ডায়ো ৰাজেদ আলী চৌধুৰীৰ মন্তব্যৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিবলৈ গৈ কোনো কংগ্ৰেছ কৰ্মীয়ে এনে মন্তব্য নকৰে বুলি দাবী কৰে। গতিকে ৰাজেদ আলীয়ে যদি কৈছে সেইটো তেওঁৰ ব্যক্তিগত কথা বুলি দাবী কৰে। কংগ্ৰেছ দল এনেকুৱা এটা ৰাজনৈতিক দল যি সৰ্বভাৰতজুৰি ব্যাপী আছে। তেনেকুৱা এটা দলে উজনি-নামনি বিচাৰ নকৰে। সকলো জাতি ধৰ্ম বৰ্ণ ভাষা নিৰ্বিশেষে সকলো ৰাইজক লৈ আগুৱাই নিবলৈ বিচৰা এটা ঐতিহাসিক দল। আৰু দৰিদ্ৰ জনসাধাৰণৰ সেৱাৰ কাৰণে সদায় কাম কৰি আহিছে। তেনে স্থলত কাৰোবাৰ ভোট লাগে কাৰোবাৰ নালাগে এনে মন্তব্য কোনো এজন কংগ্ৰেছ কৰ্মীয়ে কব বুলি মনে নধৰে। ৰাজেদ আলিয়ে যদি কৈছে এইটো তেওঁ কথা ইয়াত কোনো ধৰণৰ মন্তব্য নিদিও। গতিকে কংগ্ৰেছৰ দুৱাৰ সকলোৰে বাবে খোলা আছে। আগন্তুক দিনত বিজেপিৰ বিৰুদ্ধে যিবোৰ আঞ্চলিক ৰাজনৈতিক দল গঠন হৈছে এই সকলোবোৰ এক গোট হৈ কংগ্ৰেছৰ নেতৃত্বত চৰকাৰ গঠন কৰিব এইটো দৃঢ় বিশ্বাস বুলি দাবী কৰে। তদুপৰি চাহ জনগোষ্ঠী আৰু মুছলমান সম্প্ৰদায়ৰ ভোট সদায় কংগ্ৰেছৰ পক্ষত থাকে বুলি গুৰুত্বপূৰ্ণ মন্তব্য কৰে।

ইণ্ডিয়ন বৈংক Indian Bank
इलाहाबाद ALLAHABAD

**মাণ্ডলিক কাৰ্যালয়, ডিব্ৰুগড়**

**ডিব্ৰুগড় মণ্ডলৰ বেংকৰ শাখা/কাৰ্যালয়/প্ৰাংগনসমূহৰ ইলেকট্ৰিকেল ছেফটি অডিট আৰু এনাৰ্জি অডিটৰ বাবে এজেন্সি নিযুক্তিৰ বাবে নিবিদা আহ্বানৰ জাননী**

**মাণ্ডলিক প্ৰবন্ধক, ইণ্ডিয়ান বেংক, মাণ্ডলিক কাৰ্যালয় ডিব্ৰুগড়ৰ** সৌজন্যত, তলত দিয়া ঠিকনাত ইণ্ডিয়ান বেংকে দুটা বিড পদ্ধতিত (কাৰিকৰী বিড আৰু বিত্তীয় বিড পৃথককৈ) উপযুক্ত নিবিদাকাৰীৰ পৰা ডিব্ৰুগড় মণ্ডলৰ বেংকৰ শাখা/ কাৰ্যালয়/ প্ৰাংগনসমূহৰ ইলেকট্ৰিকেল ছেফটি অডিট আৰু এনাৰ্জি অডিটৰ বাবে এজেন্সি নিযুক্তিৰ বাবে নিবিদা আহ্বান কৰিছে।

**মাণ্ডলিক প্ৰবন্ধক, ইণ্ডিয়ান বেংক, মাণ্ডলিক কাৰ্যালয়, টি.আৰ. ফুকন ৰোড, চিৰিং চাপৰি, ডিব্ৰুগড়, অসম-৭৮৬০০১**

**নিবিদা প্ৰক্ৰিয়াৰ বাবে সময়সূচী ঃ**


১। নিবিদা প্ৰক্ৰিয়া আৰম্ভ কৰাৰ তাৰিখ/সময় ঃ ১৮/১১/২০২০, দিনৰ ১০.০০ বজাত।
২। নিবিদাকাৰীৰ পৰা লিখিত প্ৰশ্নসমূহৰ স্পষ্টীকৰণৰ বাবে তাৰিখ/সময় ঃ ২১/১১/২০২০, দিনৰ ১২.০০ বজাত।
৩। নিবিদা দাখিলৰ শেষ তাৰিখ আৰু সময়, কাৰিকৰী আৰু বিত্তীয় বিড আৰু ইএমডি সহ ("নিবিদাৰ নিৰ্ধাৰিত তাৰিখ") ঃ ২৭/১১/২০২০, দিনৰ ১২.০০ বজাত।
৪। কাৰিকৰী বিড মুকলি কৰাৰ তাৰিখ/সময় ঃ ২৭/১১/২০২০, বিয়লি ৩.০০ বজাত।
৫। বিত্তীয় বিড মুকলিৰ তাৰিখ/সময় ঃ কাৰিকৰী বিডৰ পৰীক্ষাৰ পিছত বিত্তীয় বিড মুকলিৰ বাবে সুকীয়াকৈ তাৰিখ আৰু সময় নিৰ্ধাৰণ কৰা হ'ব।

বেংকে যিকোনো সময়তে কোনো ধৰণৰ কাৰণ প্ৰদৰ্শন নকৰাকৈ বা জাননী জাৰি নকৰাকৈ যিকোনো নিবিদা বা সকলো নিবিদা বাতিল কৰাৰ আৰু প্ৰক্ৰিয়া স্থগিত ৰখাৰ অধিকাৰ সংৰক্ষিত থাকিব। সবিশেষ তথ্যৰ বাবে বেংকৰ ৱেবছাইট - **www.indianbank.in** চাওঁক।

**তাৰিখ ঃ ১৮/১১/২০২০** **মাণ্ডলিক প্ৰবন্ধক**



চাবুৰাত অগপৰ বিশাল জাতীয় ঐক্য সন্মিলন, মঙলবাৰৰ ছবি




## ঢকুৱাখনাত অনাময় আঁচনি ৰূপায়ণত দুৰ্নীতি সংঘটিতৰ অভিযোগ নস্যাৎ

### টিএমপিকেক সকীয়নি দুই সন্থাৰ




**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢকুৱাখনা, ১৭ নৱেম্বৰ ঃ** ঢকুৱাখনাত অনাময় আঁচনিত ৰূপায়ণৰ বেলিকা বিজেপি দলৰ কৰ্মীসকলৰ বিৰুদ্ধে সততে টি এম পি কেই উত্থাপন কৰা দুৰ্নীতিৰ অভিযোগ নস্যাৎ কৰিছে ঢকুৱাখনা সেচ্ছাসেৱী সন্থা আৰু আত্মসহায়ক গোট সন্থাই। এক সংবাদ মেলযোগে এই অভিযোগ উত্থাপন কৰি সেচ্ছাসেৱী সন্থা আৰু আত্মসহায়ক গোট সন্থাৰ নেতৃত্বই কয়— অনাময় আঁচনিৰ কাম কোনো ব্যক্তি বিশেষৰ দ্বাৰা কৰা নহয়। ইয়াত সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধিৰে গঠিত অৰাজনৈতিক সংগঠন বা আত্মসহায়ক গোটৰ দ্বাৰাহে কৰা হয়। ইয়াত কোনো ৰাজনীতিৰ কথা নাই। বৰঞ্চ মিছিং স্বায়ত্তশাসিত পৰিষদ গঠন হোৱা দিন ধৰি টিএমপিকে, এমএমকে আদি সংগঠনৰ কৰ্মীসকলে কাম কৰি আহিছে যদিও বহু ঠাইত কাম নোহোৱাকৈ বিল উলিয়াই নিয়াৰ অভিযোগ আছে। তেনেস্থলত কেৱল ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিতভাৱে বিশেষ এটা দলক লক্ষ্য কৰি লোৱাত আশ্চৰ্য প্ৰকাশ কৰে। আনকি টিএমপিকে, এমএমকে কোনো এটা নিৰ্দিষ্ট ৰাজনৈতিক দলৰ একচেটিয়া সম্পত্তি নহয়। অৰাজনৈতিক সংগঠন হিচাপে ইয়াত সকলো দলৰে সমৰ্থক থাকিব পাৰে। সেয়েহে টিএমপিকেক মিছিং জাতিৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে সকলোবোৰ দিশতে কাম কৰি দুৰ্নীতি নিৰ্মূল কৰাত আগভাগ ল'বলৈ সকীয়াই দিয়ে। ইফালে সংবাদ মেলত সংগঠনটোৱে পঞ্চায়তসমূহত সংঘটিত আন এক দুৰ্নীতিৰ কথা উদঙাই দিয়ে । সংবাদ মেলত সংগঠনটোৰ নেতৃত্বৰ অভিযোগ— মাতমৰা গাঁও পঞ্চায়তত বাঁহ ৰোপণৰ নামত ৭২ লাখ টকা আৰু পুখুৰী খন্দাৰ নামত ৫.২০ লাখ টকাৰ দুৰ্নীতি সংঘটিত হৈছে। একেদৰে পূব ঢকুৱাখনা গাঁও পঞ্চায়তত অভয়াপুৰ লাহন গাঁৱৰ খহনীয়া ৰোধৰ নামত ৩০ লাখ টকা দুৰ্নীতি সংঘটিত হৈছে।

### টিহুত যুৱ-ছাত্ৰ পৰিষদৰ অধিৱেশনত ব্ৰজেন চৌধুৰী

## ৰাজ্যত অৰ্থনৈতিক সংগ্ৰাম গঢ়ি তুলিব অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে

**দৈনন্দিন বাৰ্তাৰ সেৱা, টিহু, ১৭ নৱেম্বৰ ঃ** "অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে ৰাজ্যত এক অৰ্থনৈতিক সংগ্ৰাম গঢ়ি তুলিব। অৰ্থনৈতিক সংগ্ৰামৰ মাজেৰে বৃহত্তৰ অসমীয়া জাতিটো আগবঢ়াই নি এখন নতুন সমাজ গঢ়াৰ প্ৰয়াস কৰিছে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে।" অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ক্ৰীড়া সম্পাদক ব্ৰজেন চৌধুৰীয়ে কালি সন্ধিয়া টিহুত এইদৰে কয়। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ টিহু আঞ্চলিক সমিতিৰ অধিৱেশনৰ প্ৰতিনিধি আৰু বিষয় বাছনি সভাত চৌধুৰীয়ে লগতে কয় যে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে দীৰ্ঘদিন ধৰি পূৰ্ণ স্বায়ত্ব শাসন, দ্বি নাগৰিকত্ব, আন্তঃৰাজ্যিক পাৰপত্ৰ ব্যৱস্থা প্ৰৱৰ্তনৰ দাবীত সংগ্ৰাম অব্যাহত ৰাখিছে। তেওঁ সাম্প্ৰতিক সময়ত একাংশই ধৰ্মৰ নামত সমাজ ভাঙি দিয়াৰ কূট কৌশলী ৰাজনীতি আৰম্ভ কৰা বুলি আক্ষেপ প্ৰকাশ কৰি খিলঞ্জীয়াৰ মাজত বিভাজনৰ ষড়যন্ত্ৰ কৰা শক্তিক যুৱ ছাত্ৰ পৰিষদে প্ৰতিহত কৰিব বুলি দৃঢ়ভাৱে ঘোষনণা কৰে। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ টিহু আঞ্চলিক সমিতিৰ সভাপতি তপন গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত এই




সভাত যুৱ নেতা চৌধুৰীয়ে ন্যায্য প্ৰাপ্তিৰ বাবে সাংবাদিক সমাজক ঐক্যবদ্ধ সংগ্ৰামৰ আহ্বান জনাই এই ক্ষেত্ৰত যুৱ ছাত্ৰ পৰিষদ সাংবাদিক সমাজৰ লগত থাকিব বুলি কয়। টিহু মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ডঃ ভৱেশ চন্দ্ৰ চৌধুৰীয়ে উদ্বোধন কৰা আৰু যুৱ নেতা ৰাতুল কলিতাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰা উক্ত সভাত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতিৰ উপদেষ্টা নগেন শাৰ্লে, সভাপতি মনোৰম কলিতা, যুটীয়া সম্পাদক যোগেশ কলিতা, প্ৰণৱজ্যোতি কলিতা, প্ৰচাৰ সম্পাদক সঞ্জয় কলিতা প্ৰমুখ্যে সংগঠনটোৰ নেতৃবৃন্দৰ লগতে নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক পংকজ বেজবৰুৱাও উপস্থিত থাকে। অনুষ্ঠানত স্থানীয় সাংবাদিক সকলক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয় । সভাত টিহু মহকুমাৰ কামকাজ শীঘ্ৰে আৰম্ভ কৰাৰ দাবীকে ধৰি কেবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয় । উক্ত সভাতেই তপন গোস্বামীক সভাপতি আৰু ভৱেশ কলিতাক সাধাৰণ সম্পাদক হিচাপে লৈ সংগঠনটোৰ টিহু আঞ্চলিক সমিতিৰ নতুন কাৰ্য্যনিৰ্বাহক সমিতি গঠন কৰা হয় । ইয়াৰ পূৰ্বে পতাকা উত্তোলন, শ্বহীদ তৰ্পন আদি কাৰ্য্যসূচী ৰূপায়ণ কৰা হয় । সন্ধিয়া বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ সামৰণি পৰে।

## নগাঁৱৰ কাছমাৰী পঞ্চায়তত ৯খন আঁচনিৰ শুভাৰম্ভ বিধায়ক ৰূপক শৰ্মাৰ




**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৭ নৱেম্বৰ ঃ** নগাঁও সদৰ সমষ্টিৰ অন্তৰ্গত কাছমাৰী পঞ্চায়তত চুৰ্তদশ বিত্তীয় আয়োগ আৰু ৰাজ্যৰ স্ব-শিতানৰ অগ্ৰাধিকাৰ দাবী অনুমোদিত আঁচনিৰ অধীনত 9 টাকৈ আঁচনিৰ আজি শুভাৰম্ভ কৰে নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই । আজি শুভাৰম্ভ কৰা আঁচনি সমূহ হৈছে- টকৌবাৰী ভূপেন হাজৰিকা মুকলি মঞ্চৰ ৰভাঘৰ নিৰ্মাণ, উত্তৰ বহুৱাভেটি ভেৰভেৰী অনুসুচিত জাতিৰ প্ৰাথমিক বিদ্যালয়ৰ শ্ৰেণীকোঠা নিৰ্মাণ, বামুনগাঁও,মহেখুচা,টকৌবাৰী আঞ্চলিক কৃষ্টি বিকাশ কেন্দ্ৰ নিৰ্মাণ, পুখুৰীপাৰ মূলপথৰ পৰা সমীৰ বৰদলৈ ঘৰলৈ যোৱা চি চি ব্লক পথ নিৰ্মাণ, জলময় গাঁও তিনিআলিৰ পৰা গেদাৰবড়ী পথাৰচুকলৈ চি চি ব্লক পথ নিৰ্মাণ, চিধা মৰিগাঁও ৰোডৰ পৰা ডেকাগাঁৱৰ ৰাজু বৰাৰ বাসগৃহলৈ চি চি ব্লক পথ নিৰ্মাণ, কাছমাৰী বিহু মঞ্চ নিৰ্মাণ, বেজগাঁও কৃষ্টি বিকাশ কেন্দ্ৰ নিৰ্মাণ, কাছমাৰী পঞ্চায়তৰ কাৰ্যলয়ৰ বাটচ'ৰা আৰু চৌহদৰ দেৱাল নিৰ্মাণ। উল্লেখিত আঁচনি সমূহ শুভাৰম্ভ কৰি বিধায়ক ৰূপক শৰ্মাই এই আঁচনি সমূহৰ জৰিয়তে পঞ্চায়তটোৰ জনসাধাৰণ উপকৃত হব বুলি আশা প্ৰকাশ কৰে ।আজি উন্নয়ন মূলক আঁচনি সমূহৰ শুভ উদ্বোধনী অনুষ্ঠানত নগাঁও জিলা পৰিষদৰ সভাপতি মুনমুনি দাস বৰা,তিৱা স্বায়ত্ব পৰিষদৰ উপাধক্ষ্য বিদুৎ বৰদলৈ,কাছমাৰী জিলা পৰিষদৰ সদস্যা কাঞ্চন বৰদলৈ,খাগৰিজান উন্নয়ন খ'ৰ আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী দিপাঞ্জলী কোঁৱৰ,কাছমাৰী পঞ্চায়তৰ সভাপতি পংকজ বৰা প্ৰমুখ্যে পঞ্চায়তটোৰ প্ৰতিনিধি, দলীয় কাৰ্যকৰ্তা আৰু কেইবাগৰাকীও স্হানীয় গণ্য মান্য ব্যক্তিৰ লগতে ৰাইজ উপস্থিত থাকে।

**GOVERNMENT OF ASSAM**
**OFFICE OF THE DIRECTOR, A. H. & VETERINARY DEPARTMENT, B.T.C., KOKRAJHAR**

**NOTICE INVITING QUOTATION**

Separate sealed quotations affixing non-refundable Court fee of **Rs. 8.25 (Rupees eight and twenty five paisa)** only are invited from the interested Manufacturers / Dealers / Company Authorized Farms / Traders for in separate covers for each group the supply of the below mentioned groups of Vety. Medicines, Vaccines & etc. to the office of the Director, A.H. & Vety. Deptt., BTC, Kokrajhar for the Financial Year 2020-21.

| Group No. | Name of Item | Remarks |
|---|---|---|
| A | Antibiotic (Parenteral, Oral, Topical) Antiseptic Ointment and Spray etc. | Detailed lists of medicines and A. A. amount against each group may be collected from the office of the undersigned during office hours upto 12.00 noon of 21st Nov'2020. |
| B | Analgesic, Antipyretic, Antihistaminic, Glucocorticoids/ Steroids, Sedative, Hormones Intravenous, Intrauterine, Intramammary Infusious & Probiotic etc. | |
| C | Anthelmintic, Antiprotozoal, Ectoparaciticide etc. | |
| D | Antidiarrheal, Antitussive, Antibloat etc. | |
| E | Stomachic, Rumenotonic, Liver Stimulants, Digestive etc. | |
| F | Vitamins, Mineral, Feed Supplements, Galactagogue etc. | |
| G | Non-patent drugs such as Boric Acid, Potasium Permanganate, Zinc Oxide, Magnesium Sulphate Powder, Oil Turpentine etc. | |
| H | Vaccines for Livestock | |

**The bidder should enclose the following documents with their bid.**

(a) Bid Security/Earnest Money @ 1% of A. A. amount for each group in the form of Call Deposit/NSC/Demand Draft duly pledged in favour of "The Director, A.H. & Veterinary Department, BTC, Kokrajhar".
(b) Copy of Trade License with up-to-date validity.
(c) Drug License with up-to-date validity.
(d) Self attested copy of GST Registration Certificate.
(e) Self attested copy of PAN Card.

The quotations will be received at the Office of the undersigned up to **1.00 P.M of 21st Nov'2020** and will be opened at **1.30 P.M.** of the same day. In case, last date of receipt is happened to be a non-working day for any reason, the next working day will be considered as the date for submission of Quotations and opening thereof. The bidders or their representatives may remain present at the time of opening of the quotations.

**Terms & Conditions**

01. Rate should be quoted for 1(One) Unit as per required presentation of each item.
02. The Quoted Rate should not exceed the MRP of the particular item (wherever applicable) and should be quoted legibly both in **Figure and Words.**
03. The rate should be quoted including GST.
04. **To facilitate prompt evaluation, the bidder shall quote rate as per format of quotation attached.**
05. The bidder shall supply the goods with expiry date not shorter than 1 (One) year from the date of supply of medicines.
06. The purchaser is not bound to procure all the items even it is in the approved list.
07. The medicines thus to be supplied should be of full quantity as per order otherwise short supplied items will not be received.
08. All the items should be supplied within 15 days from the date of issue of supply order.
09. The decision of the Director, A. H. & Veterinary Department, BTC, Kokrajhar/BTC Secretariat shall be the final in case of any dispute.
10. The selected bidders will have to execute a Bond with this Department before the issue of formal order of supply.
11. Medicine & etc. thus to be supplied should be placed before the checking committee of this Department for acceptance thereby by the Department.

(Dr. D.K. Bhuyan)
i/c, Director,
A. H. & Vety. Deptt., BTC, Kokrajhar

Memo No: DV/BTC/VETY/D-16/2020-21/533/ Dated Kokrajhar the 11Th Nov'2020

## বাঘ মাৰিবলৈ যাঠী-জোং লৈ পথত জনতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাজিৰঙা, ১৭ নৱেম্বৰ ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা এটা প্ৰকাণ্ড ঢেকীয়াপতীয়া বাঘে ৰাষ্ট্ৰীয় উদ্যানখনৰ দাঁতিকাষৰীয়া অঞ্চলৰ ৰাইজৰ পশুধন নিধন কৰাৰ পাছত সমগ্ৰ অঞ্চলটোত সম্প্ৰতি উত্তেজনাৰ সৃষ্টি হৈছে। বাঘ নিধন কৰিবলৈ হাতে হাতে যাঠী-জোং লৈ ওলাই অহা একাংশ উত্তেজিত লোকে বন বিভাগৰ পহৰা চকী অগ্নিসংযোগ কৰাৰ লগতে পথ বন্ধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। কালি সন্ধিয়া কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰা বনাঞ্চলৰ অধীনত শিলডুবি গাঁও নিৱাসী মিহিৰ দত্তৰ গোহালিত ৰাষ্ট্ৰীয় উদ্যানখনৰ পৰা ওলাই অহা এটা প্ৰকাণ্ড ঢেকীয়াপতীয়া বাঘে এটা গৰু নিধন কৰে। ৰাষ্ট্ৰীয় উদ্যানখনৰ পৰা বাঘ ওলাই আহি গোহালিত গৰু নিধন কৰাৰ পাছত ৰাইজ আতংকিত হৈ বন বিভাগৰ লোকক খবৰ দিয়ে। স্থানীয় ৰাইজে অভিযোগ কৰা মতে, উক্ত গাঁৱত বাঘে আতংকৰ সৃষ্টি কৰি থকাৰ পাছতো বন বিভাগৰ লোকে কোনো নিৰাপত্তাৰ ব্যৱস্থা হাতত নোলোৱাত বাঘটোৱে কালি নিশা পুনৰ একে গাঁৱৰ চুটু ওৰাঙৰ এটা গাহৰি নিধন কৰি লৈ যায়। আহত বাঘটোৱে গাঁৱত আতংক অব্যাহত ৰখাৰ পাছতে বন বিভাগৰ লোকৰ গুৰুত্বহীনতাৰ বাবে ৰাইজ উত্তেজিত হৈ পৰে। স্থানীয় ৰাইজৰ লগতে পশুধনৰ নিৰাপত্তা বিচাৰি ৰাইজে দাবী জনাই অহাৰ পাছতো কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই কোনো ব্যৱস্থা নোলোৱাত একাংশ লোক উত্তেজিত হৈ শিলডুবিত থকা বন বিভাগৰ এটা পহৰা চকীত অগ্নিসংযোগ কৰে। ইয়াৰ পাছত উত্তেজিত ৰাইজে বন বিভাগৰ লোকে ব্যৱহাৰ কৰা এটা পথৰ কালভাৰ্ট খান্দি আঁতৰোৱাৰ উপৰি বাঁহ বান্ধি বন বিভাগৰ কোনো বাহন চলাচল কৰিব নোৱৰাকৈ পথ অৱৰোধ কৰে। ৰাইজে অভিযোগ কৰা মতে, বন বিভাগৰ লোকে বাঘটো খেদাৰ কোনো ব্যৱস্থা হাতত নোলোৱাত আজি ৰাইজে বাধ্য হৈ হাতে হাতে যাঠী, জোং লৈ বাঘ খেদিবলৈ ওলাই আহে। ইফালে পৰিস্থিতি উত্তপ্ত হৈপৰাত কাজিৰাঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই কঁহৰা আৰক্ষীক অৱগত কৰিবলৈ বাধ্য হয়। আনহাতে, আজি পুৱা বোকাখাতৰ ৰাজহ চক্ৰ বিষয়া তথা দণ্ডাধীশ মানসজ্যোতি নাথ আৰু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন সংমণ্ডল বিষয়া ৰমেশ গগৈ ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে ৰাইজৰ সৈতে আলোচনাত মিলিত হয়। বাঘে নিধন কৰা পশুধনৰ গৰাকীক চৰকাৰে উচিত ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰাৰ লগতে নিৰাপত্তা দিয়াৰ প্ৰতিশ্ৰুতি দিয়াত পৰিস্থিতি কিছু শাম কাটে যদিও বৰ্তমান বাঘৰ আতংকৰ মাজত চেপা উত্তেজনা অব্যাহত আছে। আনহাতে, আজি ৰাইজ বা বন বিভাগৰ লোকে বাঘটো প্ৰত্যক্ষ কৰা নাই যদিও উদ্যান কৰ্তৃপক্ষই বহুসংখ্যক নিৰাপত্তাৰক্ষী উক্ত এলেকাত নিয়োগ কৰিছে বুলি বন সংমণ্ডল বিষয়াই জানিবলৈ দিয়ে। উল্লেখ্য, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দ্বিতীয় সংযোজন এলেকা হ'ল শিলডুবি গাঁও। ইতিমধ্যে উক্ত এলেকা অৰ্থাৎ দ্বিতীয় সংযোজন এলেকাত বহু বছৰৰ পৰা বাস কৰি থকা লোকে নিজৰ মাটি- ভেটি ত্যাগ কৰাৰ পাছত ক্ষোভিত হৈ আছিল। তেনে পৰিস্থিতিত উচ্ছেদিত লোকৰ পশুধন বাঘে নিধন কৰাৰ পাছতো নিৰাপত্তা আৰু উচিত ক্ষতিপূৰণ নোপোৱাত ৰাইজৰ মাজৰ পৰা ক্ষোভৰ উদগীৰণ হৈছে বুলি সচেতন মহলে মত প্ৰকাশ কৰে। আনহাতে, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন সংমণ্ডল বিষয়া ৰমেশ গগৈয়ে জানিবলৈ দিয়া মতে, বাঘটো কালি পথাৰত আছিল। বন বিভাগৰ লোকে কেইবাজাঁই গুলী ফুটাই খেদাবলৈ চেষ্টা চলাই ছিল। বাঘটো কোনো কাৰণত আঘাতপ্ৰাপ্ত হ'ব পাৰে গতিকে কাষৰীয়া গাঁৱলৈ আহি সহজ চিকাৰ কৰি আছে। বন বিভাগৰ লোকে বাঘটোৰ সন্ধান চলাই আছে যদিও আজি প্ৰত্যক্ষ কৰা নাই ।

দৈনন্দিন বাৰ্তা
সম্পাদকীয়
১৮ নৱেম্বৰ ■ ২০২০ ■ ২ আঘোণ ■ গুৱাহাটী

# ২০২১ৰ নিৰ্বাচন আৰু কংগ্ৰেছ দল

দেশৰ ৰাজনীতিত দপদপাই থকা মহা প্ৰতাপী কংগ্ৰেছ দলটোৰ আজি পশ্চাদমুখী যাত্ৰাই ভাৰতৰ জনসাধাৰণক আচৰিত কৰি তুলিছে। এনে অৱস্থাই অসমৰ দৰে ৰাজ্যতো খলকনি তুলিছে। কাৰণ অসমত ২০২১ চনৰ যিকোনো এটা মাহতেই নিৰ্বাচন হোৱাটো খাটাং। দলটোৰ ৰাষ্ট্ৰীয় তথা ৰাজ্যখনৰ নিৰ্বাচনত আজিৰ পৰিস্থিতিত বৰ উন্নত ফল আশা কৰিব নোৱাৰি। ২০০১ৰ পৰা ৰাজ্যত একেৰাহে তিনিটাকৈ কাৰ্যকাল শাসন কৰা কংগ্ৰেছৰ সাংগঠনিক স্থিতি সৱল বুলি ক'ব নোৱাৰি। তাৰ বিপৰীতে শাসক দল বিজেপিয়ে সকলো দিশৰ পৰা চাপ সৃষ্টি কৰাৰ পাছতো তাক প্ৰত্যাহ্বান জনাব পৰাকৈ কোনো কাৰ্যসূচী কংগ্ৰেছে ৰূপায়ণ কৰিব পৰা নাই। বৰঞ্চ ১৫ বছৰীয়া শাসন কালত গঢ় লৈ উঠা মদগৰ্বিতাই দলৰ জ্যেষ্ঠ নেতাসকলক দিনে দিনে ৰাইজৰ পৰা আঁতৰাইহে নিছে। যি সময়ত প্ৰায় এবছৰ পূৰ্বৰে পৰাই বিজেপিয়ে ২০২১ৰ নিৰ্বাচনৰ বাবে সাজু কৰি তুলিছে, সেই সময়ত কংগ্ৰেছে অন্তঃকন্দলত নিজকে ব্যস্ত ৰাখি সময় নষ্ট কৰিছে। উল্লেখ্য যে নিৰ্বাচনৰ বাবে ছমাহো নথকা অৱস্থাত অধিকাংশ জ্যেষ্ঠ নেতাই প্ৰদেশ কংগ্ৰেছৰ নেতৃত্ব দখলৰ যুঁজত ব্যস্ত। তেওঁলোকৰ ধাৰণা বিজেপিৰ প্ৰতি ৰাজ্যবাসী অসন্তুষ্ট হেতুকে কংগ্ৰেছকে ৰাইজে শাসনৰ গাদীত বহুৱাব। এয়া সপোন। তাৰ বিপৰীতে দলে একত্ৰিত হৈ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ বাবে সাজু হ'ব পৰা নাই। তদুপৰি হাইকমাণ্ডৰ নিৰ্দেশলৈ বহুতে বাট চাই আছে। কিন্তু ২০১৪ত বিফল নিৰ্বাচনৰ পিছত কেন্দ্ৰীয় নেতৃত্বই দিক্ নিৰ্দেশনা দিয়াতো ব্যৰ্থ হৈছে। আনহাতে, এআইইউডিএফৰ লগত মিত্ৰতা কৰাৰ ক্ষেত্ৰত বহুতে বিচৰা নাই, যাৰ বাবে দলীয় নেতা-কৰ্মীসকল বিভ্ৰান্ত হৈছে। তদুপৰি কেইবাজনো প্ৰাক্তন মন্ত্ৰী-বিধায়কে বিজেপিত যোগদান কৰাটো খাটাং হৈ পৰিছে। আনহাতে, বিহাৰৰ নিৰ্বাচনৰ ফলাফলে দলটোক সাহসতকৈ অধিক দুৰ্বল কৰি পেলালে। যাৰ বাবে দলৰ গতি-বিধিক লৈ হিচাপ-নিকাচ চলিছে। এই সকলোবোৰ চাই কংগ্ৰেছে ২০১৬ৰ নিৰ্বাচনতকৈও শোচনীয় ফলাফল প্ৰদৰ্শন কৰিব। এইক্ষেত্ৰত দলে বিৰোধীৰ মৰ্যাদা হেৰুৱাব পাৰে। বিৰোধীৰ শক্তি যে দুৰ্বল এই কথা শাসনত থকা বিজেপি দলে ভালকৈ বুজি পাইছে। মুঠতে আগন্তুক বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দলে উন্নত ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হ'ব বুলি আশা কৰিব নোৱাৰি।

## সম্পাদকলৈ চিঠি

মতামতৰ বাবে সম্পাদক দায়ী নহয়

### বনভোজস্থলীত বন্য উল্লাস

# আনক দিয়া অশান্তি কিমান গ্ৰহণযোগ্য ?

যান্ত্ৰিক জীৱনৰ পৰা আঁতৰি কৰা আনন্দ-স্ফূৰ্তিৰ আন এটা নাম বনভোজ। বছৰটোৰ দুখ-ভাগৰ, নেতিবাচকতাক নিলগাই থৈ নতুনক আদৰা নাইবা পুৰণিক বিদায়ৰ সময়কণ পৰিয়াল নাইবা বন্ধুবৰ্গৰ সৈতে এসাঁজ লগে-ভাগে খাই উদ্‌যাপন কৰিবলৈ প্ৰায় মানুহেই বিচাৰে। ই দিয়া মানসিক প্ৰশান্তিৰ মাদকতাই সুকীয়া। বিগত বৰ্ষত 'কা'বিৰোধী আন্দোলনে আমাৰ ৰাজ্যখনত বনভোজৰ পৰিৱেশ বিঘ্নিত কৰিছিল। এইবাৰ আকৌ কৰ'নাৰ তাণ্ডৱ। অৱশ্যে লাহে লাহে মহামাৰী নিৰ্মূল নহ'লেও সুস্থিৰ অৱস্থালৈ অহাৰ লক্ষণ দেখা গৈছে। মানুহৰ আগৰ ভয় ভালেখিনি কমি স্বাভাৱিক জীৱন-যাত্ৰালৈ উভতি আহিছে। আশা কৰিব পাৰি ডিচেম্বৰ-জানুৱাৰী মাহৰ এই সময়ছোৱাত এইবাৰ পূৰ্বৰ বনভোজৰ পৰিৱেশটো আকৌ উভতি আহিব। বছৰটোৰ প্ৰায় আধা সময় ঘৰৰ ভিতৰতে আবদ্ধ হৈ কটোৱাৰ পিছত নিশ্চয় এইবাৰ বনভোজৰ উচাহ ভালেখিনি চৰিব।

কিন্তু এই বনভোজৰ কিছুমান নেতিবাচক দিশে আনন্দৰ নামত মানুহ-প্ৰকৃতি আটাইলৈ বৰবিহ ঢালিছে। আমি মানুহ জাতিটো নামতহে জীৱশ্ৰেষ্ঠ। যি প্ৰকৃতিয়ে আমাক বিমল আনন্দৰ খোৰাক যোগায়, তাৰ লগতেই খাই পাত ফলাৰ দৰে ব্যৱহাৰ কৰোঁ। বনভোজৰ আন এক দিশ হৈছে প্ৰকৃতিৰ ৰূপৰ সুধাপান। এই সুধাপানে যাতে প্ৰকৃতি জগতৰ বিঘিনি ঘটাব নোৱাৰে তালৈ আমি মন কৰিব লাগে। কিন্তু আমাৰ বহুজনেই সেইবোৰ দিশ আওকাণ কৰি চলোঁ। বনভোজস্থলীত আমি নিজকে পাহৰি যেন বনৰীয়া হৈ পৰোঁ। উচ্চ প্ৰাবল্যৰ কাণ তাল মাৰি ধৰা সংগীত, কোলাহল, উদ্দাম নৃত্য আদিৰে পৰিৱেশটো কলুষিত কৰি পেলাওঁ। আনন্দ-স্ফূৰ্তিৰ সলনি যেন আমি হুলস্থুল কৰিবলৈহে যাওঁ। এনেকুৱা আচহুৱা পৰিৱেশে চাৰিওকাষৰ বন্য জীৱ-জন্তুক ভীতিগ্ৰস্ত কৰি তোলাটো স্বাভাৱিক। একেৰাহে কেইবাদিনলৈ এনে পৰিৱেশ চলি থকাৰ ফলত বন্যপ্ৰাণীবোৰে ভয়তে বাসস্থান সলাবলৈ বাধ্য হৈ পৰে। ই নিৰীহ প্ৰাণীবোৰৰ আলৈ-আথানি কৰে। কিছুমান অবিবেচকী লোকে আকৌ সেই প্ৰাণীবোৰ মাৰিবলৈ যত্ন কৰে। বনভোজৰ নামত ভালেখিনি খাদ্যবস্তুৰ অপচয় কৰা হয়। বহুতৰ বাবে বনভোজ মানেই মদ-মাংস আৰু নৃত্য। মদৰ ৰাগিত মাতাল হৈ ৰন্ধা খাদ্যবস্তু ইজনে সিজনলৈ দলিয়াই কাজিয়াত লিপ্ত হৈ বনভোজৰ আনন্দক নিৰানন্দত পৰিণত কৰাৰ দৃশ্য সুলভ। এইবোৰে অইন মানুহকখিনিকো অশান্তি দিয়ে। এতিয়া আনক অশান্তি দিব পৰাটোও যেন একপ্ৰকাৰৰ আনন্দৰ লেখীয়াই হৈ পৰিছে। বনভোজস্থলীত মুকলিকৈ সুৰা বিক্ৰী কৰাও দেখিবলৈ পোৱা যায়। খাই-বৈ উঠি ঠাইখিনি চাফ-চিকুণকৈ থৈ নহাৰ ফলতো পৰিৱেশ প্ৰদূষিত হয়। বনভোজস্থলী বুলিলে নদী-নিজৰা প্ৰায় থাকেই। আৱৰ্জনাবোৰ তাত পেলাই পানী প্ৰদূষণ কৰা হয়। সেই পানীকে আকৌ ব্যৱহাৰো কৰা হয়। অসমখনক প্ৰকৃতিৰ 'নুমলী জী' আখ্যা দিয়া হয়। প্ৰাকৃতিক সৌন্দৰ্যৰ এক অপূৰ্ব ভাণ্ডাৰ। প্ৰকৃতিৰ মাজত জীৱনৰ কিছু মুহূৰ্ত কটাবলৈ ইয়াত ঠাইৰ অভাৱ নাই। এই দিশটোলৈ চৰকাৰেও ভালেখিনি গুৰুত্ব দিবলগীয়া আছে। বনভোজস্থলীবোৰক আকৰ্ষণীয়কৈ গঢ়ি তুলিলে ৰাজকোষ সমৃদ্ধ হোৱাৰ বাট এটাও মুকলি হ'ব। কিছু কিছু বনভোজস্থলীত পানী, শৌচাগাৰ, প্ৰস্ৰাৱাগাৰ আদিৰ অভাৱে জীয়াতু ভোগায়। এইবোৰৰ সু-ব্যৱস্থা কৰিব লাগে। স্থানীয় যুৱক-যুৱতীসকলৰ দ্বাৰাই চোৱা-চিতা কৰাৰ বাবে গোট একোটা গঠন কৰি দিব পাৰে। ই নিবনুৱা সমস্যা সমাধানতো সহায়ক হ'ব।

■ অংশুমান ভূঞা
ফোন ঃ ৬০০২৯-৯৪৯৮০

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**
'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

# প্ৰসংগ ঃ মিঞা মিউজিয়াম, বুদ্ধিজীৱী নিমাত কিয় ?



■ অমল চন্দ্ৰ কোঁৱৰ

আজি কেইদিনমানৰ পৰা অসমৰ সংবাদ মাধ্যম ব্যস্ত হৈ আছে এটা বিষয়ত। বিষয়টো হৈছে মিঞা মিউজিয়াম। বিধায়ক শ্বেৰমান আলীক শংকৰদেৱৰ কলাক্ষেত্ৰত একেবাৰেই অসমীয়া বৰঘৰত লাগে মিঞা মিউজিয়াম। যি কলাক্ষেত্ৰ মিঞা খেদা আন্দোলনৰ ফলস্বৰূপে নিৰ্মাণ কৰা হৈছিল সেই কলাক্ষেত্ৰতেই এতিয়া কংগ্ৰেছ দলৰ বিধায়ক শ্বেৰমান আলীক লাগে মিঞা মিউজিয়াম। এই কথা এতিয়া অসমৰ সংবাদ মাধ্যমত বহুল চৰ্চাৰ বিষয় হৈ পৰিছে। পুৱাই বাতৰি কাকতত দেখিবলৈ পাওঁ শ্বেৰমান আলীৰ সেই বিতৰ্কিত কথাবোৰ। কিন্তু আমি কিয় পঢ়িম শ্বেৰমানৰ সেই বিতৰ্কিত কথাবোৰ? কিয়বা পঢ়িম পুৱাই পুৱাই সেই সাম্প্ৰদায়িক কথাবোৰ? অসমীয়া জাতিৰ হৃদপিণ্ড শংকৰদেৱৰ কলাক্ষেত্ৰত মিঞা, নীলা লুঙি আৰু কলপতীয়া শাৰী ৰাখিব লাগে বুলি ক'বলৈ এই বিধায়ক শ্বেৰমান আলীয়ে ক'ত অধিকাৰ পালে?

আমাৰ বুদ্ধিজীৱীসকল কিন্তু এই ক্ষেত্ৰত নিমাত। যেতিয়াই কোনো মুছলমান লোকে সাম্প্ৰদায়িক কথা কয় তেতিয়াই কিন্তু আমাৰ বুদ্ধিজীৱীসকল নিমাত হৈ পৰে। এই কথা যদি কোনোৱা বিহাৰী বা বেংগলী সম্প্ৰদায়ৰ লোকে কোৱা হ'লে অসমৰ ৭০ + ৩০টা জাতিৰ নামধাৰী সংগঠন আৰু একাংশ বাঁও বুদ্ধিজীৱীয়ে আন্দোলনৰ বাবে জাকে জাকে ওলাই আহিলহেঁতেন, কিন্তু শ্বেৰমান আলীয়ে কৰা এনেধৰণৰ সাম্প্ৰদায়িক কথাৰ বাবে কোনেও প্ৰতিবাদ নকৰে। ইয়াৰ কাৰণ নিশ্চয় তুষ্টিকৰণেই হ'ব। সেই বাবেই আমি আমাৰ পূৰ্বৰ কেইবাটাও নিবন্ধত অসমৰ এইসকল বাঁও বুদ্ধিজীৱীক মই 'কু-বুদ্ধিজীৱী', 'বুদ্ধিভ্ৰষ্ট বুদ্ধিজীৱী', 'ভ্ৰষ্টজীৱী' আদিয়ে নামকৰণ কৰিছোঁ। অসমীয়া জাতিৰ নিধন যজ্ঞ পতা কেইজনমানে এতিয়া ৰাজ্যৰ মূধাফুটা বুদ্ধিজীৱী। গুপ্তঘাতকৰ সময়ত পুলিচৰ চাকৰি কৰি অসমীয়া ডেকা ল'ৰা হত্যা কৰাসকলো কিন্তু এতিয়া 'কা' আন্দোলনৰ সময়ত অসম বচাওঁ আন্দোলনৰ গুৰি ধৰোঁতা।

এয়াই আমাৰ বৌদ্ধিক জগতৰ বুদ্ধিজীৱীৰ বৌদ্ধিক দীনতা।

শ্বেৰমান আলী এনেকুৱা এজন মানুহ তেওঁ নিজৰ চাকৰিৰ কাৰ্যকালেই ভালদৰে কৰিব নোৱাৰিলে। যিজনে চাকৰি কৰি থাকোঁতে লগৰ এজন অভিযন্তাৰ পত্নীক পলুৱাই আনিছিল। সেই কথা ইতিমধ্যেই জ্যেষ্ঠ সাংবাদিক দিগন্ত দাসেই টাইম ৮ (Times8) নামৰ এটা পৰ্টেল চেনেলযোগে সদৰী কৰিছে। এটা সাক্ষাৎকাৰ দিগন্ত দাসে Times 8ৰ আগত এই কথা প্ৰকাশ কৰাৰ লগতে শ্বেৰমান আলীৰ বিৰুদ্ধে আৰু বহুতো নজনা কথা প্ৰচাৰ কৰিছে। গতিকে পৰস্ত্ৰী পলুৱাই অনা কংগ্ৰেছ দলৰ এইজন সাম্প্ৰদায়িক মন্তব্য কৰা বিধায়কক লৈ বাৰু আমি কিয় ব্যস্ত থাকিব লাগে? এনেকুৱা এজন বিধায়কৰ বিৰুদ্ধে কিন্তু আমাৰ বুদ্ধিজীৱী নিমাত। তেওঁলোকৰ মুখত এতিয়া শ্বেৰমান আলীৰ বিৰুদ্ধে মন্তব্য শুনিবলৈ পোৱা নাযায়।

যি মিঞা খেদিবলৈ অসমীয়াই ছবছৰ আন্দোলন কৰিছিল। যি মিঞাক খেদিবলৈ অসমীয়াই ৮৮৫জন বীৰ শ্বহীদ কৰিব লগা হৈছিল। সেই অসমীয়াই অসম চুক্তিৰ বিনিময়ত পোৱা শংকৰদেৱৰ কলাক্ষেত্ৰত মিঞাৰ লুঙী, শাৰীৰ মিউজিয়াম পাতিবলৈ সাহস কৰা এইজন বংগমূলীয় বিধায়কৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ অসমত নাই এটাও জাতীয় সংগঠন। এয়াই হ'ল আমাৰ জাতীয়তাবাদী সংগঠন। নিজ দলৰ সভাপতিকো কেয়াৰ নকৰা এই সাম্প্ৰদায়িক বংগমূলীয় মিঞা বিধায়কজন যদি পুনৰ নিৰ্বাচনত নিৰ্বাচিত হৈ আহে তেতিয়া অসমীয়াই আৰু কি কি কথা শুনিবলৈ পাব লাগিব সেই কথা সময়েহে ক'ব। গতিকে আমি এতিয়াই শ্বেৰমানৰ দৰে মিঞাবোৰক বিধানসভা নিৰ্বাচনত যিকোনো মূল্যৰ বিনিময়ত পৰাজয় কৰাবই লাগিব।

আমি এনেধৰণৰ কথা কোৱাৰ বাবে আমাক হয়তো কোনোৱেই সাম্প্ৰদায়িক বুলি ক'ব পাৰে। তাত আমাৰ আপত্তি নাই। কিন্তু শ্বেৰমানৰ দৰে মিঞা লোকক আমি আগন্তুক বিধানসভাৰ ভিতৰত সোমোৱাৰ পৰা আঁতৰাই ৰখা ভাল। শংকৰদেৱৰ কলাক্ষেত্ৰত আমি কেতিয়াও কোনো মিঞা লোকৰ মিউজিয়াম হ'বলৈ দিব নোৱাৰো। মিঞা কেতিয়াও অসমীয়া হ'ব নোৱাৰে। মিঞা কেতিয়াও অসমৰ খিলঞ্জীয়া নহয়। গতিকে কলাক্ষেত্ৰত আমি কেতিয়াও মিঞাৰ লুঙী, শাৰী আদি ৰাখিব দিব নোৱাৰো।

মিঞাৰ এয়া অসমীয়া জাতি ধ্বংস কৰাৰ এহাজাৰ বছৰীয়া পৰিকল্পনা। এই পৰিকল্পনাবিলাক বাস্তৱ ৰূপ দিয়াৰ বাবে মিঞা কবিতা, মিঞা মিউজিয়াম ইত্যাদিবোৰ। অসমত আমি কেতিয়াও মিঞা মিউজিয়াম হ'বলৈ দিব নোৱাৰো। এই কথাবোৰ বাৰু আমাৰ সংগঠন, বুদ্ধিজীৱীবোৰে কিয় নকয়? জাতিৰ ঠিকাদাৰসকল নিমাত কিয়? নে যি কথাত তোমালোকৰ লাভ নহয় (আৰ্থিকভাৱে) সেই কথাত তোমালোকে নামাতা? আজি মিঞাই শংকৰদেৱৰ কলাক্ষেত্ৰত মিঞা মিউজিয়াম পাতি লুঙী, শাৰী ৰাখিব বিছাৰিছে। কাইলৈ যদি মিঞাৰ খাদ্যভাষ গো-মাংসৰ ৰেষ্টুৰেণ্ট খোলাৰ কথা কয়? এয়াই ইছলামৰ আগ্ৰাসন। আমি এই আগ্ৰাসন ৰোধ কৰিব লাগিব।

যি মিঞাই নিজৰ লুঙী বা শাৰীখনো নিজে ব'ব নাজানে সেই মিঞাৰ নিজৰ পৰিচয়বা কি? মইতো মিঞাৰ কোনো কলা-কৃষ্টি দেখা নাই। মইতো মিঞাৰ কোনো আৰ্ট দেখা নাই। দেখা নাই মিঞাৰ কোনো হাতে সজা সঁজুলি। মিঞাৰ কোনো বিশেষ সাজ-পোছাক, বিশেষ উৎসৱ-পাৰ্বণ আদিও দেখা নাই। তেনেক্ষেত্ৰত অসমৰ দৰে এক চহকী সংস্কৃতিৱান ঠাইত মিঞাৰ মিউজিয়াম কিয়? এইবোৰ কেনেধৰণৰ কথা? মিঞাসকলে অসমত অবৈধভাৱে প্ৰৱেশ কৰি যেনেতেনে দুইনম্বৰী কৰি ভাৰতীয় নাগৰিকত্ব লাভ কৰি এতিয়া অসমত তেওঁলোকৰ পৰিচয় বিচৰাটোৱেই হাস্যকৰ কথা। তেওঁলোকে যদি নিজৰ পৰিচয় বিচাৰে তেন্তে বাংলাদেশত বিচাৰক। মিঞাই যদি মিউজিয়াম বনাই বাংলাদেশত বনাওক, বাংলাদেশৰ মিউজিয়ামত ৰাখিব লুঙী, শাৰী তাত আমাৰ কোনো আপত্তি নাই। কিন্তু অসমত কিয় মিঞা মিউজিয়াম? যি মিঞাই এতিয়া আৰৱৰ খাদ্যভাষ গ্ৰহণ কৰে, যি মিঞাই আৰৱৰ সাজ-পোছাক পিন্ধে সেই মিঞাই হিন্দুস্থানত মিউজিয়াম পাতিবলৈ সাহস কৰিছে ই কম কথা নহয়। আমি কেতিয়াও এই আৰৱিয়ান খাদ্য বা পোছাক গ্ৰহণ কৰিব নোৱাৰো। আমি কেতিয়াও মিঞাৰ লুঙী, শাৰী ৰাখিবলৈ ঠাই দিব নোৱাৰো। যদি তেওঁলোকে তেওঁলোকৰ এইবোৰ জাতিৰ বাবে আদৰ্শ বুলি ভাবে তেন্তে বাংলাদেশত বনাওক। আমাৰ আপত্তি নাই। কিন্তু অসমত কেতিয়াও মিঞাৰ ৰাজত্ব হ'বলৈ দিব নোৱাৰে। আহক আমাৰ বুদ্ধিজীৱী, জাতিৰ নামধাৰী ৭০ + ৩০ সংগঠন। আমি একেলগে প্ৰতিবাদ কৰোঁ আৰু অসম মিঞা মুক্ত কৰোঁ।

অসমত সনাতন হিন্দু ধৰ্ম লোকৰ একতাৰ অভাৱৰ বাবেই আজি বংগমূলীয় মুছলমান লোকে মিঞা কবিতা, মিঞা মিউজিয়াম আদি পাতিবলৈ বা ক'বলৈ সাহস কৰিছে। এইখন অসম হয় ইয়াত কেৱল মাত্ৰ খিলঞ্জীয়াৰহে প্ৰভুত্ব থাকিব। মিঞা অসমত কেতিয়াও খিলঞ্জীয়া নহয়। মিঞাই যি কৰে তেওঁলোকৰ দেশ বাংলাদেশত কৰক। তাত আমাৰ আপত্তি নাই। কিন্তু আমি অসমৰ শংকৰদেৱৰ কলাক্ষেত্ৰত কিয় অসমৰ কোনো ঠাইতেই মিঞা মিউজিয়াম হ'বলৈ দিব নোৱাৰো। প্ৰয়োজন হ'লে নতুন আইন বনাই আমিনুল, শ্বেৰমানৰ দৰে বংগমূলীয় বিধায়কক জে'লত ভৰাই থ'ব লাগিব। নহ'লে এদেও, দুদেও লোটা নিয়া চেওৰ দৰে অসম ক্ৰমান্বয়ে ইছলামিজেশ্বন হৈ যাব। সময় বহু কম। আমি সকলো সনাতন হিন্দু ধৰ্মৰ লোক এক গোট হৈ তেওঁলোৰ এই পৰিকল্পনা ৰোধ কৰিব লাগিব। এইখিনিতে আমি উল্লেখ কৰা ভাল হ'ব যে অসমৰ যিকোনো কথাতে মাত মাতি থকা, অসমৰ যি কোনো কথাতে প্ৰতিবাদ কৰা আমাৰ একাংশ সাংবাদিক, একাংশ বাঁও বুদ্ধিজীৱীয়ে মিঞাৰ এই কথাবোৰৰ বিৰুদ্ধে কেতিয়াও প্ৰতিবাদ কৰা নাই আৰু নকৰেও। কাৰণ তেওঁলোক তুষ্টিকৰণ। এই বাঁও বুদ্ধিজীৱীসকলৰ বাবেই অসমত মিঞাসকলে এনেধৰণৰ কামবোৰ কৰিবলৈ সাহস পাইছে। আমি কিন্তু মিঞাক কেতিয়াও তেওঁলোকৰ এজেণ্ডা পূৰণ হ'বলৈ দিব নোৱাৰো। তেওঁলোকে এতিয়া অখণ্ড ভাৰতৰ খিলঞ্জীয়া নামৰ এটি কোৰাছ গাবলৈ আৰম্ভ কৰিছে। যদি তেওঁলোক অখণ্ড ভাৰতৰ খিলঞ্জীয়া তেতিয়া হ'লে তেওঁলোক বাংলাদেশ, পাকিস্তানৰহে খিলঞ্জীয়া। কাৰণ দেশ স্বাধীন হওঁতে ধৰ্মৰ ভিত্তিত খণ্ডিত হৈছিল। তেওঁলোকৰ যদি আমাৰ দেশত থাকিবলৈ লাগে তেতিয়া আমাৰ সাজ-পোছাক পৰিধান কৰক আৰু আমাৰ সংস্কৃতি, আমাৰ আচাৰ-ব্যৱহাৰ শিকিবলৈ আৰম্ভ কৰক।

ফোন ঃ ৭০০২৯২৬০৭০

*মিঞাৰ এয়া অসমীয়া জাতি ধ্বংস কৰাৰ এহাজাৰ বছৰীয়া পৰিকল্পনা। এই পৰিকল্পনাবিলাক বাস্তৱ ৰূপ দিয়াৰ বাবে মিঞা কবিতা, মিঞা মিউজিয়াম ইত্যাদিবোৰ। অসমত আমি কেতিয়াও মিঞা মিউজিয়াম হ'বলৈ দিব নোৱাৰো। এই কথাবোৰ বাৰু আমাৰ সংগঠন, বুদ্ধিজীৱীবোৰে কিয় নকয়? জাতিৰ ঠিকাদাৰসকল নিমাত কিয়? নে যি কথাত তোমালোকৰ লাভ নহয় (আৰ্থিক ভাৱে) সেই কথাত তোমালোকে নামাতা? আজি মিঞাই শংকৰদেৱৰ কলাক্ষেত্ৰত মিঞা মিউজিয়াম পাতি লুঙী, শাৰী ৰাখিব বিচাৰিছে। কাইলৈ যদি মিঞাৰ খাদ্যভাষ গো-মাংসৰ ৰেষ্টুৰেণ্ট খোলাৰ কথা কয়? এয়াই ইছলামৰ আগ্ৰাসন। আমি এই আগ্ৰাসন ৰোধ কৰিব লাগিব...*

# মিঞা মিউজিয়াম বিচাৰি এটা যাত্ৰাৰ বাবে এখোজ

■ মাণিক চন্দ্ৰ নাথ

আৰবী সাহিত্যৰ 'এজন আৰবী আৰু তেওঁৰ উটটো' নামৰ সাধুটো সকলোৱে নিশ্চয় জানে। সাধুটোত এটা উটে কেনেকৈ তম্বুৰ ভিতৰৰ পৰা তাৰ গৃহস্থক বাহিৰ কৰিলে সেই বিষয়ে কোৱা হৈছে। ৰাতি ঠাণ্ডাত কঁপি থকা উটটোৱে প্ৰথমতে তাৰ ডিঙিটো তম্বুৰ ভিতৰত সুমুৱাবলৈ দিবৰ কাৰণে তম্বুৰ ভিতৰত থকা গৃহস্থক অনুৰোধ কৰিছিল। দয়ালু গৃহস্থই সেই অনুৰোধ ৰক্ষা কৰিছিল। তাৰ পিছত উটটোৱে তাৰ আগঠেং দুখন, পিঠিখন আৰু শেষত গোটেই গাটোৱে তম্বুৰ ভিতৰত সোমোৱাৰ সুবিধা আদায় কৰি লৈছিল। তম্বুৰ ভিতৰত সোমাই লোৱাৰ পিছত ভিতৰত ঠাই নাইকিয়া হোৱা বুলি দাবী তুলি উটটোৱে তাৰ গৃহস্থক তম্বুৰ বাহিৰলৈ ওলাই যাবলৈ নিৰ্দেশ দিছিল।

বদৰুদ্দিন আজমলে আৰবী ভাষাৰ বেনাৰৰ তলত সভা অনুষ্ঠিত কৰাটো অসমৰ মানুহে গুৰুত্বহীন কথা বুলি ধৰি লৈছিল। একেদৰে কংগ্ৰেছী বিধায়ক শ্বেৰমান আলি আহমেদে শংকৰদেৱৰ কলাক্ষেত্ৰত 'মিঞা মিউজিয়াম' স্থাপনৰ দাবীটোও বহুতে গুৰুত্ব দিবলগীয়া বিষয় নহয় বুলি ক'বলৈ বিচাৰিলে। কিন্তু সু-পৰিকল্পিত আঁচনি মতেই এই কাৰবাৰবোৰক আওঁৱাই নি থকা হৈছে বুলি ভাবিবৰ স্থল নাই নেকি?

ভালদৰে মন কৰিলে দেখা যায় চৰ-চাপৰিত বসবাস কৰা লোকৰ কলা-সংস্কৃতিসমূহ শংকৰদেৱৰ কলাক্ষেত্ৰত সংগ্ৰহ কৰিবৰ কাৰণে বিধান সভাৰ উপ-সমিতি এখনে বিধান সভালৈ প্ৰেৰণ কৰা প্ৰস্তাৱটো কাৰ্যকৰী কৰিবলৈ শ্বেৰমান আলিয়ে চৰকাৰলৈ প্ৰেৰণ কৰা পত্ৰত সেই চৰ-চাপৰিৰ কলা-সংস্কৃতি বুলি ঠিকেই উল্লেখ কৰিলে; কিন্তু তেওঁ ছ'ছিয়েল মিডিয়া আৰু বিভিন্ন টিভি চেনেলবোৰত পৰিকল্পনা অনুযায়ীয়েই ইচ্ছাকৃতভাৱে চৰ-চাপৰি লোকৰ পৰিবৰ্তে মিঞা শব্দটো ব্যৱহাৰ কৰি নাভূত-নাশ্ৰুত শব্দ 'মিঞা মিউজিয়াম'ৰ নামত ৰাজ্যখনলৈ অনাহূত অস্বস্তিকৰ পৰিৱেশ আনি দিলে। শ্বেৰমান আলিৰ দাবীক বহু মুছলমান নেতাইও সমৰ্থন জনালে আৰু এই দাবীৰ সমৰ্থন সমদল পৰ্যন্ত বাহিৰ কৰিলে। সিমানতে বিষয়টো অন্ত পৰাহেঁতেনো ইয়াক এটা সাধাৰণ কথা ঘটনা বুলি ধৰিব ল'ব পৰা গ'লহেঁতেন। কিন্তু শ্বেৰমান আলি আৰু তেওঁৰ সমৰ্থকে অঁকাই-পকাই মিঞা শব্দটোত জোৰ দিয়ে আছে আৰু ইয়াৰ পৰা বিভিন্নজনে মিঞা শব্দৰ লগত জড়িত বিভিন্ন প্ৰসংগ বাহিৰ কৰি আছে। একে সময়তে শংকৰদেৱৰ জন্ম স্থান বৰদোৱা অঞ্চলত মিঞা স্কুল চলি থকাৰ কথাও বাহিৰ হ'ল। লগতে গোটেই অসমতে কেইবাশ মিঞা স্কুল স্থাপনৰ পৰিকল্পনাৰ কথাও বাহিৰ হ'ল।

অসমৰ মাটিত অসমীয়াসকল শ শ বছৰ ধৰি গৃহস্থ হৈ আছিল। কিন্তু শেহতীয়াকৈ প্ৰব্ৰজনকাৰীসকলে অসমীয়াসকলক চেপি আনিছে। প্ৰব্ৰজনকাৰীসকলক বহিস্কাৰৰ দাবীত ঐতিহাসিক ছয় বছৰীয়া অসম আন্দোলন চলিছিল। কিন্তু সেই আন্দোলনৰ ফলশ্ৰুতি 'অসম চুক্তি'ৰ জৰিয়তে ভাৰত চৰকাৰে সংবিধান সংশোধন কৰি ১৯৫১ চনৰ পৰা ১৯৭১ চনলৈ অসমলৈ অহা প্ৰব্ৰজনকাৰীসকলক গ্ৰহণ কৰিবলৈ অসমীয়াসকলক বাধ্য কৰালে। উদাৰ খিলঞ্জীয়াসকলে শান্তিৰ আশাৰে ১৯৫১ চনৰ পৰা ১৯৭১ চনলৈ অসমলৈ অহা প্ৰব্ৰজনকাৰীসকলক গ্ৰহণ গ্ৰহণ কৰিলে। কিন্তু অসম চুক্তি মতেই যে সেই প্ৰব্ৰজনকাৰীসকলৰ পৰা খিলঞ্জীয়াসকলক সাংবিধানিক ৰক্ষা কৱচ প্ৰদান পাব লাগিব, অন্য অৰ্থত সেইসকল প্ৰব্ৰজনকাৰীয়ে খিলঞ্জীয়াসকলৰ সৈতে সমানে সাংবিধানিক সা-সুবিধা লাভ কৰিব নোৱাৰিব আৰু ১৯৭১ চনৰ পিছৰ প্ৰব্ৰজনকাৰীসকলক অসমৰ পৰা বহিস্কাৰ হ'ব লাগিব, সেই কথাবোৰো নস্যাৎ কৰি দিব লাগিব নেকি?

এতিয়া শ্বেৰমান আলি আহমেদে উত্থাপন কৰা মিঞা মিউজিয়ামৰ দাবীৰ মূল ভিত্তি হ'ল অসমৰ জনসংখ্যাৰ এক চতুৰ্থাংশই পমুৱা মুছলমান। গতিকে জনসংখ্যাৰ ভিত্তিতে এই 'মিঞা সংগ্ৰহালয়'এ শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰত স্থান লাভৰ দাবী কৰাটো তেওঁলোকৰ হেনো সাংবিধানিক অধিকাৰ।

গণতন্ত্ৰত সংখ্যাৰ হিচাপত চৰকাৰ গঠনো হয় আৰু বহু সিধান্ত গ্ৰহণ কৰা হয় সংখ্যাৰ ভিত্তিতে। কিন্তু অসমত পমুৱা মুছলমানৰ যিটো সংখ্যাৰ ভিত্তিত শ্বেৰমান আলি আহমেদে পমুৱা মুছলমানসকলৰ সাংবিধানিক দাবী উত্থাপন কৰিছে সেই সংখ্যাটোৰ ভিত্তি কি? সেই সংখ্যাটোৰে এটা বৃহৎ অংশ ১৯৫১ চনৰ পৰা ১৯৭১ চনৰ ভিতৰত অসমলৈ আহি অসমৰ খিলঞ্জীয়সকলৰ কৃপাত আৰু ১৯৭১ চনৰ পিছৰ ৰাজনৈতিক কালচক্ৰত পৰি অসমৰ পৰা বহিস্কাৰ নোহোৱাকৈ থকা প্ৰব্ৰজনকাৰীসকল আৰু তেওঁলোকৰ সতি-সন্ততিয়ে অধিকাৰ কৰি থকা নাই জানো?

অসমৰ খিলঞ্জীয়াসকল মুছলমান বিৰোধী নহয়। বৰং তেওঁলোকে নিজকে শংকৰ-আজানৰ দেশৰ নাগৰিক বুলি গৌৰৱ অনুভৱ কৰে। কিন্তু অসমৰ পমুৱা মুছলমানসকলে নিজকে সেই গৌৰৱৰ অধিকাৰী হিচাপে অনুভৱ কৰিব নোৱাৰে, অথবা তেওঁলোকৰ নেতাসকলে তেনেধৰণ অনুভুতি অনুভৱ হ'ব নিদিয়াৰ পৰিৱেশ সৃষ্টি কৰি ৰাখে। সেয়ে হয়তো শ্ৰীমন্ত শংকৰদেৱৰ কলা ক্ষেত্ৰত 'মিঞা সংগ্ৰহালয়' দাবী কৰাৰ সময়ত শ্বেৰমান আলি আহমেদে জিভালৈ এবাৰো শংকৰ-আজানৰ কথা নানি টিভি চেনেলবোৰত বাৰে বাৰে লাখ লাখ পমুৱা মুছলমানৰ সংখ্যাৰ হিচাপ দি তেওঁলোকৰ সাজপাৰ, খাদ্যাভ্যাস, জীৱিকা, নিৰ্মাণ কাৰ্য আদি শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰত প্ৰতিফলনৰ দাবী সাব্যস্ত কৰিবলৈ আৰম্ভ কৰি দিলে। বদৰুদ্দিন আজমলে কলাক্ষেত্ৰৰ গাতে ৰাজনীতি সভা পাতি দেখুৱালে আৰু তেওঁলোকৰ চৰকাৰ আহিলে এবাৰ নহয় শংকৰদেৱৰ কলাক্ষেত্ৰত হাজাৰবাৰ সভা পাতিব বুলি অনুগামী সকলক অফুৰন্ত সাহস যোগালে।

ন্যায়সংগত অধিকাৰৰ পৰা কোনেও কাকো বঞ্চিত কৰিব নোৱাৰে। কিন্তু সমিলমিল মনোভাব পৰিহাৰ কৰি অধিকাৰ সাব্যস্ত কৰিবলৈ বিচাৰিলে সহোদৰ ককাই-ভাইৰ মাজতো সম্পৰ্কৰ অৱনতি ঘটে। কাৰ্যতঃ পমুৱা মুছলমানৰ একাংশ নেতাই পমুৱা মুছলমানসকলৰ অধিকাৰৰ নামত আক্ৰমণাত্মকভাৱে ফেপেৰি পাতিবলৈ চেষ্টা কৰি তেওঁলোকে থলুৱা লোকৰ বুকুৰ মাজত থাকিবলৈ ইচ্ছা নথকাৰ মনটোক উদঙাই দিলে।

সকলো যাত্ৰাৰে এটা আৰম্ভণি থাকে। শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰত চৰ-চাপৰি মুছলমানসকলৰ কৃষ্টি-সংস্কৃতিৰ প্ৰৱেশৰ যি দাবী তুলিছে সেয়া প্ৰাসংগিক হয়নে নহয় বা তাৰ ফলাফল কি হ'বগৈ সেয়া সময়ে ক'ব। কিন্তু সাংস্কৃতিক জগতত নিজৰ দখল বিচাৰি শ্বেৰমান আলি আহমেদে যিটো খোজ আগবঢ়ালে তাৰ পৰা অসমত যে বংগীয় মূলৰ মুছলমালৰ অন্য এটা যাত্ৰা আৰম্ভ হ'ব সেইটো নিশ্চিত হ'ল। আনহাতে অসমৰ উদাৰ খিলঞ্জীয়াসকলে এই বিষয়টো কি হিচাপে গ্ৰহণ কৰে তাৰ ওপৰতে অসমীয়া কৃষ্টি-সংস্কৃতিয়ে নতুন মোৰ ল'বনে নলয় সেইটো নিৰ্ভৰ কৰিব।

ফোন ঃ ৯৪০১৭০০৬৬৪

# গেৰ্নিকা ঃ বিশ্বৰ অন্যতম এণ্টি ৱাৰ চিত্ৰকৰ্ম

■ হেমন্ত ডেকা

স্পেইন দেশীয় বিখ্যাত চিত্ৰশিল্পী, ভাস্কৰ্যবিদ আৰু কবি পাবলো পিকাচোৰ বিখ্যাত চিত্ৰবোৰৰ ভিতৰত "গেৰ্নিকা" নামৰ চিত্ৰখন বিশ্বৰ অন্যতম এণ্টি ৱাৰ চিত্ৰকৰ্ম হিচাপে জনজাত। গেৰ্নিকা নামটো আহিছে স্পেইনৰ এখন বিখ্যাত চহৰ গেৰ্নিকাৰ পৰা। ১৯৩৭ চনৰ ২৬ এপ্ৰিলত স্পেইনৰ গৃহযুদ্ধৰ সময়ত স্পেনীয় জাতীয় বাহিনীৰ নিৰ্দেশ মৰ্মে জাৰ্মান আৰু ইটালীৰ সামৰিক বাহিনীয়ে কৰা বোমা বৰ্ষণত যি ভয়াৱহ ক্ষতি হৈছিল তাৰ প্ৰতিবাদ স্বৰূপে পাবলো পিকাচোৰ সুনিপুণ হাতত প্ৰাণ পায় উঠিছিল 'গেৰ্নিকা' নামৰ বিশ্ববিখ্যাত চিত্ৰকৰ্ম। পাবলো পিকাচোৰ আন কেইখনমান বিখ্যাত চিত্ৰ হ'ল— থ্ৰী মিউজিচিয়ানছ,



দ্য অ'ল্ড গিটাৰিষ্ট, দ্য উইপিং অ'মেন ইত্যাদি। গেৰ্নিকা ফেচিবাদৰ বিৰুদ্ধে এক বিবৃতিস্বৰূপ। এই চিত্ৰকৰ্মত প্ৰকাশ পাইছে নিৰপৰাধী সাধাৰণ জনগণৰ ওপৰত চলোৱা বৰ্বৰতা। চূড়ান্ত অৱস্থাত কেনভাচৰ ওপৰত ক'লা-বগা তৈল ৰঙেৰে তৈয়াৰী এইখন ছবি এঘাৰ ফুট ছয় ইঞ্চি দীঘল। গেৰ্নিকাৰ জৰিয়তে পিকাচোয়ে মানুহ আৰু জীৱ-জন্তুৰ যন্ত্ৰণা, ঘৰ -দুৱাৰ ভাঙি ছিঙি চুৰমাৰ হোৱাৰ অৰাজকতা ফুটাই তুলিছে।

এই চিত্ৰখনত এটা উন্মুক্ত ঘৰৰ দৃশ্য দেখা যায়। চিত্ৰখনত আছে এগৰাকী মহিলা, যাৰ হাতত আছে এটা মৃত কেঁচুৱা, তাই এটা ভয়ংকৰ ষাঁড়গৰুৰ ফালে মুখ কৰি আছে। চিত্ৰখনৰ মাজভাগত আছে এটা মৃতপ্ৰায় ঘোঁৰা, যিটো প্ৰচুৰ বৰষুণৰ আঘাতত মুৰ্ছা যোৱা যেন লাগে। ষাঁড়গৰুটোৰ নেজডাল এনেদৰে উপস্থাপন কৰিছে যেন একুৱা জ্বলন্ত জুইৰ পৰা ধোঁৱা নিৰ্গত হৈ আছে। ঘোঁৰাটোৰ তলত আছে এখন হাতত ফুলৰ থোপাসহ এজন সৈনিক। যাৰ আনখন হাতত আছে কিছুমান নক্সা, যিবোৰ শান্তিৰ প্ৰতীক হিচাপে বিবেচিত হয়। ছবিখনৰ ওপৰ প্ৰান্তত আছে চয়তানৰ চকুসদৃশ এটা জ্বলি থকা বাল্ব। ঘোঁৰাটোৰ ওপৰত সোঁহাতে এগৰাকী মহিলা, যিয়ে খিৰিকীৰে ঘৰৰ ভিতৰত সোমাই হাতত থকা টিপচাকিৰ পোহৰত কিবা দেখাৰ চেষ্টা কৰিছে।

পিকাচোৰ এই অন্যতম চিত্ৰকৰ্মই যুদ্ধৰ বিয়োগাত্মক দিশটোৰ প্ৰতিফলনৰ জৰিয়তে যুদ্ধবিৰোধী প্ৰতীক তথা শান্তিৰ প্ৰতিমূৰ্তি হিচাপে বিবেচিত হৈছে। দ্বিতীয় বিশ্বযুদ্ধৰ ভয়াৱহতাৰ বিষয়ে আঁকা এই ছবিখন খুব সময়োপযোগী আৰু অত্যন্ত শক্তিশালী আছিল। এই ছবিখনে শান্তি আন্দোলন আৰু যুদ্ধবিৰোধী প্ৰতীক হিচাপে জাতিসংঘৰ পৰা স্বীকৃতি লাভ কৰিছে।

ফোন ঃ ৯১০১৮৭১৯৭০

পিকাচোৰ এই অন্যতম চিত্ৰকৰ্মই যুদ্ধৰ বিয়োগাত্মক দিশটোৰ প্ৰতিফলনৰ জৰিয়তে যুদ্ধবিৰোধী প্ৰতীক তথা শান্তিৰ প্ৰতিমূৰ্তি হিচাপে বিবেচিত হৈছে। দ্বিতীয় বিশ্বযুদ্ধৰ ভয়াৱহতাৰ বিষয়ে অঁকা এই ছবিখন খুব সময়োপযোগী আৰু অত্যন্ত শক্তিশালী আছিল। এই ছবিখনে শান্তি আন্দোলন আৰু যুদ্ধবিৰোধী প্ৰতীক হিচাপে জাতিসংঘৰ পৰা স্বীকৃতি লাভ কৰিছে...

# চিৰাঙৰ বিজনীত বিজেপিৰ নিৰ্বাচনী সভা

## ■বিটিচিত সূৰ্যৰ পোহৰ আহিব, শেষ হ'ব আন্ধাৰ ঃ হিমন্ত বিশ্ব শৰ্মা

## ■ 'হাগ্ৰামা মহিলাৰীৰ শান্তি আমাক নালাগে, আমাক বিটিচিৰ ৰাইজৰ শান্তি লাগে'



**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৭ নৱেম্বৰ ঃ** বিটিচি নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিটিএডিত নিৰ্বাচনী বতাহ গৰম হৈ উঠিছে। ৰাজনৈতিক দলসমূহে আৰম্ভ কৰিছে নিৰ্বাচনী প্ৰচাৰ। ইয়াৰ মাজতে বিপিএফ আৰু বিজেপিৰ মাজত চলা নিৰ্বাচনী যুঁজখন আকৰ্ষণীয় হৈ উঠিছে। বিজেপিৰ হৈ নেডাৰ আহ্বায়ক তথা ৰাজ্যৰ বিত্ত, স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিটিচিত ধাৰাবাহিকভাৱে অব্যাহত ৰাখিছে নিৰ্বাচনী প্ৰচাৰ। সোমবাৰে চিৰাং জিলাৰ বিজনীৰ নিকটৱৰ্তী আনন্দ বজাৰত অনুষ্ঠিত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। সভাত মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিপিএফৰ দলৰ লগতে বিগত ১৭ বছৰীয়া শাসনকালত সংঘটিত দুৰ্নীতি-অনিয়মক কঠোৰ ভাষাৰে সমালোচনা কৰে। উল্লেখ্য যে ১৮নং মানাহ চেৰফাং সমষ্টিৰ বিজেপি প্ৰাৰ্থী শিৱনাথ ব্ৰহ্মৰ হৈ এখন বিশাল নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি ড° শৰ্মাই কয়— 'হাগ্ৰামা মহিলাৰীৰ আজি টোপনি নাহিব। বিপিএফ আমাৰ লগত চৰকাৰত আছিল বা আছে। আমাৰ এটাই উদ্দেশ্য আছিল যে বিটিচিত সকলোৰে অধিকাৰ অক্ষুণ্ণ থাকক। সকলোৰে মৰ্যাদাসহকাৰে জীয়াই থাকক। প্ৰতি বছৰে এহাজাৰৰ পৰা পোন্ধৰশ কোটি টকা আমি বিটিচিত দি আহিছোঁ। বিটিচিত আজিলৈকে অন্যান্য জাতি-জনগোষ্ঠীৰ লোকে মাটিৰ পট্টা পোৱা নাই। সেয়ে বিজেপিয়ে আৰু পাপৰ ভাগ ল'বলৈ সাজু নহয়। বিটিচিত প্ৰতিজন মানুহে ভূমিৰ অধিকাৰ লাভ কৰিব লাগিব। এই অধিকাৰ আমি দিম।' ইফালে বিটিচিত সংঘটিত হোৱা দুৰ্নীতি সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয় যে বিটিচিত বিধৱা আৰু বৃদ্ধ পেন্সন লাভ কৰিবলৈও টকা দিবলগীয়া হয়। দিল্লীৰ পৰা পিঠা পঠিয়াইছে, দিছপুৰৰ পৰা পিঠা পঠিয়াইছে, হাগ্ৰামা মহিলাৰীৰ মেকুৰী ভিচিডিচিয়ে এই পিঠা খাই পেলাইছে। আনহাতে, হাগ্ৰামাৰ চৰকাৰ নাথাকিলে বিটিচিত অশান্তি হ'ব বুলি বিপিএফে কৰা প্ৰচাৰ সন্দৰ্ভত তেওঁ কয়— 'হাগ্ৰামা মহিলাৰীৰ শান্তি আমাক নালাগে। আমাক বিটিচিৰ ৰাইজৰ শান্তি লাগে। প্ৰথমবাৰৰ বাবে বড়ো জনগোষ্ঠীৰ সকলো নেতাই বিটিআৰ চুক্তিত চহী কৰিছে। অসমখন আমি দুভাগ কৰিব নিবিচাৰোঁ। এই বিটিআৰ চুক্তি বেয়া বুলি ক'বলৈ আৰম্ভ কৰিছে। বিটিচিত চাকৰি প্ৰদানৰ নামতো ব্যাপক দুৰ্নীতি সংঘটিত হৈছে। ইপিনে হাগ্ৰামাক বিটিচিত চীফ বুলি কৰা সম্বোধন সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ভাষণত মন্ত্ৰীগৰাকীয়ে কয় যে চীফ কি বস্তু? প্ৰধানমন্ত্ৰীয়ে নিজকে ৰাইজৰ সেৱক বুলি প্ৰকাশ কৰি আহিছে আৰু হাগ্ৰামাক চীফ বুলি ক'বলগীয়া হৈছে। চীফ নহয়, ৰাইজৰ সেৱক হ'ব লাগিব। বিটিচিৰ ৰাইজক হাগ্ৰামাই ঘৰৰ পৰা পইচা দিয়া নাই বুলি উল্লেখ কৰি ড° শৰ্মাই কয়—'বিটিচিক ৰাজ্য চৰকাৰৰ আঁচনি ৰূপায়ণৰ দায়িত্ব দি আমি ভুল কৰিছিলোঁ। আমাৰ কোনো মিত্ৰতা নাই। বিপিএফৰ লগত আমাৰ মিত্ৰতা নাই। কোক্ৰাঝাৰত আমাৰ চৰকাৰ হ'ব বুলি ব্যক্ত কৰে। আজিৰ পৰাই টোপনি নোহোৱা হ'ব হাগ্ৰামা মহিলাৰীৰ। ৰাইজে বিজেপিৰ লেকাম টানি থাকিব। বিজেপিৰ চৰকাৰ হ'লে মাটি বেচা-কিনাৰ আৱেদন কৰিলে এছডিচিয়ে ১৫ দিনৰ ভিতৰত অনুমতি দিব লাগিব। বিটিচিত সূৰ্যৰ পোহৰ আহিব। শেষ হ'ব আন্ধাৰ।' একেখন নিৰ্বাচনী সভাতে ভাষণ প্ৰদান কৰি বিজেপিৰ ৰাজ্যিক সভাপতি ৰঞ্জিত দাসে কয় যে এইবাৰ বিজেপিৰ নেতৃত্বতেই চৰকাৰ গঠন হ'ব। বিজেপিৰ চৰকাৰ হ'লে দুৰ্নীতিত লিপ্তসকল জে'ললৈ যাব লাগিব। লগতে তেওঁ কয়— বহু সম্পত্তি গঢ়িছে হাগ্ৰামা আৰু বিপিএফৰ নেতাসকলে।' এই বাৰ বিটিচিত বিজেপিৰ চৰকাৰ নিশ্চিত বুলি তেওঁ উল্লেখ কৰে। সভাত বিজেপি দলৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তথা মঙলদৈ সমষ্টিৰ সাংসদ দিলীপ শইকীয়াও উপস্থিত থাকে।




# ভেৰগাঁও মহকুমাধিপতি কাৰ্যালয়ত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, টংলা, ১৭ নৱেম্বৰ ঃ** সোমবাৰে ওদালগুৰি জিলাৰ ভেৰগাঁও মহকুমাধিপতি কাৰ্যালয়ত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন কৰা হয়। ভেৰগাঁও মহকুমাধিপতি কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হোৱা প্ৰেছ দিৱসৰ বন্তি প্ৰজ্বলন কৰে ভেৰগাঁও মহকুমাৰ মহকুমাধিপতি গকুল চন্দ্ৰ ব্ৰহ্মই। অনুষ্ঠানৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে ওদালগুৰি জিলাৰ জ্যেষ্ঠ সংবাদ কৰ্মী হৰেশ্বৰ কলিতা। ভেৰগাঁও মহকুমাৰ কেইবাটাও প্ৰেছ ক্লাব আৰু সাংবাদিক সংগঠনৰ বিষয়ববীয়া উপস্থিত থকা এই অনুষ্ঠানত উপস্থিত থকাৰ লগতে টংলাৰ সাংবাদিক নাৰায়ণ ডেকা, ভেৰগাঁৱৰ সাংবাদিক গণেশ ডেকা, খৈৰাবাৰীৰ সাংবাদিক দীপেন ডেকাই সভাত প্ৰেছ দিৱসৰ লগত সংগতি ৰাখি গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰে। প্ৰেছ দিৱসৰ এই কাৰ্যসূচীত বিশেষভাৱে উপস্থিত থাকে এচিএছ কুশল কলিতা, খৈৰাবাৰী শিক্ষা খণ্ডৰ শিক্ষা বিষয়া ভূমিধৰ বড়ো, খৈৰাবাৰী শিক্ষা খণ্ডৰ বি অ' বৈহৈথী বড়ো। উক্ত অনুষ্ঠানত প্ৰতিজন সংবাদকৰ্মীক এখনকৈ টোকা বহী আৰু এটাকৈ কলম উপহাৰ দি লগতে প্ৰেছ দিৱসৰ শুভেচ্ছা প্ৰদান কৰে। সভাৰ অন্তত শলাগৰ শৰাই আগবঢ়ায় মহকুমাৰ জনসংযোগ বিভাগৰ কনিষ্ঠ সহায়ক তিলক ৰামছিয়াৰীয়ে।

# আছু অধিৱেশনৰ শীৰ্ষ গীত 'জয় আই অসম'ৰ শুভমুক্তি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ১৭ নৱেম্বৰ ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ দুলীয়াজান অধিৱেশনৰ লগত সংগতি ৰাখি প্ৰযোজনা কৰা তথা নৱ-প্ৰজন্মৰ জনপ্ৰিয় গায়ক কল্যাণদীপ গগৈৰ কথা সুৰ আৰু কণ্ঠৰে 'জয় আই অসম' শীৰ্ষক গীতটো ১৬ নৱেম্বৰত শুভমুক্তি দিয়া হয়। মৰাণৰ সমীপৰ চেপন আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত চেপন ক্ৰীড়া আৰু সাংস্কৃতিক কলাকেন্দ্ৰত অনুষ্ঠিত গীতৰ শুভমুক্তি অনুষ্ঠানত আছুৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য তথা দুলীয়াজান আছুৰ অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ যুটীয়া সম্পাদক উদ্দীপজ্যোতি গগৈয়ে জয় আই অসম শীৰ্ষক গীতটোৰ আনুষ্ঠানিকভাৱে উন্মোচন কৰে। কল্যাণদীপ গগৈয়ে কথা-সুৰেৰে আগবঢ়োৱা গীতটো সংগীতৰে সজাইছে ৰাজীৱ শৰ্মাই। শুভমুক্তি অনুষ্ঠানত কণ্ঠ শিল্পী কল্যাণদীপ গগৈ, আছুৰ চৰাইদেউ জিলাৰ উপদেষ্টা হৰেশ শেনছোৱা, আছুৰ চৰাইদেউ জিলাৰ উপ-সভাপতি সন্তোষ কোঁৱৰ, আবৃত্তিকাৰক অমৰজ্যোতি কটকী, আটাছুৰ চৰাইদেউ জিলাৰ উপ-সভাপতি দয়ানন্দ ফুকন, সহঃ সম্পাদক ধৰ্মেন্দ্ৰ ফুকনৰ লগতে আছুৰ চেপন আঞ্চলিক সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

### নাট্যক্ষেত্ৰৰে জড়িত দুই শতাধিক লোকৰ উপস্থিতিত সমিতি গঠন

# অসম নাট্য সন্মিলনৰ নৱ সংযোজন বাগ্‌সা জিলা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ ১৭ নৱেম্বৰ ঃ** অসম নাট্য সন্মিলনৰ বা'ী জিলা গঠন সম্পৰ্কীয় এখন গুৰুত্বপূৰ্ণ সভা দিনজোৱা বৰ্ণিল কাৰ্যক্ৰমণিকাৰে সোমবাৰে তামুলপুৰত অনুষ্ঠিত হৈ যায়। ধৰ্মকান্ত ৰাজবংশীয়ে আঁত ধৰা সভাখনত সভাপতিত্ব কৰে তামুলপুৰৰ প্ৰবীণ নাট্যকৰ্মী প্ৰফুল্ল চন্দ্ৰ মহন্তই। অসম নাট্য সন্মিলনত নতুনকৈ বাগ্‌সা জিলাক সংযোজন কৰাৰ উদ্দেশ্যৰে অনুষ্ঠিত এই সভাত কেন্দ্ৰীয় সমিতিৰ সভাপতি কুমাৰ দীপক দাস, কাৰ্যকৰী সভাপতি দিলীপ চন্দ্ৰ বড়া, প্ৰধান সম্পাদক গিৰিধৰ ৰয়, সহকাৰী সম্পাদক হিমাদ্ৰী শৰ্মা, ৰত্নপীঠ মণ্ডলৰ সভাপতি জয়ন্ত হাজৰিকা আৰু সম্পাদক কনক দেৱনাথকে ধৰি ভালেকেইগৰাকী ব্যক্তিৰ উপস্থিতিত নৱগঠিত বাগ্‌সা জিলা গঠন সম্পৰ্কীয় সভাখন অনুষ্ঠিত কৰা হয়। তামুলপুৰৰ নাট্যকৰ্মী অভিজিৎ দাসে আদৰণি জনোৱা সভাখনত বাগ্‌সা জিলাৰ অন্তৰ্গত গোৰেশ্বৰ, তামুলপুৰ, বাগানপাৰা, অঞ্চলী, নাওকাটা, আনন্দ বজাৰ আদিৰ পৰা নাট্য ক্ষেত্ৰৰ লগত জড়িত প্ৰায় দুই শতাধিক লোকৰ লগতে সদৌ অসম কৰ্মচাৰী পৰিষদৰ সম্পাদকপ্ৰধান মৃণাল দাসৰ উপস্থিতিত বাগ্‌সা জিলা সমিতিখন গঠন কৰা হয়। সভাত প্ৰাক্তন সাংসদ তথা অসম নাট্য সন্মিলনৰ সভাপতি কুমাৰ দীপক দাসে নতুন জিলা সমিতি গঠন সন্দৰ্ভত বিস্তৃত ব্যাখ্যা আগবঢ়ায় ভাষণ প্ৰদান কৰে। কাৰ্যকৰী সভাপতি দিলীপ চন্দ্ৰ বড়াই অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যালয় আৰু অতিথিশালাৰ বাবে গুৱাহাটী মহানগৰীত নিৰ্বাচন কৰা ভূমি অসম চৰকাৰক আবণ্টন দিয়াৰ বাবে আহ্বান জনায়। লগতে বাগ্‌সা জিলা সমিতিখনৰ প্ৰয়োজনীয়তাৰ ওপৰত বিশদভাৱে ব্যাখ্যা দাঙি ধৰে। সভাত সন্মিলিত ৰূপত বাগ্‌সা জিলা সমিতিখন গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু সৰ্বসন্মতভাৱে শক্তিশালী ৰূপত বাগ্‌সা জিলা সমিতিখন গঠন কৰে। অসম নাট্য সন্মিলনৰ নৱগঠিত বাগ্‌সা জিলা সমিতিখনৰ লক্ষী ৰাজবংশীৰ সভাপতি, নিকুঞ্জ দাসক কাৰ্যকৰী সভাপতি, চিন্ময় পাঠকক সম্পাদক আৰু প্ৰফুল্ল চন্দ্ৰ মহন্তক কেন্দ্ৰীয় কাৰ্যনিৰ্বাহ সদস্য হিচাপে লৈ এখন ২৫জনীয়া কাৰ্যনিৰ্বাহক সমিতি গঠন কৰে। আজিৰ এই সভাখন সামগ্ৰিকভাৱে পৰিচালনা কৰাত সহায় কৰে চিন্ময় পাঠক, বিপিন দাস আৰু হিতেন পাঠকে।




# লাহোৱালত দীপক বৰাই জৈৱিক কৃষি কৰ্মৰে দেখুৱাইছে উৎকৃষ্ট নিদৰ্শন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিকম, ১৭ নৱেম্বৰ ঃ** বহু প্ৰতিভাৰ গৰাকী এজন যুৱক। যিয়ে সাহিত্য চৰ্চাৰ সমান্তৰালকৈ ৯০ দশকতে অভিনয় জগতত ভৰি থৈ নিজৰ প্ৰতিভাৰ পৰিচয় দাঙি ধৰাৰ লগতে বৰ্তমান জৈৱিক কৃষি কৰ্মৰ দ্বাৰা নিদৰ্শন দেখুৱাবলৈ সক্ষম হোৱা ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াৰ চাচনী মৌজাৰ অন্তৰ্গত বামুণীগাঁৱৰ বাসিন্দা নবীন বৰা আৰু প্ৰয়াত অঞ্জনা বৰাৰ সুযোগ্য সন্তান। বৰ্তমান ডিব্ৰুগড়ৰ বৈৰাগীমঠৰ স্থায়ী বাসিন্দা দীপক বৰা। তেওঁ একেধাৰে এজন সমাজকৰ্মী, কবি, ঘোষক, বিচাৰক, বেংক কৰ্মচাৰী, অভিনেতা আৰু এজন আদৰ্শ খেতিয়ক। আন্তৰ্জাতিক আৰ্ট অস্ত্ত লিভিঙৰ সমন্বয়কৰ দায়িত্ব লৈ কাৰাগাৰত আবদ্ধ কাৰাবন্দীসকলৰ বাবে কাম কৰি থকা দীপক বৰাই বৰ্তমান 'সেউজ জীৱন' নামৰ এখন জৈৱিক কৃষি পাম ডিব্ৰুগড়ৰ নিকটৱৰ্তী লাহোৱালৰ বকুলত গঢ়ি তুলি কৃষি ক্ষেত্ৰখনতো নিজৰ দক্ষতা, দায়বদ্ধতাৰ নিদৰ্শন দেখুৱাইছে। ইতিমধ্যে উক্ত ফাৰ্মখনত তেওঁৰ চিন্তাধাৰাৰে ইটা ভাতাৰ চন পৰি থকা মাটি ক্ৰয় কৰি ৰাসায়নিক দ্ৰব্য ব্যৱহাৰ নকৰাকৈ জৈৱিক সাৰ প্ৰস্তুত কৰি বিভিন্ন প্ৰকাৰৰ শাক-পাচলি উৎপাদনৰ উপৰি মাছ পুহি নিজেই স্বাৱলম্বী হোৱাৰ লগতে আন দহজন নিবনুৱাৰ সংস্থাপন দিয়া ব্যৱস্থা কৰাৰ পৰিলক্ষিত হৈছে। সম্পূৰ্ণৰূপে জৈৱিক পদ্ধতিৰে কৃষিকাৰ্য কৰাৰ সপোন দেখা উদ্যমী যুৱক দীপক বৰাই কয়— লকডাউনৰ সময়ত নিবনুৱা ৰাজ্যখনত ভয়াৱহ ৰূপত বৃদ্ধি পাইছে। জীৱন জীৱিকাৰ তাড়নাত ৰাজ্যৰ লক্ষ লক্ষ শিক্ষিত নিবনুৱাই চৰকাৰী-বেচৰকাৰী কোনো খণ্ডতে সংস্থাপনৰ সুবিধা নাপাই হাহাকাৰ কৰি ফুৰিছে। একাংশই জীৱন-জীৱিকাৰ তাড়নাত উপাৰ্জনৰ বাবে বহিঃৰাজ্যলৈ গৈছিল যদিও কৰ'না ভাইৰাছৰ বাবে গৃহ ৰাজ্যলৈ উভতি আহে। এইসকল নিবনুৱাই এতিয়া কৰ্মসংস্কৃতিক সম্পূৰ্ণৰূপে গুৰুত্ব প্ৰদান কৰিব লাগিব। কৃষি কৰ্মৰ যোগেদি স্বাৱলম্বী হ'ব নিবিচাৰিলে ৰাজ্যখনত আৰু দুগুণ বৃদ্ধি পাব নিবনুৱা সমস্যাই। এনে মন্তব্য প্ৰকাশ কৰি উদ্যমী যুৱক দীপকে বহিঃৰাজ্যৰ পৰা ঘূৰি অহা যুৱকসকলক কৰ্মবিমুখ হৈ বহি নাথাকি কৃষি কাৰ্যত নিজকে আত্মনিয়োগ হ'বলৈ আহ্বান জনায়। কম মাটিতে কিদৰে কেইবাটাও খেতি সমন্বিত ৰূপত কৰি অধিক লাভৱান হ'ব পাৰি তেনে উদ্দেশ্যকে সাৰোগত কৰি দীপক বৰাই ডিব্ৰুগড় লাহোৱালৰ বকুলত উক্ত জৈৱিক ফাৰ্মখন স্থাপন কৰি তাত চাৰিটা প্ৰজাতিৰ অমিতা ৰেড লেডী, ৰেড ৰয়েল, অষ্টেলিয়াৰ গ্ৰীনবেৰী আৰু চম্পা বৰ্ণসংকৰ জাতৰ অমিতাৰ উপৰি গুটিহীন কাজিনেমু, তামোল-পাণকে ধৰি অন্যান্য ৰবি আৰু খাৰিফ শাক-পাচলি উৎপাদন কৰি আদৰ্শ দেখুৱাইছে। আনহাতে, লকডাউনৰ সময়ত নতুনকৈ এখন ফল-মূলৰ এখন নাৰ্ছাৰীৰ শুভাৰম্ভ কৰে। তদুপৰি এই নাৰ্ছাৰীখনত বিভিন্ন প্ৰজাতিৰ কল, নাৰিকল, ড্ৰেগন, অষ্ট্ৰেলিয়াৰ বিলাহী, জলকীয়া, থাইলেণ্ডৰ কঁঠাল, মধুৰীআম, তেজপুৰৰ লিচু, কাশ্মীৰৰ আপেল, বগৰী, ৰঙা জাতৰ কল আৰু বিভিন্ন জাতৰ ফুলৰ পুলি পোৱা যায় এই সেউজ জীৱন ফাৰ্মখনত। উন্নত জাতৰ পুলি আৰু বিজ্ঞানসন্মতভাৱে জৈৱিক খেতি কৰি অসমখনক আগুৱাই নিয়াৰ মূল লক্ষ্য হিচাপে লৈছে দীপক বৰাই।

# উত্তৰ মহুৰা আঞ্চলিকত অসম গণ পৰিষদৰ মহিলা পৰিষদ গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ১৭ নৱেম্বৰ ঃ** অসম গণ পৰিষদ দলৰ ভগ্নী সংগঠন মহিলা পৰিষদৰ উত্তৰ মহুৰা আঞ্চলিক সমিতিখন আজি পূৰ্ণাংগ ৰূপত গঠন কৰা হয়। সেই উপলক্ষে বংকোৱাল বালিচাপৰি নাট্য মন্দিৰত অনুষ্ঠিত দলীয় সভাখন পৰিচালনা কৰে বোকাখাত জিলা মহিলা পৰিষদৰ সভানেত্ৰী কৰবী শইকীয়াই। সভাৰ প্ৰাক্‌মুহূৰ্তত অগপ দলত নতুনকৈ যোগদান কৰাসকলক সম্বৰ্ধনা জনোৱাৰ লগতে চিনাকি পৰ্ব অনুষ্ঠান অনুষ্ঠিত কৰা হয়। উত্তৰ মহুৰা অগপৰ পঞ্চায়ত পৰিষদৰ প্ৰাক্তন সভাপতি সৰুধন মৰাঙে আঁত ধৰা সভাত উপস্থিত থাকে বোকাখাত বিধান পৰিষদৰ সম্পাদক চুৰেন বৰি, বোকাখাত জিলা যুৱ পৰিষদৰ সভাপতি ডিম্পল ঢেকিয়াল ফুকন, পৰ্যবেক্ষকদ্বয় জিতুকুমাৰ ঠাকুৰ আৰু ৰাজকুমাৰ পেগু, বোকাখাত মহিলা পৰিষদৰ সম্পাদিকা কুঞ্জলতা পেগু, উত্তৰ মহুৰা পঞ্চায়ত পৰিষদৰ সভাপতি পোৱালি বৰি, শংকৰজ্যোতি মৰাঙে অগপ দলক শক্তিশালী ৰূপত সাংগঠনিক দিশত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত দলৰ ভাতৃ-ভগ্নী সংগঠনসমূহৰ লগত দলীয় আলাপ-আলোচনাৰ মাধ্যমেৰে ৰাজনৈতিক দিশ সৱল কৰা সন্দৰ্ভত বক্তব্য আগবঢ়ায়। সভাত অনিতা মেদক লইঙক সভানেত্ৰী, জান্তী মৰাং আৰু মোহনী দাৰক উপ-সভানেত্ৰী, জান্তী মৰাং (জ্যেষ্ঠ) সম্পাদিকা আৰু মৰমী লইঙক সহঃ সম্পাদিকা হিচাপে লৈ ৪১ জনীয়া উত্তৰ মহুৰা আঞ্চলিক মহিলা পৰিষদ খন গঠন কৰা হয়।

# শিৱসাগৰৰ ঘটনাক্ৰমত আইপিএফএছৰ প্ৰতিক্ৰিয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, শিৱসাগৰ, ১৭ নৱেম্বৰ ঃ** ঐতিহাসিক শিৱসাগৰত শেহতীয়াকৈ সংঘটিত হোৱা দুটাকৈ স্পৰ্শকাতৰ তথা কৰুণতম ঘটনাত ইণ্ডিয়ান পেট্ৰি'য়টিক ফেডাৰেশ্বন (ছ'চিয়েলিষ্ট) চমুকৈ আই পি এফ এছে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। সংগঠনটোৰ হৈ মুখ্য সমন্বয়ক প্ৰাঞ্জল ৰাজগুৰুৱে আজি সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা বিবৃতিত কৈছে যে— ৰাজ্যখনত পোহৰৰ উছৱৰ সময়তে সংঘটিত দুটাকৈ কৰুণতম আৰু স্পৰ্শকাতৰ ঘটনাই যেন সমগ্ৰ সচেতন সমাজকে পুনৰ সোঁৱৰাই দিছে— আমাৰ সমাজ সংস্কাৰ আৰু সৎ-সামাজিক দায়িত্ববোধৰ গধুৰ কৰ্মখিনি আৰু অধিক নিষ্ঠাৰে সকলোৰে সমাপন কৰিব লাগিব। বিজ্ঞান-প্ৰযুক্তিৰ ইমান উন্নতিৰ কালতো শিৱসাগৰৰ কোনোখন ভিতৰুৱা গাঁৱত আজিও যে প্ৰৱল অন্ধ-বিশ্বাসে মূৰ দাঙি আছে! ধন-সম্পদৰ লোভে মানুহক ইমানেই অন্ধ আৰু কু-সংস্কাৰী কৰি তুলিব পাৰে যে তেওঁলোকে হিতাহিত জ্ঞান হেৰুৱাই বলি-বিধানৰ দৰে আদিম কৰ্মলৈ মন মেলিছে। এইবোৰেই প্ৰমাণ কৰিছে যে আমাৰ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য আজিও সম্পূৰ্ণ পূৰ হোৱা নাই। এইক্ষেত্ৰত জিলাখনৰ সমূহ সামাজিক আৰু জাতীয় দল-সংগঠনে সমাজ সংস্কাৰ তথা জনশিক্ষা বৃদ্ধিৰ অৰ্থে অতিৰিক্ত সৎ দায়িত্ব পালন কৰিবলৈ উদ্যোগ ল'ব লাগিব। বৃহত্তৰ অসমৰ সমাজখন অদ্ভুত আৰু অচিন কু-সংস্কাৰৰ পৰা মুক্ত কৰিবলৈ আৰু সাৰ্বজনীন শিক্ষাৰ প্ৰসাৰৰ নিমিত্তে ঊনবিংশ শতিকাতে ভাষাৰ ওজা প্ৰয়াত হেমচন্দ্ৰ বৰুৱাই বিভিন্ন দিক্‌দৰ্শী কৰ্মসূচী গ্ৰহণ কৰিছিল। সেই মহাপুৰুষৰ পথেৰেই আজিৰ সামাজিক সংগঠনবোৰে অসমক নৱ-জাগৰণৰ দিশে তুলি নিবলৈ আই পি এফ এছে বিবৃতিটোত আহ্বান জনাইছে। আনহাতে সদ্যহতে শিৱসাগৰৰ বেতবাৰীত দীপাৱলীৰ সন্ধিয়া সংঘটিত হোৱা ভয়াৱহ অগ্নিকাণ্ডৰ দুৰ্ঘটনাটোত অকালতে প্ৰাণ হেৰুওৱা দুই উদীয়মান ডেকাৰ প্ৰতিও ৰাজগুৰুৱে শ্ৰদ্ধাঞ্জলি জনায় লগতে কৈছে যে এই অনাকাংক্ষিত দুৰ্ঘটনাৰ সৈতে আমাৰ বিয়াগোম প্ৰশাসনৰ দায়িত্বহীনতা আৰু দুৰ্নীতিৰ সূক্ষ্ম সম্পৰ্ক আছে। সমগ্ৰ উজনি অসমত কি দৰে অবৈধ আৰু গোপন কেতবোৰ পেট্ৰ' পণ্যৰ গুদাম গঢ় লৈ উঠিছে। এনে ধৰণৰ অবৈধ আৰু অবৈজ্ঞানিক প্ৰক্ৰিয়াৰে গোপনে স্থাপিত কৰা প্ৰৱল দাহ্য পদাৰ্থৰ মজুতকৰণৰ ফলত কিমান বিষম ক্ষতি হ'ব পাৰে সেয়া বেতবাৰীৰ ঘটনাই প্ৰমাণ কৰিছে। এটি বৈধ আৰু বৈজ্ঞানিক পদ্ধতিৰে স্থাপিত কৰা পেট্ৰ' পণ্যৰ ডিপোত নানা ধৰণৰ সুৰক্ষা বিধি বাধ্যতামূলকভাৱে ধাৰ্য আৰু পালন কৰা হয়। যিবোৰ মানৱ সুৰক্ষা বিধি অবৈধ আৰু অসৎ-চোৰাং তেল ব্যৱসায়ত নাই। এনে অবৈধ-চোৰাং আৰু জনজীৱনৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰা দাহ্য পদাৰ্থৰ মজুত ভাণ্ডাৰবোৰৰ বিৰুদ্ধে জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসনে কি ৰহস্যজনক কাৰণত আজিকোপতি কোনো প্ৰকাৰৰ আইনগত বিধি-ব্যৱস্থা গ্ৰহণ কৰা নাই ? জিলাৰ সাধাৰণ প্ৰশাসন আৰু পুলিচ প্ৰশাসনৰ এনে দায়িত্বহীনতাৰ ক্ষেত্ৰত জনসাধাৰণে প্ৰশাসনক কিয় জবাবদিহি কৰিব নালাগিব বুলিও বিবৃতিটোত আই পি এফ এছে কঠোৰ প্ৰশ্ন উত্থাপন কৰিছে। এই ধৰণৰ অপমৃত্যুৰ বাবে, অনাকাংক্ষিত কৰুণ ঘটনাৱলীৰ বাবে উপযুক্ত সময়ত সকলো অসৎ মানুহকে নৈতিকতা-প্ৰমুল্যৰ দাপোণে নিশ্চয় লজ্জানত কৰি তুলিব।

# ধুবুৰীত নিচাযুক্ত ঔষধ জব্দ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধৰ্মশালা, ১৭ নৱেম্বৰ ঃ** ধুবুৰী আৰক্ষীয়ে সোমবাৰে নিশা ৯.৩০ বজাত এক গোপন অনুসন্ধানৰ ভিত্তিত অভিযান চলাই ধুবুৰীৰ পাৰ্শ্বৱৰ্তী অঞ্চল ছাগলচৰাৰ ছামিউল আলম (বাবু) (৩৬) নামৰ এজন যুৱকৰ পৰা বৃহৎসংখ্যক নিচাযুক্ত ঔষধ উদ্ধাৰ কৰাৰ লগতে তেওঁক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তেওঁৰ পৰা নাইট্ৰছান ১০টা টেবলেট, ৩০০টা পিভোন, স্পাছ কেপছুল ৩৭৬টা জব্দ কৰি ধুবুৰী বি এন কলেজ আউটপোষ্ট থানালৈ লৈ অনাৰ লগতে তেওঁৰ বিৰুদ্ধে ধুবুৰী থানাত ২২(চি) এনডিপিএছ আইনৰ অধীনত ১৬৮৭/২০২০ নম্বৰৰ এটি গোচৰ ৰুজু কৰি আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

# মুখ্যমন্ত্ৰীৰ বিশেষ বৃত্তি পৰীক্ষাত মাজুলীৰ ৬৫নং প্ৰাথমিক বিদ্যালয়ৰ সাফল্য



**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ১৭ নৱেম্বৰ ঃ** সদ্যঘোষিত ২০১৯ বৰ্ষৰ "মুখ্যমন্ত্ৰীৰ বিশেষ বৃত্তি পৰীক্ষা"ত মাজুলী জিলাৰ ৬৫নং বালিচাপৰি প্ৰাথমিক বিদ্যালয়ৰ সাতগৰাকী ছাত্ৰ-ছাত্ৰীয়ে উত্তীৰ্ণ হৈ বিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিছে। যুৱলেখক তথা শিক্ষক জিতুল বৰা প্ৰধান শিক্ষক হিচাপে কৰ্মৰত অৱস্থাত থাকোতে বৃত্তি পৰীক্ষাত প্ৰস্তুতি চলাই সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী সকল হৈছে- নয়নজ্যোতি কলিতা, বিক্ৰম শইকীয়া, অঞ্জন শইকীয়া,মৃনাল কলিতা, পুতলী শইকীয়া, তন্ময় কল্যাণ বৰুৱা আৰু দৰ্শনা মৃদৈ। বিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ এনে সফলতাত শিক্ষক-শিক্ষয়িত্ৰী সকলৰ লগতে ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱক তথা স্থানীয় ৰাইজ উৎফুল্ল হৈ পৰিছে। বিদ্যালয়খনৰ তদানীন্তন প্ৰধান শিক্ষক জিতুল বৰা আৰু সহঃ শিক্ষক— যুগবিকাশ পেগু, জোনমণি দেৱী ভাগৱতী আৰু ৰনোজ নৰহৰ অশেষ কষ্টৰ ফলত এই সাফল্য লাভ কৰিছে। বিদ্যালয়খনৰ এই সফলতাত ২০১৯ আৰু ২০২০ বৰ্ষৰ বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিদ্বয় ক্ৰমে বুধিন শইকীয়া আৰু ৰাণু দাস,উপ সভাপতি বাবুল ভৰালী, বিদ্যালয়ৰ ৰান্ধনী কৰ্মীদ্বয় ক্ৰমে মৃণালী হাজৰিকা আৰু নিজু শইকীয়াই অভিনন্দন জনাইছে। ভৱিষ্যতেও বিদ্যালয়খনে সফলতাৰ এই ধাৰা অব্যাহত ৰাখিব বুলি স্থানীয় ৰাইজে আশা কৰিছে। নামনি মাজুলীৰ আগশাৰীৰ প্ৰাথমিক বিদ্যালয় হিচাপে পৰিণত হোৱা ৬৫নং বালিচাপৰি প্ৰাথমিক বিদ্যালয় খনে পূৰ্বতে অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা বিভাগে অনুষ্ঠিত কৰা গুণোৎসৱ কাৰ্যসূচীত দুবাৰকৈ ' এ' প্লাছ গ্ৰেড লাভ কৰিবলৈ সক্ষম হৈছিল।

# উত্তৰ কমলাবাৰী শাখা সাহিত্য সভাৰ 'শৰতৰ দুপৰীয়া' সম্পন্ন

## কন্দৰ্প কুমাৰ কলিতাৰ গ্ৰন্থ 'প্ৰসংগ ঃ হোম কোৱাৰেণ্টাইন' উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ১৭ নৱেম্বৰ ঃ** মাজুলীৰ উত্তৰ কমলাবাৰী শাখা সাহিত্য সভাৰ উদ্যোগত আজি দিনৰ ১১ বজাৰ পৰা গড়মূৰ প্ৰেছ ক্লাবত 'শৰতৰ দুপৰীয়া' শীৰ্ষক এখন সাহিত্য সন্মিলন অনুষ্ঠিত হয়। উত্তৰ কমলাবাৰী শাখা সাহিত্য সভাৰ সম্পাদক শংকুসিদ্ধ নাথে আঁত ধৰি উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত সভাপতিত্ব কৰে শাখাৰ অন্যতম বিষয়ববীয়া তথা বিশিষ্ট সত্ৰীয়া শিল্পী মুহিকান্ত বৰা ববৰায়নে। জেংৰাইমুখ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° কমলাকান্ত দত্তই উদ্বোধন কৰাৰ পিছতে লেখক কন্দৰ্প কুমাৰ কলিতাৰ গ্ৰন্থ 'প্ৰসংগ ঃ হোম কোৱাৰেণ্টাইন' উন্মোচন কৰি মাজুলীৰ জ্যেষ্ঠ নাগৰিক তথা শিক্ষাবিদ পুনাৰাম নাথে কয় যে এখন সু-গ্ৰন্থই সাহিত্যৰ ভঁৰাল চহকী কৰে। অসম সাহিত্য সভাৰ প্ৰাক্তন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য তথা ৰঙাচাহী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ৰামসাগৰ নাথে মুখ্য অতিথিৰ আসন শুৱনি কৰা সভাত মাজুলী জিলা সাহিত্য সভাৰ সম্পাদক মনোজ্যোতি ৰেগন, প্ৰতিষ্ঠাপক সম্পাদক ৰমেশ চন্দ্ৰ শইকীয়া, গড়মূৰ প্ৰেছ ক্লাবৰ সভাপতি অৰুণ বৰা, অসম সাহিত্য সভা ৰামধেনু সমিতিৰ সহযোগী আহ্বায়ক কন্দৰ্প কুমাৰ কলিতাই বিশিষ্ট অতিথিৰ বক্তব্য প্ৰদান কৰে। মাজুলী জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সহকাৰী সম্পাদক পাপু বৰা, মাজুলী জিলা কবি সন্মিলনৰ সম্পাদক জয়ন্ত হাজৰিকা, উত্তৰ কমলাবাৰী শাখা সাহিত্য সভাৰ সহকাৰী সম্পাদিকা কৃষাৰাণী বৰুৱা, শিক্ষক ডিম্বেশ্বৰ ভূএগা, বৰ্ণালী বৰা ভূএগা, লক্ষী প্ৰসাদ ৰেগনে কবিতা আৰু সমীৰজিত কলিতা, মৃগাংক নাথ, ৰুণমণি শইকীয়া, গোলাপ চন্দ্ৰ নাথৰ গীতৰ শৰায়ে সকলোকে আপুত কৰে। গড়মূৰ শাখা সাহিত্য সভাৰ সম্পাদক জিতুপৱন বেজ, লেখক ভৱানন্দ হাজৰিকা, উত্তৰ কমলাবাৰী শাখা সাহিত্য সভাৰ উপসভাপতি প্ৰণৱজিত মিশ্ৰ, মাজুলীৰ প্ৰথমটো পৰম সুহৃদ হিতৈষী পৰিয়ালৰ সদস্যা তথা খৰিছাখোৱা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী অনুপ্ৰভা দেৱী, ডাঃ বিমান সাগৰ নাথ, চিনামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কৰ্মচাৰী পৰাগ কলিতা, মাধৱ বৰা প্ৰমুখ্যে বহুসংখ্যক সাহিত্য সেৱকে অংশগ্ৰহণ কৰা বৰ্ণিল অনুষ্ঠানটিৰ বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভণী কৰে কবি শিক্ষক ডিম্বেশ্বৰ ভূএগাই। সাহিত্য সংগঠক শংকুসিদ্ধ নাথে শলাগৰ শৰাই আগবঢ়োৱাৰ পিছতেই জাতীয় সংগীতেৰে 'শৰতৰ দুপৰীয়া'ৰ সফল সামৰণি পৰে।





## আচিক ইকবালক বৰপেটা জিলা কংগ্ৰেছৰ সংখ্যালঘু বিভাগৰ তত্ত্বাৱধায়ক নিযুক্তি

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ১৭ নৱেম্বৰ ঃ** ২০২১ৰ বিধানসভা নিৰ্বাচনৰ বাবে বিৰোধী দল কংগ্ৰেছে নিজৰ ভেটি শক্তিশালী কৰি তোলাৰ স্বাৰ্থত উঠিপৰি লাগিছে। কংগ্ৰেছৰ পৰ্যবেক্ষক জিতেন্দ্ৰ সিঙৰ অসম ভ্ৰমণৰ পিছত আৰু অধিক মনোবলেৰে দলটোৰ সকলো কৰ্মী-নেতাই ভোটাৰৰ মাজত সোমাই পৰিছে। বিশেষকৈ অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সংখ্যালঘু বিভাগৰ সভাপতি ছালমান খানৰ নেতৃত্বত সকলো বিষয়া, নেতা-কৰ্মীয়ে শাসকীয় দল বিজেপি আৰু অগপক উৎখাত কৰাৰ বাবে কঁকালত টঙালি বান্ধিছে। ৰাজ্যৰ কংগ্ৰেছ দলৰ সকলো সংখ্যালঘু বিভাগৰ কমিটী পূৰ্ণাংগ ৰূপত গঠন কৰাৰ সমান্তৰালকৈ বহুকেইখন জিলাৰ তত্ত্বাৱধায়ক নিযুক্তি দিছে এআইচিচিৰ সংখ্যালঘু বিভাগৰ সভাপতি নাদিম জাভেদৰ নিৰ্দেশ মৰ্মে সভাপতি ছালমান খানে। ইয়াৰ মাজতে নামনি অসমৰ কংগ্ৰেছৰ বাবে সবাতোকৈ গুৰুত্বপূৰ্ণৰূপে পৰিচিত বৰপেটা জিলাত জালুকবাৰী সমষ্টিৰ যুৱনেতা তথা নৱ-নিযুক্ত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সংখ্যালঘু বিভাগৰ সম্পাদক আচিক ইকবালক সংখ্যালঘু বিভাগৰ তত্ত্বৰধায়কৰূপে নিযুক্তি প্ৰদান কৰিছে।

# ভৱানীপুৰত ‘শৰতৰ পদূলিত ছবি, কবিতা, গীত আৰু গ্ৰন্থ উন্মোচনী’ অনুষ্ঠান সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভৱানীপুৰ, ১৭ নৱেম্বৰ ঃ** ‘এটা উচ্চ অট্টালিকাতকৈও এখন কিতাপৰ গধুৰতা বেছি। কিতাপ এখন প্ৰকাশ কৰিবলৈ লোৱাটোও এক সাহসীয় পদক্ষেপ। এনে এখন কিতাপ প্ৰকাশ কৰাটো গৌৰৱৰ বিষয়। কিতাপ-আলোচনীত প্ৰকাশিত বিভিন্ন বিষয়সমূহে লেখকক প্ৰেৰণা দিয়াৰ লগতে প্ৰকাশক-সম্পাদককো ভৱিষ্যতৰ বাবে স্মৰণীয় কৰি ৰাখে। অগ্ৰজসকলৰ অনুপ্ৰেৰণাই উত্তৰ পুৰুষক লিখা কৰ্মৰ প্ৰতি ধাউতি বঢ়োৱাত সহায় কৰিব পাৰে।’ —দেওবাৰে ভৱানীপুৰত গ্ৰন্থ উন্মোচন কৰি বি এইচ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট শিক্ষাবিদ ড° ভূষণ চন্দ্ৰ পাঠকে এনেদৰে তেওঁৰ ভাষণত কয়। এষ্ঠেটিক স্কুল অৱ আৰ্ট ভৱানীপুৰ শাখাৰ উদ্যোগত আৰু সাহিত্যৰ বৃষ্টি গোটৰ সহযোগত দেওবাৰে গধুলি ‘শৰতৰ পদূলিত ছবি-কবিতা-গীত আৰু গ্ৰন্থ উন্মোচনী’ শীৰ্ষক মনোজ্ঞ অনুষ্ঠান এটি ভৱানীপুৰত সম্পন্ন হয়। য’ত ভৱানীপুৰৰ যুৱ-লেখক, সংবাদদাতা তথা ‘সাহিত্যৰ বৃষ্টি’ গোটৰ পৰিচালক সঞ্জীৱ সাগৰ দাসৰ সম্পাদিত ‘বৰষুণ’ আলোচনীৰ কবিতা বিশেষ সংখ্যাটি উন্মোচন কৰা হয়। ভাস্কৰ্য শিল্পী হৰেকৃষ্ণ তালুকদাৰ আৰু কবি পীযূষ পাঠকে সঞ্চালনা কৰা অনুষ্ঠান মুকলি কৰে এষ্ঠেটিকৰ মুৰব্বী ত্ৰিলোচন ঠাকুৰীয়াই। দীপাৱলী উপলক্ষে বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সাহিত্যিক তথা বি এইচ বি মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ ড° অমিয়া মহন্তই। অনুষ্ঠানত ধীমান বৰ্মান, দিগন্ত নিবিড়, বিভা দেৱী, বিজু দাস, সঞ্জীৱ তালুকদাৰ, পিংকুজিৎ দাস, কুলেন্দু দাস, গৰিমা ভৰদ্বাজকে ধৰি বিভিন্ন প্ৰান্তৰ পৰা অহা দুকুৰি কবিয়ে কবিতা পাঠ আৰু মৃগেন পাঠককে ধৰি আধা ডজন শিল্পী-শিশুশিল্পীয়ে গীত পৰিৱেশন কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা তথা কবি-লেখিকা ড° বিনীতা বৰা দেৱ চৌধুৰীয়ে ভাষণত কয়— ‘কবিতা সদায় শুভ চিন্তাবোধৰ বাহক। কবি এনে এগৰাকী স্ৰষ্টা, কবি এগৰাকীক ব্ৰহ্মাৰ লগত তুলনা কৰা হয়। ব্ৰহ্মাই যেনেকৈ এই পৃথিৱীখন সৃষ্টি কৰিছে, ঠিক তেনেদৰে কবিয়ে নিজৰ কবিতাৰ মাজেৰে আন এখন পৃথিৱী সৃষ্টি কৰে। সূৰ্যৰ পোহৰে য’ত স্পৰ্শ কৰিব নোৱাৰে, কবিৰ দৃষ্টি তাতো পৰে। আমি সন্মুখ ফালটোহে দেখা পাওঁ, পিঠি ফালটো দেখা নাপাওঁ। কিন্তু কবিয়ে পিঠি ফালটোও দেখা পায়। সেয়ে, কবিতা সদায় বহুমাত্ৰিক। সকলোৰে বিষয়বস্তু বেলেগ বেলেগ, প্ৰকাশভংগী বেলেগ বেলেগ।’ সমাজ কৰ্মী শ্বৰিফা ৰহমান, নগেন চৌধুৰীকে ধৰি অনুষ্ঠানত বিভিন্ন সাহিত্য-সংস্কৃতিপ্ৰেমী লোক উপস্থিত থাকে। উল্লেখ্য যে, এই অনুষ্ঠানৰ আগতে দুপৰীয়া ২ বজাত শিশুসকলৰ মাজত এখন ছবি আঁকা প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। ‘ক’ শাখাত প্ৰথম স্থান ৰাইহৰ আহমেদ, দ্বিতীয় স্থান ছমিয়া তালুকদাৰ আৰু ‘খ’ শাখাত প্ৰথম স্থান ৰিধিমা দাস, দ্বিতীয় স্থান উদিপ্ত চৌধুৰী, তৃতীয় স্থান হিমগহৰ শাণ্ডিল্যই লাভ কৰে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় এষ্ঠেটিক স্কুল অৱ আৰ্ট, ভৱানীপুৰ শাখাৰ অধ্যক্ষ ড° পূৰবী বৰুৱাই।



## বুমেৰাং হ’ল মাৰ্ঘেৰিটাৰ চোৰাং কয়লাৰ বিৰুদ্ধে তদন্ত, আটাছুৰ প্ৰতিক্ৰিয়া

# ধোঁৱাচাঙত মুখ্যমন্ত্ৰীৰ শূন্য সহনশীল নীতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ১৭ নৱেম্বৰ ঃ** এ পি এছ চি কেলেংকাৰিকে ধৰি কেইবাটাও বিয়াগোম দুৰ্নীতি, কেলেংকাৰিৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰি দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীল নীতি দেখুৱাই আহিছে যদিও কয়লা কেলেংকাৰিৰ বিৰুদ্ধে আজিও মৌন ৰাজ্য চৰকাৰ। মাৰ্ঘেৰিটাৰ চোৰাং কয়লা বেহাৰ সন্দৰ্ভত আজিও ৰহস্যজনকভাৱে নিমাত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন ৰাজ্য চৰকাৰখন। বিগত কেইটামান বছৰত মাৰ্ঘেৰিটাত চলি থকা চোৰাং কয়লাৰ বেহাই দিছপুৰৰ লগতে দিল্লীতো চৰ্চাৰ বিষয় হৈ পৰিছিল। চোৰাং কয়লাৰ বিৰুদ্ধে ৰাজ্যজুৰি বিৰোধী দল কংগ্ৰেছ আৰু একাংশ দল-সংগঠনৰ সবল প্ৰতিবাদৰ সন্মুখীন হৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে তদন্তৰ ঘোষণা কৰিছিল। চলিত বৰ্ষৰ ২০ জুলাইত দিহিং পাটকাই বৰ্ষাৰণ্যত চলি থকা চোৰাং কয়লা খননৰ বিৰুদ্ধে ঘোষণা কৰিছিল তদন্তৰ। লগতে অঞ্চলটোত চলি থকা বন ধ্বংস যজ্ঞৰো তদন্তৰ ঘোষণা কৰিছিল। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ গজেন্দ্ৰ প্ৰসাদ কটকীৰ নেতৃত্বত এজনীয়া তদন্ত সমিতি গঠন কৰি দিছিল মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। উক্ত তদন্তত ২০০৩ চনৰ পৰা বৰ্তমানলৈকে অঞ্চলটোত চলি থকা চোৰাং কয়লা বেহাৰ ওপৰত তদন্ত কৰাৰ কথা আছিল। লগতে তদন্ত সমিতিখনক ৬ মাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল। কিন্তু মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে তদন্ত ঘোষণা কৰা আজি চাৰি মাহ হ’ল, অথচ তদন্তৰ তটোৰো দেখিবলৈ নাপালে মাৰ্ঘেৰিটাবাসী ৰাইজে। চোৰাং কয়লাৰ বেহা সন্দৰ্ভত তদন্তৰ নামত ৰাজ্য চৰকাৰে যে কেৱল ভেঁকো-ভাওনাহে ৰচিছে, সেয়া মাৰ্ঘেৰিটাবাসী ৰাইজে বাৰুকৈয়ে বুজি উঠিছে। এই তদন্তৰ যে কিবা উত্তৰ ওলাব, এই তদন্তত কোনোবা যে জালত পৰিব সেয়া মাৰ্ঘেৰিটাবাসীৰ বাবে কল্পনাৰো অগোচৰ। কিয়নো চৰকাৰৰ পৃষ্ঠপোষকতাত চলা চোৰাং কয়লা সৰবৰাহ সন্দৰ্ভত প্ৰকৃতাৰ্থত যদি তদন্ত হয় তেনেহ’লে খুঁটি লৰিব খোদ সোণোৱাল চৰকাৰৰ। আনফালে ৰাজ্য চৰকাৰৰ কয়লা তদন্ত গেঁঠেলা মৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে মাৰ্ঘেৰিটাত। সদৌ তাই আহোম ছাত্ৰ সন্থা মাৰ্ঘেৰিটা আঞ্চলিক সমিতিয়ে কঠোৰ ভাষাৰে নিন্দা কৰিছে সোণোৱাল চৰকাৰক। সভাপতি-সম্পাদক স্বাক্ষৰিত এটা প্ৰেছ বিজ্ঞপ্তিত সন্থাই তদন্তৰ নামত ভেঁকো-ভাওনা বন্ধ কৰিবলৈ দাবী জনোৱাৰ লগতে সমগ্ৰ বিষয়টো চি বি আইক অৰ্পণ কৰিবলৈ দাবী জনাইছে।

## মুখ্যমন্ত্ৰীৰ বিশেষ বৃত্তি পৰীক্ষাত জিলাৰ ভিতৰত শ্ৰেষ্ঠ-ৰাজ্যৰ ভিতৰত দ্বিতীয় সংস্কৃতি



**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ১৭ নৱেম্বৰ ঃ** সদ্যঘোষিত মুখ্যমন্ত্ৰীৰ বিশেষ বৃত্তি পৰীক্ষাত দেৰগাঁও বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী সংস্কৃতি পাঠকে ৰাজ্যৰ ভিতৰত দ্বিতীয় স্থান আৰু গোলাঘাট জিলাৰ ভিতৰত শীৰ্ষস্থান দখল কৰি দেৰগাঁও তথা গোলাঘাট জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখযোগ্য যে, সংস্কৃতিৰ লগতে দেৰগাঁও বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মুঠ ১৫গৰাকী ছাত্ৰীয়ে এইবাৰ এই বৃত্তি লাভ কৰিবলৈ যোগ্যতা অৰ্জন কৰিছে। ছাত্ৰীসকলৰ এনে সাফল্যত বিদ্যালয়ৰ অধ্যক্ষকে ধৰি শিক্ষক-শিক্ষয়িত্ৰী, পৰিচালনা সমিতিৰ বিষয়ববীয়া তথা স্থানীয় ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে। উল্লেখ্য যে, দেৰগাঁও বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ চিদানন্দ পাঠক আৰু উদয়ন একাডেমী কনিষ্ঠ মহাবিদ্যালয়ৰ শিক্ষয়িত্ৰী মিতুৰাণী পাঠকৰ জ্যেষ্ঠ কন্যা সংস্কৃতিয়ে অধ্যয়নৰ লগতে ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি বিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিছে।

## ৰাইজৰ দলৰ উদয়পুৰ আঞ্চলিক সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাহমৰা, ১৭ নৱেম্বৰ ঃ** কৃষক মুক্তি সংগ্ৰাম সমিতিকে ধৰি বহুকেইটা সংগঠনৰ নেতৃত্বত গঠন হোৱা আঞ্চলিক ৰাজনৈতিক দল ‘ৰাইজৰ দল’ৰ চৰাইদেউ জিলা সমিতিৰ অন্তৰ্গত মাহমৰা সমষ্টিৰ অধীনস্থ উদয়পুৰ আঞ্চলিক সমিতি গঠনৰ উদ্দেশ্যে ১৫ নৱেম্বৰত হেলাইগুৰিস্থিত পল্লৱজ্যোতি গগৈ সোঁৱৰণী ৰাজহুৱা প্ৰেক্ষাগৃহত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় উপ-সভাপতি নীলাম্বৰ গগৈৰ সভাপতিত্বত অনুষ্ঠিত সভাত লোহিত দিহিঙীয়াক সভাপতি, মৃদুল গগৈ, জয়প্ৰকাশ চাৰিঙীয়া,পূৰ্ণানন্দ গগৈ, ভূপেন গায়ন আৰু কমল থাপাক উপ-সভাপতি, সীমান্ত গগৈ আৰু নিৰ্মল বড়াক সাধাৰণ সম্পাদক হিচাপে লৈ ৩১জনীয়া সদস্যৰে দলটোৰ উদয়পুৰ আঞ্চলিক সমিতিখন গঠন কৰা হয়।

## মৰাণত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাহমৰা, ১৭ নৱেম্বৰ ঃ** সমগ্ৰ দেশৰ লগতে মৰাণতো কালি মৰাণ প্ৰেছ ক্লাবৰ উদ্যোগত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে মৰাণ শাখা চাহ মজদুৰ সংঘৰ কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। মৰাণ প্ৰেছ ক্লাবৰ সভাপতি দয়ানন্দ সিঙে সভাপতিত্ব কৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক কৰুণা ফুকনে। সভাত মৰাণৰ জ্যেষ্ঠ সাংবাদিক শোভিত কুমাৰ ছেত্ৰীক প্ৰেছ ক্লাবৰ হৈ চেলেং চাদৰ, মানপত্ৰসহ সম্বৰ্ধনা জনোৱা হয়। সাংবাদিকৰ সমস্যা আৰু দায়িত্বৰ সম্পৰ্কে ভাষণ আগবঢ়ায় ক্ৰমে মৰাণ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° যতীন চুতীয়া, শ্ৰমিক নেতা তথা মৰাণ শাখা চাহ মজদুৰ সংঘৰ সম্পাদক লক্ষেশ্বৰ তাঁতী, সাংবাদিক বাছা বৰা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি ৰঞ্জিত চাংমাই, চৰাইদেউ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অনুপজ্যোতি ভূঞা, ‘টাইপা’ৰ উপদেষ্টা উত্তম দিহিঙীয়া আৰু মৰাণ আঞ্চলিক চুতীয়া ছাত্ৰ সন্থাৰ সম্পাদক বিতুপন বৰাই।

## ইটাখোলাত কালী পূজা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ১৭ নৱেম্বৰ ঃ** বিশ্বনাথ জিলাৰ ইটাখোলা অঞ্চলত বিগত বছৰৰ দৰে এইবেলি কালী পূজা আৰু দীপাৱলীৰ উৎসাহ-আনন্দ দেখা নগ’ল। ক’ভিড-১৯ মহামাৰীৰ সংক্ৰমণৰ আশংকাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে বান্ধি দিয়া নিৰ্দেশনা কটকটীয়া নীতি-নিয়মৰ মাজত পালন কৰা কালী পূজা সমিতিবোৰে দুদিনীয়াকৈ পূজাভাগ পালন কৰে। বিশেষকৈ ইটাখোলা অঞ্চলৰ চাহ বাগিচাসমূহত বিগত বছৰৰ দৰে কালি পূজা উপলক্ষে তিনি-চাৰিদিন ধৰি আড়ম্বৰপূৰ্ণ মেলা অনুষ্ঠিত কৰি মুকলি পথাৰত চিনেমা প্ৰদৰ্শনৰ ব্যৱস্থা কৰিছিল। কিন্তু চলিত বৰ্ষত প্ৰশাসনৰ তৰফৰ পৰা কোনো ধৰণৰ মেলা পাতিবলৈ অনুমতি নিদিয়াত তিনি-চাৰিদিনৰ পৰিৱৰ্তে মাত্ৰ দুদিনতে পূজাভাগ সামৰা পৰিলক্ষিত হ’ল। একেদৰে ইটাখোলাস্থিত ইটাখোলা ব্যৱসায়ি কেন্দ্ৰস্থল মুকলি স্থানৰ পৰিৱৰ্তে ইটাখোলাৰ শ্ৰীশ্ৰীৰাধা কৃষ্ণ মন্দিৰ প্ৰাংগণত অনুষ্টুপীয়াকৈ ক’ভিড প্ৰট’কল মানি পূজা ভাগ অনুষ্ঠিত কৰে। উল্লেখ্য যে প্ৰতিবছৰে ইটাখোলাত কালিপূজা উপলক্ষে জিলাভিত্তিক আকৰ্ষণীয় আৰতি প্ৰতিযোগিতাৰ আয়োজন কৰি আহিছিল যদিও এই বছৰ ক’ভিড-১৯ মহামাৰীৰ সংক্ৰমণৰ ভয়াৱহতাৰ ওপৰত লক্ষ্য ৰাখি উক্ত প্ৰতিযোগিতা বাতিল কৰি স্থানীয় মহিলাসকলৰ মাজত এটা চলাই কাঠিত কিমানটা মমবাতি জ্বলাব পাৰি, তাৰে এখন প্ৰতিযোগিতা অনুষ্ঠিত কৰি ৰাইজক পূজাৰ আনন্দ দিয়াত প্ৰয়াস কৰে আয়োজকে।



## বাঁহবাৰী আঞ্চলিক নামঘৰৰ আধাৰশিলা স্থাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, সাপেখাঁতী, ১৭ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন বিজেপিৰ মিত্ৰজোঁটৰ চৰকাৰখনে প্ৰতিটো ঐতিহাসিক স্থান, সত্ৰ-নামঘৰকে আদি কৰি ঐতিহাসিক সমলসমূহ উন্নয়ন কৰা বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰি আহিছে। সেই পদক্ষেপৰ অংশ হিচাপে যোৰহাট লোকসভা সমষ্টিৰ অন্তৰ্গত সোণাৰি বিধানসভা সমষ্টিৰ বেঙেনাবাৰী গাঁও পঞ্চায়তত অসম দৰ্শন আঁচনিৰ অধীনত দহ লাখ টকা ব্যয় সাপেক্ষে বাঁহবাৰী আঞ্চলিক নামঘৰটোৰ আধাৰশিলা স্থাপন কৰে যোৰহাট লোকসভা সমষ্টি সাংসদ তপন কুমাৰ গগৈয়ে। উক্ত আধাৰশিলা অনুষ্ঠানত সাংসদগৰাকীৰ সৈতে সোণাৰি সমষ্টিৰ বিধায়িকা নৱনীতা সন্দিকৈ, বেঙেনাবাৰী গাঁও পঞ্চায়তৰ সভানেত্ৰী সীমা লাহন বড়া, বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য কাজল দে’, দিলীপ কোঁৱৰ, বিজেপিৰ চৰাইদেউ জিলা সমিতিৰ সাধাৰণ সম্পাদক স্বাক্ষৰজ্যোতি গগৈ, জিলা পৰিষদৰ সদস্য ৰাজ নায়ক, জিনু কোঁৱৰ, মণ্ডল সভাপতি কমল কুৰ্মী, সাধাৰণ সম্পাদক ভাস্কৰ বৰুৱাৰ লগতে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# এইচডিএফচি বেংকে মুকলি কৰিলে ‘মুহবন্দৰাখো’ সজাগতামূলক অভিযান

**গুৱাহাটী, ১৬ নৱেম্বৰ ঃ** ছাইবাৰ অপৰাধ প্ৰতিৰোধ বিষয়টোৰ প্ৰতি গ্ৰাহকক সজাগ কৰি তুলিবলৈ আজি এইচডিএফচি বেংক লিমিটেডে “মুহবন্দৰাখোঁ” নামৰ এক সজাগতামূলক অভিযান মুকলি কৰিছে। এই সজাগতামূলক অভিযান ভাৰ্চুৱেল অনুষ্ঠানৰ মাধ্যমেৰে অনুষ্ঠানিকভাৱে মুকলি কৰে ভাৰত চৰকাৰৰ নেচনেল ছাইবাৰ ছিকিউৰিটীৰ সমন্বয়ক অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল ড° ৰাজেশ পণ্ট, এইচডিএফচি বেংকৰ চীফ ৰিস্ক অফিচাৰ জিমী টাটাই। এই বেংকে আগন্তুক চাৰি মাহত সমগ্ৰ দেশত ইয়াক লৈ ১০০০খন কৰ্মশালা আয়োজন কৰিব। কাৰ্ডৰ বিৱৰণ ভাগ বটোৱাৰা নকৰা, চিভিভি, ম্যাদ উকলি যোৱা তাৰিখ, অ’টিপি নেটবেংকিংয মোবাইল বেংকিং লগইন আইডি আৰু ফোনৰ পাছৱৰ্ড নিদিয়াৰ দৰে সৰল পদক্ষেপবোৰ অনুসৰণ কৰিবলৈ গ্ৰাহকক কোৱা হৈছে। এই সৰল পদক্ষেপবোৰ অনুসৰণ কৰিলে এছএমএছ, ইমেইল আৰু ছ’চিয়েল মিডিয়াই সাধাৰণ জনসাধাৰণৰ ধন সুৰক্ষিত ৰখাত সহায় কৰিব। এই অভিযানকালত এই বিষয়ে আৰু অধিক কব এই বেংকটোৱে। এই অভিযানে আন্তঃৰাষ্ট্ৰীয় জালিয়াতি সজাগতা সপ্তাহ ২০২০ (International Fraud Awareness Week 2020)ৰ সমৰ্থন কৰে। জালিয়াতিৰ প্ৰভাৱ হ্ৰাস কৰাৰ বাবে বিশ্বব্যাপী জালিয়াতিৰ বিৰুদ্ধে এই আন্দোলন ১৫ নৱেম্বৰ পৰা ২১ নৱেম্বৰলৈ হৈ আছে। এইচডিএফচি বেংকে দ্বিতীয় বৰ্ষলৈ এই আন্দোলনত ভাগ লৈছে। আৰম্ভণিতে ক’ভিড-১৯ৰ সৈতে যুঁজিবলৈ বেংকে “মুহবন্দৰাখোঁ” অভিযান আৰম্ভ কৰিছিল আৰু এতিয়াও আছে। আনহাতে এই অভিযান এতিয়া ছাইবাৰ জালিয়াতিৰ বিৰুদ্ধে যুঁজিবলৈ সম্প্ৰসাৰিত কৰা হৈছে। অধিক তথ্যৰ বাবে এই বেংকৰ ৱেবচাইট লৈ যাব পাৰে। এইচডিএফচি বেংকৰ চীফ ৰিস্ক অফিচাৰ জিমী টাটাই কয়- এই অভিযানটো সময়ৰ প্ৰতি প্ৰাসংগিক, কিয়নো অধিক ব্যক্তিৰে বেংকিং সেৱা অনলাইনৰদ্বাৰা প্ৰাপ্ত কৰি আছে। এই মহামাৰীৰ সময়তো বেংকে নিজৰ গতি ধৰি ৰাখিছে। বেংক গ্ৰাহকসহ সাধাৰণ জনসাধাৰণৰ বাবে গুৰুত্বপূৰ্ণ টোকা: - এইচডিএফচি বেংক নাইবা অন্য বেংকে আপোনাৰ পৰা নিবিচাৰে অ’টিপি, নেটবেংকিংয মোবাইল বেংকিং পাছৱৰ্ড, কাষ্টমাৰ আইডি, বিভিন্ন ইএমআই পেমেণ্ট ইউপিআই পিন। অন্যৰ সৈতে ভাগ বটোৱাৰা নকৰিব বেংকৰ বিৱৰণ, পিন আৰু পাছৱৰ্ড।- অনুগ্ৰহ কৰি ফোন, এছএমএছ, ইমেইলৰ দ্বাৰা কোনো গোপনীয় বিৱৰণ ভাগ-বতৰা নকৰিব। ৰাজহুৱা সংযোজিত বিনামূলীয়া ৱাই-ফাই ব্যৱহাৰ কৰি আপোনাৰ মোবাইল, টেবলেট, লেপটপৰ পৰা বেংকিং লেনদেন নকৰিব।- আপুনি আপোনাৰ ঠিকনা, যোগাযোগ নম্বৰ বা ইমেইল আইডি সলনি কৰিলে আপোনাৰ বেংকক অৱগত কৰিব।- আপোনাৰ যোগাযোগ তালিকাত সদায়ে আঞ্চলিক ফোন বেংকিং নম্বৰ সংৰক্ষণ কৰিব ৰাখিব। আপোনাৰ কাৰ্ড হেৰাই যোৱা বা চুৰি হ’লে অথবা আপুনি সন্দেহজনক লেনদেনৰ সতৰ্কতাপ্ৰাপ্ত কৰিলে জৰুৰী পৰিস্থিতিত আপোনাক সহায় কৰিব। আপুনি কল কৰিব পাৰে ৬১৬০৬১৬১ বা এইচডিএফচি বেঙ্কৰ ফোন বেংকিঙত উপনীত হ’বলৈ টোল ফ্ৰী নম্বৰ — ১৮০০২৫৮৬১৬১ত।

# বিহালীৰ বৰগাঙত সাংবাদিক পৰাগ ভূঞাক শ্ৰদ্ধাঞ্জলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ১৭ নৱেম্বৰ ঃ** তিনিচুকীয়াৰ কাকপথাৰৰ প্ৰতিদিন টাইমৰ সাংবাদিক পৰাগ ভূঞাৰ মৃত্যুত আজি বিহালীৰ বৰগাঙত এক ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। বিহালী আঞ্চলিক ছাত্ৰ সন্থাৰ শ্বহীদ বেদীত স্থানীয় সাংবাদিক সকলে আয়োজন কৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত চিপিআই(এম-এল) নেতা বিবেক দাসৰ দ্বাৰা বন্তি প্ৰজ্বলন কাৰ্যসূচী শুভাৰম্ভ কৰা হয়। সভাত বিহালী আঞ্চলিক ছাত্ৰ সন্থা,সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদ অসম, বৰগাং শাখা সাহিত্য সভা, দুৰ্নীতিবিৰোধী সংগ্ৰাম সমিতি, আদিবাসী ছাত্ৰ সন্থা, বিপ্লৱী যুৱ সন্থা, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি, সাংস্কৃতিক মহাসভা অসম, বৰগাং কেন্দ্ৰীয় সৰ্বজনীন ৰঙালী বিহু উদ্‌যাপন সমিতি, সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ বিষয় ববীয়া সকলৰ লগতে বৰগাঙৰ স্থানীয় লোক সকলে অংশগ্ৰহণ কৰে। স্থানীয় সাংবাদিক প্ৰণিতা ৰায় ভূঞাই আঁত ধৰা অনুষ্ঠানটিত চিপিআই(এম-এল) নেতা বিবেক দাসে ভাষণ প্ৰদান কৰি পৰাগ ভূঞাৰ দুৰ্ঘটনাত নিহত হোৱা ঘটনাৰ কাৰণ এক পৰিকল্পিত হত্যাকাণ্ড বুলি বিবেচিত হৈছে। আজিলৈকে হত্যাকাণ্ডৰ সন্দেহ কৰা ব্যক্তিক প্ৰশাসনে গ্ৰেপ্তাৰ কৰিব পৰা নাই। একেদৰে সাংবাদিক প্ৰহ্লাদ গোৱালাকো গাড়ীৰে খুন্দিয়াই নিহত কৰা ঘটনা হত্যাকাণ্ড বুলি দাবী কৰা হৈছিল আৰু অপৰাধী আজিলৈকে ধৰা নপৰিল। অখিল গগৈক জে’লত ভৰাই থোৱাকে ধৰি প্ৰতিবাদী কণ্ঠসমূহক চৰকাৰে ৰোধ কৰি আহিছে। বৰ্তমান দেশত সাংবাদিকসকলে চৰকাৰী পক্ষৰ দুৰ্নীতিসমূহ উদঙাই প্ৰতিবাদী ভূমিকা পালন কৰি আহিছে। সেই বাবে সাংবাদিকসকলকো ভয়-ভাবুকিৰে দুৰ্নীতি-অপৰাধৰ বাতৰি প্ৰকাশ কৰা বন্ধ কৰাৰ চেষ্টা কৰিছে বুলি কয়। বৰগাং শাখা সাহিত্য সভাৰ সভাপতি দুৰ্গেশ্বৰ বৰা, দক্ষিণ বিহালী ছাত্ৰ সন্থাৰ সভাপতি প্ৰাণজিৎ দাস, আদিবাসী ছাত্ৰ সন্থাৰ বিশ্বনাথ জিলা সমিতিৰ সম্পাদক অজিত কুৰ্মী, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ নেতা অনিল বণিয়া, সাংস্কৃতিক মহাসভা অসমৰ বিশ্বনাথ জিলা সমিতিৰ সাংস্কৃতিক সম্পাদক খাদেম আলী, সাংবাদিক অম্লান কাশ্যপ সাহা, সংগ্ৰামী যুৱ-ছাত্ৰ সন্থা অসমৰ বিশ্বনাথ জিলা সমিতিৰ উপ-সভাপতি বিতোপন লহকৰ, বিপ্লৱী যুৱ সন্থাৰ বিশ্বনাথ জিলা সমিতিৰ মুখ্য আহ্বায়ক পৰিমল গোড়, বৰগাং শাখা সাহিত্য সভাৰ সহঃ সম্পাদক তৰুণ দাসে বক্তব্য প্ৰদান কৰি পৰাগ ভূঞাৰ হত্যাকাণ্ডৰ সন্দেহত অভিযুক্তক অতি শীঘ্ৰে গ্ৰেপ্তাৰ কৰাৰ দাবী জনায়। লগতে কালি দক্ষিণ কামৰূপৰ প্ৰতিদিনৰ সাংবাদিক মিলন মহন্তক দুৰ্নীতিৰ বাতৰি পৰিৱেশনৰ বাবে শাৰীৰিক নিৰ্যাতন কৰা ঘটনাৰ গৰিহণা দি দোষীক উপযুক্ত শাস্তি দিয়াৰ দাবী জনোৱাৰ উপৰিও সাংবাদিক সকলে সাহসীকতাৰে দুৰ্নীতি-অপৰাধৰ বাতৰি পৰিৱেশন কৰিব পৰা পৰিৱেশ গঢ়ি তুলিবৰ আহ্বান জনোৱাৰ লগতে সাংবাদিকসকলক নিৰাপত্তা প্ৰদান কৰিবলৈ চৰকাৰ তথা প্ৰশাসনক দাবী জনায়।

# গাবন্ধাত এলিট ফাউণ্ডেশ্বনৰ উদ্যোগত সম্বৰ্ধনা অনুষ্ঠান

## ২০২০ বৰ্ষৰ সৰ্বভাৰতীয় পৰ্যায়ত নীট পৰীক্ষাত উত্তীৰ্ণ ৮ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৭ নৱেম্বৰ ঃ** আজি মৰিগাঁও জিলাৰ লাহৰীঘাট সমষ্টিৰ নগাবন্ধা কনিষ্ঠ মহাবিদ্যালয়ত এলিট ফাউণ্ডেশ্বনৰ উদ্যোগত ২০২০ বৰ্ষৰ সৰ্বভাৰতীয় পৰ্যায়ত NEET পৰীক্ষাত উত্তীৰ্ণ হোৱা ৮জন কৃতী ছাত্ৰ-ছাত্ৰীক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হয়। এই সম্বৰ্ধনা সভাত সভাপতিত্ব কৰে এলিট ফাউণ্ডেশ্বনৰ সভাপতি ফকৰুল ইছলাম খানে। সভাৰ উদ্দেশ্য আৰু সম্বৰ্ধনাপৰ্ব আৰু আদৰণি পৰ্বৰ আঁত ধৰে এলিট ফাউণ্ডেশ্বনৰ সম্পাদক তথা মহবিদ্যালয়ৰ অধ্যক্ষ গিয়াছউদ্দিন আহমেদে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অধিবক্তা আবু বক্কৰ ছিদ্দিক আহমেদ, বিশিষ্ট অতিথি হিচাপে ধোবাংখাইতী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক মকবুল হুছেইন । কৃতী ছাত্ৰ-ছাত্ৰীসকলক একোখনকৈ ফুলাম গামোচা, জাপিৰে সম্বৰ্ধনা জনোৱা হয়। এই গাম্ভীৰ্যপূৰ্ণ সম্বৰ্ধনা জনোৱা সভাত মহাবিদ্যালয়ৰ বিষয় শিক্ষক গোট, ৯খন মান বিদ্যালয়ৰ নৱম আৰু দশম শ্ৰেণীৰ মেধাৱী ছাত্ৰ-ছাত্ৰী, অভিভাৱকৰ উপৰি স্থানীয় ৰাইজো উপস্থিত আছিল।



# সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সন্থাৰ হোজাই জিলা কমিটিৰ সাধাৰণ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নীলবাগান, ১৭ নৱেম্বৰ ঃ** হোজাই জিলাৰ শংকৰদেৱ নগৰত অৱস্থিত মোহন শৰ্মা মধ্য ইংৰাজী বিদ্যালয়ত সদৌ অসম চৰকাৰী এনপিএছ. কৰ্মচাৰী সন্থাৰ হোজাই জিলা শাখা কমিটিৰ সাধাৰণ সভাখন ১৫ নৱেম্বৰ তাৰিখে অনুষ্ঠিত হয়। উক্ত সভাত নতুনকৈ হোজাই জিলা কমিটিখন গঠন কৰা হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে- ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ শিক্ষক গোটৰ সহ-সম্পাদক ডঞ্জ নজৰুল ইছলাম বৰভূঞাই। অসম চৰকাৰৰ অধীনত বিভিন্ন বিভাগত কৰ্মৰত প্ৰায় শতাধিক শিক্ষক তথা বিষয়া কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। সভাখনত সন্থাৰ কেন্দ্ৰীয় কমিটি আৰু নগাঁও জিলা কমিটিৰ প্ৰতিনিধি ধীৰাজ বৰা, পংকজ হাজৰিকা আৰু পংকজ মিলি উপস্থিত থাকে। তেওঁলোকে সন্থাৰ উদ্দেশ্য আৰু প্ৰাসংগিকতা বিশদভাৱে আলোচনা কৰে। তদুপৰি NPSৰ অধীনত চাকৰি জীৱনৰ পৰা অৱসৰপ্ৰাপ্ত কেইজনমান চাকৰিয়ালে লাভ কৰা মাহিলি পেনচনৰ বিষয়ে সভাৰ দৃষ্টিগোচৰ কৰে। NPS আমাৰ বাবে মুঠেই সুফলদায়ক নহয় বুলি প্ৰকাশ কৰে জিলাখনৰ পৰা ইতিমধ্যে অৱসৰপ্ৰাপ্ত কেইজনমান শিক্ষক-কৰ্মচাৰীয়ে। সেয়ে যিকোনো মূল্যৰ বিনিময়ত এই NPS চৰকাৰে সলাবই লাগিব আৰু ইয়াৰ বাবে সকলো চৰকাৰী বিভাগ সমূহ সামৰি এখন শক্তিশালী কমিটি গঠণ কৰা প্ৰয়োজন বুলি উল্লেখ কৰে কমিটিৰ সম্পাদক ৰত্নেশ্বৰ মাৰাকে। তদুপৰি কমিটিৰ সভাপতি আৰু সম্পাদক প্ৰমুখ্যে সকলো বিষয় ববীয়াক দায়িত্ব অৰ্পণ কৰা হয় যাতে জিলাখনৰ সকলো বিভাগৰ এন.পি.এছ. কৰ্মচাৰী সকলৰ লগত যোগাযোগ কৰি সকলোকে এন.পি.এছৰ ভয়াবহতা সম্পৰ্কে সজাগতা বৃদ্ধি কৰা। সভাখনত ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ব বিদ্যালয়, হাজী আনফৰ আলী কলেজ, হাইস্কুল, মধ্য ইংৰাজী বিদ্যালয়, টেট শিক্ষক সন্থাৰ প্ৰতিনিধি, জিলা উপায়ুক্ত কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰী সকলে অংশগ্ৰহণ কৰে আৰু NPS বাতিল কৰি পুৰণি পেনচন পুনৰাই আৰম্ভ কৰিবলৈ অসম চৰকাৰক আহবান জনায়। জুমা পালৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উক্ত সভাত OPS আৰু NPS ৰ সমূহ সদস্যই অসমত চলি থকা NPS কৰ্মচাৰী আন্দোলনক সমৰ্থন জনাই প্ৰস্তাব গ্ৰহণ কৰাৰ লগতে অহা ২৪ নৱেম্বৰ তাৰিখে গুৱাহাটীৰ কেন্দ্ৰীয় অভিবৰ্তনত উপস্থিত হৈ হোজাই জিলাক প্ৰতিনিধিত্ব কৰিবলৈ হোজাই জিলাৰ পৰা ৪০০ প্ৰতিনিধি পঠিয়াব বুলি ৬৭ জনীয়া কমিটিক উপস্থিত সদস্যসকলে দায়িত্ব গ্ৰহণ কৰে বুলি হোজাই জিলা কমিটিৰ সভাপতি ড° নজৰুল ইছলাম বৰভূঞাই এক প্ৰেছ বিজ্ঞপ্তিত প্ৰকাশ কৰে।

## নগৰবেৰা আঞ্চলিক জমিয়ত উলেমাৰ সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১৭ নৱেম্বৰ ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত নগৰবেৰা জাম মছজিদ প্ৰাংগনত যোৱা কালি নগৰবেৰা আঞ্চলিক জমিয়ত উলামাৰ নতুন সমিতি গঠনাৰ্থে এখন সভা অনুষ্ঠিত হৈ যায়। আব্দুল ওৱাহাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত মুফতি মহিবুৰ ৰহমানক সভাপতি. আকবৰ আলী আহমেদ. আবুল কালাম আজাদ. আব্দুল জলিল আৰু ওৱাজুদ্দিনক উপ সভাপতি. মুছা আলীক সাধাৰন সম্পাদক আৰু হবিবুৰ ৰহমানক ধন ভড়ালী হিছাপে সৰ্বসন্মতি ক্ৰমে বাচনি কৰি দুবছৰীয়া কাৰ্যকালেৰে নগৰবেৰা আঞ্চলিক জমিয়ত উলামাৰ নতুন সমিতিখন গঠন কৰা হয়। উক্ত সভাত হাফিজ ৰফিকুল ইছলাম আৰু আব্দুল ওৱাহাৰে পৰ্য্যবেক্ষক হিচাপে উপস্তিত থাকি নতুন সমিতিৰ বিষয়ববীয়াসকলক নতুন সমিতিখন পৰিচালনাৰ ক্ষেত্ৰত বিভিন্ন পৰামৰ্শ আগবঢ়ায়।

# মানুহজন সুখী হৈছে

স্মৃতিৰেখা সোণোৱাল

"এই লক্ ডাউনটোৱে সব শেষ কৰি দিলে । সকলো সপোন থানবান হৈ গ'ল । এতিয়া মই নাদৰ ভেকুলী।'

"ধ্যেৎ! কি কথাবোৰ কয়হে ? কিয় হাৰ মানিছে? ভাল দিনবোৰ আহিব । যেনেতেনে এই মাহকেইটা যাবলৈ দিয়ক।'

এয়া মনালী আৰু মন্দাকিনীৰ মাজৰ কথোপকথন আছিল।

একেখন চহৰতে দুয়ো গৰাকী ভাড়া ঘৰৰ বাসিন্দা । মনালীৰ এটা সন্তান আৰু মন্দাকিনীৰো এটা সন্তান আছে। মনালীৰ স্বামী ৰাতুলৰ কাঠৰ আচবাবপত্ৰৰ দুখন দোকান আছে আৰু মন্দাকিনীৰ স্বামী এখন চৰকাৰী বিদ্যালয়ৰ সহ শিক্ষক ।

লকডাউনৰ আগলৈকে চহৰৰ সকলোবোৰ পৰিয়াল ঠিকে ঠাকে চলি আছিল। নিয়মিত আয়ৰ উৎস এটা থকা পৰিয়ালবোৰে সুন্দৰকৈ দিনবোৰ অতিবাহিত কৰি গৈছিল, লাগিলে সেয়া দিন হাজিৰা কৰিয়ে হওক বা বেচৰকাৰী খণ্ডত কিবা এটা চাকৰি কৰিয়ে হওক । এতিয়া লক্ ডাউনে বহুতৰ সংসাৰত বিহ ঢালিছে । এটা চাকৰি নাথাকিলেও মনালীৰ স্বামীৰ মাহেকীয়া উপাৰ্জন ভাল । একক পৰিয়ালটো সচ্ছলভাবে চহৰত চলি থাকে । লক্ ডাউনৰ কিছু দিন আগতে মনালীক তাইৰ স্বামীয়ে এখন স্কুটিও কিনি দিছে । মনালী আৰু সন্তানৰ জন্মদিন , সিহঁতৰ বিবাহ বাৰ্ষিকী খুউব সুন্দৰকৈ প্ৰতিবাৰে উদযাপন কৰে । ৰাতুলৰ এখন দুচকীয়া বাহন থকাৰ উপৰি এখন স্ক'ৰপিঅ' আছে। ভাড়াঘৰটোৰ দামো যথেষ্ট ।

আনহাতে মন্দাকিনীহঁতৰ বাহন বুলিবলৈ চাৰিচকীয়া নাই , স্বামীৰ দুচকীয়া এখন আছে । মন্দাকিনীয়ে খোজ কাঢ়ি , ই-ৰিক্সাত উঠি প্ৰয়োজনীয় ঠাইলৈ অহা-যোৱা কৰে। মন্দাকিনীৰ স্বামীৰ ধাৰ-ল'ন , কিস্তিৰ প্ৰতি সিমান আগ্ৰহ নাই।

মনালীৰ সন্তান ৰূপক আৰু মন্দাকিনীৰ সন্তান গৌৰিত দুয়ো চহৰৰ একেখন বিদ্যালয়তে পঢ়ে। সেই সূত্ৰে দুয়ো গৰাকীৰ মাজত চিনাকি আৰু বন্ধুত্ব হয়। কোনোবা এগৰাকীৰ সন্তান বিদ্যালয়ত অনুপস্থিত থাকিলে আনগৰাকীৰ সন্তানটোৰ পৰা হ'ম ৱৰ্ক, ক্লাছ ৱৰ্কবোৰ লয়।

মনালীৰ স্বামীৰ ঘৰ খন চহৰৰ পৰা আঠ কি:মি দূৰৈৰ এখন গাঁৱত অৱস্থিত । মন্দাকিনী আৰু তাইৰ স্বামী উজনিৰ যদিও এতিয়া সিহঁত কৰ্মসূত্ৰে নামনিৰ এইখন চহৰৰ বাসিন্দা।

মনালীৰ স্বামীৰ ঘৰখনত নিজা শহুৰ-শাহু, দেওৰ-ননদ নাই যদিও পৰিয়ালটো যৌথ । খুড়ী শাহু , খুড়া শহুৰ , খুড়া শহুৰৰ পুত্ৰ-বোৱাৰী আৰু সিহঁতৰ ল'ৰা-ছোৱালী মিলি মুঠ বাৰ জন সদস্য । ৰাতুল মাক-দেউতাকৰ একমাত্ৰ সন্তান । ইতিমধ্যে মাক-দেউতাকে ইহ সংসাৰৰ পৰা বিদায় মাগিছে । সেয়ে দেউতাক-মাকৰ সকলো স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰে চহৰত শিয়াল হৈ থকাতকৈ গাঁৱত ৰজাৰ দৰে থকাটো বেছি পচন্দ কৰে।

মনালীৰ এজন ককায়েক আৰু এটা ভায়েক আছে । মাক-দেউতাক আৰু ককায়েক-ভায়েকৰ মৰমৰ মাজতে তাই ডাঙৰ-দীঘল হৈছিল । চহৰতে ঘৰ । কলেজত পঢ়ি থাকোঁতে ৰাতুলৰ লগত প্ৰেম হৈ বিয়া হৈছে । এতিয়া গাঁৱৰ বোৱাৰী হ'লেও স্বামী পৰিয়ালৰ সকলোৱে যথেষ্ট মৰম কৰে । মনালীয়ে গাঁৱত থাকিবলৈ বেয়া নাপালেও সিমান ভালো নাপায় । গাঁৱত তিনি-চাৰি দিনতে আমুৱায়। গাঁৱৰ ঘৰখনৰ কামবোৰ দেখিলে তাইৰ মূৰ নষ্ট হৈ যায় । কামৰ পৰা অকণো আহৰি নাপায় । পুৱা উঠাৰ পৰা ৰাতি শুবলৈ যোৱাৰ পৰলৈকে কামেই কৰিব লাগে । দিনত কেতিয়াবা জিৰোৱাৰ সময়কণতে কোনোবা আহি ওলায়হি; আকৌ চাহ-তামোলৰ যোগাৰ। কেতিয়াবা ভাত খোৱা আলহী । দিনৰ দিনটো চাহ-ভাতৰ যোগাৰ , বাচন ধোৱা কাম কৰোঁতেই যায়। পুৱা এসাঁজ খাই বেলেগ দুটামান কাম কৰি শেষ হওঁ মানে আকৌ দুপৰীয়া ৰন্ধাৰ সময় হয়হি। সন্ধ্যা পঢ়াৰ টেবুলত সন্তানক পঢ়ুৱাৰ শকতি দেহ-মনত আৰু নাথাকেগৈ । কেতিয়াবা আকৌ সেই খিনি সময়তে কোনোবা আহি ওলায়হি । চাহ-তামোলৰ যোগাৰ নিদিলেও মাতষাৰ দিব লাগে । ঘৰৰ আনবোৰেও কামতে ব্যস্ত থাকে । স্বামীৰ ঘৰত যথেষ্ট খেতিও কৰে । অৱশ্যে ঘৰৰ মানুহে নিজে খেতি নকৰে, আনক আধি দিয়ে। দিনৰ ভাগত সমস্ত পাকঘৰৰ কাম তাই চম্ভালিব লাগে। চহৰৰ ভাড়াঘৰত মাত্ৰ তিনিজনৰ বাবে ৰন্ধা-বঢ়া কৰে আৰু গাঁৱত থাকিলে পোন্ধৰজনৰ বাবে ৰন্ধা-বঢ়া কৰিব লাগে । সেয়ে গাঁৱলৈ আহিবলৈ তাই টান পায় । সৰুৰে পৰা কাম কৰাৰ অভ্যাস নথকা হেতুকে তাই বহুত কষ্ট কৰিব নোৱাৰে ।

সকলো ঠিকে চলি আছিল । লক্ ডাউনৰ আগলৈকে সকলো ঠিকে চলি আছিল । কেতিয়াবা সপ্তাহৰ মূৰত , কেতিয়াবা মাহৰ মূৰত মনালীহঁত গাঁৱৰ ঘৰলৈ আহে আৰু গাঁৱৰ ঘৰৰ পৰা চাউল আৰু শাক-পাচলি মোনা ভৰাই চহৰলৈ লৈ আনে ।

মাৰ্চ মাহৰ শেষৰ পৰা গোটেই অসমতে লক্‌ডাউন আৰম্ভ হ'ল । লক্ ডাউন বাঢ়ি যোৱাৰ লগে লগে ৰাতুলৰ ব্যৱসায়ো ক্ৰমান্বয়ে অধিক বেয়াৰ ফাললৈ গতি কৰিলে। ৰাতুলে পুত্ৰ-পৰিবাৰক যথেষ্ট মৰম কৰে , সিহঁতে কি বিচাৰে বুজি পায় , বিচৰা বস্তুটো মুখৰ আগত আনি দিয়ে কিন্তু লক্ ডাউনৰ সময়ছোৱাত ৰাতুলে ক্ৰমাৎ ঘৰখন চলাব নোৱাৰা হৈ পৰিল । ঘৰ ভাড়া , দুখন দোকানৰ ভাড়া , দোকানত কাম কৰা দুজন মানুহৰ দৰমহা , মুঠ তিনি খন বাহনৰ তেল খৰচ , বিদ্যালয়ৰ মাহেকীয়া মাচুল, দৈনিক খোৱা-বোৱাৰ খৰচ , বেমাৰ-আজাৰ আদিৰে খৰচ মিলাব নোৱাৰা হৈ পৰিল। বিগত ছয় মাহত আয়ৰ ঘৰ প্ৰায় শূন্য । ৰাতুলে মাজে মাজে মনালীক কয় - "গাঁৱৰ ঘৰলৈকে যাওঁগৈ ব'লা । লক্ ডাউন শেষ হ'লে আকৌ আহিম । ৰূপকৰ ক্লাছ এইটো বছৰত এনেয়ো নহয় । মাহে এহেজাৰ টকাও হাতলৈ নাহিলে চহৰত কেনেকৈ থাকিম ?" মনালী কিছুপৰ মৌন হৈ ৰয় । মনৰ দুখত থকা ঠাইৰ পৰা ডেৰ কি:মি আঁতৰত থকা মাকৰ ঘৰলৈ গুচি যায় আৰু এক সপ্তাহমান থাকি মনটো ভাল লাগিলে পুনৰ গুচি আহে । মনৰ কথা কাকোৱে কোৱা নহয় । মনালীৰ মতে এবাৰ গাঁৱৰ ঘৰলৈ গুচি গ'লে পুনৰাই অহা টান । ৰূপকেও গাঁৱলৈ গ'লে আহিব মন নকৰে । গাঁৱত তাৰ লগ-সংগ বেছি । চহৰৰ কোঠাত থকা অতবোৰ বস্তু-বাহানি গাঁৱলৈ লৈ গ'লে তাত থ'বলৈয়ো ঠাই নাই । আকৌ এটা কোঠা বনাব লাগিব আৰু তাতো খৰচ আছে বা আনৰ ঘৰত থ'ব লাগিব। বস্তুবোৰ ছেদেলি-ভেদেলিকৈ পৰি থাকিলে অতি সোনকালে নষ্ট হ'ব । তাই ৰাতুলক কিছুমাহ মেনেজ কৰিবলৈ কয় ।

'গাঁৱত যোৱাৰ কথা একদম উপায় নোহোৱাতহে ভাবিম।' - এয়া মনালীৰ চিধা কথা ।

এদিন মনালীয়ে বান্ধৱী মন্দাকিনীক গাঁৱত সাময়িকভাবে থাকিবলগীয়া হ'ব পাৰে বুলি আগজাননী এটা দিছিল।

'মিষ্টাৰৰ এক টকাও ইনকাম নোহোৱা হৈ আহিছে । আমি লক্ ডাউন সম্পূৰ্ণৰূপে উঠাই নিদিয়ালৈকে গাঁৱতে থাকিবগৈ লাগিব নহ'লে বেলেগ উপায় নাই।'

"যাওক । সদায় দিনৰ বাবেতো নাযায় । ভাল দিন আহিলে আকৌ আহিব । আপোনালোকৰ যে বিপদৰ পৰা পৰিত্ৰাণ পাবলৈ মূৰৰ ওপৰত ছাতিৰ দৰে ওচৰতে ঘৰ এখন আছে , আমাৰ সেইকণ সুবিধা নাই । সেয়ে আমি প্ৰতি খোজতে চাই-চিতি ভৰি দিব লাগে ।"

লক্ ডাউনত ৰাতুলে মেনেজ কৰি কৰি ছমাহ চহৰত কটালে তথাপি লক্ ডাউনৰ ওৰ নপৰিল । এইবাৰ লক্ ডাউনৰ নতুন পৰ্যায় আনলক্ - ১ , আনলক্ - ২ ... আহিল । বুজা গ'ল বছৰটো এনেকৈয়ে অতিবাহিত হ'ব । এইটো বছৰত ভাল কিবা আশা কৰি চহৰত থাকি লাভ নাই । বিনা ইনকামত আজি ছমাহ খাই-বৈ সাঁচতীয়া আশী-নব্বৈ হাজাৰ টকা শেষ হ'ল । আটাইবোৰ পইচা শেষ নৌহওঁতেই গাঁৱলৈ যোৱাই মংগল । দুখী মনেৰে এদিন মনালীয়ে বস্তু-বাহানিবোৰ পেকিং কৰিলে । উচুপি উচুপি এদিন চহৰ এৰি গাঁৱমুখী হ'ল । লগ-বন্ধুৰ বহুতে কথাটো গমেই নাপালে।

গাঁৱৰ ঘৰত সমস্ত সুবিধাবোৰ নাই । সিহঁত তালৈ যোৱাৰ পিছতহে পাইপেৰে ঘৰৰ ভিতৰতে পানী পোৱাৰ ব্যৱস্থা কৰিলে । বাথৰুমটো মেৰামতি কৰি ৰং কৰিলে । নতুনকৈ এটা কোঠালি সাজিলে । এইখিনি কৰোঁতেও ত্ৰিশ-চল্লিশ হাজাৰ টকা খৰচ হ'ল । আনহাতে মনালীৰ ওচৰত চহৰলৈ উভতি অহাৰ বাটো নাই ।

গিৰীয়েকে গাঁৱৰ ঘৰখনলৈ আহি কিছু যেন সকাহ অনুভৱ কৰিলে । ৰূপকে চুবুৰীয়া লগবোৰৰ লগত খেলিবলৈ পাই আনন্দ পাইছে । মনালীয়ে ঘৰুৱা কামৰ পৰা অব্যাহতি নোপোৱা হৈছে । তাই দিনটোৰ অধিকাংশ সময় পাকঘৰটোতে কটায় । নিতৌ একঘেয়ামী কামবোৰ কৰি কৰি তাই খণ্ডত টিঙিৰি তুলা হৈ থাকে আৰু গালি দিবলৈয়ো সময়ত মনৰ মানুহজনক বিচাৰি নাপায় আৰু ঘৰৰ আনবোৰ মানুহৰ আগত মুখ ফুটাই একো এটা ক'বও নোৱাৰে।

এতিয়া গিৰীয়েকৰ হাতত যে ফুটা কড়ি এটাও নাই , যি আছিল সেয়া সব ঘৰৰ কামতে শেষ হ'ল - সেয়া মনালীয়ে জানে কিন্তু সৰুৰে পৰা চহৰত ডাঙৰ-দীঘল হোৱা ছোৱালীজনীয়ে গাঁৱৰ ঘৰ খনৰ গোটেই খিনি কাম সামৰি কৰিবলৈয়ো অপাৰগ । য'ত মানুহ বেছি , তাত কামো বেছি। কামবোৰতো কোনো নতুনত্ব নাই । কেতিয়াবা তাই আক্ষেপ কৰে ।

ৰাতুলে এইকেইটা দিন বাৰীৰ চাৰি চুক চাফা কৰিছে । বিভিন্ন প্ৰকাৰৰ শাক-পাচলি লগাইছে । ভূট জলকীয়াৰ গুটি পচাইছে । বেঙেনা কেইজোপামান ৰুইছে , টেঙামৰা ৰুইছে। বাৰীৰ ঢাপত কল পুলি , তামোল পুলি ৰুইছে । মচন্দৰী , মান ধনিয়া ৰুইছে । পৰিত্যক্ত হৈ থকা পুখুৰী দুটা দ কৈ খন্দাই মাছৰ পোনা মেলিছে । জেউৰা দিছে । মুঠতে সি যেন সদায় গাঁৱতে থাকিব - এনে আন্তৰিকতাৰে ঘৰৰ কামবোৰ কৰিছে ।

মনালীয়ে আগৰ দৰে সন্তানৰ পঢ়া-পাতিৰ তদাৰক কৰিব নোৱাৰা হৈছে । ৰাতিপুৱা কোঠাটো এৰাৰ পৰা ৰাতি শুবলৈহে শোৱনি কোঠাটোলৈ আহে । দিনৰ ভাগত বিছনাখনত বাগৰ এটা মৰাৰ পৰতে কোনোবা আহি ওলায়হি ; আকৌ চাহ-তামোলৰ যোগাৰ দিব লাগে । ৰূপকেও মাকৰ এই ব্যস্ততাৰ পুৰামাত্ৰাই সুযোগ লৈছে ।সমনীয়াৰ লগত খেলা-ধূলা কৰি লেবেজান হৈ সন্ধ্যা পঢ়াৰ টেবুলত টোপনিয়ায় ।

লাহে লাহে প্ৰশাসনে দোকান-পোহাৰবোৰ খুলিবলৈ অনুমতি দিছে । ৰাতুলে গাঁৱৰ ঘৰৰ পৰাই চহৰৰ দোকানলৈ আহ-যাহ কৰিছে । এহেজাৰ ,দুহেজাৰ কৈ হাতলৈ টকা আহিছে যদিও এই টকাৰে চহৰত চলা অসম্ভৱ । দিনবোৰ আগৰ দৰে ভালহৈ নুঠালৈকে চহৰত থাকিবলৈ অহাটো মূৰ্খামি । মাহেকীয়া খৰচবোৰ কমাবলৈ দোকানত কাম কৰা দুজন মানুহৰ এজন লোকক কামৰ পৰা অব্যাহতি দিয়া হ'ল।

মনালীৰ বান্ধৱীবোৰে তাইক ফোন কৰিলেও তাই আগৰ দৰে বেছি সময় কথা পাতিব নোৱাৰে । নিজ শৰীৰৰ যতনো আগৰ দৰে ল'বলৈ সময় নাপায় । সংসাৰ খনৰ ভৱিষ্যতৰ কথা ভাবি তাই কেতিয়াবা শংকিত হৈ পৰে । সদায় গাঁৱতে থাকিবলগীয়া হ'লে কি হ'ব- এই ভাবি শংকিত হৈ পৰে । কি হ'ব তাইৰ সন্তানৰ ভৱিষ্যৎ ? এই ঘোকোট গাঁৱ খনত তাই চিৰ জীৱন পচি মৰিব নেকি? - এনে এশ এবুৰি চিন্তাই তাইক আগুৰি ধৰে।

আনহাতে মনালীৰ স্বামীৰ অনুজ্জ্বল মুখ খন ক্ৰমান্বয়ে উজ্জ্বল হৈ আহিছে । সদায় পইচা চুই থকা মানুহে পইচা চুবলৈ নাপালে কেনে লাগে , সেয়া জনাবোৰে জানে । বিগত ছমাহে পইচা চুই পোৱা নাই । এতিয়া পৰিস্থিতি অলপ ভাললৈ আহিছে । চহৰৰ দোকানৰ পৰা আহি ৰাতি ন-দহমান বজাত ঘৰত সোমাই সকলোকে কাষত পাই মনৰ চাপ কমি গৈছে । আজৰি পৰত গাঁৱৰ বন্ধুবৰ্গৰ লগত কেৰম খেলিছে , আড্ডাত লিপ্ত হৈছে । কোনোবাখিনিক পৰিয়ালটোক যেন অকণ নিৰাপত্তা দিব পাৰিছে অথচ সি জানে মনালী ভিতৰি ভিতৰি সুখী নহয় । তাইৰ বাবে ৰাতুলৰ দুখ লাগে । সন্তানক চহৰত ৰাখি পঢ়াব নোৱাৰাৰ শোক এটাই বুকুৰ ভিতৰেদি উজাই আহে । নিজকে অক্ষম পতি আৰু পিতা যেন লাগে । নিজৰ আৰ্থিক অৱস্থা উন্নত কৰিবলৈ সি পুনৰবাৰ নিজৰ ওচৰত অংগীকাৰবদ্ধ হয় ।

মনালীয়ে কলেজত পঢ়ি থাকোঁতেই বিউটি পাৰ্লাৰৰ প্ৰশিক্ষণ লৈ থৈছিল । নিজাকৈ এখন পাৰ্লাৰ খুলিম খুলিম বুলি ভাবিও বাস্তৱত হৈ উঠা নাছিল । এতিয়া খোলাৰ সময় সমাগত যদিও হাতত মূলধনৰ অভাৱ।

মনালীয়ে গিৰীয়েকৰ সুখী মনটো প্ৰত্যক্ষ কৰিছে । গিৰীয়েকৰ চাপমুক্ত মনটো প্ৰত্যক্ষ কৰিছে । সেই সুখ তেখেতৰ কাম-কাজবোৰত প্ৰতিফলিত হৈছে । কাজিয়া-পেচালবোৰ আগতকৈ কমি গৈছে । তায়ো দৃঢ় হ'ল এইবাৰ তাই কাজিয়া কৰি গাঁৱৰ পৰা ওলাই নাযায় । ৰাতুলৰ লগত আলোচনা কৰি ঘৰৰ সকলোকে নিজৰ বহু দিনীয়া সপোনটোৰ কথা ক'ব । সন্তানক লৈ দেখা অযুত সপোনবোৰৰ কথা ক'ব । নিজৰ সংসাৰ খনক লৈ দেখা সপোনবোৰৰ কথা মুকলি কৰিব ।

মনালীৰ বান্ধৱী মন্দাকিনীয়ে ফোন কৰাত কথাৰ কথাত সিদিনা মনালীয়ে কৈ উঠিল -

"মানুহজন সুখী হৈছে । ... ..."

"আপুনি সুখী নে ?"

"মই আৰু কি সুখী হ'ম ? কাজিয়া কৰিবৰ ইচ্ছা নোহোৱা হৈ গৈছে । এইবাৰ সকলোৰে লগত আলোচনা কৰি টাউনত এখন বিউটি পাৰ্লাৰ খুলিম । নিজাকৈ দুপইচা আৰ্জন কৰি ভৱিষ্যতৰ বাবে সাঁচি থ'ম । গাঁৱতে থাকিম । গোটেই কেইটাই একেলগে ওলাই যাম আৰু ৰূপকক বিদ্যালয়ত নমাই থৈ মই পাৰ্লাৰ খুলিম আৰু বিদ্যালয় ছুটিৰ সময়ত উভতি আহিম ।"

*ফোন ঃ ৯৮৫৪১২৪০২৩*

## চলচ্চিত্ৰ সমালোচনা

# 'লাজ'

অসমীয়া চলচ্চিত্ৰ জগতত মঞ্জু বৰুৱা এটি চিনাকি নাম। ২০০৪ চনত তেওঁ *'লাজ'* নামৰ এখন কথাছবি নিৰ্মাণ কৰি উলিয়ায়। সম্পূৰ্ণ এটি বাস্তৱ কাহিনীৰ আধাৰত নিৰ্মিত ই এখন ট্ৰেজিক ছবি যদিও মাজে-মাজে দুই-এটা সংলাপ, দৃশ্যত শিথিলতা দেখা যায়। *'লাজ'* মুখ্যতঃ এখন বৰ্ণ-বৈষম্যবাদ আৰু শিশু মনস্তত্বৰ ভিত্তিত নিৰ্মিত ছবি। তাহানি কালৰে পৰা প্ৰচলিত উচ্চ-নীচৰ ভেদাভেদ, দুখীয়াৰ জীৱন সংগ্ৰাম আৰু কন্যা শিশুৰ ওপৰত চলা দমন আদি সকলো দিশৰে সংমিশ্ৰণতে সৃষ্টি হৈছে *'লাজ'*

■ অংকনা গগৈ

অসমীয়া চলচ্চিত্ৰ উদ্যোগৰ ইতিহাস পুৰণি আৰু বহুসংখ্যক ছবিয়ে ৰাষ্ট্ৰীয় আৰু শেহতীয়াকৈ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো সন্মান লাভ কৰিছে যদিও সেয়া আজিকোপতি পৰ্যাপ্ত বুলি ক'ব নোৱাৰি। বৰ্তমান সময়ত বিজ্ঞান-প্ৰযুক্তি বিদ্যাৰ দ্ৰুত সম্প্ৰসাৰণ আৰু গোলকীকৰণে মানুহৰ ৰুচিবোধসমূহ বিশেষভাৱে সলনি কৰি তুলিছে। এটি শিশুক জ্যোতি সংগীত, ৰাভা সংগীত, পাৰ্বতী প্ৰসাদৰ গীত শুনোৱাৰ পৰিৱৰ্তে 'ইংলিছ বাইদেউ', 'ৰাছিং পাউদাৰ নিৰ্মা', 'অট'ৱালা' আদি সস্তীয়া গীততহে নাচিবলৈ উৎসাহিত কৰা দেখা যায়। কেৱল জনপ্ৰিয়তাৰ পিছত দৌৰি ফুৰা এনে চেলিব্ৰিটি আৰু অভিভাৱকসকলৰ ৰুচিবোধহীনতাই সময়ৰ সোঁতত খগেন মহন্ত, অৰ্চনা মহন্ত, লোকনাথ গোস্বামী, পুলক বেনাৰ্জী আদি বৰেণ্য ব্যক্তিক পাহৰি পেলোৱাৰ উপক্ৰম হৈছে। ঠিক একেদৰে চলচ্চিত্ৰৰ ক্ষেত্ৰতো সেই একেই কথাই প্ৰযোজ্য। আজিৰ একাংশ অভিভাৱকে নিজেই ভাল চিনেমা কাক কয় বা কোনবোৰ চিনেমা প্ৰকৃততে আমাৰ মানসিকতা উৎকৰ্ষ সাধনৰ বাবে প্ৰয়োজনীয় সেই সম্পৰ্কে জ্ঞাত নহয়। ফলস্বৰূপে এনেকুৱা বহুতো অসমীয়া উচ্চ মানদণ্ডৰ চিনেমা আছে যাৰ নাম তেওঁলোকে হয়তো কোনোদিন শুনা নাই বা সেই চিনেমাসমূহৰ মাত্ৰাও তেওঁলোকে কেতিয়াও উপলব্ধি কৰিব নোৱাৰিব। কোন অভিনেত্ৰীয়ে কি খালে, কি ৰান্ধিলে, কেনেকুৱা সাজ পিন্ধিলে, কোনে কাক প্ৰেমৰ প্ৰস্তাৱ দিলে, কোনে কাক ট্ৰ'ল দিলে, কাৰ প্ৰত্যুত্তৰ কি আদিক লৈয়ে ব্যস্ত থকা নৱপ্ৰজন্মই সেয়ে এদিনতে চেলিব্ৰিটি হোৱা কেইজনকে আদৰ্শ হিচাপে ল'বলৈ হেঁপাহ কৰে। গতিকে এনেবোৰ দিশতে মানুহৰ ধ্যান-ধাৰণা, জীৱনৰ উপলব্ধি আদি দিশত সুস্থ মানসিকতাৰ অভাৱ দেখা যায়।

অসমীয়া চলচ্চিত্ৰ জগতত মঞ্জু বৰুৱা এটি চিনাকি নাম। ২০০৪ চনত তেওঁ *'লাজ'* নামৰ এখন কথাছবি নিৰ্মাণ কৰি উলিয়ায়। সম্পূৰ্ণ এটি বাস্তৱ কাহিনীৰ আধাৰত নিৰ্মিত ই এখন ট্ৰেজিক ছবি যদিও মাজে-মাজে দুই-এটা সংলাপ, দৃশ্যত শিথিলতা দেখা যায়। *'লাজ'* মুখ্যতঃ এখন বৰ্ণ-বৈষম্যবাদ আৰু শিশু মনস্তত্বৰ ভিত্তিত নিৰ্মিত ছবি। তাহানি কালৰে পৰা প্ৰচলিত উচ্চ-নীচৰ ভেদাভেদ, দুখীয়াৰ জীৱন সংগ্ৰাম আৰু কন্যা শিশুৰ ওপৰত চলা দমন আদি সকলো দিশৰে সংমিশ্ৰণতে সৃষ্টি হৈছে *'লাজ'*। কাৰিককী দিশৰ ফালৰ পৰাও ছবিখনৰ গুৰুত্ব আছে। লংশ্বটৰ সহায়েৰে সুন্দৰ প্ৰাকৃতিক পৰিৱেশেৰে আবৃত্ত এখন গাঁৱৰ দৃশ্য গ্ৰহণেৰে আৰম্ভ কৰা ছবিখনৰ প্ৰথম দৃশ্যতে বিদ্যালয় এখনত শিশুহঁতে একেলগে গোৱা এটি প্ৰাৰ্থনা। মুখ্য চৰিত্ৰত আছে এগৰাকী নাবালিকা, নাম ইলা দাস। পঢ়া-শুনাৰ লগতে ঘৰুৱা অন্য কাম-কাজত পাকৈত ইলা এটি মাছমৰীয়া পৰিয়ালৰ সন্তান। দৰিদ্ৰতাই জুৰুলা কৰা পৰিয়ালটিত অসুস্থ পিতৃ-মাতৃ আৰু চাৰি ভাই-ভনীৰে পূৰ্ণ ঘৰখনত ইলাই ইচ্ছাৰ স্বত্বেও পঢ়া-শুনাত বিশেষভাৱে মনোনিৱেশ কৰিব নোৱাৰে। অসুস্থ দেহাৰে নিজ পৰিয়ালটিক পোহপাল দিবলৈ ইলাৰ দেউতাক কৃষ্ণ দাসে অৱশ্যে এজন দায়িত্বশীল পিতৃৰ ভূমিকা পালন কৰিছে। আনহাতে ৰক্তহীনতাত ভুগা মাতৃয়ে সুস্থতাৰ কামনাৰে তাইক নামঘৰলৈ গৈ গোঁসায়ে জাৰি দিয়া পানী আনিবলৈ পঠায়। এইখিনিতে ছবিখনৰ সংঘাত আৰম্ভ হয়। মাকৰ কথা মৰ্মে ইলাই নামঘৰলৈ যায় আৰু ধৰ্ম-অস্পৃশ্যতা আদিৰ কোনো ধাৰণা নোহোৱা কিশোৰীগৰাকীয়ে গোঁসাইৰ সমুখত ঢাৰি পাৰি বহি লয়। এজনী মাছমৰীয়া পৰিয়ালৰ ছোৱালী হৈ এই দুঃসাহস কৰা বাবে গোঁসায়ে ইলাক ধমক দিয়ে আৰু এজন সাধু ব্যক্তিৰ এই নিকৃষ্ট ব্যৱহাৰে ইলাৰ মনত এক ক্ষোভৰ সৃষ্টি কৰে। আমাৰ সমাজত এনেধৰণৰ এলান্ধুকলীয়া বৰ্ণ-বৈষম্যৰ চিত্ৰ আজিও সুলভ। আনহাতে এইখন সমাজতে তথাকথিত উচ্চবৰ্ণৰ মানুহৰ মাজতো কিছু সচেতন ব্যক্তিও আছে। সেয়ে এই ছবিখনত ইলাই পঢ়া স্কুলখনৰ হেডছাৰক তেনে এক চৰিত্ৰত অংকন কৰিছে। উচ্চবৰ্ণৰ যদিও হেডছাৰৰ ব্যৱহাৰত ইলাই কোনোদিন তাচ্ছিল্যসূচক মন্তব্য শুনিবলৈ পোৱা নাই। বৰঞ্চ ছাৰে সদায় তাইক মৰমেৰে আৰু সাহসেৰে আগুৱাই যাবলৈ, ভালদৰে পঢ়া-শুনা কৰি ভাল মানুহ হ'বলৈহে প্ৰেৰণা যোগাই আহিছে। সেইবাবে এই দুই বিপৰীত ধৰ্মী ব্যক্তিৰ সান্নিধ্যই কণমানি ইলাৰ মনত বিভিন্ন প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

ছবিখনত ইলাৰ জীৱনৰ আটাইতকৈ কঠিন সময়খিনি প্ৰকাশ পাইছে তাইৰ মাতৃৰ বিয়োগৰ পাছৰ সময়ছোৱাত। এজনী ১৩ বছৰীয়া ছোৱালীয়ে অসুস্থ পিতৃৰ লগতে ভাই-ভনীৰে ভৰা ঘৰখনৰ গধুৰ বোজা কান্ধপাতি ল'বলৈ বাধ্য হৈ পৰিল। তাই নিজৰ পঢ়া-শুনাবোৰ বাদ দি সদায় মাছ মাৰি আনি সেইবোৰ বজাৰত বিক্ৰী কৰিবলৈ যাবলৈ ল'লে। কেতিয়াবা বিমুখ হৈ ঘৰলৈ উভতিব লগা হ'লে দেউতাকে তাইক সান্ত্বনা দিয়ে। ছবিখনৰ অভিনেতা-অভিনেত্ৰী আটায়ে এনেবোৰ কৰুণ দৃশ্যত ইমান বাস্তৱতা আনি দিছে যে ই দৰ্শকক মনত সাঁচ বহুৱাই থৈ যায়। সেয়ে চৰিত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত পৰিচালকৰ ভূমিকা অতি মনকৰিবলগীয়া। ইলাৰ পৰিয়ালৰ সদস্যসকলৰ বাহিৰেও সোণমাই, ৰুণু, মহাজন দোকানী, স্কুল পৰিদৰ্শক, হেডছাৰকে ধৰি কোনোতো চৰিত্ৰয়ে গুৰুত্ব নোপোৱাকৈ থকা নাই। সংলাপসমূহো অতি সহজ-সৰল আৰু গাঁৱলীয়া ঠাচৰ। মাজে-মাজে আৰহ সংগীতত লোকগীতৰ সুৰ, লোকবাদ্যৰ ধ্বনিৰ আধুনিক প্ৰয়োগে ছবিখনক দৰ্শকৰ অধিক কাষ চপোৱাত সহায় কৰিছে। 'কৃষ্ণগোপাল কৰুণাময়, ৰাম ৰাম হৰি কৃষ্ণগোপাল' - এইপ্ৰশস্তিমূলক গীতৰ প্ৰয়োগেৰে ছবিখনৰ বিষাদময়তাক অন্য মাত্ৰা প্ৰদান কৰিছে। ইয়াৰোপৰি কণ কণ শিশুসকলে খেলা-ধূলা কৰোতেগোৱা 'ৰজাই হুকুম দিছে' ধৰণৰ গীত,সংলাপত ঠায়ে ঠায়ে জঁতুৱা ঠাচৰ প্ৰয়োগ (যেনে- চকুৰ কুটা), পুৰণি বিহুনামৰ প্ৰয়োগ, পুৱা-গধুলি প্ৰাৰ্থনা কৰা দৃশ্য, চহা লোকৰ বিড়ি, চাদা বা অন্য নিচাযুক্ত দ্ৰব্যৰ প্ৰতি থকা সহজাত দুৰ্বলতা, নৈৰ পাৰত কাপোৰ ধোৱা, গা-ধোৱা আদি অসমীয়া চহা জীৱনত সচৰাচৰ চলি থকা কামসমূহৰ চিত্ৰণে দৰ্শকৰ লগত সংযোগ স্থাপন সহজ কৰি তুলিছে। ছবিখনত শিশু মনস্তত্বৰ ওপৰতো যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছে। কৈশোৰৰ পৰা যৌৱনাপ্ৰাপ্ত হ'বলৈ লোৱা এটি শিশুৰ মানসিক-শাৰীৰিক পৰিৱৰ্তনসমূহো ইয়াত তুলি ধৰিবলৈ যত্ন কৰিছে। সেয়ে অতি কৌশলপূৰ্ণভাৱে ইলাই দেখা এটি সপোনৰ জৰিয়তে পৰিচালকে তাইৰ মানসিক পৰিৱৰ্তনৰ লগতে অসমীয়া সমাজৰ বিয়াৰ এটি সংক্ষিপ্ত ৰূপ দাঙি ধৰিবলৈ চেষ্টা কৰিছে। কইনাৰূপী ইলা, তাইৰ সখীহঁতে গোৱা বিয়ানাম, বেইঘৰত কইনা নোওঁৱা, কইনাক দোলাত কঢ়িয়াই দৰাৰ ঘৰলৈ নিয়া আদি সকলো দৃশ্য কম সময়তে তুলি ধৰি অসমীয়া সংস্কৃতিৰ এটি ক্ষুদ্ৰ ধাৰণা প্ৰকট কৰিছে। ইলাই দেখা সেই সপোনটোৰ কথা তাইৰ লগৰী সোণমাইক জনায়। এই কথা শুনি সোণমায়ে ইলাক কয়, *"নিজৰ বিয়াৰ সপোন দেখিলে বেয়া"*। অৰ্থাৎ আমাৰ সমাজত প্ৰচলিত লোকবিশ্বাসসমূহৰ আভাসো এই ছবিখনে দিছে।

ছবিখনত লংশ্বট, মেডিয়াম শ্বট, ক্ল'জআপ আদিৰ ব্যৱহাৰ অতি সুন্দৰ হৈছে। পৰিস্থিতি সাপেক্ষে লংশ্বট আৰু ক্ল'জআপৰ জৰিয়তে দৰ্শকক বিষয়বস্তুৰ গভীৰতা উপলব্ধি কৰোঁৱাত পৰিচালক সফল হৈছে। তাৰোপৰি ছবিখনত কেমেৰাৰ হাই এঙ্গোলৰ প্ৰভাৱ নাই বুলিবই পাৰি। ছবিখন সম্পূৰ্ণ এখন ৰঙীন ছবি। চিত্ৰ বা কোনো বিশেষ অৱস্থা বৰ্ণনৰ বাবে ৰঙৰ সাল-সলনি কৰা দেখা নাযায়। সুন্দৰ এডিটিঙৰ বাবে এটা দৃশ্যৰ অন্তত অন্যটো দৃশ্য সংযোগ কৰোঁতে ছবিখনৰ গতিশীলতা হ্ৰাস পোৱা নাই।

*'লাজ'* ছবিখন সঁচা অৰ্থত অসমীয়া চলচ্চিত্ৰ জগতৰ এখন পূৰ্ণাংগ ছবি। মাতৃহাৰা ইলাই জীৱন সংগ্ৰামত যুঁজ দি দি শেষত তাই লজ্জা নিবাৰণৰ বাবে পিন্ধিবলৈ এটি সাধাৰণ 'পেন'ৰ অভাৱ হৈ পৰা কৰুণ দৃশ্যটিৰে ছবিখনৰ সামৰণি ঘটিছে। কোনোধৰণৰ কৃত্ৰিমতা নোহোৱাকৈ অতি সামান্য বাজেটেৰেও যে এখন সুন্দৰ প্ৰভাৱশালী ছবি নিৰ্মাণ কৰিব পাৰি সেই কথা মঞ্জু বৰুৱা, জাহ্নু বৰুৱা আদি নমস্য চলচ্চিত্ৰ নিৰ্মাতাসমূহৰ পৰা তৰুণ প্ৰজন্মই অনুধাৱন কৰিব পাৰে। কিন্তু অপ্ৰিয় হ'লেও সত্য যে বৰ্তমান কিছু সংখ্যক ছবি নিৰ্মাতাই কেৱল চিনেমাৰ বাণিজ্যিকৰণত নামি পৰাৰ বাবে সাম্প্ৰতিক সময়ৰ বহু চিনেমাত গুণগত মান নাইকিয়া হৈ অহা দেখিবলৈ পোৱা গৈছে। অসমত চিনেমাৰ বহুতো সমল আৰু সম্ভাৱনা আছে। সময় থাকোঁতেই এইবোৰ উচিত ধৰণে ব্যৱহাৰ কৰিলেহে অসমীয়া চলচ্চিত্ৰৰ ভৱিষ্যত সুৰক্ষিত হৈ উঠিব।

*ফোন- ৯৬৭৮১৬৫৪৫৫*

স্মাৰ্ট হয়নে নহয় শিশুজনক লৈ চিন্তা কৰাটো ভুল। সময়ৰ লগে শিশুজনে পৰিৱেশৰ লগত নিজেই খাপ যদি উপযুক্ত শিক্ষা পাই। যদি আলসনীৰ কথা শুনিছে তেন্তে যিমান জ্ঞান পালেও সেইজনে নিজতকৈ সৰুবোৰক আলসনীৰ কাহিনীয়েই শুনাব। প্ৰথম শিক্ষা ঘৰখন উৎপাত কৰিছে তেতিয়া মবাইল দিলে নাইবা টি ভিত কাৰ্টুন চাব দিলেই ঠাণ্ডা হ'ল বুলি সদায় তেনে কৰাও ভুল। অলপ উৎপাত সহ্য কৰিবও লাগে কাৰণ আমিও এসময়ত লোকৰ বাৰী লণ্ড ভণ্ড কৰিছিলো

# আপোনাৰ সন্তান স্মাৰ্ট হয়নে ?

ডেভিদ কংকন

আপোনাৰ সন্তানক আপুনি কেনেদৰে শুৱাইছে হাতত স্মাৰ্ট ফোনটো দি নে নুশুলে ভূত আহিব বুলি কৈ।

হাতত স্মাৰ্ট ফোনটি দিলেই কোনো স্মাৰ্ট নহয়?সেইদৰে ভূত আহিব কৈও বেলেগ দিশলৈ নিয়াটো ভুল।

শিশুজনক এনে অভ্যাস লগাওক যে সি শুৱাৰ সময়ত ভালদৰে শোৱে। আপুনি গান নাইবা কিবা কাহিনী কওঁক।

চহৰৰ এজন শিশু আনহাতে গাঁৱৰ এজন শিশু ।হয়তো গাঁৱৰ সেই শিশুজন চহৰৰ দৰে স্মাৰ্ট নহবও পাৰে ।গতিকে তেওঁৰ লগত তাক নিৰিজাব। চহৰৰ দৰে সৰুৰ পৰা এনেদৰেই শিকে গৰুটোক 'cow' আনহাতে আমাৰ শিশুজনক বহু সময়লৈকে "হেম্বে" বুলি কৈ থাকোতেই যায়। আনফালে আলোচনা হয় "ব্ৰেকফাষ্ট,ডিনাৰৰ কথা" কিন্তু আমাৰ বহু সময়লৈকে ভাতক "মাম" আৰু মাছটোক "তিতি" কৈ থাকোতেই যায়।

সেই ফালে চহৰত পষ্টাৰ পঢ়িবলৈ শিকে আৰু আমাৰবোৰে পখিলাৰ পাছে দৌৰিবলৈ। এনে দিন হল তাত বেলেগ দিশত দৌৰিছে আৰু আমাৰ ইয়াত এতিয়াও মুখলগা ভাঙি বেমাৰ দূৰ কৰিছে। অৱশ্যে পুৰণি পৰম্পৰা নুই কৰিব নোৱাৰি। মযডো ইয়াৰ মাজতেই ডাঙৰ হোৱা।

কিন্তু কিছু ক্ষেত্ৰত ভুল ভুল কথা শিকোৱা হৈছিল আমাক। যেনেকৈ ৰাতি জাবৰ পেলাব নালাগে বহুসময়লৈকে আমি কিবা ভূতে পাব কাৰণে নেপেলাই বুলি ভাবি থাকিলো ।আৰু বহুতো কথা আলসনীৰ পৰা ধনগুলৈ লৈকে।

স্মাৰ্ট হয়নে নহয় শিশুজনক লৈ চিন্তা কৰাটো ভুল। সময়ৰ লগে শিশুজনে পৰিৱেশৰ লগত নিজেই খাপ যদি উপযুক্ত শিক্ষা পাই। যদি আলসনীৰ কথা শুনিছে তেন্তে যিমান জ্ঞান পালেও সেইজনে নিজতকৈ সৰুবোৰক আলসনীৰ কাহিনীয়েই শুনাব। প্ৰথম শিক্ষা ঘৰখন উৎপাত কৰিছে তেতিয়া মবাইল দিলে নাইবা টি ভিত কাৰ্টুন চাব দিলেই ঠাণ্ডা হ'ল বুলি সদায় তেনে কৰাও ভুল। অলপ উৎপাত সহ্য কৰিবও লাগে কাৰণ আমিও এসময়ত লোকৰ বাৰী লণ্ড ভণ্ড কৰিছিলো।

যদি ফোন দিয়ে তেন্তে আপুনি এনে এটা বিষয় চাবলৈ লগাওক যে তাৰপৰা কিবা ভাল কথা জানিব পাৰে। এনেও এটা বস্তুত ভালকৈ লগাই দিলে সি অভ্যাসত পৰিণত হয়।

সৰু শিশু এজনে নাইপঢ়া বুলি চিন্তা কৰিব নালাগে, সময়ৰ লগে লগে সি নিজেই নিজৰ দায়িত্ব বুজা হব। আৰু লাহে লাহে আপুনি সেই বিষয়লৈ আনিব লাগিব। ১৫ মিনিটি ৩০ মিনিট এনেদৰে পঢ়াৰ সময় বৃদ্ধি কৰাব লাগিব। আৰু কেতিয়াবা পঢ়াৰ সময়ত শিশুজনে ভালপোৱা কাম এটাকে কৰিবলৈ দিব।

শিশুজনক এনে কথাৰে গৰ্বিত নকৰিব। যে আমাৰ একেবাৰে পুৰণা পৰিয়াল, ককাদেউতাৰ হাতী আছিল।

এনেদৰে জানিবলৈ দিয়ক পুৰণা কথাবোৰ যে সি তাৰপৰা কিবা শিকে। নহলে সিও এদিন কাৰোবাক কব আমি হাতী থকা পৰিয়ালৰ মানুহ। ঘৰখনৰ পৰাই লৰাটো প্ৰথম স্মাৰ্ট হয়।

১)কোনোদিন ডাঙৰৰ কথাৰ মাজত সোমাব নিদিব। আজিকালি যিটো প্ৰায় দেখা যায়। পৰাপক্ষত দৰকাৰী কথা নহলে ডাঙৰ মানুহৰ কথাৰ মাজত ভাগ লব নিদিব। কাৰণ সি ডাঙৰ হলে য'তে ত'তে নিজৰ মন্তব্য ৰাখিব বিচাৰিব।

২) টি ভি চিৰিয়েলত মন বঢিব নিদিব। নহলে কাইলৈ খণ্ড কি হব ভাবোতেই যাব।

৩)অন্ধবিশ্বাসৰ কথা নকব। মিছাতে ভূতৰ কাহিনী কৈ কৈ বাহিৰত যাব নোৱাৰা নকৰিব।

৪) ভাল লগা কামবোৰ কৰিব দিয়ক। আৰু আপোনাক দেখাব দিয়ক।

৫) শিশু এজনৰ মনত অদ্ভুত অদ্ভুত চিন্তা আছে। সেয়ে যি টি প্ৰশ্ন কৰে ।আপুনি সেইদৰে তাৰ উত্তৰ দিয়ক।

৬) এজন শিশোৱে ডাঙৰক অনুসৰণ কৰে গতিকেবযাক অনুসৰণ কৰে তেওঁ শিশুজনে শিকিব পৰা কাম কৰি দেখাওক। নিজে ফোনটো টিপি তাক পঢ় কলে সি এনেও নপঢ়িব ।গতিকে আপুনিও তাৰ আগত এখন কিতাপ লৈ লওক।

এইদৰে কামবোৰ কৰাব লাগে। বন্ধু সুলভ ভাবেৰে। আপোনাৰ ওপৰত নিৰ্ভৰ কৰে শিশুজন স্মাৰ্ট হবনে নহয়

আমাৰটো বহু দিনলৈকে পানী টোক 'মিনি' বুলিয়েই কৈ থাকিল। যিবোৰ শুনিবলৈ ভাল হলেও অৰ্থহীন মোৰ ভাবত।

কিছু কিছু ক্ষেত্ৰত মানসিক ভাবেও চাপ দিলে বহুতে। ৰোল নাম্বাৰ পাছত হলে ইনচাল্ট দিলে কিন্তু পাছত হে জানিব পাৰিলো আমাক ইনচাল্ট দিয়াজন যে মেট্ৰিক ফেইল। সকলো পঢ়াত ভাল নহবও পাৰে।

কাৰণ সকলোৱে একে বস্তু ভাল নাপাই। নহলে এই পাৰ্থক্যবোৰ নাথাকিলেই হ'ল হয়।

শেষত এটা কৈ যাওঁ ' কি স্কুলত পঢ়ে সেইয়া নিৰ্ভৰ নকৰে নিৰ্ভৰ কৰে কোনে কেনেকৈ আয়ত্ব কৰিব পাৰিছে।" বৰ্তমান সময়ত যিমান স্কুল,অফিচ আছে তাত কৰ্মৰত বেছি ভাগ লোকেই আপোনালোকে সৰু বুলি ভবা স্কুলত পঢ়ি যোৱা লোক।"

শিক্ষা সকলোতে সমান। যি ফুল ফুলিব সেইয়া বোকাতো ফুলিব নাইবা আপোনাৰ টাবতো।

কিন্তু সেই বোকাৰ পদুম পাহ নি আপুনি টাবত ৰাখিব নোৱাৰে কিন্তু আপোনাৰ টাবত ফুলা ফুল বোকাতো ফুলিব।

শিক্ষা এনেদৰে দিয়ক যাতে ব্যৱহাৰো শিকে কাক কেনেকৈ কৰিব লাগে নহলেটো ৯০ শতাংশ লোৱা জনেও মাত এটা দিব নাজানে।

স্মাৰ্টনেচ লাগে জীৱনত চলিবলৈ। কিন্তু তাক দেখাই ফুৰা বস্তু নহয়। আপুনি হোজা বুলি ভবাজনো বহু জ্ঞানৰ অধিকাৰী হব পাৰে।

## অৰ্ণৱ গোস্বামী

### পুলিন শইকীয়া

তুমি জেলৰ পৰা ওলোৱাৰ দিনা
ফটকা ফুটোৱা মানুহবোৰ
যোৱাবাৰ বানপানীত ককবকাইছিল
খহনীয়াত জাহ গৈছিল তেওঁলোকৰ মাটি ভেঁটি
এযাৰ মাত মাতিছিলানে তেওঁলোকৰ দুখত
ওলাইছিলনে তোমাৰ টেলিভিছনত তেওঁলোকৰ ছবি?
গেৰুকামুখৰ নদীবান্ধ, ছয়জনগোষ্ঠীৰ জনজাতিকৰণ
কা বিৰোধী আন্দোলন, গুলিত ঢলি পৰা পাঁচটা জীৱন
মাজুলীৰ খহনীয়া, নিমাতি সংযোগী দলং বা ৰ'পে'
মিএঃা মিউজিয়াম অথবা গো মাংস নোখোৱা বাঘবোৰ
সতীৰ্থ পৰাগ ভূএঃা কাৰ খবৰ ৰাখিছা তুমি?
তোমাৰ টেলিভিছনত কেতিয়াবা দেখিবলৈ পামনে
দিল্লী দিছপুৰে দেখা নোপোৱা আপোন মানুহৰ ছবি?
ফোন ঃ ৮৬৩৮-২৯১৩৫০

অণুগল্প—

## ডাইনী

■ জয়ন্ত দাস

যন্ত্ৰণাদায়ক মৃত্যুৰ সময়তো তেওঁৰ দুচকুত হাঁহি বিৰিঙি উঠিছিল। মানৱতাৰ অৱক্ষয় দেখি তেওঁৰ অন্তৰে হাঁহাঁকাৰ কৰিছিল।বুকুত দাৰ ঘাপটো পৰাৰ পিছতো তেওঁ ভাবিছিল সভ্যতাই মানুহক গছৰ বাকলিৰ পিছত লজ্জা নিবাৰণৰ কাৰণে কাপোৰ পিন্ধাৰ জ্ঞান ঠিকেই দিছিল। কিন্তু আদিম বৰ্বৰ সমাজত মুখত তেজ লাগি বৈ যোৱাকৈ মঙহ খোৱাৰ অতৃপ্ত লালসা এতিয়াও বিদ্যমান হৈয়ে থাকিল এচাম মানুহৰ মাজত। জীৱনৰ শেষৰটো উশাহত তেওঁৰ দুচকুৰে দুধাৰি চকুলো নিগৰিছিল আৰু মানৱতাৰ মুক্তিৰ কামনা কৰিছিল। তেওঁ মুঠেও ডাইনী নাছিল ।তেওঁৰ ক্ষত বিক্ষত শৰীৰত জীৱশ্ৰেষ্ঠৰ কলা অধ্যায় ৰৈ গ'ল মাথোঁ।

*ফোনঃ৭৮৯৬৬৮-১৭৩৯*

## প্ৰথম পৃষ্ঠাৰ পৰা—

# বন্ধুৰ অসুখ

আহিছে বুলিয়েই অসংখ্য মহামাৰীৰ পৰা মানৱ জাতি আৰু প্ৰাণী কুল ৰক্ষা পৰিছে। বিগত কেইবাটাও শতিকাত মহামাৰী বা অতিমহামাৰীয়ে মানুহ আৰু অন্য প্ৰাণীকূলৰ প্ৰাণ হৰণ কৰিছে, অতি মাত্ৰা ৰূপে। যোৱা প্ৰায় এটা বছৰ ধৰি সমগ্ৰ পৃথিৱীৰ মানুহৰে জীৱনলৈ ভয়ংকৰ সংকট নমাই অনা ৰোগবিধেই হৈছে ক'ভিড-১৯।

প্ৰায় তিনিবছৰ পূৰ্বে তিনি কুৰি বৰ্ষ পাৰ কৰি মই চেকেণ্ড ইনিংছৰ বেট ধৰি এতিয়াও খেলপথাৰত আছো। মোৰ দৰে চেকেণ্ড ইনিংছৰ খেলুৱৈ অথবা খেলৰ দৰ্শকৰ বাবে ক'ভিড-১৯ হৈ পৰিল মহাঘাটক। বিশ্বৰ লাখ লাখ মানুহৰ প্ৰাণ কৰি ই এনে এক ভীষণ পৰিস্থিতিৰ সৃষ্টি কৰিলে যে ইয়াক উপলুঙা কৰাৰ বা সহজভাৱে লোৱাৰ সাহস এক প্ৰকাৰ নোহোৱা হৈ পৰিল। আনকি জ্বৰ-কাহ হ'লেও ইয়াৰ পৰীক্ষা কৰিবলৈ সাহস নোহোৱা হ'ল বহুতৰ। এই মহামাৰীত মোৰ পৰিয়াল-পৰিজন আৰু বন্ধুবৰ্গৰ মাজৰ বহুতেই আক্ৰান্ত হ'ল আৰু এতিয়াও হৈ আছে। মোৰো মাজত জ্বৰ হৈছিল। ময়ো পৰীক্ষা-নিৰীক্ষা কৰিবলৈ নগ'লো। কিন্তু ঘৰতে নিলগে থাকি ঔষধ পাতি খালো আৰু সোনকালেই আৰোগ্য হৈ উঠিলো। আৰোগ্য লাভৰ পথত শংকা এক অন্যতম শত্ৰু। যোগাত্মক চিন্তা আৰু সাহস হৈছে চিকিৎসাৰ উত্তম অনুপান। বোধহয় এনেবোৰ অনুপানে স্বাস্থ্য ৰক্ষাৰ বেলিকা আনুঘটকৰ ক্ৰীড়া কৰে। নিয়মীয়া ব্যায়াম, খোজকঢ়া, যোগাভ্যাস আদিৰ উপকাৰ যে অনস্বীকাৰ্য সেই কথা কোৱা বাহুল্য মাথোঁন। ইয়াৰে দুই-এক অনুঘটকৰ সৈতে মোৰ পুৰণি বন্ধুত্ব। এনে বান্ধৱৰ প্ৰেম আৰু প্ৰেৰণাৰে গতিশীল হৈ আছো যদিও সাম্প্ৰতিক কালৰ কুটিল পৰিস্থিতিয়ে কেতিয়াবা হতাশ কৰে।

প্ৰিয়জনৰ অসুখ-বিসুখ আৰু বিয়োগে সকলো মানুহকে জোকাৰি যায়। যোৱা এটা দশকত এনেকুৱা বহু প্ৰচণ্ড জোকাৰণি দ খাৰৈত পৰিছো। পিতৃ-মাতৃৰ বিয়োগৰ দুখ পাতলাবলৈ নৌপাওতেই মোৰ চিন্তা-চৰ্চাৰ অন্যতম সাৰথি যতীন শইকীয়া গুচি গ'ল। গুচি গ'ল কেৱল কিতাপ পঢ়াত মগ্ন হৈ থকা মোৰ দদা শহুৰ গুবিন দত্ত। মোৰ সামান্য বৌদ্ধিক কচৰতৰ প্ৰধান গুৰু হাৰুনুল ৰছিদৰ হৈ গ'ল হাৰ্টৰ ডাঙৰ অস্ত্ৰোপচাৰ। আৰু এতিয়া ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছে 'দৈনন্দিন বাৰ্তা'ৰ স্তম্ভ লেখক উইল চিদ্দিকুৰ ৰহমান। ৰহমান ক'ভিড-১৯ত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছে। ইতিবাচক চিন্তাৰে এক আদৰ্শগত জীৱন যাপন কৰা উইল ছিদ্দিকৰে চিকিৎসা গ্ৰহণ কালতো চিন্তা-চৰ্চাৰ পৰা আঁতৰি থকা নাই।

আমাৰ দেশৰ চৰকাৰী স্বাস্থ্য আৰু শিক্ষা ব্যৱস্থাক লৈ ঋণাত্মক মন্তব্য আৰু সমালোচনাক অন্ত নাই। আৰ্থিকভাৱে সবল আৰু দুৰ্বল, সকলো শ্ৰেণীৰ অধিক মানুহেই ব্যক্তিগত খণ্ডৰ স্কুল-কলেজ আৰু চিকিৎসালয়ৰ প্ৰতি দুৰ্বসল আৰু তাৰ পিছতেই দৌৰি আছে। কিন্তু আমাৰ দেশৰ কোটি কোটি দৰিদ্ৰ লোকৰ বাবে বেচৰকাৰী চিকিৎসা সেৱা আৰু শিক্ষা ব্যৱস্থা গ্ৰহণ প্ৰকৃততে সামৰ্থৰ বাহিৰত। অথচ উন্নয়নশীল আমাৰ দেশখনে শিক্ষা আৰু স্বাস্থ্যৰ ক্ষেত্ৰত যি ভূমিকা গ্ৰহণ কৰি আহিছে ই নিঃসন্দেহে উৎসাহজনক। বিগত দুটামান দশকত চৰকাৰে এই দুই খণ্ডৰ ক্ষেত্ৰত অভাৱনীয় পৰিৱৰ্তন সাধন কৰিছে। আৰ্থিকভাৱে উন্নত দেশৰ শাৰীত ভাৱ দিব নোৱাৰা আমাৰ দেশ এখনক তৎক্ষণাত সৰ্বোত্তম স্থানত উপস্থাপন কৰা সম্ভৱ নহয়। তেনে নেতিবাচক সমালোচনা প্ৰকৃততে এক পক্ষীয়। বোধহয়, কিউবা এনে এখন দেশ য'ত চিকিৎসা আৰু শিক্ষাৰ ক্ষেত্ৰত ব্যক্তিগত খণ্ডৰ স্থান শূন্য। সম্পূৰ্ণ চৰকাৰী খণ্ডত কিউবাৰ চিকিৎসা আৰু শিক্ষা খণ্ডৰ গৌৰৱে বিশ্বৰ সকলো দেশকে চমৎকৃত কৰি আহিছে। আমাৰ দেশ সেই পৰ্যায়লৈ যাব পৰা নাই, সেই কথা স্বীকাৰ কৰিও ক'ব লাগিব যে আমাৰ দেশৰ কোটি কোটি মানুহ আজিও চৰকাৰী চিকিৎসালয় আৰু শিক্ষানুষ্ঠানৰ ওপৰতে নিৰ্ভৰশীল। নিৰ্ভৰশীল হ'বলৈ বাধ্য আমাৰ দৰে মধ্যবিত্ত বা দৰিদ্ৰ সকলৰ হাতত অন্য বিকল্প পথ নাই।

অসমৰ চৰকাৰী চিকিৎসা সেৱাৰ ক্ষেত্ৰত যোৱা ডেৰ দশকতএক অভূতপূৰ্ব ইতিবাচক পৰিৱৰ্তন সাধিত হৈছে। কিছু ত্ৰুটি, বিচ্যুতি হয়তো আছে, সেয়া লাহে লাহে নিৰাময় হ'ব বুলি আশা কৰা হৈছে। ৰাজ্যৰ দৰিদ্ৰ জনৰ পৰা সমৰ্থৱান জনলৈকে সকলোৰে এতিয়া চৰকাৰী চিকিৎসা সেৱাত মুগ্ধ হৈ উঠিছে। বিশেষকৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয় আৰু শিলচৰ চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়ৰ দ্বাৰা আগবঢ়োৱা উন্নত চিকিৎসা সেৱা আজি সৰ্বজন প্ৰশংসিত।

সম্প্ৰতি ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন উইল চিদ্দিকুৰ ৰহমানে ছ'চিয়েল মিডিয়াত দিয়া পোষ্ট এটাই সেই কথাৰ প্ৰমাণ দিয়ে। তেওঁ পোষ্টটোত লিখিছে— 'ক'ভিড পজিটিভ বুলি ঘোষণা কৰাৰ পিছত মোৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি উত্তৰ লখিমপুৰ চিকিৎসালয়ৰ পৰা এম্বুলেন্স যোগে মোক লৈ আহি এএমচিএইচৰ আইচিইউত ভৰ্তি কৰা হ'ল। চিৰলগৰী বহুমূত্ৰ বহুত বাঢ়িছে। Lunhs ৰো কিছু অসুবিধা দেখা দিছে। এই খিনিতে কৈ থওঁ আমি কাকতে-পত্ৰই সততে পঢ়িবলৈ পোৱাৰ দৰে সকলো কথা একে নহয়। অসমৰ অন্যান্য ঠাইৰ কথা নেজানো যদিও যি দেখিলো ইয়াৰ এইখন হাস্পতাল অসমৰ এখন আগশাৰীৰ সম্পদ বুলিয়ে গণ্য কৰা সমীচীন হ'ব। উন্নত প্ৰযুক্তি সম্পন্ন যন্ত্ৰ-পাতিৰ কথা নকলোৱেবা। মই থকা সামগ্ৰিক পৰিবেশ (মই থকা ফ্লৰ কিংবা মেডিকেল ইউনিট-১) চিকিৎসা পদ্ধতি, কৰ্মৰত চিকিৎসা গোট (সকলো শ্বিফট) যথেষ্ট সহযোগী, কৰ্তব্য পৰায়ন, শলাগনীয়, তদাৰকী ব্যৱস্থা, আহাৰ যোগান, পৰিস্কাৰ-পৰিচ্ছন্নতা আৰু নিয়মানুবৰ্তিতাই মোক বাৰুকৈয়ে আচৰিত কৰিছে। সকলো ৰোগীৰ প্ৰতি প্ৰদৰ্শন কৰা তৎপৰতাও শলাগিবলগীয়া। ইয়াৰ মাজত ৰোগ নিৰায়ম, পৰিস্থিতি কিম্বা ভাগ্যৰ লিখন বুলিয়ে ক'ব লাগিব। এই বিষয়ত মই অলপো চিন্তিত নহওঁ। তদুপৰি মোৰ একান্ত আত্মবিশ্বাসে ক'ভিডৰ উপৰিও অন্যান্য সকলো সমস্যা দূৰ কৰিব বুলি মই আশাবাদী।'

উপৰিউক্ত পোষ্টটোৰ পৰাই অনুমান কৰিব পাৰি যে সম্প্ৰতি অসমৰ তচৰকাৰী চিকিৎসা ব্যৱস্থাৰ প্ৰভূত পৰিৱৰ্তন সাধিত হৈছে। হয়তো সেই বাবেই এঅতিমহামাৰী ক'ভিড-১৯য়েও অসমৰ প্ৰভূত বিস্তাৰ লাভ কৰিব পৰা নাই। অসমৰ চিকিৎসক আৰু চিকিৎসা সেৱাক আন্তৰিক শ্ৰদ্ধা আৰু সন্মান জনাই এই ব্যৱস্থাক অধিক শক্তিশালী কৰিবলৈ আমি নাগৰিক সকল সদা প্ৰস্তুত আৰু সহযোগী হোৱা বাঞ্চনীয়।

*ফোন ঃ ৭০০২৪১৯৪৯৭*

# 'সময়ৰ সৈতে খাপ খুৱাই

লগা হ'লে সময়ে বিচৰা ধৰণে আমি কাৰ্যপন্থা ল'ব লাগিব। উপযুক্ত পৰিৱেশ নাথাকিলে কামত ব্যস্ত থাকি কিছু বিৰক্তি অনুভৱ হয়। যাৰ বাবে কাম অনুযায়ী উপযুক্ত পৰিৱেশ গঢ়ি তুলিব লাগিব। তেতিয়াহে কামত নিয়োজিত কৰ্মচাৰীসকলে কাম কৰি বিৰক্তি নহয় মানসিক শান্তি লভিব পাৰে— এনে ধৰণৰ মন্তব্য প্ৰদান কৰে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। বৰপেটা ৰাজহ চক্ৰ বিষয়াৰ নৱনিৰ্মিত কাৰ্যালয় ভৱন উদ্বোধন কৰি আয়োজিত এখন সভাত মুখ্যমন্ত্ৰীগৰাকীয়ে এই ধৰণে কোৱাৰ লগতে পুনৰ কয় যে উঠি অহা প্ৰজন্মৰ বৌদ্ধিক, শাৰীৰিক, আৰ্থিক, নৈতিক সকলো দিশৰ বিকাশ হোৱাত গুৰুত্ব দিছে চৰকাৰে। এইক্ষেত্ৰত শিক্ষাৰ্থীসকল উপকৃত হ'ব পাৰকৈও বিভিন্ন ধৰণৰ আঁচনি আৰম্ভ কৰিছে। শিক্ষাৰ্থীসকলৰ শিক্ষাৰ প্ৰতি ধাউতি বৃদ্ধি কৰাৰ বাবে চৰকাৰে যাৱতীয় ব্যৱস্থা লৈছে। গ্ৰাম্যাঞ্চলৰ সৰ্বস্তৰৰ লোকৰ বিকাশৰ বাবেও চৰকাৰে কেতবোৰ আঁচনি মোকলাই দিছে। চৰকাৰে শিক্ষা, স্বাস্থ্য, কৰ্ম সকলো দিশতে অসমৰ বাবে লৈছে কাম কৰিছে'। জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই আগ ধৰা এই সভাত মুখ্যমন্ত্ৰীগৰাকীয়ে পুনৰ কয় যে "ৰাইজৰ স্বাৰ্থ, অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষা, অসমৰ সকলো শ্ৰেণীৰ লোকৰ বিকাশক অগ্ৰাধিকাৰ দি বিজেপি চৰকাৰে কাৰ্যপন্থা হাতত লৈ আহিছে। অসমীয়া জাতিৰ স্বাৰ্থ বিঘ্নিত হ'ব পৰা কোনো কাম এই চৰকাৰে কৰা নাই। অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে নিৰৱচ্ছিন্নভাৱে যুঁজি আহিছে এইখন চৰকাৰে।" উল্লেখ্য যে অতি ঠেক ঠাই আৰু মানুহৰ অতিমাত্ৰা ভিৰৰ বাবে পূৰ্বৰ চক্ৰ বিষয়াৰ কাৰ্যালয়লৈ ৰাইজে বিভিন্ন কাম কাজত আহি এক প্ৰকাৰ যন্ত্ৰণাত ভুগি আহিছে। যাৰ বাবে অলপতে নিৰ্মাণ সম্পূৰ্ণ হোৱা চক্ৰ বিষয়াৰ স্থানান্তৰিত ভৱনটো আজি উদ্বোধন হোৱাত বৰপেটাবাসী ৰাইজে ভুগি অহা দীৰ্ঘদিনীয়া এটি সমস্যাৰ অন্ত পৰিব। ২ কোটি ৭৪ লাখ টকা ব্যয়সাপেক্ষে নিৰ্মিত এই ভৱনটো উদ্বোধনৰ সময়ত তেওঁৰ সৈতে থাকে বৰপেটা বিধানসভা সমষ্টিৰ বিধায়ক গুণীন্দ্ৰ নাথ, অসম বিত্তীয় নিগমৰ উপাধ্যক্ষ অনিল কুমাৰ দাস, উদ্যোগিক নিগমৰ উপাধ্যক্ষ জিতু তালুকদাৰ, জিলা উপায়ুক্ত মুনীন্দ্ৰ শৰ্মা। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৪টা কাৰ্যসূচীত অংশগ্ৰহণ কৰে। পুৱা ১১.৩০ বজাত হাউলীৰ মৈবামাৰাত ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত প্ৰায় ৫০ লাখ টকা ব্যয়সাপেক্ষে তোৰণৰ আধাৰশিলা স্থাপন কৰে। তাৰ পিছতে হাউলীত ৫০ লাখ টকা ব্যয়সাপেক্ষে নৱনিৰ্মিত শ্বহীদ বেদী উন্মোচন কৰে। তাৰ পিছত তেওঁ হাউলীত ২ কোটি টকা ব্যয়সাপেক্ষে পুনৰ নিৰ্মিত চন্দ্ৰী বৰুৱা ভৱন উদ্বোধন কৰি তাত অনুষ্ঠিত হোৱা এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি ভাষণ দিয়ে। হাউলীৰ সভা শেষ হোৱাৰ পিছত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ২.৩০ বজাত জনীয়া সত্ৰত উপস্থিত হৈ পুৰুষোত্তম ঠাকুৰ আতা সত্ৰ আৰু নাৰায়ণ দাস ঠাকুৰ আতা সত্ৰৰ বাবে আছুতীয়া পুঁজিৰ ২৫ লাখ টকাকৈ মুঠ ৫০ লাখ টকাৰ চেক প্ৰদান কৰে। তাৰ পৰা আহি ৩ বজাত বৰপেটা ৰাজহ চক্ৰ বিষয়াৰ নৱনিৰ্মিত কাৰ্যালয় ভৱন উদ্বোধন কৰে। এইখিনিতে কঁকলগীয়া যে নিৰ্বাচনৰ বাবে মাজত মাথোঁ কেইটা মাহ বাকী আছে। তেনে সময়তে শাসকীয়, বিৰোধী সকলো ৰাজনৈতিক দলে ৰাইজক কাম চাপিবলৈ ৰাজ্যৰ ইমূৰৰ পৰা সিমূৰলৈ বিভিন্ন আঁচনিৰ উদ্বোধন কৰা দেখা গৈছে। সকলো ৰাজনৈতিক দলৰে তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে।

# অবৈধ নিবিদাৰ চূড়ান্ত

মতে ৰাজ্যৰ চহা খেতিয়কক লৈ সোণোৱালী সপোন ৰচা মুখ্যমন্ত্ৰী সোণোৱালৰ বিপৰীত দিশত অৱস্থান কৰি ৰাজ্যৰ কৃষি মন্ত্ৰীয়ে বিভাগত কেলেংকাৰিৰ বাবে ৰচনা কৰা ব্লু-প্ৰিণ্টক বাস্তৱ ৰূপ দিবলৈ শীৰ্ষ বিষয়াক হেঁচা প্ৰয়োগ কৰা কাৰ্যই কৃষি সঞ্চালকালয়ত উলম্ব বিভাজনৰ সৃষ্টি কৰিছে। প্ৰাপ্ত খবৰ অনুসৰি উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালয়ৰ পৰা আহ্বান জনোৱা এক নিবিদাত একাধিক যোগানীয়াৰ প্ৰতিষ্ঠানে বিসংগতিপূৰ্ণ তথ্য যুগুত কৰিছিল। পৰৱৰ্তী সময়ত কেলেংকাৰিৰ ব্লু-প্ৰিণ্ট ৰচনাৰ সমগ্ৰ পৰিকল্পনা দৈনন্দিন বাৰ্তাত ধাৰাবাহিকভাৱে প্ৰকাশ পোৱাত কৃষি সঞ্চালকালয়ৰ লগতে দিছপুৰতো জোকাৰণিৰ সৃষ্টি হয়। যাৰ ফলত মন্ত্ৰী অতুল বৰাই উক্ত অবৈধ নিবিদাখনক বাতিল কৰি সম্পূৰ্ণ নিকা আৰু স্বচ্ছভাৱে নতুনকৈ একেখন নিবিদা আহ্বান কৰা হ'ব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। কিন্তু এয়া আছিল এক মিছা প্ৰতিশ্ৰুতি। বিভাগীয় সূত্ৰে লাভ কৰা খবৰ অনুসৰি আমাৰ ধাৰাবাহিক প্ৰতিবেদনত গা লৰাত নিবিদা কমিটীৰ অধ্যক্ষ তথা কৃষি সঞ্চালক আকাশদীপে উক্ত নিবিদাৰ চূড়ান্ত তালিকাত চহী কৰিবলৈ অমান্তি হয় যদিও উদ্যান শস্য আৰু খাদ্য সংসাধন বিভাগৰ প্ৰৰোচনাত মন্ত্ৰী অতুল বৰাই আকাশদীপক এই বিসংগতিপূৰ্ণ নিবিদাক বিভাগীয় ছীল-মোহৰ মাৰি চূড়ান্ত ৰূপ দিবলৈ হেঁচা প্ৰয়োগ কৰে। এই ঘটনাই কৃষি সঞ্চালকালয়ত এগ্ৰীকাল্চাৰ আৰু হৰ্টিকাল্চাৰৰ মাজত তথা আকাশদীপ নেতৃত্বাধীন নিবিদা কমিটীত উলম্ব বিভাজনসদৃশ পৰিৱেশ সৃষ্টি কৰিছে। উল্লেখ্য যে, কৃষি বিভাগে ২০২০-২১ বিত্তীয় বৰ্ষত এমঅ'ভিচিডি আঁচনিৰ জৰিয়তে ৰাজ্যৰ দৰিদ্ৰ কৃষকক প্ৰায় দুই কোটি টকা ব্যয় সাপেক্ষে উন্নত মানৰ সাৰ আৰু কীটনাশক যোগানৰ এক অভিলাষী পৰিকল্পনা হাতত লৈছিল । ইয়াতেই বিভাগৰ দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীৰে মিলি লুণ্ঠনৰ ভয়ঙ্কৰ জাল মেলিছিল প্ৰণৱ ডেকা- টেক বিজনেছ ইণ্ডিয়া প্ৰাঃ লিঃৰ দৰে যোগানীয়াৰ প্ৰতিষ্ঠানে যি আমাৰ পূৰ্বৰ প্ৰতিবেদনসমূহত স্পষ্টভাৱে উল্লেখ কৰা হৈছিল। উল্লিখিত প্ৰতিষ্ঠানসমূহে বহিৰাগত প্ৰতিষ্ঠানৰ জাল নথি-পত্ৰ আৰু নকল ডিজিটেল ছিগনেচাৰ চাৰ্টিফিকেট তৈয়াৰ কৰি নিবিদাত অংশগ্ৰহণ কৰিছিল। লক্ষণীয়ভাৱে কৃষি বিভাগটোত চলি থকা এনেবোৰ দুৰ্নীতিৰ বিৰুদ্ধে মুখ্য মন্ত্ৰী সোণোৱাল কিমানদূৰ শূন্য সহনশীল হয় সেয়া সময়তহে ক'ব পৰা যাব।

# নাগালেণ্ডৰ বিৰুদ্ধে অৰ্থনৈতিক

আটছা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদকে ধৰি 12 টা সংগঠনে এই অৱৰোধ কাৰ্যসূচীত অংশ গ্ৰহণ কৰিছে। অসম নাগালেণ্ড সীমান্তৰ শীঘ্ৰে স্থায়ী সীমা সমাধান বিচাৰি ৰাজপথলৈ ওলাই অহা সংগঠনকেইটাৰ সদস্যই আজি পুৱাই ৰাষ্ট্ৰীয় ঘাই পথ দুটাৰ কেইবাঠাইটো পৃথকে পৃথকে অৱস্থান কৰি নাগালেণ্ডলৈ চলা মালবাহী যান-বাহনসমূহৰ চলাচল সম্পূৰ্ণ বন্ধ কৰি দিয়ে। অৰ্থনৈতিক অৱৰোধৰ ফলত 36 নং আৰু 39 নং ৰাষ্ট্ৰীয় ঘাই পথ দুটাত শ শ মালবাহী যান-বাহন বাছ-টেংকাৰৰ দীঘলীয়া শাৰী দেখিবলৈ পোৱা যায়। তাৰ মাজতে অৱৰোধকাৰীসকলে দীৰ্ঘদিন ধৰি জিলাখনৰ সীমা সমস্যাৰ কাৰণে কোনো ধৰণৰ বিশেষ উদ্যোগ গ্ৰহণ নকৰি সীমান্তৰ সমস্যা সমাধানৰ ক্ষেত্ৰত ৰহস্যজনক মৌনতা অৱলম্বন কৰা বিজেপি নেতৃত্বাধীন তুলিৰাম ৰংহাং শাসিত কাৰ্বি স্বায়ত্ব শাসিত পৰিষদৰ বিৰুদ্ধে অৱৰোধ স্থলীত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। তেওঁলোকে পৰিষদৰ মুখ্য কাৰ্যবাহী তুলিৰাম ৰংহাংক অতি শীঘ্ৰে জিলাখনৰ নাগালেণ্ড সীমান্ত তৎপৰতৰে নিৰ্দ্ধাৰণ কৰি উক্ত ঠাইসমূহত পূৰ্বতে থকা পকী পিলাৰসমূহ, বৰ্তমান যি সমূহ নাগাই আঁতৰাই পেলাইছে সেই ঠাইসমূহত পুনৰ পকী খুঁটাৰ ব্যৱস্থা কৰিবলৈ সকীয়াই দিয়ে । সংগঠন কেইটাৰ নেতৃত্বই জাতি মাটি ভেটিৰ শ্ল'গান দিয়া বিজেপিৰ অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক কঠোৰ সমালোচনা কৰি তেওঁ ৰাজ্যৰ সীমা সমস্যা সমাধানত সম্পূৰ্ণ বিফল হোৱা বুলি ইতিকিং কৰে। তেওঁলোকে জাতি মাটি আৰু ভেটিৰ সুৰক্ষাৰ কথা কোৱা বিজেপি চৰকাৰক প্ৰথমে ৰাজ্যেৰ চাৰিসীমাৰ সুৰক্ষা নিশ্চিত কৰিবলৈ দাবী জনায়। কাৰ্বিআংলং ৰ দলদলি সংৰক্ষিত বনাঞ্চলৰ দিশাপুৰ, ৰিলয়েন বস্তিত 1011 একৰ ভূমিত নাগালেণ্ড চৰকাৰে অনৈতিকভাৱে প্ৰদান কৰা ভূমিৰ পট্টা নাকচ কৰাৰ দাবী কৰাৰ লগতে কাৰ্বিআংলংৰ ভূমিত থকা নাগালেণ্ড চৰকাৰৰ আই আৰ বি এন কেম্পটো উঠাই নিয়াৰ দাবী তোলে সংগঠন কেইটাই।

# শোণিতপুৰৰ বৰগাঁৱত বড়ো

প্ৰথমজন সভাপতি হিচাপে মনোনীত হল। বড়ো সাহিত্য সভাই ইতিমধ্যে ৬৮টা বছৰ অতিক্ৰম কৰিলে। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত কালি উদযাপিত হয় ৬৯ সংখ্যক জন্মদিন। ইয়াৰ ব্যতিক্ৰম নহ'ল শোণিতপুৰ জিলাৰ বৰগাঁও আৰু নাহৰবাৰী শাখা সাহিত্য সভা। নাহৰবাৰী শাখা সাহিত্য সভাই অনুষ্ঠপীয়া উদযাপনৰ পৰিৱৰ্তে বৰগাঁও শাখাৰ উদ্দ্যোগত স্থানীয় চানজাৰি গাঁৱত বহল পৰিসৰত আয়োজন কৰা প্ৰতিষ্ঠা দিৱসৰ উৎসৱত উদ্ভাসিত হ'ল বড়ো জনগোষ্ঠীৰ চহকী সংস্কৃতি আৰু প্ৰতিভাৰ। উল্লেখ্য যে, চানজাৰি গাঁৱত জিলা বড়ো সাহিত্য সভা আৰু জিলা নেতৃত্বৰ সহযোগত বৰগাঁও শাখা বড়ো সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশনখনো কেন্দ্ৰীয় সভাৰ ৬৯ সংখ্যক জন্মদিনৰ লগত সংগতি ৰাখি দুদিনীয়াকৈ অনুষ্ঠিত কৰা হয়। কালি শাখাৰ প্ৰতিনিধি সভা অনুষ্ঠিত কৰি আগন্তুক কাৰ্যকালৰ বাবে নতুন সমিতি গঠন কৰাৰ পিছত আজি পুৱাই সভাৰ পতাকা উত্তোলন কৰি বড়ো সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱসৰ আৰম্ভণি কৰা হয়। পতাকা উত্তোন কৰে শাখাৰ সভাপতি তিলক বৰমহলীয়াই। ইয়াৰ লগে লগে মাদল-চেৰজা-চিফুঙৰ শব্দত বাগৰুম্বা, খেৰাই নৃত্যৰ ছন্দতযেন প্ৰাণচঞ্চল হৈ উঠিল বৰলুইতৰ পাৰতে অৱস্থিত সমগ্ৰ বৰগাঁও-ঠেলামৰা অঞ্চল। দুখনকৈ স্মৃতিগ্ৰন্থ উন্মোচন হ'ল। উন্মোচন কৰিলে পৰিৱক্ত ফণিধৰ বসুমতাৰীয়ে। ইফালে তিলক বৰমহলীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভাত সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বড়ো বিভাগৰ প্ৰৱক্তা ড. ফাগুনা বৰমহলীয়াই সকলোকে ভাষা-সাহিত্য চৰ্চা কৰিবলৈ আহ্বান জনোৱাৰ সমান্তৰালভাৱে আবেগ, চিন্তা, কল্পনাৰ জৰিয়তে সাহিত্য সৃষ্টিত মনোনিৱেশ কৰিবলৈকো আহ্বান জনায়। বিশিষ্ট অতিথি হিচাপে অংশ গ্ৰহণ কৰি বড়ো সাহিত্য সভাৰ সম্পাদক কামেশ্বৰ বড়োৱে বড়ো সাহিত্য সভাৰ স্বাৰ্ণীল যাত্ৰা বিশ্লেষণ কৰাৰ পিছতেই বক্তব্য প্ৰদান কৰে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিবাৰ্হক তথা যুগল উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিশ্বজিৎ বড়োৱে। বক্তব্যত তেওঁ কয়ঃ সাধাৰণতে আমিবোৰে চাৰিটা ভাষা জনাটো প্ৰয়োজন- বড়ো, অসমীয়া, হিন্দী আৰু ইংৰাজী। প্ৰত্যাহ্বান কিমান চাওক? ধৰ্ম যিয়েই নহওক, জাতি যি নহওক, প্ৰথমে কৰ্ম কৰিব লাগিব। ভালদৰে কৰিব লাগিব। নাঙলৰে হাল বোৱা এৰিলোঁ, গতিকে কৃষি কৰ্মত মনযোগ কমাই দি ট্ৰেক্টৰৰ ওপৰতেই ভৰষা কৰিলোঁ। উৎপাদন কমিব ধৰিলে, কিন্তু লালসা বা আকাংখ্যা বাঢ়ি গৈ থাকিল। ঘৰত এজোপা গছ পুলি ৰুবলৈকো এৰিলো। মেচিনৰ ওপৰত নিৰ্ভৰশীল হলো ঠিকেই, কিন্তু লৰা-ছোৱালীকেইটাক আধুনিকতাৰ সমান্তৰালভাৱে সামাজিক শিক্ষা প্ৰদানত ব্যৰ্থ হলোঁ। গতিকে প্ৰথমে প্ৰয়োজনীয় উন্নত শিক্ষা সন্তানক দিয়ক, সি যি ভাষাতে নহওক। সুনীল বসুমতাৰীয়ে আঁত ধৰা সভাখনত বিশ্বজিৎ বড়োৱে পুনৰ কয়ঃ ভাষা-সাহিত্য-সংস্কৃতিৰ অন্যতম সাধক হিচাপে মান্যতা লাভ কৰা কালিচৰণ ব্ৰহ্মই আৰম্ভ হ'ল 'ব্ৰাহ্ম মুভমেন্ট'ৰ পৰাই যেন আৰম্ভ হল 'বড়ো ভাষা-সাহিত্য-সংস্কৃতি' উত্তৰণৰ স্বৰ্ণীল পথ। তেতিয়া ১৯০৯ চন। কালিচৰণ ব্ৰহ্মৰ সংগ ল'লে ক্ৰমে- চৰণ মণ্ডল, জামাদাৰ ব্ৰহ্ম, বীৰ নাৰায়ণ ব্ৰহ্ম, ধীৰেন্দ্ৰনাথ ব্ৰহ্ম, কান্তি কুমাৰ ব্ৰহ্ম, শুভাৰাম ব্ৰহ্ম, সতীশ চন্দ্ৰ বসুমতাৰী আদি আৰু মানুহৰ মাজত বিলাই গল বিশ্বাস আৰু আস্থাৰ জয় গাণ। ১৯১৫ চনত প্ৰকাশ কৰিছিল 'বড়োনি ফিচা ও অয়েন' নামৰ আলোচনীখন। ভাষা-সাহিত্য সৃষ্টিৰ সংগ্ৰাম ক্ৰমশঃ শক্তিশালী হ'বলৈ ধৰিলে। ১৯১৯ চনত গঠন হল 'বড়ো ছাত্ৰ সন্মিলনী'। কটন মহাবিদ্যালয়ত অধ্যয়ন কৰা কেইগৰাকীমান বড়ো ছাত্ৰই বড়ো ভাষা-সাহিত্য চৰ্চাৰ বাবে গঠন কৰা সংগঠন 'বড়ো ছাত্ৰ সন্মিলনী'ৰ পৰাই ১৯২৩ চনত সতীশ চন্দ্ৰ বসুমতাৰীৰ সম্পাদনাত প্ৰকাশ পালে বড়ো আলোচনী 'বিবাৰ'। বিবাৰ নামৰ বড়ো আলোচনীখনে বহু শিক্ষিত বড়োলোকক সন্মোহিত কৰিলে। 'বিবাৰ' আলোচনীখনে বড়ো ভাষা-সাহিত্য সৃষ্টিৰ পথ মসৃণ আৰু প্ৰশস্ত কৰি তোলাৰ সময়তে প্ৰমোদ চন্দ্ৰ ব্ৰহ্মই লিখি উলিয়াইছিল বড়ো ভাষাৰ অবিধান। অৰ্থাৎ অবিধান সৃষ্টিৰ পিছতেই বড়ো ভাষা-সাহিত্যৰ বিধিগত ন্যাৰ্যতাৰ প্ৰশ্ন পৰৱৰ্ত্তী সময়ত অহাটো অৱধাৰিত হৈ পৰিল। ১৯৫২ চনত গঠন হল ভাষা-সাহিত্যৰ এক সমূহীয়া মঞ্চ। নাম ৰখা হ'ল 'বড়ো সাহিত্য সভা'। প্ৰজাপতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ পৰাগ কুমাৰ নাথ আৰু জিলা বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি লীলাধৰ বড়োৱেও বক্তব্য প্ৰদান কৰা সভাখনত স্থানীয় সমাজকৰ্মী তথা বড়ো সাহিত্য সভাৰ প্ৰকাতন নেতৃত্ব ওমাৰাম বড়ো আৰু আদৰণি সমিতিৰ সভাপতি বিশ্বৰাম বড়োৱে আৰম্ভণি বক্তব্য প্ৰদান কৰে। সভাত সাংস্কৃতিক কৰ্মী কুশৰাম বড়ো আৰু সুশীল বড়োৰ নেতৃত্বত প্ৰদৰ্শিত সাংস্কৃতিক অনুষ্ঠানবোৰে সকলোকে মুগ্ধ কৰে। মুকলি সভাত উপস্থিত থাকে সুনীল কুমাৰ নাৰ্জাৰী, কমল নাৰ্জাৰী, নৰেশ নাৰ্জাৰী, বৰগাঁও জিলা পৰিষদৰ প্ৰাক্তন সদস্য তথা সমাজকৰ্মী ইন্দ্ৰকান্ত বড়ো, শিৰিৰাম বড়ো, জিলা বড়ো সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক মদন বড়ো, জিলা পৰিষদৰ সদস্য নোমল চন্দ্ৰ দৈমাৰী, সমাজকৰ্মী মিলন বসুমতাৰী, ৰঞ্জন দৈমাৰী, মতিলাল বসুমতাৰী, মৃদুলা বড়ো, টংকেশ্বৰ বড়ো, সোণালী বসুমতাৰী আদি উপস্থিত থাকে।

# অসমৰ সৰ্বাংগীন বিকাশ

জনগোষ্ঠীৰ ঐক্যবদ্ধ আৰু আপোচহীন চিন্তাই অসমীয়া জাতিক জগতত চিনাকি কৰাই দিব। অসমৰ প্ৰতিটো ক্ষুদ্ৰ-বৰ জাতি-জনগোষ্ঠীৰ সুকীয়া বৈশিষ্ট্যতাই অসমৰ সামাজিক, সাংস্কৃতিক দিশত এক নতুন মাত্ৰা প্ৰদান কৰি আহিছে। অসমৰ সাতামপুৰুষীয়া পৰম্পৰা আৰু সংস্কৃতিত কোনো অপশক্তিয়ে যাতে প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে তাৰ প্ৰতি সকলোৰে সদা সচেতন হৈ থাকিব লাগিব। অসমৰ জাগ্ৰত প্ৰহৰীৰূপে অভিভাৱকৰ ভূমিকাত ৰাইজক অৱতীৰ্ণ হ'বলৈ আহবান জনাই সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক লুৰীণজ্যোতি গগৈয়ে। আজি লাহোৱাল আঞ্চলিক ছাত্ৰ সন্থাৰ নৱ-নিৰ্মিত কাৰ্যালয় শ্বহীদ ভৱন উদ্বোধন কৰি সভাত অংশ লৈ শ্বহীদসকলৰ ত্যাগক সুঁৱৰি সেই ত্যাগ কেতিয়াও অথলে নাযায় বুলি বক্তব্যত উল্লেখ কৰে। ভাষণ প্ৰসংগত নৱ-নিৰ্মিত শ্বহীদ ভৱনৰ মজিয়াত সাহিত্য-সংস্কৃতিৰ নতুন নতুন পৰিৱেশ, চিন্তা আৰু অনুশীলনে জাতিৰ পৰিকাঠামো সুদৃঢ় কৰাত সহায়ক হ'ব বুলি আশা প্ৰকাশ কৰে। জাতিৰ জটিল সন্ধিক্ষণত লাহোৱাল আঞ্চলিক ছাত্ৰ সন্থাই অগ্ৰণী ভূমিকা পালন কৰাৰ পোষকতা কৰে। নীলিম আকাশত অসমৰ জাতীয় জীৱনৰ শংকা, পৰিৱৰ্তনশীল সমাজ ব্যৱস্থাক প্ৰগতিশীল কৰি তুলিবলৈ অংগীকাৰবদ্ধ হ'বলৈ আহ্বান জনায়। অসমৰ সম্পদৰ যি অধিকাৰ সৰ্বকালৰ বাবে খিলঞ্জীয়াৰ সপক্ষত থকাৰ বাবে যিমানেই বাধা নাহক তাক প্ৰতিহত কৰিবই লাগিব, অসমীয়া সমাজ ব্যৱস্থাক ভাঙি মষিমূৰ কৰাৰ অপশক্তিৰ যি অভিপ্ৰায় তাক সমূলঞ্চে উভালি পেলাব লাগিব বুলি উল্লেখ কৰে। ৰাজনৈতিকভাৱে অসমীয়া জাতিৰ মেৰুদণ্ড থানবান কৰাৰ যি ষড়যন্ত্ৰ তাক ওফৰাই আপোচবিহীন খিলঞ্জীয়া সত্তা এটা প্ৰতিষ্ঠাৰ হকে মত পোষণ কৰে। লাহোৱাল আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ উদ্বোধনী সভাত সভাপতিত্ব কৰে লাহোৱাল আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি বিদ্যুৎ সাগৰ দত্তই। সভাখনৰ আঁত ধৰে দিব্যজ্যোতি দত্ত আৰু লাহোৱাল আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক উজ্জ্বল বৰুৱাই। লাহোৱাল মহাবিদ্যালয়ৰ অধ্যক্ষ জ্যোতি প্ৰসাদ দত্তই শ্বহীদ ভৱনৰ পৰাই লাহোৱালৰ ভৱিষ্যতৰ ছবি নিৰ্ধাৰণ হোৱাৰ আশা কৰি কোনোধৰণৰ অপচিন্তাই শ্বহীদ ভৱনৰ মৰ্যাদা লাঘৱ নকৰে তাৰ প্ৰতি সচেতন হ'বলৈ মত প্ৰকাশ কৰে। লাহোৱাল প্ৰেছ ক্লাবৰ উপদেষ্টা তথা সাংবাদিক যাদৱ গগৈয়েও ভাষণ প্ৰদান কৰি লাহোৱাল জাতি-জনগোষ্ঠীৰ মিলনস্থলী বুলি অভিহিত কৰি ঐক্যবদ্ধভাৱে লাহোৱালৰ উত্তৰণ হোৱাত লাহোৱাল আঞ্চলিক ছাত্ৰ সন্থাই আগ ভাগ ল'ব বুলি আশা কৰে। সভাত লাহোৱাল প্ৰেছ ক্লাবৰ উপদেষ্টা কনৌজ শইকীয়া, প্ৰাক্তন আছু কৰ্মী দিব্যজ্যোতি দত্ত আৰু সুভাষ দত্তই অংশ লয়। স্থানীয় গায়ন-বায়নেৰে আছুৰ সাধাৰণ সম্পাদক লুৰীণজ্যোতি গগৈক আদৰি আনি মাংগলিক কাৰ্যসূচীৰে কাৰ্যালয় মুকলি কৰা হয়। আনুষ্ঠানিকভাৱে ফিতা কাটি কাৰ্যালয় উদ্বোধন কৰে আছু সাধাৰণ সম্পাদকগৰাকীয়ে। অনুষ্ঠানত বিভিন্ন নেতৃস্থানীয় ব্যক্তিৰ লগতে যথেষ্টসংখ্যক স্থানীয় ৰাইজে অংশ লয়।

# মিত্ৰতা মানে কাৰোবাৰ তলত

সভা-সমিতি অনুষ্ঠিত কৰি দলৰ প্ৰতি ৰাইজৰ গভীৰ আস্থা আনিবলৈ পৰ্যায়ক্ৰমে চেষ্টা অব্যাহত ৰাখিছে। জাতীয়তাবাদৰ অন্যতম শক্তিশালী পীঠস্থান হিচাপে পৰিচিত চাবুৱাত আজি অসম গণ পৰিষদে হেৰুওৱা জাতীয়তাবাদৰ ভেটি পুনৰবাৰ শক্তিশালী কৰাৰ উদ্দেশ্যে অগপই এক বিশাল জাতীয় ঐক্য সন্মিলন অনুষ্ঠিত কৰে। চাবুৱাৰ ইয়ং ব্লু' ক্লাবৰ খেলপথাৰত কেইবা হাজাৰো লোকৰ উপস্থিতিত অনুষ্ঠিত উক্ত সন্মিলনত অগপৰ সভাপতি তথা কৃষিমন্ত্ৰী অতুল বৰাৰ লগতে জল সম্পদ মন্ত্ৰী কেশৱ মহন্ত, কণ্ঠশিল্পী কল্পনা পাটোৱাৰী, নাহৰকটীয়াৰ বিধায়ক নৰেন সোণোৱাল, আমগুৰি সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰিকা, সুনীল ৰাজকোঁৱৰ, যুৱ পৰিষদৰ জিতু বৰগোহাঁই, ছাত্ৰ পৰিষদৰ ত্ৰিনয়ন বৰুৱা, পৰিষদৰ অন্যতম সম্পাদক তথা হাইড্ৰ কাৰ্বন আৰু এনাৰ্জী কোম্পানীৰ অধ্যক্ষ পোনাকণ বৰুৱাকে ধৰি বহুকেইগৰাকী কেন্দ্ৰীয় আৰু জিলা পৰ্যায়ৰ নেতা উপস্থিত থাকে। সভাত ৰাইজৰ উদ্দেশ্যে দিয়া ভাষণ প্ৰসংগত সভাপতি অতুল বৰাই কয় যে অসম গণ পৰিষদ ৰাইজৰ দল । বিশেষকৈ চাবুৱা গণ পৰিষদৰ দুৰ্গ স্বৰূপ । গতিকে ৰাইজে পুনৰ আঞ্চলিক দলটোক পুনৰুজ্জীৱিত কৰিব লাগে। আমি বিজেপিৰ লগত মিত্ৰতা কৰিছোঁ মানে এয়া নহয় আমি কাৰোবাৰ তলত আছোঁ বা বিজেপিৰ লগত আছোঁ। মিত্ৰতা নতুন নহয়। ২০০১ চনতো মিত্ৰতা আছিল আৰু এতিয়াও আছে। এই মিত্ৰতা অসমৰ জ্বলন্ত সমস্যাসমূহ সমাধানৰ স্বাৰ্থত। কেন্দ্ৰীয় চৰকাৰৰ সহায়ৰ অবিহনে যিবোৰ কাম আমি অকলে কৰিব নোৱাৰোঁ। ইফালে ভাৰতীয় জনতা পাৰ্টীৰ সৈতে প্ৰাৰ্থিত্বৰ সম্পৰ্কে কোনো কথা-বাৰ্তা হোৱা নাই বুলি সাংবাদিকৰ আগত সভাপতি অতুল বৰাই কয়। মিত্ৰতা ৰাজনীতিত বিশ্বাসী বুলি কৈ শত্ৰু কোন মিত্ৰ কোন তাক চিনি নাপালে অসমীয়া জাতি বিপদত পৰিব বুলি সভাপতিগৰাকীয়ে মত প্ৰকাশ কৰে । কোন দলৰ নেতা কোন সমষ্টিত জয়ী হোৱাৰ সম্ভাৱনা বেছি তাক চালি জাৰি চোৱা হ'ব বুলিও বৰাই কয় । ইপিনে বিজেপিৰ দখলত থকা চাবুৱা সমষ্টি অগপৰ নেতা তথা চাবুৱাৰ সন্তান, কেন্দ্ৰীয় সমিতিৰ সম্পাদক পোনাকণ বৰুৱাই মিত্ৰ দলৰ পৰা টিকট লাভৰ বাবে পূৰ্ণ দলীয় কাম-কাজ অব্যাহত থকাৰ সময়তে ৰাইজৰ সঁহাৰি লাভ কৰিবলৈ সক্ষম হোৱা বুলি মত প্ৰকাশ কৰি সম্পাদকগৰাকীৰ প্ৰাৰ্থিত্ব প্ৰদানত বিবেচনা কৰা হ'ব বুলিও কয় সভাপতিগৰাকীয়ে। মুঠতে গায়ন-বায়ন, ঝুমুই, জিকিৰ, থিয় নাম, বিহুৰে আজি চাবুৱাৰ বাকৰি উদুলি-মুদুলি হৈ পৰে।

# অৰুণোদয় আঁচনিয়ে মানুহক

জাতীয় পৰিষদে আয়োজন কৰে সমষ্টিৰ সমিতি গঠন আৰু যোগদান সমাৰোহ । দিল্লী-দিছপুৰ চৰকাৰে অসম আৰু অসমীয়াৰ অস্তিত্ব নিঃচিহ্ন কৰিবৰ কাৰণে ৭৩ বছৰে ষড়যন্ত্ৰত লিপ্ত হৈ বাৰে বাৰে অসমীয়া মানুহক প্ৰতাৰণা কৰি আহিছে। দিল্লী চৰকাৰৰ নেজত ধৰি চলি থকা কংগ্ৰেছ, অগপ, বিজেপি আদি প্ৰতাৰক ৰাজনৈতিক দলবোৰে নিৰ্বাচনৰ সময়ত নানা প্ৰতিশ্ৰুতিৰে অসমীয়া মানুহক আভুৱা-ভাঁৰি অসমখন বিধ্বস্ত কৰি পেলালে। তৰুণ গগৈ চৰকাৰে ১৫ বছৰে দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰে অসমখন গেলাই পেলালে। অগপত সভাপতিয়েই সকলো। ইয়াত অন্যসকলৰ কোনো কৰ্তৃত্বই নাই। পৰিৱতনৰ কথা কোৱা বিজেপি চৰকাৰখনে অৰুণোদয় আঁচনিৰ জৰিয়তে অসমীয়া মানুহক গৰুতকৈ নিম্নস্তৰলৈ নমাই আনিলে। উত্তৰ প্ৰদেশত গাইগৰুক এহাজাৰ টকা দানা খুওৱা হয়। কিন্তু অসমত অৰুণোদয় আঁচনিযোগে ৮৩০ টকাৰে ভোটৰ আশাত হিতাধিকাৰী সৃষ্টিৰে গৰুতকৈ নিম্ন কৰি দিলে অসমীয়া মানুহক। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ প্ৰাক্তন যুটীয়া সম্পাদক তথা অসম জাতীয় পৰিষদৰ জাতীয় যুৱ শক্তিৰ অন্যতম কেন্দ্ৰীয় আহবায়ক বিশ্বজিৎ টিপমীয়াই আজি এনেদৰে কয় নাজিৰা সমষ্টিৰ জাতীয় পৰিষদৰ সমিতি গঠন আৰু এই দলত যোগদান কাৰ্যসূচীৰ সভাত। যুৱনেতাজনে উদাত্ত কণ্ঠৰে কয়— অগপ আৰু কংগ্ৰেছ আমাৰ শত্ৰু, কিন্তু বিজেপি আমাৰ চিৰশত্ৰু। কংগ্ৰেছ চৰকাৰে ১৫ বছৰে ৩৫ কোটি ধাৰৰ বোজা আৰু বৰ্তমানৰ বিজেপি চৰকাৰখনে ৪ বছৰ ৬ মাহত ৪৫ কোটি টকাকে ধৰি মুঠ ৮০ কোটি টকাৰ ধাৰৰ বোজাৰে অসমখনক ডুবালে। এই চৰকাৰবোৰক অহা নিৰ্বাচনত উৎখাত কৰিবলৈ সমৱেতসকলক আহবান জনাই বিশ্বজিৎ টিপমীয়াই আঞ্চলিক দল অসম জাতীয় পৰিষদৰ পক্ষত থিয় হ'বলৈ সকলোকে আহবান জনায় আৰু আগন্তুক সময়ত অসম আৰু অসমীয়াক সুৰক্ষিত কৰিবলৈকে অসম জাতীয় পৰিষদৰ লক্ষ্য-উদ্দেশ্যৰ বিষয়ৰ ওপৰত আলোকপাত কৰে অসম জাতীয় পৰিষদৰ নেতাজনে। কেন্দ্ৰীয় আহবায়ক তথা আছুৰ প্ৰাক্তন নেতা উমেশ গগৈৰ সভাপতিত্বত নাজিৰা এম চি ক্লাবত হোৱা গণসভাত এজেপিৰ ৰাজ্যিক আহবায়ক বীৰেন বৰুৱাই তেওঁৰ ভাষণত অগপ দলক তীব্ৰ সমালোচনাৰে কয়— এই দলটো পোৱালি আৰু গাখীৰ নিদিয়া এজনী গাই আৰু অস্ত যোৱা এটা সূৰ্য। কেন্দ্ৰৰ বিজেপি চৰকাৰৰ ভৃত্য অসমৰ সৰ্বানন্দ সোণোৱাল চৰকাৰখন কেৱল প্ৰতিশ্ৰুতি দিয়া এখন চৰকাৰ, যাৰ মিছা প্ৰতিশ্ৰুতিবোৰ এতিয়া মিছা কথাৰ দলিললৈ পৰিণত হ'ল। কেন্দ্ৰীয় প্ৰধানমন্ত্ৰীজনে ডিঙিত গামোচা পিন্ধি অসমীয়াক আৱেগিক কৰাৰ বাদে কোনো সৎ উদ্দেশ্য নাই এই অসমীয়া আৰু অসমৰ উন্নয়নৰ স্বাৰ্থত। নেতাজনে কয়— অসমত এতিয়া চতানৰ ৰাজত্ব চলিছে। চতানৰ কবলৰ পৰা অসমীয়া জাতিক ৰক্ষা কৰিবলৈ অসম জাতীয় পৰিষদ আঞ্চলিক দলক ২১ৰ নিৰ্বাচনত বিজয়ী কৰাবই লাগিব বুলি কেন্দ্ৰীয় নেতাজনে ভাষণত কয়। কেন্দ্ৰীয় আহবায়ক উৎপল বৰুৱা, আছুৰ শিৱসাগৰৰ প্ৰাক্তন সম্পাদক প্ৰদীপ বৰগোহাঁই, অসম জাতীয় যুৱ শক্তিৰ ৰাজ্যিক আহবায়ক পৰীক্ষিত বৰুৱা, ৰঞ্জন ফুকন, জাতীয় পৰিষদৰ বিদ্যুৎ বিকাশ বৰকাকতি, ডাঃ হাফিজুৰ ৰহমান, সুবিৰ মেছ আদি ভালেকেইজন নেতাই অসমীয়া জাতিক সুৰক্ষিত আৰু অসমৰ জাতীয় উন্নয়নৰ স্বাৰ্থত অসম জাতীয় পৰিষদৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত আলোকপাত কৰাৰ লগতে অসম জাতীয় পৰিষদৰ ভেটি সুদৃঢ় কৰি তুলিবলৈ সকলোৰে প্ৰতি আহবান জনায়। জাতীয় পৰিষদৰ সভাত আছুৰ প্ৰাক্তন নেতা গ্ৰাফানুৰ ৰহমান, শান্তনু মহন্ত, যুৱ-ছাত্ৰ পৰিষদৰ প্ৰাক্তন নেতা হেমিদুৰ ৰহমান, যুৱ শক্তিৰ অনুপম গগৈ, প্ৰাঞ্জল বৰগোহাঁই, আৰ্চাদ আলী, ৰূপজ্যোতি শইকীয়া আদি ভালেসংখ্যক আহবায়ক সভাখনত উপস্থিত থাকে। সভাৰ যোগদান কাৰ্যসূচীত তৃণমূল কংগ্ৰেছৰ হৰিকৃষ্ণ গগৈ, ৰিবুলয়া গগৈকে ধৰি ভালেসংখ্যক আছুৰ প্ৰাক্তন সদস্য, যুৱ-ছাত্ৰ পৰিষদৰ প্ৰাক্তন কৰ্মকৰ্তাকে ধৰি ৪শৰোৰ অধিক লোকে আজি নাজিৰাত অনুষ্ঠিত অসম জাতীয় পৰিষদত যোগদান কৰিছে। গণসভাখনত উমেশ গগৈ, প্ৰিন্স আলী, নৱ বৰাক মুখ্য আহবায়ক হিচাপে লৈ নাজিৰা এজেপি আহবায়ক সমিতি আৰু অনুপম গগৈ, আলী আৰ্চাদ, ইচফাকুৰ ৰহমানক লৈ অসম জাতীয় যুৱশক্তি নাজিৰাৰ আহবায়ক সমিতিখন শক্তিশালী ৰূপত গঠন কৰা হৈছে।

# ধেমাজিৰ ঘুগুহা দৌল



সকলো শ্ৰেণীৰ লোকক উৎসাহিত কৰাৰ নিৰলস সাধনাত ব্ৰতী ৰাজ্যৰ এগৰাকী প্ৰতিষ্ঠিত কবি, নিবন্ধকাৰ, সাংবাদিক, নবীন বুঢ়াগোহাঞিসহ তিনি ব্যক্তি-অনুষ্ঠানলৈ অসম চৰকাৰৰ প্ৰত্নতত্ব সঞ্চালকালয়ে আগবঢ়াইছে 'ঐতিহ্য মিত্ৰ' সন্মান। অসমত প্ৰত্নতাত্বিক সম্পদ সংৰক্ষণৰ বাবে আগবঢ়োৱা অৱদানৰ স্বীকৃতি স্বৰূপে শিৱসাগৰ জিলাৰ কোঁৱৰপুৰ মৌজাৰ নকটানী গাঁৱৰ বাসিন্দা নবীন বুঢ়াগোহাঞিক 'ঐতিহ্য মিত্ৰ' সন্মান প্ৰদান কৰাৰ কথা সদৰি কৰিছে প্ৰত্নতত্ব সঞ্চালকালয়, অসমৰ সঞ্চালিকা ড° দিপীৰেখা কুলিয়ে। ২০২০ বৰ্ষৰ বাবে এই সন্মান লাভ কৰিছে বুঢ়াগোহাঞিৰ লগতে জোনাইৰ কৃষ্ণমণি সিংহ আৰু ধেমাজিৰ ঘুগুহা দৌল সংৰক্ষণ সমিতিয়ে। ৰাজ্যৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অন্তৰ্গত অসম চৰকাৰৰ প্ৰত্নতত্ব সঞ্চালকালয়ে। শিৱসাগৰ জিলা প্ৰশাসনৰ সহযোগত আয়োজন কৰা 'বিশ্ব ঐতিহ্য সপ্তাহ ২০২০'ত ১৯ নৱেম্বৰৰ দিনা 'ঐতিহ্য মিত্ৰ' সন্মান প্ৰদান কৰিব। শিৱসাগৰৰ ন-পুখুৰী প্ৰত্নতাত্বিক স্থানত উদ্‌যাপন কৰা হ'ব এই কাৰ্যসূচী। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল মুখ্য অতিথি হিচাপে থাকিব লগা অনুষ্ঠানত বিভাগীয় মন্ত্ৰী কেশৱ মহন্ত আৰু ৰাজহ মন্ত্ৰী যোগেন মহন সন্মানীয় অতিথি, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, সাংসদ কামাখ্যা প্ৰসাদ তাছা, তপন কুমাৰ গগৈ বিশিষ্ট অতিথি, বিধায়কদ্বয় প্ৰদীপ হাজৰিকা, কুশল দুৱৰী, নৰনিতা সন্দিকৈ, প্ৰাক্তন মন্ত্ৰী হিৰণ্য কোঁৱৰ, ৰাজ্য চৰকাৰৰ মুখ্য সচিব জিষ্ণু বৰুৱা, অসম উচ্চতৰ মাধ্যমিক পৰিষদৰ অধ্যক্ষ দয়ানন্দ বুঢ়াগোহাই আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব। উল্লেখ্য নবীন বুঢ়াগোহাঞি অসমৰ ইতিহাসপ্ৰিয় সকলো লোকৰে এক চিনাকি নাম। কবি, লেখক-সাংবাদিক নবীনে অসংখ্য শিশু গ্ৰন্থ, শতাধিক নিবন্ধ, ভিন্নধৰ্মী লেখাৰ লগতে দহখন বুৰঞ্জী সম্পৰ্কীয় গ্ৰন্থৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। হোজাইৰ কৃষ্ণমণি সিংহই ৰাজবাৰী অঞ্চলত আৰু ধেমাজিৰ ঘুগুহা দৌল সংৰক্ষণ সমিতিয়ে ঘুগুহা দৌল চৌহদ সংৰক্ষণত বিশেষ ভূমিকা পালন কৰি অহাৰ বিপৰীতে বুঢ়াগোহাইয়ে বিভিন্ন সম্পদ সংৰক্ষণ আৰু ইবিলাকৰ তথ্য বিশ্লেষণ সমৃদ্ধ লেখাৰে হাজাৰজনক উপকৃত কৰিছে। অধুনালুপ্ত 'নতুন চিন্তা' আলোচনীৰ প্ৰতিস্থাপক মুখ্য সম্পাদক কৈমান নকটানী গাঁৱৰ নিত্যানন্দ বুঢ়াগোহাঞি আৰু প্ৰয়াত ৰূপা বুঢ়াগোহাঞিৰ জ্যেষ্ঠ পুত্ৰ নবীন বুঢ়াগোহাঞিয়ে 'অসম আদিত্য' আৰু 'দৈনিক অসম' কাকতত সাংবাদিকতা অব্যাহত ৰাখিছে। দৈনিক কাকতত এগৰাকী নিয়মীয়া স্তম্ভলেখক হিচাপেও পৰিচয় গঢ়িবলৈ সক্ষম হোৱা বুঢ়াগোহাঞিয়ে এই স্বীকৃতি লাভ কৰাত বিভিন্নজনে অভিনন্দন জনাইছে। আহোম সেনাৰ সভাপতি অংকুৰণ ফুকনে কয়— 'নবীন বুঢ়াগোহাঞিৰ ইতিহাস সম্বলিত গৱেষণাৰ গুৰুত্ব আহোম সেনাই পাঁচ বছৰ পূৰ্বেই উপলব্ধি কৰিছিলো আৰু এইক্ষেত্ৰত তেওঁৰ অধ্যয়ন নিৰৱচ্ছিন্ন সাহিত্য কৰ্ম-অসম বুৰঞ্জীৰ বস্তুনিষ্ঠ অধ্যয়ন, চৰ্চা, গৱেষণাক অধিক উৎসাহিত কৰিবলৈ বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰিছিলো। নতুন প্ৰজন্মই বুঢ়াগোহাঞিৰ আদৰ্শ ল'লে হেৰাই যাব ধৰা ইতিহাসৰ বহু গুৰুত্বপূৰ্ণ তথ্য সজীৱ হৈ ৰ'ব বুলি আশা ব্যক্ত কৰে।' সাংসদ তথা স্বেচ্ছাসেৱী সংগঠন 'খোজ'ৰ মুখ্য উপদেষ্টা কামাখ্যা প্ৰসাদ তাছা, অসম ৰাজ্যিক সাংবাদিক সন্থাৰ প্ৰচাৰ সম্পাদক জয়জ্যোতি গগৈ, 'খোজ'ৰ সসভাপতি ৰোহিনী গগৈ, শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকন, সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ প্ৰচাৰ সম্পাদক সত্যজিৎ শইকীয়া, শিশু আলোচনী 'মইনা পাৰিজাত'ৰ প্ৰতিষ্ঠাপক সম্পাদক তথা বৰ্তমানৰ মুখ্য সম্পাদক হিচাপে নবীন বুঢ়াগোহাঞিৰ গৱেষণাধৰ্মী গ্ৰন্থ 'আহোম যুগৰ দৌল আৰু ইয়াৰ স্থাপত্য কলাৰ বিৱৰণ' ইতিহাস সম্পৰ্কীয় এক উল্লেখযোগ্য দলিল। কাব্যগ্ৰন্থ 'এদিন একোৰেই ভাল নলগা হৈ আহিব', 'এজাক বনৰীয়া বৰষুণ', প্ৰবন্ধ সংকলন— 'অন্ধবিশ্বাসৰ অস্ত্ৰোপচাৰ', জীৱনীগ্ৰন্থ— 'অসমীয়া জাতিৰ পিতৃ পুৰুষ চাওলুং চ্যুকাফা, 'ইতিহাসৰ ছাঁ-পোহৰে ঢকা মহীয়সী অসমীয়া নাৰী জয়মতী কুঁৱৰী', 'নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক শ্ৰীমন্ত শংকৰদেৱ', 'ইছলাম ধৰ্মৰ প্ৰৱৰ্তক হজৰত মহম্মদ', 'বুৰঞ্জীমূলক গ্ৰন্থ— 'বুৰঞ্জী প্ৰসিদ্ধ শিৱসাগৰ ঃ A Historical Notebook', 'আহোম ৰাজত্বকালৰ ঐতিহাসিক কীৰ্তিচিহ্ন আৰু শিৱসাগৰৰ অন্যান্য পৰ্যটন ক্ষেত্ৰ' ইত্যাদিৰ উপৰি আঠখনকৈ স্বৰচিত সম্পাদিত শিশু গ্ৰন্থ, ছয়খনকৈ অন্যান্য সম্পাদিত গ্ৰন্থৰে পঢ়ুৱৈ-গৱেষক-ছাত্ৰ-ছাত্ৰী আৰু শিশুসকলৰ মনত সাঁচ বহুৱাবলৈ সক্ষম হৈছে লেখক নবীন বুঢ়াগোহাঞিয়ে। 'মৈদামৰ বুৰঞ্জী' আন এখন গৱেষণাধৰ্মী তথ্য গধুৰ গ্ৰন্থ। আনহাতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ পাঠ্যক্ৰমৰ আধাৰত প্ৰস্তুত প্ৰসংগ পুথি 'অসমৰ সংস্কৃতি আৰু সাংস্কৃতিক পৰ্যটন' (সম্পাদনা ড° অৰবিন্দ ৰাজখোৱা)ৰ সন্নিৱিষ্ট হৈছে বুঢ়াগোহাঞিৰ 'পুৰাতাত্বিক পৰ্যটনস্থলী' শীৰ্ষক প্ৰবন্ধত। আটাছুৰ উপ-সভাপতি বসন্ত গগৈ, সমাজকৰ্মী ডাঃ অশুমিতা গগৈ, ড° ভবেন্দ্ৰ নাথ মহন, সমাজকৰ্মী হেমন্ত গগৈ, লেখক ডক্টৰ প্ৰশান্ত কুমাৰ চুতীয়াকে ধৰি বিভিন্নজনে নবীন বুঢ়াগোহাঞিক অভিনন্দন জ্ঞাপন কৰে।

# নিজলৈ গৃহ বিভাগ ৰাখি ২

বাণিজ্য কৰ বিভাগ, বন আৰু পৰিৱেশ বিভাগ, তথ্য প্ৰযুক্তি, দুৰ্যোগ ব্যৱস্থাপনা আৰু নগৰ উন্নয়ন বিভাগৰ দৰে গুৰুত্বপূৰ্ণ দপ্তৰ। দ্বিতীয়গৰাকী উপ-মুখ্যমন্ত্ৰী ৰেণু দেৱীক গতালে পঞ্চায়তীৰাজ, পিছপৰা শ্ৰেণীৰ উন্নয়ন আৰু অৰ্থনৈতিকভাৱে পিছপৰাসকলৰ কল্যাণ বিভাগ, লগতে উদ্যোগ বিভাগ। হিন্দুস্তানী আবাম মৰ্চাৰ পৰা শপত গ্ৰহণ কৰা একমাত্ৰ মন্ত্ৰী সন্তোষ মাঝিক প্ৰদান কৰিলে অনুসূচিত জাতি আৰু জনজাতিৰ কল্যাণ বিভাগৰ লগতে ক্ষুদ্ৰ জলসিঞ্চন বিভাগ। বিকাশশীল ইনছান পাৰ্টিৰ একমাত্ৰ মন্ত্ৰী মুকেশ ছাহনীয়ে লাভ কৰিলে পশুপালন, মীন আদিৰ দৰে গুৰুত্বপূৰ্ণ বিভাগ। ইয়াৰ পিছতে জনতা দলৰ মন্ত্ৰী বিজয় চৌধুৰীয়ে লাভ কৰিলে গ্ৰাম্য অভিযান্ত্ৰিক বিভাগ, গ্ৰাম্য উন্নয়ন বিভাগ, জলসম্পদ, তথ্য আৰু সম্প্ৰচাৰ বিভাগ, সংসদীয় পৰিক্ৰমা বিভাগ আদি। বিদায়ী চৰকাৰত বিজয় চৌধুৰী আছিল বিহাৰ বিধানসভাৰ অধ্যক্ষ। একেটা দলৰে অন্য এজন মন্ত্ৰী বিজেন্দ্ৰ যাদৱে লাভ কৰিলে শক্তি, পৰিকল্পনা, খাদ্য আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ। জনতা দলৰে মন্ত্ৰী নেৱালাল চৌধুৰীয়ে লাভ কৰিলে শিক্ষা বিভাগ। আনহাতে মন্ত্ৰী শিলা কুমাৰীয়ে লাভ কৰিছে পৰিবহণ বিভাগটো। বিজেপিৰ মন্ত্ৰী মংগল পাণ্ডেৰ হাতত বিদায়ী চৰকাৰৰ দৰেই এইবাৰো অক্ষুণ্ণ থাকিল স্বাস্থ্য, পথ উন্নয়ন, কলা আৰু সাংস্কৃতিক বিভাগকেইটা। বিজেপিৰ মন্ত্ৰী অমৰেন্দ্ৰ সিঙে লাভ কৰিলে কৃষি বিভাগ, সমবায় আৰু কুঁহিয়াৰ বিভাগ। গেৰুৱা দলটোৰ অন্য এজন মন্ত্ৰী ৰাম সুৰটে লাভ কৰিলে আইন আৰু ৰাজহুৱা বিভাগৰ দায়িত্ব। লগতে বিজেপিৰ অন্য এজন মন্ত্ৰী জীবেশ কুমাৰে লাভ কৰিছে শ্ৰমিক কল্যাণ আৰু পৰ্যটন বিভাগটো। উল্লেখ্য যে কালি শপত গ্ৰহণ কৰা ১৪ জনীয়া মন্ত্ৰী সভাত বিজেপিৰ ৭, জনতা দলৰ ৫ আৰু হাম-ভিআইপিৰ এজনকৈ বিধায়কে স্থান লাভ কৰিছে।

# বিটিআৰ-তিৱা পৰিষদত নিৰ্বাচন

সময়ছোৱাতে বিটিচিৰ নাম সলনি কৰি বিটিআৰলৈ পৰিৱৰ্তন কৰা হ'ল। আজি ৰাজ্যিক নিৰ্বাচন আয়োগে ঘোষণা কৰা অনুসৰি আগন্তুক ডিচেম্বৰ মাহৰ ৭ আৰু ১০ তাৰিখে দুটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। বিটিআৰ পৰিষদৰ ৪০ জনীয়া সদস্যৰ সমষ্টিত প্ৰথম পৰ্যায়ত ওদালগুৰি আৰু বাক্সা জিলাত ভোটগ্ৰহণ হ'ব। দ্বিতীয় পৰ্যায়ত চিৰাং আৰু কোকৰাঝাৰ জিলাত অনুষ্ঠিত হ'ব ভোটগ্ৰহণ। পুৱা ৭.৩০ বজাৰ পৰা বিয়লি ৪.৩০ বজালৈ হ'ব লগা ভোটগ্ৰহণৰ গণনা কৰা হ'ব ১২ ডিচেম্বৰ শনিবাৰে। ইফালে তিৱা স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ দিনো ঘোষণা কৰা হৈছে। মনোনয়ন পত্ৰ দাখিলৰ শেষ দিন হ'ল চলিত মাহৰ ২৫ তাৰিখে। আনহাতে মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব ২৬ নৱেম্বৰত আৰু ইচ্ছুক প্ৰাৰ্থীয়ে নিজৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব ২৮ নৱেম্বৰ শনিবাৰে বিয়লি ৩ বজালৈকে। তিৱা পৰিষদৰ ভোটগ্ৰহণৰ দিন স্থিৰ কৰা হৈছে ১৭ ডিচেম্বৰ বৃহস্পতিবাৰে। সেইদিনা পুৱা ৭.৩০ বজাৰ পৰা বিয়লি ৪.৩০ বজালৈ হ'ব লগা ভোটগ্ৰহণৰ অন্তত গণনা কৰা হ'ব ১৯ ডিচেম্বৰ শনিবাৰে। ইতিমধ্যে ভোটকেন্দ্ৰ তথা নিৰাপত্তা ব্যৱস্থা স্থানীয় প্ৰশাসনৰ সহযোগত পৰ্যালোচনা কৰাৰ লগতে সুকলমে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ সকলো পদক্ষেপ গ্ৰহণ কৰা বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে।

# ৰাজস্থানৰ মন্ত্ৰী বানোৱাৰলাল

মেঘৱালৰ কালি নিশাৰ ভাগত পৰলোকপ্ৰাপ্তি ঘটিছে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৩ বছৰ। উল্লেখ্য যে হৃদৰোগত আক্ৰান্ত হৈ মগজুৰ ৰক্তক্ষৰণৰ বাবে মন্ত্ৰীজনৰ মৃত্যু হোৱা বুলি চিকিৎসকে ঘোষণা কৰিছে। আজি ৰাজস্থান চৰকাৰে এদিনীয়া ৰাজ্যিক শোক পালন কৰিছে। ৰাজ্যখনৰ সুজানগৰ বিধানসভা সমষ্টিৰ পৰা নিৰ্বাচিত হোৱা বানোৱাৰলাল চলিত বৰ্ষৰ মে' মাহতে হৃদৰোগত আক্ৰান্ত হৈছিল। ইফালে এইজন জ্যেষ্ঠ নেতাৰ মৃত্যুত বিভিন্ন মহলে শোক প্ৰকাশ কৰিছে। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে এক শোকবাৰ্তাত কয় যে ৰাজস্থানৰ কেবিনেট মন্ত্ৰীগৰাকীৰ হঠাৎ বিয়োগে তেওঁক মৰ্মাহত কৰিছে। ৰাজস্থানৰ সমাজ জীৱনত তেওঁৰ অৱিহণা সকলোৱে স্বীকাৰ কৰে। শোকসন্তপ্ত পৰিয়াল আৰু সমৰ্থকসকলৰ প্ৰতি প্ৰধানমন্ত্ৰীয়ে সমবেদনা জ্ঞাপন কৰিছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী অশোক গেহলট, ৰাজ্যিক কংগ্ৰেছৰ সভাপতি গোবিন্দ সিং ডুটাশ্ৰা, প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী শচীন পাইলট আদিয়ে গভীৰ শোক প্ৰকাশ কৰিছে। উল্লেখ্য যে কিছুদিনৰ পূৰ্বে সদ্যপ্ৰয়াত মন্ত্ৰী বানোৱাৰলালৰ দুহিতা বানাৰসী দেৱীৰো হৃদৰোগত আক্ৰান্ত হোৱাৰ বাবে মৃত্যু ঘটিছিল।


## মিছন শক্তি ব্যৰ্থ ঃ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথক কঠোৰ সমালোচনা কংগ্ৰেছৰ

# কানপুৰত সমাধিষ্ঠ মানৱতা ঃ ৬ বছৰীয়া কন্যা শিশুক অপহৰণ কৰি ধৰ্ষণ আৰু হত্যা, বুকু ফালি উলিয়াই আনিলে হাঁওফাঁও

**কানপুৰ, ১৭ নৱেম্বৰ ঃ** উত্তৰ প্ৰদেশৰ কানপুৰ জিলাত সংঘটিত এক হৃদয়বিদাৰক হত্যাকাণ্ডই দেশজুৰি সৃষ্টি কৰিছে তীব্ৰ চাঞ্চল্যৰ। ৰাজ্যখনৰ বিজেপি নেতৃত্বাধীন চৰকাৰে মহিলা আৰু যুৱতীৰ সুৰক্ষাৰ বাবে গঠন কৰা 'মিছন শক্তি' অভিযান ফুটুকাৰ ফেনত পৰিণত হ'ল। কিছুদিনৰ পূৰ্বে হাথৰাছ জিলাৰ এগৰাকী ১৯ বছৰীয়া যুৱতীৰ ধৰ্ষণ আৰু হত্যাৰ পিছত প্ৰতিক্ৰিয়া মাৰ নৌযাওঁতেই কানপুৰত ৬ বছৰীয়া কন্যা শিশুৰ ওপৰত চলিল পাশৱিক অত্যাচাৰ। ঘটনাৰ বিৱৰণী মতে যোৱা শনিবাৰৰ পৰা নিৰুদ্দেশ হৈ আছিল শিশুটি। পিছত সোমবাৰে বিয়লি পোহৰলৈ আহে উক্ত ভয়ংকৰ হত্যাকাণ্ড আৰু নিৰ্যাতনৰ বিষয়টো। ঘাটামপুৰ অঞ্চলৰ পৰশুৰাম কুৰিল আৰু তেওঁৰ পত্নী বিৰান, ভতিজা অনকুল কুৰিলয়ে সংঘটিত কৰে এই জঘন্য কাণ্ড। কন্যা শিশুগৰাকীক অপহৰণ কৰি প্ৰথমে ধৰ্ষণ আৰু পিছত অশেষ নিৰ্যাতন চলাই হত্যা কৰা হয়। জীৱন্ত অৱস্থাতে বুকু ফালি বাহিৰ কৰা হয় হাওঁফাও। মূলতঃ ডাইনী পূজাৰ বাবেই এই ঘটনা সংঘটিত কৰা হয়। ১৯৯৯ ত বিবাহ কৰোৱা পৰশুৰাম-বিৰান আছিল নিঃসন্তান। কোনোবা বেজৰ নিৰ্দেশত কণমানি শিশুটি হত্যা কৰি দেহৰ পৰা বাহিৰ কৰা হয় হাওঁফাওঁ। এই হাওঁফাওঁৰ জৰিয়তে পূজা-অৰ্চনা কৰিলে পৰশুৰামৰ সন্তান জন্ম হ'ব বুলি ডাইনী-কালী সাধকে দিছিল পৰামৰ্শ। এই ঘটনাত পৰশুৰামৰ ভতিজা অনকুল কুৰিলে সকলোখিনি সহায় কৰিছিল। আৰক্ষীয়ে সন্দেহবশতঃ পৰশুৰামক আটক কৰাৰ পিছত প্ৰথমে স্বীকাৰ কৰা নাছিল যদিও পিছত গোটেই ঘটনাটো বিৱৰী কয়। লগে লগে পৰশুৰামৰ পত্নী আৰু ভতিজাকক গ্ৰেপ্তাৰ কৰা হৈছে। ইফালে এই ঘটনাক লৈ উত্তাল হৈছে ৰাজ্যখনৰ ৰাজনৈতিক পৰিৱেশ। কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে কঠোৰ ভাষাৰে সমালোচনা কৰিছে মুখ্যমন্ত্ৰী যোগী আদিত্যনাথক। তেওঁ কয় যে উত্তৰ প্ৰদেশ এতিয়া মহিলা-যুৱতী তথা কন্যা শিশুৰ বাবে সুৰক্ষিত স্থান নহয়। বিভিন্ন স্থানত যুৱতী-মহিলাই নিতৌ আত্মহত্যা কৰিছে মুখলজ্জাৰ বাবে। ৰাজ্যখনৰ বিভিন্ন স্থানত মহিলাৰ ওপৰত চলি আছে অকথ্য নিৰ্যাতন। কিছুদিনৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে 'মিছন শক্তি' অভিযান ঘোষণা কৰিছিল আৰু ৰাইজৰ পৰা বাহঃ বাহঃ লৈছিল। কিন্তু এই অভিযান কাৰ্যতঃ ব্যৰ্থ হ'ল আৰু কানপুৰৰ ঘটনাই এই কথা প্ৰতিয়মান কৰিলে। এনেকৈয়ে উত্তৰ প্ৰদেশত সঘনাই সংঘটিত নাৰী নিৰ্যাতনৰ ঘটনাই সৃষ্টি কৰিছে ব্যাপক প্ৰতিক্ৰিয়াৰ।

# জেএনইউৰ নাম স্বামী বিবেকানন্দ কৰিবলৈ বিজেপিৰ দাবী

**নতুন দিল্লী, ১৭ নৱেম্বৰ ঃ** দেশৰ অন্যতম প্ৰখ্যাত শিক্ষানুষ্ঠান তথা ৰাজধানী দিল্লীত অৱস্থিত জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ নাম সলনি কৰিবলৈ পুনৰ দাবী জনাইছে বিজেপিৰ এজন নেতাই। ইয়াৰ পূৰ্বে 'কা' বিৰোধী আন্দোলনৰ সময়ত বিশ্ববিদ্যালয়খনৰ একাংশ শিক্ষাৰ্থীয়ে নেতৃত্ব লোৱাৰ বাবে নাম সলনিৰ দাবী উত্থাপন কৰিছিল গেৰুৱা শিবিৰে। উল্লেখ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে যোৱা ১২ নৱেম্বৰত বিশ্ববিদ্যালয়খনৰ চৌহদত ভাৰতীয় সনাতন ধৰ্মৰ অন্যতম উজ্জ্বলপ্ৰতিভা তথা দাৰ্শনিক স্বামী



বিবেকানন্দৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰিছিল। অৱশ্যে প্ৰধানমন্ত্ৰীয়ে নিজে সেই স্থানত উপস্থিত হোৱাৰ পৰিৱৰ্তে ভাৰ্চুৱেল পদ্ধতিৰে উন্মোচনী কাৰ্য সম্পন্ন কৰিছিল। শিক্ষাৰ্থী আৰু নতুন প্ৰজন্মই যাতে দেশৰ ঐতিহ্য আৰু সংস্কৃতিক লৈ গৌৰৱ কৰিব পাৰে তাৰ বাবেই বিবেকানন্দৰ প্ৰতিমূৰ্তি স্থাপনৰ আৱশ্যকতা দোহাৰিছিল প্ৰধানমন্ত্ৰীয়ে। ইয়াৰ পিছতে আজি বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক চি টি ৰবীয়ে দাবী কৰে যে উক্ত বিশ্ববিদ্যালয়ৰ নাম স্বামী বিবেকানন্দ বিশ্ববিদ্যালয় হ'ব লাগে। বিবেকানন্দই সৰ্বপ্ৰথমে ভাৰতৰ ধাৰণা বিশ্ববাসীৰ সন্মুখত দাঙি ধৰিছিল। একত্ৰিত ভাৰত কেৱল ভৌগোলিক ভাবেই নহয়, সাংস্কৃতিক আৰু আধ্যাত্মিকভাৱেও বিবেকানন্দই কল্পনা কৰিছিল। সেয়েহে বিশ্ববিদ্যালয়খনৰ নাম সলনি কৰাৰ দাবীৰে গেৰুৱা দলৰ নেতৃত্বই পুনৰ সৃষ্টি কৰিছে বিতৰ্কৰ।

## চিবিএছই পৰীক্ষা মাচুল ৰেহাই গোচৰ



# তিনি সপ্তাহৰ সময় নিৰ্ধাৰণ উচ্চতম ন্যায়ালয়ৰ

**নতুন দিল্লী, ১৭ নৱেম্বৰ ঃ** কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ চমুকৈ চিবিএছইৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ্থীৰ বাবে মাচুল ৰেহাইৰ ক্ষেত্ৰত চৰকাৰৰ মতামত জনাবলৈ তিনি সপ্তাহৰ সময় নিৰ্ধাৰণ কৰা হৈছে। আজি দেশৰ উচ্চতম ন্যায়ালয়ে এইক্ষেত্ৰত নিজৰ নিৰ্দেশনা জাৰি কৰিছে। উল্লেখ্য যে এটা বেচৰকাৰী সংস্থাই ক'ৰনা ভাইৰাছৰ সংক্ৰমণ আৰু লকডাউনৰ বাবে দেশজুৰি নাগৰিক সমাজৰ আয় হ্ৰাস পোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীৰ মাচুল ৰেহাই দিবলৈ দাবী উত্থাপন কৰি ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল। কিন্তু দিল্লী উচ্চ ন্যায়ালয়ে যোৱা ২৮ ছেপ্টেম্বৰতে নিজৰ ৰায় প্ৰদান কৰি কৈছিল যে এইক্ষেত্ৰত ন্যায়ালয়ে চৰকাৰক নিৰ্দেশ দিব নোৱাৰে। কাৰণ বিত্তীয় বিষয়ত চৰকাৰৰ কিছু কৰণীয় থাকে আৰু ন্যায়ালয়ে অযথা হস্তক্ষেপ কৰাটো অনুচিত। উচ্চ ন্যায়ালয়ৰ এনে নৰম ভূমিকাৰ বিৰুদ্ধে আবেদনকাৰীয়ে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হয়। চলিত বৰ্ষত দশম আৰু দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ বাবে কমেও ৩০ লাখ ছাত্ৰ-ছাত্ৰীয়ে প্ৰস্তুতি চলাইছে আৰু ইয়াৰ সকলোকে মাচুল ৰেহাই দিবলৈ দাবী জনোৱা হৈছে। ইয়াৰ প্ৰত্যুত্তৰতে উচ্চতম ন্যায়ালয়ে চৰকাৰৰ স্থিতি জনাবলৈ তিনি সপ্তাহৰ সময় দিছে। প্ৰণিধানযোগ্য এয়ে যে ৩০ লাখ ছাত্ৰ-ছাত্ৰীৰ বাবে চৰকাৰে আদায় দিব লগা মাচুল পিএম কেয়াৰ ফাণ্ডৰ ধনেৰে মোকাবিলা কৰিবলৈ আবেদনকাৰীয়ে দাবী জনাইছিল।

# জেড প্লাছৰ মোহত নেতৃত্ব ঃ এনএছচিএন (আইএম)ৰ কাৰ্যত নগা ভূমিত প্ৰতিক্ৰিয়া


**কহিমা, ১৭ নৱেম্বৰ ঃ** সংগ্ৰাম এৰি আপোচৰ ৰাজনীতিত ব্যস্ত হোৱা নাগালেণ্ডৰ প্ৰাক্তন বিদ্ৰোহীয়ে এতিয়া জেড প্লাছ নিৰাপত্তা বেষ্টুৰ মাজত সুৰক্ষিত কৰিছে নিজকে। এই বিষয়ত



নেতৃত্বই প্ৰদান কৰিছে ন্যাৰ্যতা। উল্লেখ্য যে ১৯৯৫ তে ফ্ৰান্সৰ পেৰিচ চহৰত তদানীন্তন প্ৰধানমন্ত্ৰী পি ভি নৰসিংহ ৰাওৰ সৈতে আলোচনাত বহিছিল নাগা বিদ্ৰোহী সংগঠন এনএছচিএন(আইএম)ৰ তেতিয়াৰ অধ্যক্ষ ইছাগ চিশ্বি শ্বু আৰু সাধাৰণ সম্পাদক টাংখুল মৈভা। ইয়াৰ পিছতে ১৯৯৭ ৰ পৰা যুদ্ধ বিৰতি ঘোষণা কৰি বৰ্তমানলৈ অব্যাহত ৰখা হৈছে। সম্প্ৰতি বৃহত্তৰ নাগালেণ্ডৰ প্ৰসংগৰে চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ সৈতে সন্দেহ আৰু অসহযোগিতা প্ৰকট কৰি তুলিছে নাগালেণ্ডৰ বিদ্ৰোহী সংগঠনটোৱে। ২০০২ চনত প্ৰস্তুত কৰা সমাধান সূত্ৰৰ লিখিত বিৱৰণ তথা বুজাবুজি চুক্তি, পিছৰ পৰ্যায়ত চলিত বৰ্ষৰ ১১ জুলাইত নতুনকৈ স্বাক্ষৰিত কৰা বুজাবুজিৰ চুক্তিয়ে নগা জনগোষ্ঠীৰ ঐতিহ্য আৰু একক সংস্কৃতি স্বীকাৰ কৰা হৈছে। কিন্তু ইয়াৰ বিনিময়ত ভাৰত ৰাষ্ট্ৰৰ চুবুৰীয়া ৰাজ্যসমূহক কোনো কাৰণতে ভৌগোলিকভাৱে অনিষ্ট কৰিব নোৱাৰে বুলি অসম, মেঘালয়, অৰুণাচল প্ৰদেশ আৰু মণিপুৰৰ ৰাইজে সকীয়াই দিছে। অৱশ্যে চাৰে তিনি দশক ধৰি চলা শান্তি আলোচনাৰ অন্তিম পৰ্যায়ত এতিয়া বিদ্ৰোহী নেতৃত্বই প্ৰশংসাৰে উপচাই দিছে বৰ্তমানৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক। নগা নেতৃত্বক গুৰুত্ব দিয়াৰ বাবেই কেন্দ্ৰীয় চৰকাৰে জেড প্লাছ নিৰাপত্তাৰক্ষী প্ৰদান কৰা বুলি ব্যক্ত কৰিছে। এনে ধৰণৰ নিৰাপত্তা প্ৰদানৰ ন্যায্যতা দাবী কৰিছে এনএছচিএন কৰ্তৃপক্ষই। ফলস্বৰূপে অচিৰেই নগা শান্তি চুক্তি চূড়ান্ত হোৱাৰ দিশত আগবাঢ়িছে আৰু ৰাইজৰ ৰোষৰ পৰা বাচিবলৈ নেতৃত্বই এতিয়া চৰকাৰী নিৰাপত্তা বেষ্টনীৰ আশ্ৰয় লোৱা বুলিব পাৰি।

## ৰাজধানীত বিস্ফোৰণৰ পৰিকল্পনা

# দিল্লী আৰক্ষীৰ জালত জইছ-ই-মহম্মদৰ সদস্য



**নতুন দিল্লী, ১৭ নৱেম্বৰ ঃ** দিল্লী আৰক্ষীয়ে সোমবাৰে মাজনিশা গ্ৰেপ্তাৰ কৰিছে পাকিস্তানৰ সন্ত্ৰাসবাদী সংগঠন জইছ-ই-মহম্মদৰ দুই সদস্যক। মূলত ৰাজধানী প্ৰদেশখনত বিস্ফোৰণ তথা কুটাঘাতৰ পৰিকল্পনাৰে আত্মগোপন কৰিছিল এই দুই সন্ত্ৰাসবাদীয়ে। আৰক্ষীয়ে নিৰ্দিষ্ট তথ্যৰ ভিত্তিত অভিযান চলাই চাৰাইকালে খান অঞ্চলৰ পৰা দুয়োকে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। দুটা স্বয়ংক্ৰিয় পিষ্টল, দহ জাঁই জীৱন্ত গুলী উদ্ধাৰ কৰে। গ্ৰেপ্তাৰ কৰা সন্ত্ৰাসবাদী দুটাৰ নাম হ'ল আব্দুল লটিফ মীৰ আৰু মহম্মদ আশ্ৰফ খাটানা। দুয়োটায়ে জম্মু-কাশ্মীৰৰ সীমান্তৱৰ্তী অঞ্চলৰ পৰা দিল্লীত প্ৰৱেশ কৰিছিল। ইয়াৰে আব্দুল লটিফৰ স্থায়ী ঠিকনা হ'ল বাৰামোল্লা অঞ্চলৰ পালা মোহাল্লা নামৰ গাঁৱত। আনহাতে আশ্ৰফ খাটানাৰ ঠিকনা হ'ল কুপোৱাৰা জিলাৰ সাতমোল্লা গাঁও। তেওঁলোকে দিল্লীত কুটাঘাত সংঘটিতৰ পিছত নেপালত প্ৰৱেশ কৰি পাক অধ্যুষিত কাশ্মীৰলৈ পলায়ন কৰাৰ পৰিকল্পনা আছিল। কিন্তু সঠিক সময়ত চলোৱা অভিযানৰ বাবে মহানগৰখন ৰক্ষা পৰিল অনাকাংক্ষিত দুৰ্যোগৰ পৰা।

# খচৰা ভোটাৰ তালিকা ঃ মিজোৰামত পুৰুষতকৈ বৃদ্ধি মহিলা ভোটাৰ

**আইজল, ১৭ নৱেম্বৰ ঃ** মিজোৰামত পুৰুষৰ তুলনাত বৃদ্ধি পাইছে মহিলা ভোটাৰ। সোমবাৰে বিয়লি ৰাজ্যখনৰ নিৰ্বাচন আয়োগে প্ৰকাশ কৰা খচৰা ভোটাৰ তালিকাত এই তথ্য প্ৰকাশ পাইছে। উল্লেখ্য যে ৰাজ্যখনত মুঠ ভোটাৰৰ সংখ্যা হ'ল ৭.৯৭ লাখ। ১১ খন জিলাৰে সমৃদ্ধ মিজোৰামত চলিত বৰ্ষত সংশোধিত ভোটাৰ তালিকাত স্থান লাভ কৰিছে ৭,৯৭,৭৯৫ গৰাকী ভোটাৰে। ইয়াৰে ৩,৮৮,৫৮০ গৰাকী পুৰুষ ভোটাৰ আৰু ৪,০৯,২১৫ গৰাকী হ'ল মহিলা ভোটাৰ। এই তালিকাত স্থান লাভ কৰিছে ৪,৮২৯ গৰাকী চাৰ্ভিছ ভোটাৰে। ২০২১ চনৰ ১ জানুৱাৰীত যিসকলৰ বয়স ১৮ বছৰ হ'ব তেনে লোকৰ নাম সন্নিৱিষ্ট কৰা হৈছে এই ভোটাৰ তালিকাত। ৰাজ্যখনৰ আইজল জিলাত সৰ্বাধিক ১২ টা বিধানসভা সমষ্টি আছে আৰু উক্ত জিলাত ৰাজ্যখনৰ ভিতৰতে আছে সৰ্বাধিক ভোটাৰ। এই পৰিসংখ্যা হ'ল ২,৬৪,২৯৪ গৰাকী। আনহাতে লুংলেই জিলাত সবাটোকৈ কম সংখ্যক ভোটাৰ আছে। এই পৰিসংখ্যা হ'ল ৯৩,২১১ গৰাকী। জিলাখনত ৬ টা বিধানসভা সমষ্টি আছে। এই জিলাখন ২০১৯ বৰ্ষতহে সৃষ্টি কৰা হৈছিল। ইফালে খচৰা ভোটাৰ তালিকা প্ৰকাশ পোৱাৰ পিছত ১৬ নৱেম্বৰৰ পৰা ১৫ ডিচেম্বৰলৈকে ওজৰ আপত্তি দাখিলৰ সময় নিৰ্ধাৰণ কৰা হৈছে। চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ পাব আগন্তুক নৱবৰ্ষৰ ২০ জানুৱাৰী তাৰিখে। উল্লেখ্য যে মিজোৰামত ৪০ টা বিধানসভা সমষ্টি আছে।



শীত নামিছে দিল্লীত। লগতে বাঢ়িছে বায়ু প্ৰদূষণ। পুৱাৰ দুটা বিপৰীত দৃশ্য

# তামিলনাড়ুৰ খচৰা ভোটাৰ তালিকাত সোমাল ৬.১ কোটি, পুৰুষতকৈ বৃদ্ধি মহিলাৰ সংখ্যা

**চেন্নাই, ১৭ নৱেম্বৰ ঃ** তামিলনাড়ুৰ নিৰ্বাচন আয়োগে ঘোষণা কৰিছে ৰাজ্যখনৰ নতুন ঘচৰা ভোটাৰ তালিকা। সোমবাৰে সন্ধিয়া প্ৰকাশ পোৱা এই খচৰা তালিকাত লিপিবদ্ধ হৈছে ৬.১০ কোটি ভোটাৰৰ নাম। বিগত বৰ্ষৰ তুলনাত বৃদ্ধি পাইছে ১০ লাখতকৈও অধিক ভোটাৰ। এই তালিকা অনুসৰি মহিলা ভোটাৰৰ সংখ্যা ৩.০৯ কোটি, পুৰুষ ভোটাৰৰ সংখ্যা ৩.০১ কোটি আৰু তৃতীয় লিংগৰ ভোটাৰৰ সংখ্যা হ'ল ৬,৩৮৫ গৰাকী। ২০১৬ চনৰ বিধানসভাৰ নিৰ্বাচনৰ সময়ত লিপিবদ্ধ ভোটাৰতকৈ আগন্তুক ২০২১ ৰ নিৰ্বাচনৰ বাবে প্ৰস্তুত কৰা ভোটাৰ তালিকাত ৩১ লাখতকৈ অধিক নতুন ভোটাৰ সন্নিৱিষ্ট হৈছে। ২০১৯ চনৰ লোকসভাৰ নিৰ্বাচনতকৈ এইবাৰ ২৫ লক্ষাধিক অধিক ভোটাৰ তালিকাভুক্ত হৈছে। লক্ষণীয় বিষয় হ'ল এয়ে যে এইবাৰ কেইবাখনো ৰাজ্যত পুৰুষতকৈ মহিলা ভোটাৰৰ সংখ্যা বৃদ্ধি পোৱা দেখা গৈছে। তামিলনাড়ুৰ লগতে মিজোৰাম, অন্ধ্ৰপ্ৰদেশ, কেৰালা আৰু পুডুচেৰীত বৃদ্ধি পাইছে পুৰুষতকৈ মহিলা ভোটাৰৰ সংখ্যা। উল্লেখ্য যে ভোটাৰ তালিকাৰ সংশোধনীৰ বাবে ধাৰ্য কৰিছে এমাহ সময়। চলিত মাহৰ ১৬ নৱেম্বৰৰ পৰা আগন্তুক মাহৰ ১৫ ডিচেম্বৰৰ ভিতৰত ওজৰ আপতি দাখিল আৰু তালিকাৰ পুনৰীক্ষণ কৰা হ'ব। ৰাজ্যখনৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ পাব আগন্তুক বৰ্ষৰ ১৫ জানুৱাৰী তাৰিখে। উল্লেখ্য যে আগন্তুক ২০২১ বৰ্ষৰ মে' মাহত তামিলনাড়ুৰ বিধানসভাৰ কাৰ্যকাল সমাপ্ত হ'ব আৰু এপ্ৰিল মাহত পৰৱৰ্তী নিৰ্বাচন অনুষ্ঠিত কৰাৰ সম্ভাৱনা আছে।

## পালঘৰ গণহত্যা ঃ চিবিআইৰ তদন্তৰ দাবীত আজি বিজেপিৰ প্ৰতিবাদ



**মুম্বাই, ১৭ নৱেম্বৰ ঃ** পালঘৰ গণহত্যাৰ বিৰুদ্ধে বিজেপিয়ে কাইলৈ মহাৰাষ্ট্ৰত পালন কৰিব প্ৰতিবাদী কাৰ্যসূচী। বিধায়ক ৰাম কদমৰ নেতৃত্বত মুম্বাইত এই কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব বুলি ঘোষণা কৰা হৈছে। উল্লেখ্য যে চলিত বৰ্ষৰ ১৬ এপ্ৰিলত ৰাজ্যখনৰ পালঘৰ অঞ্চলৰ হেডপাৰা গৰছিনচালি গাঁৱত সংঘটিত হৈছিল এই হত্যাকাণ্ডৰ। সেইদিনা সাধু চিকনী মহাৰাজ আৰু সুশীলগিৰি মহাৰাজৰ লগতে তেওঁলোকৰ গাড়ীচালক নীলেশ তেলগাৰীক একাংশ লোকে আক্ৰমণ কৰি হত্যা কৰিছিল। এই ঘটনাত জড়িত থকাৰ অভিযোগত দুই শতাধিক লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ইয়াৰে চাৰিজন লোকে জামিন পাবলৈ সক্ষম হৈছে। সেয়েহে এই গোচৰৰ চিবিআই তদন্ত দাবী কৰি গেৰুৱা দলটোৱে কাইলৈ আৰম্ভ কৰিব লগা প্ৰতিবাদী কাৰ্যসূচীয়ে ৰাজ্যখনত বিভিন্ন পক্ষৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

## গুপ্ত মৰ্চা ঃ জম্মু-কাশ্মীৰৰ জিলা উন্নয়ন পৰিষদৰ নিৰ্বাচনক লৈ গৃহমন্ত্ৰী অমিত শ্বাহৰ বিস্ফোৰণ

# কংগ্ৰেছক লাগে কাশ্মীৰৰ হিংসা !



**নতুন দিল্লী, ১৭ নৱেম্বৰ ঃ** কংগ্ৰেছক লাগে জম্মু-কাশ্মীৰৰ হিংসাত্মক ঘটনাৰ পুনৰাবৃত্তি। বৰ্তমান ৰাজ্যখনত শান্তি-শৃংখলা অটুত আছে আৰু উগ্ৰপন্থীৰ কাৰ্যকলাপ হ্ৰাস পাইছে। ৰাইজে নিশ্চিন্ত মনেৰে জীৱন-যাপন কৰিবলৈ সুযোগ পাইছে। কিন্তু কংগ্ৰেছ দলে এনে শান্তি সহ্য নকৰে। ৰাহুল গান্ধী-ছোনিয়া গান্ধীয়ে সেয়েহে ৰাজ্যখনত গুপ্ত মৰ্চাৰ সৈতে হাত মিলাইছে। আগন্তুক সময়ত কাশ্মীৰৰ হিংসাত্মক কাৰ্য তথা বিস্ফোৰণ-হত্যা আদি ঘটনাৰ পুনৰাবৃত্তি হোৱাটো বিচাৰিছে কংগ্ৰেছ দলে। এনেকৈয়ে দেশৰ গৃহ মন্ত্ৰীয়ে আজি বিৰোধী কংগ্ৰেছ দল আৰু জম্মু-কাশ্মীৰৰ একাংশ ৰাজনৈতিক দলক কঠোৰ ভাষাৰে সমালোচনা কৰে। উল্লেখ্য যে আগন্তুক মাহতে জম্মু-কাশ্মীৰত জিলা উন্নয়ন পৰিষদসমূহৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ইয়াৰ বাবে চলিছে সকলো প্ৰস্তুতি। সংবিধানৰ ৩৭০ অনুচ্ছেদ প্ৰত্যাহাৰ কৰাৰ পিছত এতিয়া জম্মু-কাশ্মীৰ ভাৰতৰ একেখন সংবিধান আৰু একেখন পতাকাৰ তলত সমবেত হৈছে। পূৰ্বে আছিল পৃথক সংবিধান আৰু পৃথক পতাকা। দ্বিতীয়বাৰলৈ কেন্দ্ৰত চৰকাৰ গঠন কৰাৰ পিছত বিগত বৰ্ষৰ ৫ আগষ্ট তাৰিখে সংবিধান সংশোধন কৰি জম্মু-কাশ্মীৰৰ ক্ষেত্ৰত নতুন সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। লগতে ৰাজ্যখন দ্বিখণ্ডিত কৰি নতুনকৈ কেন্দ্ৰীয় শাসিত প্ৰদেশ লাডাখৰ সৃষ্টি কৰা হৈছিল। ৰাজনৈতিক অস্থিৰতা সৃষ্টিৰ আশংকাত জম্মু-কাশ্মীৰৰ অধিকাংশ শীৰ্ষ ৰাজনৈতিক নেতাক গৃহবন্দী কৰা হৈছিল। প্ৰাক্তন মুখ্যমন্ত্ৰী মেহবুবা মুফটি, ওমৰ আব্দুল্লা, ফাৰুক আব্দুল্লা আদিক গৃহবন্দী কৰা হৈছিল। সম্প্ৰতি তেওঁলোক মুক্ত যদিও ৰাজ্যখনৰ পূৰ্বৰ মৰ্যাদা ঘূৰাই আনিবলৈ চেষ্টা চলাই আছে। ফাৰুক আব্দুল্লাই আনকি চীনৰ সহায়ত জম্মু-কাশ্মীৰৰ পূৰ্বৰ সাংবিধানিক স্থিতি ঘূৰাই অনাৰ কথা ৰাজহুৱাকৈ ঘোষণা কৰিছে। মেহবুবা মুফতিয়েও জম্মু-কাশ্মীৰৰ পূৰ্বৰ মৰ্যাদা প্ৰৱৰ্তন কৰাৰ কথা ব্যক্ত কৰিছে। ভৱিষ্যতে কংগ্ৰেছ দলৰ চৰকাৰ হ'লে জম্মু-কাশ্মীৰত পূৰ্বৰ স্থিতিলৈ ঘূৰাই পঠোৱাৰ বিষয়টো নেতৃত্বই ঘোষণা কৰিছে। যাৰ বাবে ৰাজ্যখনৰ শান্তি আৰু শৃংখলা বিঘ্নিত কৰিবলৈ কংগ্ৰেছৰ প্ৰত্যক্ষ সমৰ্থনত একাংশ লোক নামি পৰা বুলি প্ৰচাৰিত হৈছে। সেয়েহে জিলা উন্নয়ন পৰিষদসমূহৰ নিৰ্বাচনত এই গোপন শক্তিয়ে একত্ৰিত হৈ কাৰ্যনিৰ্বাহ কৰিবলৈ সাজু হোৱা বুলি চোৰাংচোৱাই প্ৰকাশ কৰিছে। এনে তথ্যৰ ভিত্তিতে কেন্দ্ৰীয় মন্ত্ৰী ৰবিশংকৰ প্ৰসাদে এদিনৰ পূৰ্বতে ৰাজ্যখনৰ একাংশ ৰাজনৈতিক নেতা-কৰ্মীক কঠোৰ ভাষাৰে সমালোচনা কৰিছিল। ইয়াৰ পিছত গৃহ মন্ত্ৰীয়ে আজি গুপ্ত মৰ্চাৰ প্ৰসংগ উল্লেখ কৰি কংগ্ৰেছ দলক সমালোচনাৰ লক্ষ্য কৰি লোৱা দেখা গ'ল। গৃহ মন্ত্ৰীৰ কঠোৰ বাক্যবাণে বিৰোধী দলবোৰৰ মাজত সৃষ্টি কৰিছে ব্যাপক প্ৰতিক্ৰিয়াৰ। অৱশ্যে অমিত শ্বাহৰ অভিযোগৰ কোনো পোনপটীয়া উত্তৰ দিবলৈ সক্ষম হোৱা নাই কংগ্ৰেছৰ নেতৃত্ব। একেদৰে নিৰৱ হৈ আছে পিতা-পুত্ৰ আব্দুল্লা।

# লক্ষ্য ২০২১ৰ বিধানসভাৰ নিৰ্বাচন ঃ জয়া ললিতা-কৰুণানিধিৰ অৱৰ্তমানত তামিলনাড়ু দখলৰ অভিযান বিজেপিৰ



**নতুন দিল্লী, ১৭ নৱেম্বৰ ঃ** বিহাৰত পুনৰবাৰ ক্ষমতা দখলৰ পিছত উৎসাহিত হৈ আছে বিজেপিৰ শীৰ্ষ নেতৃত্ব। এইবাৰ তামিলনাড়ুৰ ক্ষমতা নিজৰ হাতলৈ আনিবৰ বাবে চলাইছে বিশেষ পৰিকল্পনা। কিয়নো তামিলনাড়ুত অৰ্ধশতক ধৰি আঞ্চলিক দলৰ শাসন বৰ্তি আছে। কেতিয়াবা যদি ডিএমকে দলে ক্ষমতা দখল কৰে, অন্য কেতিয়াবা এআইএডিএমকে দলৰ হাতলৈ যায় ৰাজ্যখনৰ ক্ষমতাৰ বাঘজৰী। উল্লেখ্য যে ডিএমকে দলৰ মুৰব্বী হ'ল এম কৰুণানিধি আৰু তেওঁৰ পৰলোকপ্ৰাপ্তি ঘটিছে কেইবছৰমানৰ পূৰ্বে। একেদৰে এআইএডিএমকে দলৰ মুৰব্বী আছিল জে জয়াললিতা আৰু তেওঁৰো পৰলোকপ্ৰাপ্তি ঘটিছে। ফলত কৌশলেৰে বিজেপিয়ে ৰাজ্যখনৰ ক্ষমতা দখলৰ বাবে পদক্ষেপ লৈছে। প্ৰাপ্ত তথ্য মতে কৰুণানিধিৰ জ্যেষ্ঠ পুত্ৰ এম কে আলাগিৰিয়ে অলপতে সাক্ষাৎ কৰিব গৃহ মন্ত্ৰী অমিত শ্বাহক। উপলক্ষ্য হ'ল তামিলনাড়ুৰ আগন্তুক বিধানসভাৰ নিৰ্বাচন। ইয়াৰ বাবে এআইএডিএমকেৰ প্ৰতিষ্ঠাপক তথা দক্ষিণৰ চিত্ৰ তাৰকা আৰু ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী এমজি ৰামচন্দ্ৰনৰ জন্ম জয়ন্তীৰ বাবে এক বিশেষ শোভাযাত্ৰাৰ আয়োজন কৰা হৈছিল। এই অনুষ্ঠানত অমিত শ্বাহে নিজে উপস্থিত থাকিব। ইয়াৰ বিপৰীতে উক্ত দলটোৰ সম্পূৰ্ণ বিপৰীত মেৰুত থকা ডিএমকে দলৰ প্ৰতিষ্ঠাপকৰ জ্যেষ্ঠ পুত্ৰই অমিত শ্বাহক সাক্ষাৎ কৰিব খোজা কাৰ্যই চৰ্চা লাভ কৰিছে ৰাজনৈতিক মহলত। ৰাজ্যখনত দুয়োটা দলৰ পৰম্পৰাগত শাসনৰ বাঘজৰী শিথিল হৈ পৰাৰ ইংগিত বহন কৰিছে এনে ধৰণৰ পদক্ষেপে।

## এমেচাৰ থিয়েটাৰ ছ'চাইটিৰ প্ৰতিষ্ঠা দিৱসৰ সামৰণী অনুষ্ঠান স্থগিত

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোলাঘাট, ১৭ নৱেম্বৰ ঃ** ঐতিহ্যমণ্ডিত গোলাঘাট এমেচাৰ থিয়েটাৰ ছ'চাইটিৰ বৰ্ষজোৰা কাৰ্যসূচীৰে ৰূপায়িত হোৱা ১২৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপনৰ সামৰণি অনুষ্ঠান স্থগিত ৰখা হৈছে। ক'ভিড প্ৰ'টকলৰ বাবে ছ'চাইটিয়ে এই সিদ্ধান্ত গ্ৰহণ কৰে। ছ'চাইটিৰ সভাপতি ডাঃ মানস বয়ৰ সভাপতিত্বত ১২ নৱেম্বৰত অনুষ্ঠিত হোৱা কাৰ্যনিৰ্বাহক সমিতিৰ সভাই এই সিদ্ধান্ত গ্ৰহণ কৰে। এক প্ৰেছ বাৰ্তাত এই কথা প্ৰকাশ কৰিছে গোলাঘাট এমেচাৰ থিয়েটাৰ ছ'চাইটিৰ প্ৰশাসনীয় সম্পাদক দীপমনি খাটনীয়াৰ, সাংস্কৃতিক সম্পাদক চিৰঞ্জিৎ বৰা আৰু বিত্তীয় সম্পাদক মৃদুল কাকতিয়ে। বাৰ্তাটোত প্ৰকাশ কৰা মতে ২৫ নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া সেই অনুষ্ঠান পৰৱৰ্তী সময়ত আয়োজন কৰা হ'ব। মাথো চলিত মাহৰ ২৫ নৱেম্বৰত অনুষ্ঠানুপীয়াকৈ ১২৬ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ আয়োজন কৰা হৈছে। ক'ভিড প্ৰট'কল অনুসৰি সেই দিনা পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণ, বিশিষ্ট সাংস্কৃতিকবিদ মন্টু কৰ্মকাৰৰ গোলাঘাটৰ সাংস্কৃতিক ক্ষেত্ৰৰ নিবন্ধৰ সংকলন আৰু বনশ্ৰী কাকতীৰ পৰিকল্পনাৰে ঐতিহ্যপূৰ্ণ গোলাঘাট শীৰ্ষক এক গীতৰ ভিডিঅ উন্মোচন, সন্ধিয়া বন্তি প্ৰজ্বলন আৰু লোক-সংস্কৃতিৰ এক সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই সকলো কাৰ্যসূচী অনুষ্ঠানুপীয়াকৈ আয়োজন কৰা হ'ব বুলিও প্ৰেছ বাৰ্তাটোত উল্লেখ কৰিছে। প্ৰেছ বাৰ্তাটোত লগতে প্ৰকাশ কৰা মতে এই বৰ্ষত ছ'চাইটিৰ বটা প্ৰদান অনুষ্ঠানো ক'ভিড প্ৰট'কলৰ বাবে স্থগিত ৰখা হৈছে। উল্লেখযোগ্য যে ১৮৯৫ চনত প্ৰতিষ্ঠা হোৱা অসমৰ অপেচাদাৰী নাট্য অনুষ্ঠানসমূহৰ অন্যতম বাটকটীয়া গোলাঘাট এমেচাৰ থিয়েটাৰ ছ'চাইটিয়ে যোৱা বৰ্ষৰ ২৫ নৱেম্বৰত পৰা বৰ্ষজোৰা ১২৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্যাপনৰ কাৰ্যসূচী হাতত লৈছিল। কিন্তু বিশ্বজুৰি ক'ভিড-১৯ ভাইৰাছৰ ভয়াবহ সংক্ৰমণৰ বাবে সেই কাৰ্যসূচী সম্পূৰ্ণৰূপে ৰূপায়িত কৰিব পৰা হোৱা নাছিল। সেই কাৰ্যসূচী অনুসৰি বৰ্ষটোত দুখনকৈ নাট সমাৰোহ অনুষ্ঠিত কৰিছিল যদিও ন-পুৰণি শিল্পী কলা-কুশলীৰ সন্মিলন, আলোচনা চক্ৰ, তৃতীয়খন নাট সমাৰোহ আদি কাৰ্যসূচী স্থগিত ৰাখিছিল। আনহাতে এককেন সভাই চাইটিৰ বাৰ্ষিক সাধাৰণ সভা অহা বৰ্ষৰ জানুৱাৰী মাহৰ শেষৰ সপ্তাহত অনুষ্ঠিত কৰাৰো মনস্থ কৰিছে। উল্লেখযোগ্য মে জুন মাহত অনুষ্ঠিত হ'বলগীয়া সাধাৰণ সভা ক'ভিড -১৯ ৰ বাবে স্থগিত ৰাখিব লগাত পৰিছিল। এই সাধাৰণ সভাৰ লগতে পৰৱৰ্তী দুবছৰৰ কাৰ্যকালৰ বাবে ছ'চাইটিৰ নতুন সমিতিৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব।

# মিজিকা প্ৰাথমিক আটছাৰ উদ্যোগত দীপান্বিতাৰ বিশেষ অনুষ্ঠান



**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ১৭ নৱেম্বৰ ঃ** বিশ্বনাথ জিলাৰ বিহালীস্থিত মিজিকা ব্যৱসায়ী কেন্দ্ৰস্থলত মিজিকা প্ৰাথমিক আটছা আৰু মিজিকাবাসী ৰাইজৰ দ্বাৰা নিশেষ অনুষ্ঠান অনুষ্ঠিত হৈ যায়। দীপাৱলী উপলক্ষে প্ৰতিবছৰে পালন কৰি অহা বিশেষ অনুষ্ঠানটিত অঞ্চলটিৰ বহু কেইগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্দ্ধনা জনায়। সাম্প্ৰতিক ক'ভিড প্ৰ'টকল মানি চলি আয়োজিত অনুষ্ঠানটিৰ মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে বিহালী সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰঞ্জিত দত্ত। শ্ৰীশ্ৰী মাকালী পূজাৰ উপলক্ষে অসম চাহ মজদুৰ সংঘ তথা মিজিকা প্ৰাথমিক গোট (আট্ছা) আৰু মিজিকাবাসী ৰাইজৰ সহযোগত আয়োজিত অনুষ্ঠান ভাগত মন্ত্ৰীগৰাকীয়ে মিজিকা ব্যৱসায়ী কেন্দ্ৰৰ সমীপত অৱস্থিত কালী মন্দিৰটিক নতুন ৰূপত নিৰ্মাণ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰাৰ লগতে অনতিপলমে নিৰ্মাণৰ কাম আৰম্ভ হ'ব বুলি ঘোষণা কৰে। ইয়াৰ উপৰিও চাহ জনগোষ্ঠীৰ যুৱপ্ৰজন্মৰ জনপ্ৰিয় গায়ক শ্যাম কুমাৰ নাগ আৰু সহযোগী শিল্পী পায়েল ওৰাঙে উক্ত অনুষ্ঠানটিত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি গীতৰ শৰাই আগবঢ়াই ৰাইজক আপ্লুত কৰে। অনুষ্ঠানটিত বিশেষভাৱে উপস্থিত থাকে সমাজ সেৱক অংকুৰ প্ৰতিম শইকিয়া, দধীৰাম শৰ্মা, বিশ্বনাথ জিলা আটছাৰ সাংস্কৃতিক সম্পাদক বিৰাজ কিছান, বিহালী আটছাৰ সভাপতি আকাশ কিচান, সহ-সম্পাদক নৱীন কৰ্মকাৰ, সাংস্কৃতিক সম্পাদক জুবিন ঠাকুৰ, মিজিকা চাহ মজদুৰ সংঘৰ সম্পাদক অমিতাভ জেনা। এক পৰম্পৰাগতভাৱে আয়োজন কৰি অহা দীপাৱলীৰ আয়োজক সমিতিৰ সভাপতি অৰ্জুন ভূমিজ সম্পাদক ৰঞ্জিত গঁড়সহ সম্পাদক সুন্দৰ তাতী, দিৱান বিৰ্জা, অতুল চুণ্ডী, সুদাম মহাপাত্ৰ আৰু সদস্যসকলে অনুষ্ঠানটি সফল ৰূপায়ণৰ সন্তুষ্টি প্ৰকাশ কৰে।

# ৰঙাপৰাত জনবসতি অঞ্চলত বনৰীয়া হাতীৰ আক্ৰমণ

**এজন আহত, গাঁওবাসীৰ মাজত তীব্ৰ আতংক**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙাপৰা, ১৭ নৱেম্বৰ ঃ** অসমৰ একাংশ জিলাত হাতী-মানুহৰ সংঘাত দিনক দিনে বৃদ্ধি পাই আহিছে। খাদ্যৰ সন্ধানত পাহাৰৰ বনাঞ্চলৰ পৰা জনাঞ্চলত প্ৰৱেশ কৰা বনৰীয়া হাতীয়ে বিস্তৰ ক্ষতিসাধন কৰিছে গ্ৰামঞ্চল আৰু চাহ বাগিচাসমূহত। আজি সন্ধিয়া ৬টা মান বজাত বনৰীয়া হাতীৰ আক্ৰমণত এজন যুৱকক আক্ৰমণত আঞ্চলটোতে চাঞ্চল্য সৃষ্টি হৈছে। প্ৰাপ্ত খবৰ মতে শোণিতপুৰ জিলাৰ ৰঙাপৰা আৰক্ষী থানাৰ অন্তৰ্গত ১নং নামনিগাঁৱৰ নিবাসী চান্দ আনছাৰি নামৰ যুৱকজনক তেজপুৰ ৰঙাপৰা সংযোগী গড়কাপ্তানী পথ আৰু জনবসতি অঞ্চল খোজকাঢ়ি গৈ থকা অৱস্থাত এটি বনৰীয়া হাতীৰ জাকে আক্ৰমণ কৰে। উক্ত আক্ৰমণত যুৱকজন গুৰুতৰভাৱে আহত হয়। আৰু তেওঁক ততাতৈয়াকৈ চিকিৎসা বাবে ৰঙাপৰা প্ৰাথমিক চিকিৎসালয় প্ৰেৰণ কৰা হয়। ইপিনে ৰঙাপৰাৰ প্ৰায়কেইখন চাহ বাগিচাত বৰ্তমান সময়ত বনৰীয়া হাতীয়ে মুক্ত বিচৰণ কৰি আছে। হাতী-মানুহৰ সংঘাত ৰোধ কৰাৰ ক্ষেত্ৰত বন বিভাগত নিয়োজিত হৈ থকা কম সংখ্যক বিষয়া-কৰ্মচাৰীয়ে বিষয়টো কেনেদৰে সমাধান কৰিব সেয়া এক বৰ্তমান সময়ত প্ৰত্যাহ্বান স্বৰূপে থিয় দিছে বিভাগটোৰ বাবে।

# জাঁজীত আধাৰশিলাতে থমকিল জামুগুৰি-হাতীঘূলি পথৰ নিৰ্মাণ কাৰ্য

**দৈনন্দিন বাৰ্তাৰ সেৱা আমগুৰি, ১৭ নৱেম্বৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰি সমষ্টিৰ জামুগুৰি-হাতীঘূলি পথৰ নিৰ্মাণ কাৰ্য যোৱা দুটা বছৰেও সম্পূৰ্ণ নোহোৱাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে পথটো নিৰ্মানৰ বাবে আধাৰশিলা স্থাপন কৰা হৈছিল ২০১৮ চনৰ ৩১ অক্টোবৰত। অসম চৰকাৰৰ গড়কাপ্তানী বিভাগ (বৰ্তমান লোক নিৰ্মান বিভাগ)ৰ এছঅ'পিডিৰ অধীনত আধাৰশিলা স্থাপনৰ জৰিয়তে এই পথটোৰ নিৰ্মানৰ শুভাৰম্ভ কৰিছিল সমষ্টিটোৰ বিধায়ক প্ৰদীপ হাজৰিকাই। আধাৰশিলা স্থাপনৰ ইতিমধ্যে দুবছৰ অতিক্ৰম কৰিছে যদিও আজি পৰ্যন্ত পথটো নিৰ্মানৰ নামত নপৰিল এটাও শিলগুটি। বিভাগীয় সূত্ৰই প্ৰকাশ কৰামতে ৪.৭ কিলোমিটাৰ দৈঘ্যৰ পথটোৰ নিৰ্মানৰ দায়িত্ব লাভ কৰিছিল বৰগোঁহাই উপাধিৰ এজন ঠিকাদাৰে। কিন্তু ৰহস্যজনকভাৱে বিধায়কে আনুষ্ঠানিকভাৱে পথ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰাৰ দুবছৰৰ পাছতো পথটো নিৰ্মাণ কাৰ্য আৰম্ভ কৰিবলৈ সক্ষম নহ'ল এই গৰাকী ঠিকাদাৰ। ইফালে বিভাগীয় বিষয়াক এই সন্দৰ্ভত প্ৰশ্ন কৰিলেই দুই এদিনতে নিৰ্মাণ কাৰ্য আৰম্ভ কৰিব বুলি উত্তৰ দি আহিছে বিগত ডেৰটা বছৰে। লোক নিৰ্মাণ বিভাগৰ আমগুৰি উপসংমণ্ডল বিষয়াগৰাকীয়ে প্ৰকাশ কৰা মতে সংশ্লিষ্ট ঠিকাদাৰ গৰাকীয়ে হেনো নিজাকৈ মেচিন আনিছে পথ নিৰ্মাণৰ বাবে। বিশ দিনতে ৪.৭ কিলোমিটাৰ দৈঘ্যৰ পথটোৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰিব বুলিও দাবী কৰিছে বিষয়াগৰাকীয়ে। নিজাকৈ মেচিন আনি পথ নিৰ্মাণ কৰিম বুলি ভৱা ঠিকাদাৰগৰাকীয়ে সেয়ে দুবছৰেও নিৰ্মাণ কৰিব পৰা নাই পথটো। বিধায়কৰ আশীষধন্য হোৱাৰ বাবেই বিভাগীয় বিষয়াইও সেও মানিছে এইগৰাকী ঠিকাদাৰৰ ওচৰত। আনহাতে দুবছৰে পথ নিৰ্মাণ হ'ব বুলি আশাৰে বাট চাই থকা অঞ্চলবাসীৰ বাবে এতিয়া পথটো দুৰ্বিসহ হৈ উঠিছে। পথটোৰ বিভিন্ন অংশ ভাঙি যোৱাৰ লগতে বৃহৎ বৃহৎ গাঁতৰ সৃষ্টি হৈ যাতায়াত ব্যৱস্থা ব্যাহত কৰি তুলিছে। যিকোনো সময়তে ভয়ংকৰ দুৰ্ঘটনা সম্ভাৱনা থকা পথটো শীঘ্ৰে নিৰ্মাণকাৰ্য আৰম্ভ কৰিবলৈ দাবী জনাইছে।

# নাগ্ৰীজুলি-তামুলপুৰ পথৰ নোৱাখাতত ভয়াৱহ দুৰ্ঘটনাত হতাহত ৩

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৭ নৱেম্বৰ ঃ** তামুলপুৰ-নাগ্ৰীজুলি-ওদালগুৰি পথৰ নোৱাখাত চ'কত সোমবাৰে সংঘটিত এক পথ দুৰ্ঘটনাত এজন লোক নিহত হোৱাৰ লগতে আন দুজন লোক আহত হয়। নিহত লোক জন কুমাৰীকাটা অঞ্চলৰ বালাহাতী গাঁওৰ স্বৰ্গীয় গণেশ চৰেনৰ পুত্ৰ ৰবি চৰেন (৪৫) বুলি চিনাক্ত কৰা হৈছে। আহত লোক দুজন হৈছে ক্ৰমে নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ জিতুমনি বেজবৰুৱা আৰু বাক্সা জিলাৰ তামুলপুৰ আৰক্ষী থানাৰ অন্তৰ্গত কাউলিৰ দীপক দেৱনাথ। জানিব পৰা মতে জিতুমণি বেজবৰুৱা আৰু দীপক দেৱনাথ নামৰ যুৱক দুজনে এ এচ ১৪ কে ৭৬১৮ নম্বৰৰ মটৰ চাইকেলখনেৰে তামুলপুৰৰ পৰা নাগ্ৰীজুলি অভিমুখে গৈ থাকোঁতে নোৱাখাত চ'কত চাইকেল আৰোহী ৰবি চৰেনক প্ৰচণ্ড জোৰে খুন্দা মাৰে আৰু মটৰ চাইকেল সহ দুই যুৱক পথৰ ওপৰত চিটিকি পৰে। মটৰ চাইকেলৰ খুন্দাত ৰবি চৰেন থিতাতে নিহত হয় আৰু মটৰ চাইকেল আৰোহী দুজন গুৰুতৰভাৱে আহত হয়। আহত জিতুমণি বেজবৰুৱা আৰু দীপক দেৱনাথক আৰক্ষী আৰু স্থানীয় লোকে প্ৰথমে তামুলপুৰ প্ৰাথমিক চিকিৎসালয়ত ভৰ্তি কৰোৱাত প্ৰাথমিক চিকিৎসা প্ৰদান কৰা হয়। পিছত দুয়োকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰা হয়। ৰবি চৰেনৰ মৃতদেহ আজি মৰণোত্তৰ পৰীক্ষাৰ বাবে মুছলপুৰলৈ প্ৰেৰণ কৰা হয়।

## জয়সাগৰ অভ্যসন বিদ্যালয়ৰ কৃতিত্ব
## জিলাৰ ভিতৰতে প্ৰথম দেবাহুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাঁও, ১৭ নৱেম্বৰ ঃ** আমগুৰি শিক্ষাখণ্ড আৰু শলগুৰি সমলকেন্দ্ৰৰ অন্তৰ্গত ঐতিহাসিক জয়সাগৰ পুখুৰীৰ পাৰত অৱস্থিত ৭০৫নং জয়সাগৰ অভ্যসন বুনিয়াদী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে ২০১৯ বৰ্ষৰ মুখ্যমন্ত্ৰীৰ বিশেষ বৃত্তি পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। ২০১৯ বৰ্ষত উক্ত পৰীক্ষাত বিদ্যালখনৰ সৰ্বমুঠ ২৮গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অৱতীৰ্ণ হৈ আটাইকেইগৰাকী উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। বিদ্যালয়খনৰ ছাত্ৰী দেৱাহুতি হাজৰিকাই ৯৫% নম্বৰ লাভ কৰি জিলাখনৰ ভিতৰতে প্ৰথম স্থান লাভ কৰে। দেবাহুতি নাথ গাঁও নিবাসী আইদেউবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক পৰাণজ্যোতি হাজৰিকা আৰু মালবিকা নাথৰ কন্যা। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ এনে সাফল্যত স্থানীয় বিদ্বান ৰাইজে সন্তোষ প্ৰকাশ কৰাৰ লগতে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী সকলক অভিনন্দন জ্ঞাপন কৰিছে।

**তেজপুৰতো ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন**

# ডিজিটেল মিডিয়াত ক্ৰমান্বয়ে বৃদ্ধি পাইছে 'ফেক নিউজ' আৰু 'মিছ ইনফৰমেশ্যন' ঃ ডঃ অভিজিৎ বৰা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৭ নৱেম্বৰ ঃ** শুদ্ধ-অশুদ্ধ বিচাৰ নকৰাকৈ ডিজিটেল মিডিয়াই বাতৰি সম্প্ৰচাৰ কৰাটো উদ্বেগজনক। বাতৰি সম্প্ৰচাৰৰ পূৰ্বে পৰ্যবেক্ষণ কৰাৰ যি নিয়ম তাক যেন পালন কৰাত পুৰামাত্ৰাই ব্যৰ্থ হৈছে ডিজিটেল মিডিয়া। যাৰ ফলত ক্ৰমান্বয়ে বৃদ্ধি পাইছে 'ফেক নিউজ' আৰু 'মিছ ইনফৰমেশ্যন'। অৱশ্যে প্ৰতিষ্ঠিত বৈদ্যুতিন মাধ্যম আৰু ছপা মাধ্যমত কিছু পৰিমাণে হ'লেও এই ক্ষেত্ৰত ব্যতিক্ৰম। তেজপুৰত এই গুৰুত্বপূৰ্ণ মন্তব্য কৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ গণসংযোগ আৰু সাংবাদিকতা বিভাগৰ অধ্যাপক ডঃ অভিজিৎ বৰাই। উল্লেখ্য যে, আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে তেজপুৰতো বিগত বৰ্ষৰ দৰে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস চৰকাৰীভাৱে উদ্‌যাপন কৰা হয়। শোণিতপুৰ জিলা প্ৰশাসন আৰু জিলা তথ্য-জনসংযোগ বিভাগৰ উদ্যোগত তেজপুৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত প্ৰেছ দিৱস উপলক্ষে এইবেলি আয়োজন কৰা 'সংবাদ মাধ্যমৰ ওপৰত ক'ভিড-১৯ মহামাৰীৰ প্ৰভাৱ আৰু এই সময়ত সংবাদ মাধ্যমৰ ভূমিকা' শীৰ্ষক বিশেষ বক্তৃতানুষ্ঠানত জিলাখনৰ একাংশ সংবাদকৰ্মীয়ে অংশগ্ৰহণ কৰে। শোণিতপুৰ প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক পংকজ বৰুৱাই আঁতধৰা এই অনুষ্ঠানটিত শোণিতপুৰৰ উপায়ুক্ত মানবেন্দ্ৰ প্ৰতাপ সিঙে আদৰণি ভাষণ আগবঢ়াই ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ তাৎপৰ্য আৰু ক'ভিড-১৯ৰ আতংকময় জটিল ক্ষণত সম্পাদ মাধ্যমৰ লোকে গ্ৰহণ কৰা ভূমিকাৰ শলাগ লয়। অনুষ্ঠানটিত মূল বক্তা হিচাপে অংশগ্ৰহণ কৰি তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ অভিজিৎ বৰাই কয় যে, ক'ভিড সংকটকালত বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে ভাৰতৰ সংবাদ মাধ্যমতো ইয়াৰ কুপ্ৰভাৱ পৰে। বৈদ্যুতিন মাধ্যমৰ লগতে বিশেষকৈ ছপা মাধ্যমে অভূতপূৰ্ব সমস্যাৰ সন্মুখীন হ'ব লগা হয়। বিজ্ঞাপনৰ অভাৱত দুয়োটা মাধ্যম ক্ষতিগ্ৰস্থ হোৱাৰ লগতে ছপা মাধ্যমে অত্যধিক ক্ষতিগ্ৰস্থ হয়। তৎস্বত্বেও দুয়োটা মাধ্যমৰ সংবাদকৰ্মীসকলে বিজ্ঞানসন্মতভাৱে নিজৰ সুৰক্ষাৰ কথা পৰিহাৰ কৰি ক'ভিড সংকটকালত যিদৰে সংবাদসেৱা অব্যাহত ৰাখিলে সেয়া অতিকৈ শলাগনীয়। প্ৰসংগক্ৰমে ডঃ বৰাই সংবাদ মাধ্যমক এক বিশেষ শিক্ষানুষ্ঠান বুলিও অভিহিত কৰে। অতিৰিক্ত উপায়ুক্ত পৰাগ কাকতি আৰু লিজা তালুকদাৰ উপস্থিত থকা সভাখনত তেওঁ আৰু কয় যে, বৈদ্যুতিন মাধ্যমে বাতৰিৰ শুদ্ধ-অশুদ্ধ বিচাৰ আৰু পৰ্যালোচনাৰ সলনি ততাতৈয়াকৈ বাতৰি সম্প্ৰচাৰণ কৰিবলগীয়া হয়। ইয়াৰ বিপৰীতে ছপা মাধ্যমে সকলো দিশ জুকিয়াই চাই বাতৰি পৰিৱেশনত গুৰুত্ব প্ৰদান কৰিবলগীয়া হয়। সেয়েহে বৈদ্যুতিন মাধ্যমতকৈ ছপা মাধ্যমৰ বিশ্বাসযোগ্যতা অধিক। ইপিনে একাংশ সংবাদ মাধ্যম কোনো কোনো ৰাজনৈতিক দলৰ আই টি চেল হিচাপে চিহ্নিত হোৱা বুলি উত্থাপিত অভিযোগ সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত তেজপুৰ বিশ্ববিদ্যালয়ৰ গণসংযোগ আৰু সাংবাদিকতা বিভাগৰ অধ্যাপক ডঃ অভিজিৎ বৰাই কয় যে, ই অতিকৈ উদ্বেগজনক। ৰাজনৈতিক দলৰ সমৰ্থনত সমগ্ৰ বিশ্বৰ কোনো কোনো সংবাদ মাধ্যমে দুৰ্বলতা প্ৰকাশ কৰি আহিছে। সেয়া আচৰিত কথা নহয়। কিন্তু ভাৰতৰ দৰে এখন গণতান্ত্ৰিক দেশৰ চতুৰ্থ স্তম্ভস্বৰূপ সংবাদ মাধ্যমে যদি ৰাজনৈতিক দলৰ হৈ আই টি চেলৰ দলে কাম কৰে তেন্তে সমাগত দিনত সৰ্বসাধাৰণ ৰাইজে তেনে সংবাদ মাধ্যমক গুৰুত্ব নিদিয়া হ'ব বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে অধ্যাপক ডঃ বৰাই।

## 'কা'বিৰোধী সক্ৰিয় নেতা 'টাইপা'ৰ চৰাইদেউ জিলা সমিতিৰ কাৰ্যকৰী সভাপতিৰ বিজেপিত যোগদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাহমৰা, ১৭ নৱেম্বৰ ঃ** নাগৰিকত্ব সংশোধনী আইন চমুকৈ 'কা' প্ৰৱল বিৰোধিতা কৰা উজনি অসমৰ অন্যতম শক্তিশালী জনগোষ্ঠীয় সংগঠন টাই আহোম যুৱ পৰিষদ চমুকৈ 'টাইপা'ৰ চৰাইদেউ জিলা সমিতিৰ কাৰ্যকৰী সভাপতিয়ে আজি বিজেপি দলত যোগদান কৰে। সংগঠনটোৰ জিলা সমিতিৰ কাৰ্যকৰী সভাপতি তথা 'কা' বিৰোধী আন্দোলনৰ সক্ৰিয় নেতা মাহমৰাৰ ক্ষীৰোদ লাহনে আজি আনুষ্ঠানিকভাৱে অসম চৰকাৰৰ ৰাজহ, দুৰ্যোগ প্ৰশমন আৰু লোক নিৰ্মাণ (ৰাজ্যিক) মন্ত্ৰী যোগেন মহনৰ বাসগৃহত পুৱাতে বিজেপি দলত যোগদান কৰে। 'টাইপা'ৰ নেতাগৰাকীক মন্ত্ৰী যোগেন মহনে দলীয় গামোচা আৰু টুপিৰে আদৰণী জনায়। 'টাইপা'ৰ নেতাগৰাকীক আজি এই যোগদান কাৰ্যত বিশেষ উদ্যোগ গ্ৰহণ কৰা সংগঠনটোৰ জিলা সমিতিৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা ইতিপূৰ্বে বিজেপি দলত যোগদান কৰা ভাস্কৰ বৰুৱাৰ লগতে যুৱ মৰ্চাৰ বহুকেইজন নেতা-কৰ্মী উপস্থিত থাকে। উল্লেখ্য যে, ৰাজ্যত ক্ৰমাৎ গণ বিছিন্ন হোৱা 'টাই পা'ৰ আভ্যন্তৰিণ কন্দলৰে জৰ্জৰিত হৈ ইতিপূৰ্বে সংগঠনটোৰ বহুকেইজন কেন্দ্ৰীয় আৰু জিলা পৰ্যায়ৰ নেতাই পদত্যাগ কৰিছিল।

# সাতগাঁও বুধবজাৰত ললানছ কোচিং ক্লাছ মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৭ নৱেম্বৰ ঃ** অঞ্চলটোৰ আটাইতকৈ প্ৰতিষ্ঠিত কোচিং প্ৰতিষ্ঠানসমূহৰ ভিতৰত অন্যতম ললানছ কোচিং ক্লাচেছে গুৱাহাটীৰ সাতগাওঁস্থিত বুধবজাৰত এটা নতুন শাখা মুকলি কৰিছে। অঞ্চলটোৰ শিক্ষাৰ্থীসকলক অধিক সুবিধা প্ৰদান কৰাৰ লক্ষ্যৰে আৰু যাতে সাতগাওঁ অঞ্চলৰ ওচৰত বাস কৰা শিক্ষাৰ্থীসকলে বেচিদূৰ ভ্ৰমণ কৰিব নালাগে তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই শাখাটো খোলা হৈছে। এই অনুষ্ঠানত ললানছ কোচিং ক্লাছৰ পৰিচালন সঞ্চালক ললান কুমাৰে কয়, আমি সৰলভাৱে শিকাৰ প্ৰতি আগ্ৰহ সৃষ্টি কৰাত বিশ্বাস কৰো। প্ৰতিজন শিক্ষাৰ্থীয়ে সৰ্বশ্ৰেষ্ঠ দিশ লাভ কৰাৰ অধিকাৰ আছে। এলচিচি হৈছে অসমৰ উৎকৃষ্ট বাছনি হাৰ আৰু উচ্চ মানদণ্ডৰ কোচিঙৰ বাবে প্ৰখ্যাত এটা শিক্ষা প্ৰতিষ্ঠান। সেয়েহে, ই শিক্ষাৰ্থীসকলৰ সুবিধাৰ বাবে অঞ্চলটোত আৰু অধিক শাখা যোগ দিব। শিক্ষাৰ্থীসকলক সকলো ধৰণৰ সহায় প্ৰদান কৰিবলৈ অভিযান্ত্ৰিক আৰু চিকিৎসা প্ৰস্তুতিৰ ভালেমান শ্ৰেষ্ঠতম শিক্ষকেও এই বছৰ এলচিচি-ত যোগদান কৰিছে। এলচিচিৰ সহ-প্ৰতিষ্ঠাপক ৰমেশ মালহোত্ৰাই কয়, 'আমি শিক্ষাৰ্থীক সকলো ধৰণৰ সহায় প্ৰদান কৰিম আৰু লগতে এই অঞ্চলত কোচিংৰ সৰ্বশ্ৰেষ্ঠ ব্যৱস্থাপনা বজাই ৰাখিম। ললানছ কোচিং চেণ্টাৰে সকলো কেন্দ্ৰতে ২৫ নৱেম্বৰ, ২০২০ৰ পৰা নতুন শ্ৰেণী আৰম্ভ কৰিবলৈ প্ৰস্তুতি সম্পন্ন কৰিছে। শিক্ষাৰ্থীসকলক সৰ্বশ্ৰেষ্ঠ মানদণ্ডৰ শিক্ষা প্ৰদান কৰিবলৈ, ডিচিআইৰ পৰা পদাৰ্থ বিজ্ঞানৰ বিখ্যাত শিক্ষক নিয়ন্ত্ৰণ কুমাৰৰ সৈতে, ৰসায়ন বিজ্ঞানৰ প্ৰখ্যাত শিক্ষক ৰৌশান সিংৰ সৈতে এলচিচিয়ে ইতিমধ্যেই সংযোগ স্থাপন কৰিছে। ইফালে আকাশ ইনষ্টিটিউটৰ প্ৰবীণ শিক্ষক অনিমেশ কুমাৰো জড়িত হৈছে প্ৰতিষ্ঠানখনৰ সৈতে। ললান কুমাৰে এই সন্দৰ্ভত পুনৰ কয়, 'আমি শিক্ষাৰ্থীসকলক নিকট ভৱিষ্যতে সেৱা আগবঢ়াবলৈ আৰু বহু দিশ যোগ দিবলৈ বিচাৰিছো আৰু আমি শিক্ষাৰ্থী বা পিতৃ-মাতৃৰ পৰা যিকোনো পৰামৰ্শ স্বাগতম জনোৱাটো ভাল পাওঁ। উল্লেখ্য যে ললানছ কোচিং ক্লাছ হৈছে অঞ্চলটোৰ আটাইতকৈ প্ৰিমিয়াম আৰু ফলাফলমুখী কোচিং কেন্দ্ৰ। ফেকাল্টি দলটোত এক অভিজ্ঞতাসম্পন্ন গোট আছে। চিকিৎসক, অভিযন্তা আৰু শীৰ্ষ অভিযান্ত্ৰিক আৰু প্ৰযুক্তি প্ৰতিষ্ঠানৰ শিক্ষাৰ্থীও ইয়াত আছে, যিয়ে বন্ধুত্বপূৰ্ণভাৱে প্ৰতিটো বিষয়ৰ মূল অংশলৈ যাব বিচাৰে। লালনৰ কোচিং ক্লাছে সৰ্বশ্ৰেষ্ঠ শিক্ষা প্ৰদান কৰে আৰু ই উত্তৰ-পূবৰ বাকী অঞ্চললৈও সম্প্ৰসাৰিত কৰাৰ লক্ষ্য হাতত লৈছে।

# শলগুৰি নাট্য মন্দিৰত প্ৰাণজিৎ গগৈৰ শিশু বোলছবি 'ল'ৰালিৰ ধেমালি' প্ৰদৰ্শন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাঁও, ১৭ নৱেম্বৰ ঃ** যোৱা শিশু দিৱসৰ দিনা শলগুৰি নাট্য মন্দিৰত শিশু সকলৰ উপযোগীকৈ নিৰ্মাণ কৰা শিশু বোলছবি 'ল'ৰালিৰ ধেমালি' প্ৰদৰ্শন কৰা হয়। দ্বাদশ শ্ৰেণীৰ ছাত্ৰ প্ৰাণজিৎ গগৈয়ে নিৰ্মাণ কৰা আৰু মামনি বৰুৱা গগৈয়ে প্ৰযোজনা কৰা ছবিখনৰ প্ৰথম দৰ্শনী উপলক্ষত এক চমু উদ্বোধনী অনুষ্ঠানৰো আয়োজন কৰা হয়। কৃতি শিক্ষক তৰুণ চন্দ্ৰ নাথে আঁত ধৰা অনুষ্ঠানটি এগছি বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে ৭০৫ নং জয়সাগৰ নিম্ন বুনিয়াদী অভ্যসন বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী অৱন্তী মহন্তই। উদ্বোধনী ভাষণ আগবঢ়ায় শলগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অঞ্জন বৰদলৈয়ে। অনুষ্ঠানত কথাছৱিখনৰ নিৰ্মাতা প্ৰাণজিৎ গগৈ আৰু নাট্যশিল্পী মানসজ্যোতি বৰাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ছৱিখনৰ সংগীত ব্যৱস্থাপনা অম্লানজ্যোতি দেৱনাথ, কণ্ঠ পৰাশজ্যোতি বৰুৱা, দৃশ্যগ্ৰহণ ঋষভৰাজ বৰুৱা আৰু বেদান্ত নেওগৰ। অতিথি শিল্পী হিচাপে অভিনয় কৰিছে শিল্পী অনুপম শৰ্মা আৰু ৰিদীপ দত্তই। অন্যান্য চৰিত্ৰসমূহ শিশু অভিনেতা-অভিনেত্ৰীসকলে ৰূপদান কৰা ছৱিখনৰ উপস্থাপন, কাহিনী আৰু বিশেষকৈ সীমিত বাজেটেৰে শিশুসকলৰ অভিনয় প্ৰতিভাসমূহ পোহৰলৈ অনা বাবে উদ্যোক্তাসকলক দৰ্শক তথা ৰাইজে ভূয়সী প্ৰশংসা কৰিছে।

**অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধত নাই গুৰুত্ব**

# ২৬ নৱেম্বৰত কেন্দ্ৰীয় ট্ৰেড ইউনিয়নৰ দেশজোৰা সাধাৰণ ধৰ্মঘট

**দৈনন্দিন বাৰ্তাৰ সেৱা, তিনিচুকীয়া, ১৭ নৱেম্বৰ ঃ** বিজেপি চৰকাৰে অসমত আগন্তুক বিধানসভা নিৰ্বাচনৰ আগমূহূৰ্তত ক'ভিড প্ৰটকল ভংগ কৰি বিভিন্ন সভা সমিতি অনুষ্ঠিত কৰি জনসাধাৰনক বিভিন্ন আঁচনিৰ প্ৰলোভন দি উন্নয়নৰ ফটা ঢোল বজাই ভোট ভিক্ষা কৰিবলৈ উঠি পৰি লাগিছে। ইয়াৰ পৰিৱৰ্তে কিন্তু অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰী আলু পিয়াজ, শাক-পাচলিৰ আকাশলংঘী মূল্যবৃদ্ধিৰ নিয়ন্ত্ৰনৰ বাবে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। সেয়েহে কেন্দ্ৰীয় ট্ৰেড ইউনিয়ন আৰু শিল্পভিত্তিক কৰ্মচাৰী সংগঠনৰ উদ্যোগত ২৬ নৱেম্বৰত দেশজুৰি এলানি সাধাৰন ধৰ্মঘটৰ আহ্বান কৰিছে। অসম চাহ মজদুৰ সংঘ, কেন্দ্ৰীয় কাৰ্যলয়ৰ উপঃ সভাপতি তথা পানীতোলা শাখাৰ সম্পাদক, আই এন টি ইউ চি উজনি অসমৰ তত্ত্বাৱধায়ক তথা প্ৰাক্তন বিধায়ক ৰাজু চাহুৱে এক প্ৰেছ বিজ্ঞপ্তিযোগে এই কথা প্ৰকাশ কৰিছে। বিজ্ঞপ্তিত প্ৰকাশ কৰা অনুসৰি, অত্যাবশ্যকীয় সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিৰ বাবে বিশেষকৈ চাহ বাগিছাৰ শ্ৰমিকসকলৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। মূল্যবৃদ্ধিৰ বিৰুদ্ধে ৰাজ্যত ধাৰাবাহিক আন্দোলন হৈ আছে যদিও ফেচিবাদী চৰকাৰখনৰ সেইবোৰ কানসাৰ দিবলৈ সময় নাই, ইয়াৰ পৰিবৰ্তে সৰ্বানন্দ সোনোৱাল নেতৃত্বাধীন চৰকাৰখন এতিয়া ব্যস্থ জনসাধাৰনক আচনিৰ মালা পিন্ধাই ২০২১ৰ নিৰ্বাচনী বৈতৰনী পাৰ হোৱাত। ন্যূনতম মজুৰিত কাম কৰি অহা চাহ শ্ৰমিকসকলক অসম চৰকাৰে দৈনিক ৩৫১ টকা হাজিৰা বৃদ্ধি কৰিব বুলি প্ৰদান কৰা প্ৰতিশ্ৰুতি আজিও বাস্তৱত পৰিনত নোহোৱাৰ ফলত খাদ্য সামগ্ৰীৰ এই আকাশলংঘী মূল্যই জ্বলা কলা খোৱাইছে চাহ শ্ৰমিকসকলক। সেয়হে মোডী চৰকাৰৰ জনস্বাৰ্থবিৰুধী নীতিৰ বিৰুদ্ধে দেশৰ শ্ৰমিক কৰ্মচাৰী সকলে চলাই অহা ধৰ্মঘটৰ অংশস্বৰূপে ট্ৰেড ইউনিয়ন আৰু ফেডাৰেচনসমূহৰ যৌথ মঞ্চই দেশৰ নাগৰিক, শ্ৰমজীৱী শ্ৰমিক ৰাইজ, কৃষক, জনগন, ছাত্ৰ, মহিলাসকলে সন্মূখীন হোৱা জটিল পৰিস্থিতি সন্দৰ্ভত ২৬ নৱেম্বৰত ১০ দফীয়া দাবীৰে দেশজুৰি সাধাৰন ধৰ্মঘটৰ আহ্বান কৰিছে।

# নাগশঙ্কৰ গোৰ্খা সমাজৰ উদ্যোগত চমাৰ দলনিত সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিশ্বনাথ চাৰিআলি, ১৭ নৱেম্বৰ ঃ** দেওবাৰে গোৰ্খা উন্নয়ন পৰিষদৰ নৱ নিৰ্বাচিত কাৰ্যবাহী সদস্য মতি কুমাৰ নেৱাৰক দক্ষিণ নাগশঙ্কৰ গোৰ্খা সমাজৰ উদ্যোগত চমাৰ দলনিত আদৰণি জনায়। উক্ত আদৰণি অনুষ্ঠানত উপস্থিত থাকে চতিয়া সমষ্টি বিধায়ক পদ্ম হাজৰিকা। হাজৰিকাই নেৱাৰক শুভেচ্ছা জনোৱা লগতে আগন্তুক জাতিটো উন্নয়ন বাবে অধিক শক্তিশালী ৰূপত কাম কৰিবলৈ বিধায়কগৰাকীয়ে পৰামৰ্শ আগবঢ়োৱা লগতে গোৰ্খা উন্নয়ন পৰিষদৰ জৰিয়তে গোৰ্খা সমাজৰ বিভিন্ন সমস্যা সমাধানৰ পথ প্ৰশস্ত হ'ব বুলি আশা ব্যক্ত কৰে বিধায়ক পদ্ম হাজৰিকাই।

# ঐতিহ্যমণ্ডিত মিলন বাকৰি ৰাস উৎসৱৰ পৰম্পৰা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৭ নৱেম্বৰ ঃ** শৰৎ কালৰ মেঘমুক্ত আকাশৰ স্নিগ্ধ জোনাক নিশাৰ শীতল বায়ুৰ স্পৰ্শত শ্ৰীকৃষ্ণই ৰাসক্ৰীড়া কৰিছিল। ভগৱান শ্ৰীকৃষ্ণৰ ৰাস আদি অন্তৰংগ দিব্যলীলাৰ কথা ভাৰতীয় শ্ৰেষ্ঠ ধৰ্মগ্ৰন্থ শ্ৰীমদ্ভাগৱতৰ দশম স্কন্ধৰ ২৯ অধ্যায়ৰ পৰা ৩৩ অধ্যায়লৈকে মুঠ পাঁচোটা অধ্যায়ত সুন্দৰভাৱে বৰ্ণনা কৰা আছে। এই পাঁচোটা অধ্যায়ক 'ৰাস পঞ্চোধ্যায়' বুলি কোৱা হয়। এই অধ্যায়তে ভগৱান শ্ৰীকৃষ্ণৰ মানৱীয় লীলাৰে মানুহৰ সুখ-দুখ আনন্দ, লাজ, ভয়, দৰ্প, অহংকাৰ সমস্ত ত্যাগ কৰি তেওঁৰ লগত বিলীন হ'বলৈ আহ্বান জনাইছে। এই ৰাস উৎসৱ প্ৰধানতঃ শাৰদীয় উৎসৱ। ঋতু পৰিৱৰ্তনৰ ভিতৰত শৰৎ কালটোৰ স্থান তৃতীয় যদিও এই কালটোতে বিশাল বিশ্ব-ব্ৰহ্মাণ্ডৰ শোভা বৰ্ধন কৰে। তেজপুৰ চহৰৰ পৰা প্ৰায় ৮-৯ কিঃ মিঃ নিলগত অৱস্থিত মিলনপুৰ অঞ্চল। এই অঞ্চলটো সাংস্কৃতিক দিশৰ পৰা চাবলৈ গ'লে প্ৰথমতে মিলন বাকৰি ৰাস মহোৎসৱৰ কথাই প্ৰত্যেকৰে মনলৈ আহে। ১৯৩৬ চনত প্ৰতিষ্ঠা হোৱা মিলন বাকৰি ৰাস মহোৎসৱে বৰ্তমানলৈকে সমগ্ৰ অঞ্চলটোৰ বাবে এক আনন্দ আৰু গৌৰৱৰ বাৰ্তা কঢ়িয়াই লৈ ফুৰিছে। মিলন বাকৰি ৰাস মহোৎসৱ ১৪টা চুবুৰীয়ে একেলগে মিলি অনুষ্ঠিত কৰে। ১৯৩৬ চনত প্ৰয়াত উমাকান্ত বৰুৱাই মাজুলীৰ আৰ্হিত মিলন বাকৰিত ৰাস উৎসৱ প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰিছিল। লগতে প্ৰয়াত ইন্দেশ্বৰ শৰ্মাই নগাঁৱৰ ভোলাগুৰি সত্ৰৰ পৰা অনা ৰাস ভাওনাৰ নাটকখন প্ৰয়াত ভোলা বৈদে সাঁচিপাততো লিখি থৈ গৈছে। ১৯৩৬ চনত প্ৰতিষ্ঠিত মিলন বাকৰি ৰাস ভাওনাখন আছিল দৰং জিলাৰ চতুৰ্থখন ৰাস ভাওনা। অবিভক্ত দৰং জিলাৰ প্ৰথমখন ৰাস ১৯১০ চনৰ কুণ্ডাৰবাৰী আউনীআটী সত্ৰত, দ্বিতীয়খন অনুষ্ঠিত হৈছিল ১৯১৯ চনৰ বিহগুৰিৰ কলিতা গাঁৱত আৰু তৃতীয়খন ৰাস ভাওনা ১৯২৮ চনত অনুষ্ঠিত হৈছিল ডেকাৰগাঁৱত। কৃষ্ণভক্তিৰ মাহাত্ম্য প্ৰকাশ আৰু ৰাসলীলাৰ ক্ৰীড়া-কৌতুকস্থলী মিলন বাকৰি ৰাস মহোৎসৱৰ অন্যতম আকৰ্ষণ ইয়াৰ ৰাস মণ্ডপটো। ইয়াৰ সৌন্দৰ্যই প্ৰতিজন ব্যক্তিৰ মন মোহিত কৰি আহিছে। সম্পূৰ্ণ ৰাস মণ্ডপখন প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ। শাৰী শাৰীকৈ ৰোপণ কৰা প্ৰকাণ্ড গছবিলাকৰ ঠাল-ঠেঙুলিবোৰত বাঁহ-মাৰলী বান্ধি চেপেটি খেৰেৰে ৰভা সজোৱা হয়। ৰাসৰ মূল মণ্ডপত নানান গছ-লতা, ফুল-ফলৰ গছৰে মণ্ডপটি সুশোভিত কৰি তোলা হয়। ৰাস মণ্ডপৰ পূব দিশত আছে এটি ৰাধা-কৃষ্ণৰ মন্দিৰ। ঐতিহ্যমণ্ডিত মিলন বাকৰি ৰাস মহোৎসৱত প্ৰচলিত নীতি-নিয়মৰ লগতে মূল ভাৱৰীয়াৰ ক্ষেত্ৰটো কিছু পৰম্পৰা মানি চলা হয়। ইয়াত পূৰ্বৰ পৰা বৰ্তমানলৈকে মূল ৰাসৰ যিগৰাকী ব্যক্তিয়ে কৃষ্ণ নৃত্য প্ৰদৰ্শন কৰে তেওঁ ব্ৰাহ্মণ বা মহন্ত কুলৰ ব্যক্তি হ'ব লাগিব। লগতে ৰাসৰ প্ৰথম গোপীগৰাকী মহিলাৰ পৰিৱৰ্তে পুৰুষহে হ'ব লাগে বুলি এক পৰম্পৰা বৰ্তমানো চলি আছে আৰু ভৱিস্যতেও চলি থাকিব। মূল ৰাসৰ আৰম্ভণিতে এখন নৃত্য নাটিকাও প্ৰদৰ্শন কৰা হয়। এই পৰম্পৰা ১৯৬৭ চনৰ পৰা শ্ৰীকৃষ্ণৰ শিশুলীলা বিষয়ক 'কেলি গোপাল' নাটখনেৰে নৃত্য নাটিকা উদ্বোধন কৰিছিল আৰু বৰ্তমানলৈকে এই পৰম্পৰা প্ৰচলিত হৈ আছে। ৰাসৰ প্ৰথম নিশা ভাৱৰীয়াসমহূৰ প্ৰৱেশৰ প্ৰদৰ্শন কৰা হয় আৰু দ্বিতীয় নিশা মূল ৰাসলীলাৰ আৰম্ভ হয় লগতে মাজৰ সময়ত শিশু কৃষ্ণৰ বিভিন্ন কাহিনীসমূহ প্ৰদৰ্শন কৰা হয়। মিলন বাকৰি ৰাস উৎসৱৰ স্মৃতিগ্ৰন্থ 'বৃন্দাবন'ত উল্লিখিত তথ্য অনুসৰি প্ৰথম শ্ৰীকৃষ্ণৰ ভাৱত অভিনয় কৰিছিল প্ৰয়াত ৰঘু শৰ্মাই। প্ৰথম শঙ্খচূড়ৰ অভিনয় কৰিছিল মিলনপুৰ শইকীয়া চুবুৰি নিৱাসী প্ৰয়াত প্ৰেমানন্দ শইকীয়া, প্ৰথম গোপীৰ ভাও দিছিল মিলনপুৰ কমাৰী চুবুৰি নিৱাসী প্ৰয়াত পূৰ্ণ কলিতাই, প্ৰথম সূত্ৰধাৰী মিলনপুৰ কমাৰী চুবুৰিৰ প্ৰয়াত পদ্ম কাকতি, প্ৰথম ৰাধা (পুৰুষ) ভাও ডিপোটা নিৱাসী প্ৰয়াত জীৱন বৰা আৰু প্ৰথম ৰাধাৰ (মহিলা) ভাৱত অভিনয় কৰিছিল পাপৰি শইকীয়াই। মিলন বাকৰি ৰাস মহোৎসৱত কোনো জাতি-ধৰ্মৰ ভেদাভেদ নাই। সকলো জাতিয়ে একত্ৰিত হৈ ৰাস উৎসৱৰ আনন্দ ল'ব পাৰে। এই ৰাস উৎসৱ প্ৰতিবাৰে ৰাস পূৰ্ণিমাতে পালন কৰা হয়। পুৱাৰ পৰা সন্ধিয়ালৈকে তাল-খোলৰ মাতেৰে মুখৰ হৈ থাকে আৰু সন্ধিয়া হোৱাৰ লগে লগে ৰাস বাকৰিত থকা ৰাধা-কৃষ্ণৰ মন্দিৰ নৈবেদ্যৰে শোভিত হৈ পৰে। এনেদৰে আজিকোপতি মিলন বাকৰি ৰাস উৎসৱ প্ৰচলন হৈ বৰ্তমান ৮৫ বৰ্ষত ভৰি দিছে। ১৪টা চুবুৰ একত্ৰিত হৈ মিলন বাকৰি ৰাস মন্দিৰ প্ৰাংগণত প্ৰকৃতাৰ্থত বৃন্দাবনলৈ পৰিণত হয়। এনেদৰেই যেন অনাগত কাললৈও মিলন বাকৰি ৰাস উৎসৱৰ পৰম্পৰা অব্যাহত হৈ থাকে প্ৰতিটো চুবুৰীৰ প্ৰতিজন ব্যক্তিয়ে যাতে একতাৰ ডোলেৰে বান্ধ খাই থাকে তাৰে দীৰ্ঘায়ু কামনা কৰি আহিছে ৰাইজে।



# যোগ নিলয়মত প্ৰাকৃতিক চিকিৎসাৰ কৰ্মশালা

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ১৭ নৱেম্বৰ ঃ** সেৱা ভাৰতী পূৰ্বাঞ্চলৰ উত্তৰ গুৱাহাটী যোগনিলয়মত আজি লগত সংগতি ৰাখি কৰ্মশালা এটি আয়োজন কৰা হৈছিল। এই শুভাৰম্ভ অনুষ্ঠানত আতধৰে যোগ নিলয়মৰ মেডিকেল অফিচাৰ ড° ডনিৰাং ৰিয়াঙে তাৰ পিছতে বন্তিপ্ৰজ্বলন আৰু ভাৰত বন্দনা আৰম্ভ কৰা হয়। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সেৱা ভাৰতী পূৰ্বাঞ্চল প্ৰান্ত যোগ প্ৰমুখ অৰূপ জ্যোতি দাস, অসম ক্ৰীড়া কৰ্তৃত্ব, যোগ প্ৰশিক্ষক য ভাৰতৰ যোগ ফেডাৰেচনত জাতীয় যোগ ৰেফৰি নৱলক্ষ্মী গগৈয়ে বৰ্তমান সমাজত যোগ আৰু প্ৰাকৃতিক চিকিৎসা সম্পৰ্কে মাৰ্গ দৰ্শন প্ৰদান কৰে। এই অনুষ্ঠানত যোগ শিক্ষক হিচাপে উপস্থিত থাকে ক্ৰমে- শেষৰ হালদাৰ, দিন্‌পল কাকতি,বিতু সন্দিকৈ,ৰিজু মনি দাস, বিদ্ধশ্ৰী মলচয়,তুপা চাকমা্ আদি । ইয়াৰ লগতে এই শুভাৰম্ভণি অনুষ্ঠানত স্থানীয় ব্যক্তি সকলৰ লগতে বিভিন্ন ঠাইৰ যোগাসনৰ প্ৰতি ৰুচি থকা ব্যক্তিসকলে অংশগ্ৰহণ কৰে।

# পশ্চিম বৰক্ষেত্ৰীত গৰু চোৰে নিদ্ৰা হৰিছে জনসাধাৰণৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুকালমুৱা, ১৭ নৱেম্বৰ ঃ** নলবাৰী জিলাৰ পশ্চিম বৰক্ষেত্ৰীৰ দৌলাশাল আৰক্ষী চকীৰ অন্তৰ্গত বিভিন্ন অঞ্চলত গৰু চোৰে নিদ্ৰা হৰিছে কৃষক জনসাধাৰণৰ। গৰু চোৰৰ ধাৰাবাহিক অভিযানত টোপনি নোহোৱা হৈছে কৃষকৰ। পশ্চিম বৰক্ষেত্ৰীৰ দৌলাশাল, ৰামপুৰ, লাৰকুছি, কাপলাবড়ী নাৰুৱা, মুগদি, বেকাট্ৰাৰী, ঘোৰাথাল, কেকান ইত্যাদি গাঁওসমূহত গৰুচোৰে প্ৰায় চলাই আহিছে অভিযান। কালি নিশাও 3নং লাৰকুছি গাঁৱৰ এটি কৃষক পৰিয়ালৰ গোহালী গৃহৰ পৰা চোৰে লৈ যায় দুটিকৈ গৰু। গাঁৱখনৰ ৰস্তম আলী নামৰ কৃষক গৰাকীৰ গোহাঁলীৰ পৰা চোৰে লৈ যায় দুটি গৰু। গৰাকীয়ে পুৱা গোহালী গৃহত গৰু উলিয়াবলৈ যাওঁতে গোহালীত গৰু নেদেখাৰ পিছতে পোহৰলৈ আহে চুৰি কাৰ্যৰ কথা । ইতিমধ্যে দৰিদ্ৰ কৃষক গৰাকীয়ে ঘটনা সংক্ৰান্ত দৌলাশাল আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে বৃহত্তৰ পশ্চিম বৰক্ষেত্ৰী অঞ্চলৰ জনসাধাৰণৰ নিৰাপত্তাৰ বাবে দৌলাশাল আৰক্ষী চকীত আৰক্ষীৰ সংখ্যা নগণ্য হোৱাত অঞ্চলটোত প্ৰায়ে সংঘটিত হৈছে অপৰাধজনিত ঘটনা। তৎপৰ্যপূৰ্ণ কথাটো হল যে দৌলাশাল আৰক্ষী চকীত বিগত পাঁচ মাহে নাই এগৰাকীও উপ-পৰিদৰ্শক । চল্লিছ হেজাৰৰো অধিক লোকেৰে ভৰি থকা পশ্চিম বৰক্ষেত্ৰী অঞ্চলৰ নিৰাপত্তাৰ দায়িত্ব বুলিবলৈ দৌলাশাল আৰক্ষী চকীত আছে মাথো সহকাৰী উপ পৰিদৰ্শক। আৰক্ষী চকীখনত পাঁচমাহে উপ-পৰিদৰ্শক অবিহনে চলি থকাত ভীষণ সমস্যাৰ সন্মুখীন হৈছে বৃহত্তৰ অঞ্চলটোৰ ৰাইজ । পশ্চিম বৰক্ষেত্ৰীৰ সচেতন ৰাইজে দৌলাশাল আৰক্ষী চকীত শিঘ্ৰেই এগৰাকী ভাৰপ্ৰাপ্ত উপ-পৰিদৰ্শক নিযুক্তি দি অঞ্চলবাসীৰ সমস্যা দূৰ কৰাৰ লগতে নিৰাপত্তাৰ দিশটো কঠোৰ কৰি তুলিবলৈ আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তক আহ্বান জনাইছে।

# নাহৰণি চাহ বাগিচাত যুৱতীৰ মৃতদেহ উদ্ধাৰ

**দৈনন্দিন বাৰ্তা সেৱা, ৰঙাপৰা, ১৭ নৱেম্বৰ ঃ** শোণিতপুৰ ৰঙাপৰাত এগৰাকী যুৱতীৰ মৃতদেহ উদ্ধাৰ। যুৱতী গৰাকীৰ মৃতদেহ উদ্ধাৰ কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। যুৱতী গৰাকীক কোনো দুৰ্বৃত্তই ধৰ্ষণ কৰি হত্যা কৰাৰ সন্দেহ প্ৰকাশ কৰিছে আৰক্ষী আৰু স্থানীয় ৰাইজে। ৰঙাপৰাৰ নাহৰণী চাহ বাগিচাৰ অধীনস্থ হাতীবাৰী চাহ বাগিচাৰ ১০ নং শাখাত উদ্ধাৰ হয় যুৱতীগৰাকীৰ মৃতদেহ। মৃত যুৱতী গৰাকীৰ নাম অৰ্চিতা নাহক (২৩)। নাহৰণী চাহবাগিচাৰ ৩ নং শ্ৰমিক লাইনৰ নিৱাসী সুশিল নাহকৰ চতুৰ্থ কন্যা আছিল অৰ্চিতা। উল্লেখ্য যে যোৱা শুক্ৰবাৰৰ পৰা যুৱতীগৰাকী সন্ধানহীন হৈ আছিল। লক্ষণীয় এই যে এগৰাকী যুৱতী বিগত চাৰিদিন ধৰি সন্ধানহীন হৈ থকাৰ পাছতো পৰিয়ালৰ লোকে ৰঙাপৰা আৰক্ষী থানাত এজাহাৰ দাখিল কৰা নাছিল। আজি চাহ বাগিচাখনত কৰ্মৰত শ্ৰমিকসকলে চাহগছত ঔষধ ছটিয়াইবলৈ অহাৰ সময়ত যুৱতী গৰাকীৰ মৃতদেহটো পৰি থকা প্ৰত্যক্ষ কৰে।

# দুৰ্ঘটনাত মৃত্যু ঘটা ছাত্ৰ মুক্তিৰ প্ৰচাৰ সম্পাদকলৈ শ্ৰদ্ধাঞ্জলি



**দৈনন্দিন বাৰ্তাৰ সেৱা, চাবুৱা, ১৭ নৱেম্বৰ ঃ** দীপাৱলী আনন্দ-উছাহৰ মাজতে শনিবাৰে নিশা 11.30বজাত চাবুৱাৰ আৰক্ষী থানাৰ অন্তৰ্গত ডিব্ৰুগড় তিনিচুকীয়া বাইপাছত এক পথ দুৰ্ঘটনাত নিহত হোৱা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ চাবুৱা আঞ্চলিক সমিতিৰ প্ৰচাৰ সম্পাদক বাঞ্চিত গগৈ 26)ৰ প্ৰতিচ্ছবিত কালি শ্ৰদ্ধাঞ্জলি জনোৱা হয়। ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ চাবুৱা আঞ্চলিক সমিতিৰ লগতে বিভিন্ন জনে চাবুৱা চাৰিআলিত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আয়োজন কৰি গভীৰ শোক প্ৰকাশ কৰি শ্ৰদ্ধাঞ্জলি জনায়।

## ধোদাংঘাটত আনুষ্ঠানিকভাৱে শুভ উদ্বোধন ডিআইজি ড° গঞ্জালাৰ

# মাজুলী আৰক্ষীত সংযোজন নতুন যন্ত্ৰচালিত নৌকাৰ

## দক্ষিণ মাজুলীৰ চৰ-চাপৰিত আইন-শৃংখলা পৰিস্থিতি উন্নত কৰাত হ'ব সহায়ক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ১৭ নৱেম্বৰ ঃ** মাজুলী জিলাৰ দক্ষিণ প্ৰান্তত চৰ-চাপৰিৰে আবৃত আঁহতগুৰি আৰু দক্ষিণ আঁহতগুৰিৰ বিস্তৃৰ্ণ অঞ্চলটোৰ সুৰক্ষাৰ দিশত নিৰন্তৰ নজৰ ৰখাৰ লগতে আইন-শৃংখলা পৰিস্থিতি ক্ষিপ্ৰতাৰে মোকাবিলা কৰাত সুবিধা হোৱাকৈ মাজুলী জিলা আৰক্ষী বিভাগত আজি সংযোজন ঘটিল এখন নতুন যন্ত্ৰচালিত নৌকাৰ। বিভাগটোৰ ফালৰ পৰা দক্ষিণ মাজুলী আৰক্ষী থানাক প্ৰদান কৰা এই নতুন যন্ত্ৰচালিত নাওখন সোমবাৰে দক্ষিণ আঁহতগুৰিৰ ধোদাংঘাটত আনুষ্ঠানিক ভাৱে শুভ উদ্বোধন কৰে পূৱ মণ্ডলৰ আৰক্ষী উপ-মহাপৰিদৰ্শক শিৱ প্ৰসাদ গঞ্জালাই। এই উদ্বোধনী অনুষ্ঠানত মাজুলীৰ আৰক্ষী অধীক্ষক অপৰ্ণা নটৰাজন, উপ-আৰক্ষী অধীক্ষক (সদৰ পদ্মনাথ পেগু, মাজুলী জিলা গাঁওৰক্ষী বাহিনীৰ উপ-উপদেষ্টা মনোজ বৰাৰ লগতে দক্ষিণ মাজুলী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া, স্থানীয় গাঁওৰক্ষী বাহিনীৰ সদস্যসকল আৰু বহুসংখ্যক স্থানীয় লোকে অংশগ্ৰহণ কৰে। উল্লেখ্য যে, ইতিমধ্যে মাজুলী জিলা আৰক্ষী বিভাগৰ ওচৰত আন কেইবাখনো যন্ত্ৰচালিত নাও আছে যদিও সেই নাওসমূহ ব্যক্তিগত স্বত্তাধিকাৰীৰ পৰা বিভাগটোৱে ভাৰাত লৈ ব্যৱহাৰ কৰি আছে। সেই দিশৰ পৰা আজি উদ্বোধন কৰা এই নাওখনেই হৈছে





বিভাগটোৰ প্ৰথমখন নিজা নাও। ইফালে, দক্ষিণ মাজুলী থানা হৈছে নদীদ্বীপ জিলাখনৰ চতুৰ্থখন আৰক্ষী থানা। নতুন যন্ত্ৰচালিত নাওখন দক্ষিণ মাজুলী থানাই লাভ কৰাৰ পাছত এতিয়াৰে মাজুলী জিলাৰ দক্ষিণ প্ৰান্তত বিস্তৃৰ্ণ হৈ থকা চৰ-চাপৰিৰ এলেকাসমূহত আৰক্ষীৰ নিয়মীয়া তহলৰ লগতে সুৰক্ষাৰ দিশটোত নজৰ ৰখাৰ ক্ষেত্ৰত মাজুলী আৰক্ষীৰ বহুখিনি সুবিধা হ'ব বুলি আশা কৰা হৈছে।

## ক্ষেত্ৰ অধ্যয়ন কৰিবলৈ যাব সাংবাদিকৰ দল

# মাজুলীত কাজিৰঙা আঞ্চলিক সাংবাদিক সন্থাৰ অধিৱেশনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাজিৰঙা, ১৭ নৱেম্বৰ ঃ** কাজিৰঙা আঞ্চলিক সাংবাদিক সন্থাৰ আজি অনুষ্ঠিত হোৱা এখন জৰুৰী কাৰ্যনিৰ্বাহক সভাত আগন্তুক অধিবেশন মাজুলীত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হয়। কাজিৰঙাৰ কহঁৰা নদীৰ কাষত অৱস্থিত গ্ৰামোন্নয়ণ বিভাগৰ অতিথিশালাত কাজিৰঙা আঞ্চলিক সাংবাদিক সন্থাৰ সভাপতি স্বপন নাথৰ সভাপতিত্বত আজি অনুষ্ঠিত হোৱা সভাত উদ্দেশ্যে ব্যাখ্যা কৰে সন্থাৰ সহকাৰী সম্পাদক বিতোপন মাজিয়ে । সভাত সন্থাৰ সাংগঠনিক, সাংবাদিকৰ সুৰক্ষা, নতুন সদস্য ভৰ্তি, অধিৱেশনকে আদি কৰি বিভিন্ন বিষয়ৰ ওপৰত আলোচনা কৰা হয়। কাজিৰঙাকে ধৰি বোকাখাত মহকুমাত কিছু লোকে পৰ্টেলৰ নামত বিভিন্ন ধৰণৰ বাতৰি পৰিবেশন কৰি ৰাইজক বিভ্ৰান্তিৰ সৃষ্টি কৰাত আন এক সমস্যা হৈ পৰিছে। এনে ধৰণৰ সাংবাদিকক নিয়ন্ত্ৰণ কৰা সম্পৰ্কেও আজি আলোচনা কৰা হয়। বোকাখাত মহকুমা জনসংযোগ বিষয়াই অপ্ৰতিষ্ঠিত পৰ্টেলৰ সাংবাদিকক যাতে কোনো কাৰণে প্ৰশ্ৰয় নিদিয়ে তাৰ প্ৰতি আহ্বান জনোৱাৰ সিদ্ধান্ত আজিৰ সভাই লয় । সভাত সাংবাদিক নীলপদ্ম শৰ্মা, সম্পাদক ৰঞ্জিত ৰজক, ধ্ৰুৱজ্যোতি সাহা, দেৱাশীষ বৰুৱা, পলিমা চেতিয়া বসুমতাৰী , মনোজ প্ৰতিম শইকীয়া, ৰাজেশ বেলৱাৰ, বিতোপন বৰা আদিয়ে নিজৰ মতামত দাঙি ধৰাৰ পিছত কাজিৰঙা আঞ্চলিক সাংবাদিক সন্থাৰ আগন্তুক অধিবেশন চলিত বৰ্ষৰ ডিচেম্বৰ মাহত মাজুলীত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হয় । কাজিৰঙাৰ সাংবাদিকৰ দলটোৱে মাজুলীত বাহৰ পাতি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু মাজুলীৰ সৈতে বন্যপ্ৰাণীৰ অহা- যোৱা সম্পৰ্কৰ ওপৰত ক্ষেত্ৰ অধ্যয়ন কৰি পৰিস্থিতি পৰ্যবেক্ষণ কৰাৰ সিদ্ধান্ত আজিৰ সভাই গ্ৰহণ কৰে । অন্যহাতে আজিৰ সভাত বৃহত্তৰ কাজিৰঙা অঞ্চলৰ বাতৰি পৰিবেশন কৰাৰ সময়ত প্ৰধানকৈ স্পৰ্শকাতৰ তথা বিতৰ্কিত বাতৰি পৰিৱেশন কৰাৰ পূৰ্বে সন্থাৰ বিষয়-ববীয়া তথা সদস্যৰ মাজত আলোচনা কৰা , সাংবাদিকৰ নিৰাপত্তা সম্পৰ্কে সজাগতা থকা আদি কথাও গুৰুত্বসহকাৰে আলোচনা কৰা হয়। ইফালে আজিৰ সভাই হোমেন গগৈ, ইমৰাণ আলী আৰু প্ৰিয়মজ্যোতি শইকীয়াক কাজিৰঙা আঞ্চলিক সাংবাদিক সন্থাত নতুনকৈ অন্তৰ্ভুক্ত কৰা হয়। অন্যহাতে কাজিৰঙা আঞ্চলিক সাংবাদিক সন্থাৰ আহ্বান ক্ৰমে চলিত মাহত বোকাখতৰ মহকুমাধিপতি ,ৰাজহ চক্ৰ বিষয়া, কাজিৰঙাত থকা অসম পৰ্যটন বিভাগৰ উপ সঞ্চালক আদিক আমন্ত্ৰণ কৰি কাজিৰঙাৰ সমস্যা সম্পৰ্কে আলোচনা কৰিবলৈ এক বিশেষ বৈঠক আহ্বান কৰাৰ সিদ্ধান্তও লোৱা হয়। ইফালে ৰাজ্যখনত সাংবাদিকৰ ওপৰত চলি থকা নিৰ্যাতন অতি সোনকালে বন্ধ কৰাৰ লগতে সামাজিকক সুৰক্ষাৰ দিবলৈ কাজিৰঙা আঞ্চলিক সাংবাদিক সন্থাই আজিৰ সভাৰ যোগেদি চৰকাৰক দাবী উত্থাপন কৰে।

# জিলাৰ বিভাগীয় মুৰব্বীৰে প্ৰণাম আয়োগৰ মুখ্য আয়ুক্তৰ আলোচনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৭ নৱেম্বৰ ঃ** অসম কৰ্মচাৰী প্ৰণাম আয়োগৰ মুখ্য আয়ুক্ত ভি বি প্যাৰেলালে আজি এক ভিডিঅ' কনফাৰেঞ্চৰ যোগে কামৰূপ মহানগৰ জিলাৰ বিভিন্ন বিভাগৰ জিলা মুৰব্বী বিষয়া আৰু ডিডিঅ'সকলৰ সৈতে অসম কৰ্মচাৰী পিতৃ-মাতৃৰ দায়িত্ব আৰু দায়বদ্ধতা আৰু পৰ্যবেক্ষণ আইন, 2017 বা অসমৰ কৰ্মচাৰীৰ প্ৰণাম, আইন, 2017 আৰু অসম কৰ্মচাৰীৰ প্ৰণাম বিধি, 2018 ৰ বিষয়ে বিস্তাৰিত ভাৱে আলোচনা কৰে। কামৰূপ মহানগৰ জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ ভিডিঅ' কনফাৰেঞ্চ কোঠাৰ পৰা জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া আৰু ডিডিঅ'সকলৰ সৈতে মত-বিনিময় কৰি প্ৰণাম আয়োগৰ মুখ্য আয়ুক্ত প্যাৰেলালে আইনখনৰ বৈশিষ্টসমূহ ব্যাখ্যা কৰে। অৱহেলিত পিতৃ-মাতৃ তথা দিব্যাংগ ভাতৃ-ভগ্নীক আৰ্থিক সুৰক্ষা দিয়াৰ বাবে ৰাজ্য চৰকাৰে এই আইন খন ৰূপায়ণ কৰাৰ কথা উল্লেখ কৰি মুখ্য আয়ুক্ত গৰাকীয়ে কয় যে, ৰাজ্য চৰকাৰৰ প্ৰতিগৰাকী কৰ্মচাৰীয়ে পিতৃ-মাতৃযদিব্যাংগ সহোদৰৰ যত্ন লোৱাৰ বাবে দায়বদ্ধ আৰু এইক্ষেত্ৰত যিকোনো বিচ্যুতি ঘটিলে আইনখনৰ ব্যৱস্থা অনুসৰি কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব পাৰি। তেওঁ লগতে কয় যে, এই আইনৰ অধীনত ৰাজ্য চৰকাৰৰ এগৰাকী কৰ্মচাৰীৰ যিকোনো নিৰ্ভৰশীল পিতৃ-মাতৃ নাইবা নিৰ্ভৰশীল দিব্যাংগ সহোদৰে অভিযোগ পঞ্জীয়ন কৰিব পাৰে। এই আইনৰ অধীনত কোনো অভিযোগ বা ওজৰ-আপত্তি পঞ্জীয়ন হ'লে সংশ্লিষ্ট বিভাগীয় কৰ্তৃপক্ষক তৎপৰতাৰে নিস্পত্তি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্য আয়ুক্তগৰাকীয়ে অনুৰোধ জনায়। আইনখন সম্পৰ্কত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিত গুৰুত্ব প্ৰদান কৰিবলৈও প্ৰণামৰ মুখ্য আয়ুক্তগৰাকীয়ে বিষয়াসকলক অনুৰোধ কৰে। কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগুৱে জিলা মুৰব্বী বিষয়াসকলক আইনখনৰ বৈশিষ্ট আৰু গুৰুত্বৰ বিষয়ে বিষয়াসকলক কয়। কামৰূপ মহানগৰ জিলাৰ জিলা উন্নয়ন আয়ুক্ত অতুল কুমাৰ শৰ্মা, প্ৰণাম আয়োগৰ পঞ্জীয়ক পঞ্চমী চৌধুৰী এই ভিডিঅ' কনফাৰেঞ্চৰ সময়ত উপস্থিত আছিল।

# সাংবাদিক পৰাগ ভূএঞাৰ লৈ ডিমৌ প্ৰেছ ক্লাবৰ শ্ৰদ্ধাঞ্জলি, বন্তি প্ৰজ্জলন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিমৌ, ১৭ নৱেম্বৰ ঃ** 'অসমীয়া খবৰ' আৰু 'প্ৰতিদিন টাইমৰ ' কাকপথাৰৰ সাংবাদিক পৰাগ ভূএঞালৈ শ্ৰদ্ধা জনাই আজি সন্ধিয়া ডিমৌ চৰকাৰী বাছ আস্থানত ডিমৌ প্ৰেছক্লাবৰ উদ্যোগত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। সাংবাদিক উমেশ চেতিয়াই আঁত ধৰা অনুষ্ঠানত ডিমৌ প্ৰেছ ক্লাবৰ সম্পাদক অজয় কুমাৰ গগৈয়ে বন্তি প্ৰজ্জলন কৰি কয় যে শীঘ্ৰে পৰাগ ভূএঞাৰ হত্যাৰ তদন্ত দাবী কৰিছে। ইফালে তাই আহোম ছাত্ৰ সন্থাৰ নিপন বৰুৱা, বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ যাদৱ গগৈ, জাতিয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ বিশ্বজিৎ শ্যাম, আছুৰ আদিত্য শৰ্মা আদিয়ে বন্তি প্ৰজ্জলন কৰি কয় যে সত্য বাতৰি পৰিৱেশন কৰাটোৱেই যদি সাংবাদিকৰ অপৰাধ তেন্তে তেনে বাতৰি সাংবাদিকে পৰিৱেশন কৰিবই। এই ক্ষেত্ৰত চৰকাৰ প্ৰশাসনে সাংবাদিক সকলক নিৰাপত্তা দিবই লাগিব বুলি ব্যক্ত কৰে। লগতে সাংবাদিক পৰাগ ভূএঞাৰ মৃত্যুত শোক প্ৰকাশ কৰিছে আৰু দুৰ্ঘটনাৰ সংঘটিত কৰা দোষীক চিনাক্ত কৰি দৃষ্টান্তমূলক শাস্তি দিবলৈ দাবী জনোৱাৰ লগতে পৰিয়ালটোক উপযুক্ত ক্ষতিপূৰণ দিবলৈ অসম চৰকাৰৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক দাবী জনাইছে।



# বাক্সাৰ গহেখণ্ডা পুথিভঁৰাল খেলপথাৰত বড়ো সাহিত্য সভাৰ জন্ম দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ১৭ নৱেম্বৰ ঃ** সমগ্ৰ অসমৰ লগতে বিটিএডিটো বড়ো সাহিত্য সভাৰ জন্ম দিৱস দিনজোৰা কায্যসূচীৰে উদ্‌যাপন কৰে। ঠিক তেনেদৰে বাক্সাৰ শালবাৰী মহকুমাৰ অধীনস্থ গহেখণ্ডা খেলপথাৰ অনুষ্ঠিত হয়। হাউলী আঞ্চলিক বড়ো সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত উক্ত বড়ো সাহিত্য সভাৰ জন্ম দিৱসত বিশিষ্ট অতিথি হিচাপে ৰাজেন্দ্ৰ বসুমতাৰী ,মছলপুৰ চৰকাৰী সমবায় বিভাগৰ উপ-পঞ্জিয়ক জয়ন্ত খেৰকটাৰী, শিমলাগুৰি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ৰাজেন বড়ো, মথনগুৰি পৰিষদীয় সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী তথা প্ৰাক্তন এম চি এল এ মাখন স্বৰ্গীয়াৰী আদিকে কৰি বহুকেইগৰাকী গণ্য-মান্য লোক উপস্থিত থাকি বড়ো ভাষাৰ, উত্তৰণ, বিকাশ, প্ৰসাৰতা আদিৰ ওপৰত ভাষণ প্ৰদান কৰে প্ৰায় 5 শতাধিক সাহিত্য আনুৰাগী তথা ৰাইজে অংশ গ্ৰহণ কৰা উক্ত সাহিত্য দিৱসৰ জন্ম দিৱসত। ইফালে সভাৰ পূৰ্বে পতাকা উত্তোলন,শ্বহীদ তৰ্পণ, ছাত্ৰ-ছাত্ৰী মাজত সম্বৰ্ধনা আদিও কাৰ্যসূচী অনুষ্ঠিত হৈছিল।


# বৃত্তি পৰীক্ষাৰ ফলাফলত শিৱসাগৰ জিলাৰ ভিতৰত প্ৰথম-দ্বিতীয় ক্ৰমে বৃষ্টি, দীপশিখা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিমৌ, ১৭ নৱেম্বৰ ঃ** সদ্য ঘোষিত 2019-20 বৰ্ষৰ মুখ্যমন্ত্ৰী বিশেষ বৃত্তি পৰীক্ষাৰ ফলাফলে ডিমৌ অঞ্চলৈ গৌৰৱ কঢ়িয়াই আনিছে ডিমৌ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ে। চলিত বৰ্ষত শিৱসাগৰ জিলাখনৰ মুঠ 1729 গৰাকী শিক্ষাৰ্থীয়ে লাভ কৰা এই বৃত্তিত, ডিমৌ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ ছাত্ৰী বৃষ্টি গগৈয়ে একমাত্ৰ সৰ্বোচ্চ নম্বৰ লাভ কৰি প্ৰথম স্থান লাভ কৰাৰ লগতে দীপশিখা বৰুৱাই দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছে। এই বিদ্যালয়খনৰ পৰা মুঠ 9 গৰাকী ছাত্ৰীয়ে এইবাৰ বৃত্তি লাভ কৰিবলৈ সক্ষম কৰিছে। আজি এইসকল ছাত্ৰী সকলক বিদ্যালয় শিক্ষক গোটৰ তৰফৰ পৰা বিশেষভাৱে সম্বৰ্দ্ধনা জনোৱা হয়। শিৱসাগৰ জিলা প্ৰাথমিক শিক্ষা বিষয়া তথা বিদ্যালয়সমূহৰ পৰিদৰ্শক আব্দুল জেলিলে বিদ্যালয়খনত উপস্থিত হৈ ছাত্ৰীসকলক অভিনন্দন জনোৱাৰ লগতে শিক্ষক সকলক এই ধাৰা অক্ষুণ্ণ ৰাখিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে বিষয়াগৰাকীয়ে জিলাখনৰ প্ৰতিখন বিদ্যালয়ক বৃত্তি পৰীক্ষাৰ বাবে মোক টেষ্ট অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিছিল। যাৰ ফলস্বৰূপে চলিত বৰ্ষত প্ৰতিখন বিদ্যালয়ে ভাল ফলাফল লাভ কৰিবলৈ সক্ষম হৈছে। বিষয়া গৰাকীৰ এই উদ্যোগৰ বাবে অভিভাৱকসকলে সন্তুষ্টি প্ৰকাশ কৰে। ইফালে বৃত্তি লাভ কৰা আন ছাত্ৰীসকল ক্ৰমে পাহাৰী কোঁৱৰ, হিমাদ্ৰী দিহিঙীয়া, হিমাদ্ৰী বড়া, নৱনীতা বৰা, কৃষ্ণামণি চেতিয়া, সৰস্বতী পাংগিং আৰু পূজা দেউৰী।



# সাংবাদিক হত্যা-নিগ্ৰহৰ প্ৰতিবাদত মাজুলীত সাংবাদিক সন্থাৰ অৱস্থান ধৰ্মঘট পালন ঃ মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ১৭ নৱেম্বৰ ঃ** গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সাংবাদিকক হত্যা আৰু সাংবাদিক নিগ্ৰহৰ ঘটনাত ক্ষোভিত হৈ পৰিছে মাজুলীৰ সাংবাদিক মহল । আজি মাজুলী জিলা সদৰ গড়মূৰ তিনিআলিত সাংবাদিক পৰাগ ভূএঞাক হত্যা আৰু মিলন মহন্তৰ নিগ্ৰহৰ ন্যায়িক তদন্ত কৰি দোষীক দৃষ্ঠান্তমূলক শাস্তি প্ৰদানৰ দাবীত মাজুলী জিলা সাংবাদিক সন্থাৰ উদ্যোগত আপকু জিলা সমিতিৰ সহযোগত এক অৱস্থান ধৰ্মঘট কাৰ্যসূচী পালন কৰা হয় । প্ৰতিবাদস্থলীত সাংবাদিকসকল সমবেত হৈ প্ৰথমে পৰাগ ভূএঞাৰ মৃত্যুত শোক প্ৰকাশ কৰি এক মিনিট মৌন প্ৰাৰ্থনা কৰা হয় । তাৰ পিছতে গড়মূৰ প্ৰেছক্লাবৰ সভাপতি অৰুণ বৰাই ভাষণ প্ৰসংগত পৰাগ ভূএঞাৰ মৃত্যুত দুষ্টচক্ৰৰ হাত থকা বুলি উল্লেখ কৰাৰ লগতে আন গৰাকী সাংবাদিক মিলন মহন্তক বৈদ্যুতিক খুঁটাত বান্ধি কিছুমানলোকে যি নিকৃষ্ট কাণ্ড কৰিলে তাৰ গৰিহণা দি দুয়োটা ঘটনাত জড়িত সকলোকে কৰায়ত্ত কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবলৈ গৃহ বিভাগক দাবী জনায় । প্ৰতিবাদত অংশগ্ৰহণ কৰি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ মাজুলী জিলা সমিতিৰ সভাপতি জগত হাজৰিকা, কোঁচৰাজবংশী ছাত্ৰ সন্থাৰ মাজুলী জিলা সমিতিৰ সভাপতি আদিত্য দত্ত, জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া , আপকু মাজুলী জিলা সমিতিৰ সভাপতি জীৱন বৰুৱা, জিলা সাংবাদিক সন্থাৰ সম্পাদক দিপু বৰা, জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা দীপক নেওগ প্ৰমুখ্যে কেইবাগৰাকী প্ৰতিবাদকাৰীয়ে অসমত হোৱা সাংবাদিক হত্যা আৰু নিগ্ৰহৰ ঘটনাক গৰিহণা দিয়াৰ লগতে ঘটনাত জড়িত সকলোকে উচিত শিক্ষা দিবলৈ চৰকাৰক আহবান জনায়। লগতে ভৱিষ্যতে সাংবাদিকসকলক সুৰক্ষা দিবলৈ চৰকাৰে




যথোচিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলিও সকলোকে একেমুখে দাবী জনায় । দিনৰ 11 বজাৰ পৰা আৰম্ভ হোৱা অৱস্থান ধৰ্মঘট কাৰ্যসূচী দিনৰ 1 বজাত সামৰণি পৰাৰ পূৰ্বে জিলা প্ৰশাসনৰ হৈ প্ৰতিবাদস্থলীত উপস্থিত হোৱা অতিৰিক্ত আয়ুক্ত বিভাস পাঠকৰ হাতত জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া আৰু আপকুৰ সভাপতি জীৱন বৰুৱাই অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাললৈ প্ৰেৰণৰ বাবে দুখন স্মাৰকপত্ৰ পৃথকে পৃথকে প্ৰদান কৰে। বিষয়া গৰাকীয়ে স্মাৰকপত্ৰ গ্ৰহণ কৰি শীঘ্ৰে মুখ্যমন্ত্ৰীলৈ প্ৰেৰণৰ আশ্বাস প্ৰদান কৰে ।


## TENDER::: NOTICE

Sealed tender on plain paper affixing with court fee stamp of Rs 8.25(Rupees eight and paisa twenty five) only are hereby invited from AP HQr registered Firms/ contractors for supply of the following Spare Motor Parts/repairing works against departmental vehicle No-AS-30/6724 (M/Thar Jeep) of the office of the Superintendent of Police, Morigaon and same will be received up to 1100 hours on 24/11/2020 and will be opened at 1300 hours on same place and date by the undersigned in presence of the tenderers or their authorized representatives.

1. The tenders must be written in ink or duly typed properly. Any correction in the tenders should invariably be attested under the signature of the tenderers.
2. All tenders must deposit earnest money in the formr of call deposit for an amount of Rs.2000/-(Rupees two thousand) only vide bank draft as a security money in favour of the tendersigned.
3. The tenderers submit their AP HQr. Registration certificate and GST Registration certificate along with the tender without which no tender will be accepted.
4. The tenderers must be submit their Trade Licence/TIN/GRN along with the tender.
5. The undersigned reserves the right to accept or reject any tender without assigning any reason thereof.
6. The successful tenderers must be in a position to the supply the materials/repairing within 21 (twenty one) days from the receipt of the supply orders.
7. The sealed cover must be subscribed with the name of the work mention in the tender. selected tenderer will have to execute the formal agreement with the undersigned immediately from the date of issue preliminary work order failing of which the earnest money will be forfeited.
8. Details specification may be seen in the office of the undersigned.
9. Tenders must be submitted in to the office tender box.
10. If the last date of receiving of tenders falls on any holiday or bandh etc. The subsequent day may be treated as last date of receiving tender.

Sd/-
Superintendent of Police
Morigaon ::: Assam

## TENDER:::NOTICE

Sealed tender on plain paper affixing with court fee stamp of Rs 8.25(Rupees eight and paisa twenty five) only are hereby invited from AP HQr registered Firms/ contractors for supply of the following Spare Motor Parts/repairing works against departmental vehicle No-AS-30/6219 (M/Bolero) of the office of the Superintendent of Police, Morigaon and same will be received up to 1100 hours on 24/11/2020 and will be opened at 1300 hours on same place and date by the undersigned in presence of the tenderers or their authorized representatives.

1. The tenders must be written in ink or duly typed properly. Any correction in the tenders should invariably be attested under the signature of the tenderers.
2. All tenders must deposit earnest money in the form of call deposit for an amount of Rs.2000/-(Rupees two thousand) only vide bank<traft as a security money in favour of the undersigned.
3. The tenderers submit their AP HQr. Registration certificate and GST Registration certificate along with the tender without which no tender will be accepted.
4. The tenderers must be submit their Trade Licence/TIN/GRN along with the tender.
5. The undersigned reserves the right to accept or reject any tender without assigning any reason thereof.
6. The successful tenderers must be in a position to the supply the materials/repairing within 21 (twenty one) days from the receipt of the supply orders.
7. The sealed cover must be subscribed with the name of the work mention in the tender. Selected tenderer will have to execute the formal agreement with the undersigned immediately from the date of issue preliminary work order failing of which the earnest money will be forfeited.
8. Details specification may be seen in the office of the undersigned.
9. Tenders must be submitted in to the office tender box.
10. If the last date of receiving offenders falls on any holiday or bandh etc. The subsequent day may be treated as last date of receiving tender.

Janasanyog/C/7000/20

Sd/-
Superintendent of Police
Morigaon ::: Assam



দেশৰ সেনানীক মমবাতিৰে শ্ৰদ্ধাঞ্জলি যুদ্ধ স্মাৰকত, মঙলবাৰে

# নগাঁও ছাত্ৰ সন্থাৰ বিশেষ প্ৰচেষ্টাত শ্বহীদ অনিল বৰাৰ আবক্ষ মূৰ্তি নিৰ্মাণ

## নৱ প্ৰজন্মই সাহিত্য সভাক আগুৱাই নিব লাগিব, উন্মোচনী অনুষ্ঠানত কুলধৰ শইকীয়াৰ মন্তব্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৭ নৱেম্বৰ ঃ** আজি নগাঁও চহৰৰ কলংপাৰৰ সমীপত থকা মাধ্যম আন্দোলনৰ শ্বহীদ অনিল বৰাৰ সমাধিস্থলীত ছহিদগৰাকীৰ এটি আৱক্ষ মূৰ্ত্তি উন্মোচন কৰা হয়। সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ বিশেষ প্ৰচেষ্টাত বিশিষ্ট শিল্পী দিগন্ত মাধৱ গোস্বামীয়ে গছ ফাইবাৰেৰে নিৰ্মাণ কৰি উলিওৱা এই আৱক্ষ মূৰ্ত্তিতো আজি উন্মোচন কৰে অসম সাহিত্য সভাৰ সভাপতি কুলধৰ শইকীয়াই। গায়ন-বায়ন, খোল-তালৰ মাংগলিক ধ্বনিৰ মাজত বন্তি প্ৰজ্বলন কৰি, শ্বহীদ অনিল বৰাৰ আৱক্ষ মূৰ্ত্তিতো উন্মোচন কৰা হয়। এই উপলক্ষে অনুষ্ঠিত সীমিত পৰিসৰৰ উন্মোচনী সভাত অসম সাহিত্য সভাৰ সভাপতি গৰাকীৰ লগতে বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আৱক্ষ মূৰ্ত্তি উন্মোচন কৰি অসম সাহিত্য সভাৰ সভাপতি কুলধৰ শইকীয়াই অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি ৰক্ষাৰ যুঁজত সাহিত্য সভাৰ লগতে সকলো জাতীয় দল-সংগঠনক সন্মিলিতভাৱে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। নিজৰ ভাষণত অসম সাহিত্য সভাৰ সভাপতি ডঃ কুলধৰ শইকীয়াই কয়— ছহিদ অনিল বৰাৰ আৱক্ষ



মূৰ্তিটো উন্মোচন কৰিবলৈ পাই আজি মই সুখ অনুভৱ কৰিছোঁ। ছাত্ৰ সন্থাৰ উদ্যোগত ইয়াত ছহিদ গৰাকীৰ আৱক্ষ মূৰ্ত্তিটো প্ৰতিষ্ঠা কৰাত আমি সুখ পাইছো এই কাৰণেই যে সময়ৰ যি বিধ্বংসী ৰূপ,সময়ৰ বিধ্বংসী প্ৰৱাহত আমি তাৰ বহু কথাই পাহৰি যাওঁ। কিন্তু এনেকুৱা কিছুমান কাৰ্যসূচীয়ে সেই স্মৃতি সজীৱ কৰি তোলে। অসম সাহিত্য সভাৰ প্ৰসঙ্গত শইকীয়াই কয়, 'অসম সাহিত্য সভাৰ লগত এই খন ৰাজ্যৰ শুভ চিন্তা কৰা প্ৰত্যেক জন ব্যক্তি জড়িত হ'ব পাৰে। তেওঁ লোকৰ বাবে সাহিত্য সভাৰ দুৱাৰ খোলা আছে।' তেওঁ আৰু কয়, 'নৱ প্ৰজন্মই সাহিত্য সভা খন আগুৱাই নিব লাগিব। কিয়নো নতুন প্ৰজন্মই অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি নাচালে এটা জাতি জীয়াই থাকিব নোৱাৰে। সেয়েহে নৱ প্ৰজন্মক সাহিত্য সভাৰ লগত জড়িত কৰাৰ প্ৰয়াস কৰা হৈছে।' অসমৰ জাতীয় সংগঠনসমূহক জীয়াই ৰাখিব নোৱাৰিলে আমি ভাৱাক্ৰান্ত হ'ম বুলি মন্তব্য কৰি শইকীয়াই আৰু কয়, 'জাতীয় সংগঠনসমূহে অসমীয়া ভাষা সংস্কৃতিৰ বাবে সমূহীয়াকৈ সংগ্ৰাম কৰিব লাগিব।' ছহিদ অনিল বৰাৰ আৱক্ষ মূৰ্তি উন্মোচন অনুষ্ঠানত ছহিদ অনিল বৰাৰ ভ্ৰাতৃ অপূৰ্ব বৰা,অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক পদুম ৰাজখোৱা, গল্পকাৰ শিবানন্দ কাকতি,সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক ৰন্টু শৰ্মা, আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহ সদস্য মৃদুল হাজৰিকা, নগাঁও ছাত্ৰ সন্থাৰ সভাপতি গৌৰী শংকৰ শইকীয়া, আছুৰ নগাঁও জিলা সমিতিৰ সাধাৰণ সম্পাদক অমৰ জ্যোতি ফুকন, সাহিত্যিক ৰতিমোহন নাথ, অসম সাহিত্য সভাৰ নগাঁও আঞ্চলিক কাৰ্য্যালয়ৰ সহকাৰী সম্পাদক মৃণাল হাজৰিকা, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ সুৰজিৎ কুমাৰ ভাগৱতী, নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱা, প্ৰাক্তন বিধায়ক গিৰীন্দ্ৰ কুমাৰ বৰুৱাই অংশগ্ৰহণ কৰে।

## কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক আমেৰিকাৰ অধ্যাপকৰ পৰামৰ্শ

# কলেজীয়া দিনৰে পৰাই গৱেষণাক নিচা হিচাপে ল'ব লাগে ঃ ড° বেজবৰুৱা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ১৭ নৱেম্বৰ ঃ** মহাৰজত জয়ন্তী বৰ্ষত ভৰি দিয়া ডি এইচ এচ কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক পোন প্ৰথমবাৰৰ বাবে আমেৰিকাৰ নৰ্থ ডেকটা বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ অচিন্ত্য বেজবৰুৱাই গৱেষণা, শিক্ষাৰ প্ৰকল্প, বিষয়বস্তুৰ অধ্যয়ন সম্পৰ্কত পৰামৰ্শ আগবঢ়ায়। প্ৰায় ডেৰ ঘন্টা ধৰি ছাত্ৰ-ছাত্ৰীসকলক ১৬ নৱেম্বৰত বেজবৰুৱাই কয়— কলেজীয়া জীৱনৰ পৰা গৱেষণা বা প্ৰকল্প নিৰ্মাণত ছাত্ৰ-ছাত্ৰীসকলে নিচা ৰূপে গ্ৰহণ কৰা উচিত। তেনে নিচাই ভৱিষ্যতে ছাত্ৰ-ছাত্ৰীসকলক গভীৰ অধ্যয়ন বা গৱেষণাৰ পৰিৱেশ দিব পাৰে। ড° বেজবৰুৱাই কয়— ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যতে কি বিষয়ৰ ওপৰত গৱেষণা কৰিব, কেনে বিষয় প্ৰকল্প হিচাপে ল'ব বা কোনটো বিষয়ত উচ্চ স্তৰৰ অধ্যয়ন কৰিব সেইটো কলেজীয়া জীৱনৰ পৰাই চিন্তা কৰা প্ৰয়োজন। তেওঁ কয়— পৰীক্ষামূলক প্ৰকৃতি, বিষয়বস্তুৰ পৰিসৰ আগতীয়াকৈ সঠিক কৰি ল'লে সেই বিষয়টো ভৱিষ্যতে আগুৱাই নিয়াত সহজ হয়। কেৱল নম্বৰ কেন্দ্ৰীক প্ৰকল্প বা গৱেষণাই কোনো ছাত্ৰ-ছাত্ৰীৰ প্ৰকৃতাৰ্থত উত্তৰণ ঘটাব নোৱাৰে বুলি উল্লেখ কৰি তেওঁ কয়— সৰুৰে পৰাই ভৱিষ্যতে কৰিব খোজা কামখিনি এখন ডায়েৰীত লিখি যোৱা প্ৰয়োজন। এই ক্ষেত্ৰত শিক্ষক-অধ্যাপকসকলে একাত্ম হৈ পৰামৰ্শ দিয়া প্ৰয়োজন। কলেজীয়া জীৱনৰ পৰাই লক্ষ্য থিৰাং কৰিব লাগে আৰু উদ্দেশ্যও নিশ্চিত কৰিব লাগে। গৱেষণা বা প্ৰকল্পৰ বিষয়বস্তুটোৱে ভৱিষ্যতে কোনখিনি মানুহক সহায় কৰিব, বৈজ্ঞানিক ভিত্তিত সহায় কৰিব নে আৰ্থ-সামাজিক দিশত সহায় কৰিব নে সাধাৰণ শ্ৰেণী মানুহ লাভান্বিত হ'ব বিষয়বস্তু গ্ৰহণ কৰাৰ আগতেই প্ৰত্যেকেই নিশ্চিত কৰি লোৱাৰ প্ৰয়োজন। তেওঁ কয়— কেতিয়াবা কোনাবা এটা বিষয় অধ্যয়ন কৰি থাকোতে বিমুঢ় অৱস্থাত পৰিলে ভাল। তেওঁ কয়— তেনে বিমুঢ়তাই সঠিক সময়ত সঠিক ফলাফল লাভত সহায় কৰে। অনলাইন যোগে পৰামৰ্শ আগবঢ়োৱা এই কাৰ্যসূচীত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক, চিন্তাবিদ, লেখক ড০ যোগেন চন্দ্ৰ কলিতাই কয়— ঐতিহ্যপূৰ্ণ কানৈ মহাবিদ্যালয়ে ছাত্ৰ-ছাত্ৰীসকলক এনে এটা পৰিৱেশ গঢ়ি দিয়াৰ বাবে তেওঁ মহাবিদ্যালয়ৰ অধ্যক্ষক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয়— খুব সম্ভৱ ভাৰতবৰ্ষৰ ভিতৰত কানৈ মহাবিদ্যালয়েই প্ৰথমখন মহাবিদ্যালয়, যিখন মহাবিদ্যালয়ে স্নাতক বৰ্ষৰ ছাত্ৰ-ছাত্ৰীক আমেৰিকাৰ দৰে দেশ এখনৰ এখন বিশ্ববিদ্যালয়ৰ অধ্যাপকে গৱেষণা, প্ৰকল্প বা অধ্যয়ন সম্পৰ্কত বিতং পৰামৰ্শ আগবঢ়োৱাত সহায় কৰিছে। তেওঁ কয়— অসমৰ ছাত্ৰ-ছাত্ৰীৰ অধিকাংশই কলেজত পঢ়ি থকাৰ সময়ত গৱেষণা সম্পৰ্কে জানিব নিবিচাৰে। কানৈ মহাবিদ্যালয়ে তেনে সুযোগ ছাত্ৰ-ছাত্ৰীক দিছে। সেয়ে তেওঁলোকে গ্ৰহণ কৰা উচিত বুলি কয়। অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ড° বেজবৰুৱা আৰু ড° কলিতাক অতি ব্যস্ততাৰ মাজতো ছাত্ৰ-ছাত্ৰীসকলৰ স'তে সময় দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। কানৈ মহাবিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ ভাৰপ্ৰাপ্ত অধ্যাপক চুলতানা হাজৰিকাই আঁত ধৰা অনুষ্ঠানত অংশ গ্ৰহণ কৰা সকলো ছাত্ৰ-ছাত্ৰীয়ে উপকৃত হোৱা বুলি অনুভৱ প্ৰকাশ কৰে। উল্লেখ্য যে কানৈ মহাবিদ্যালয়ত এক উচ্চস্তৰীয় শৈক্ষিক পৰিৱেশ গঢ়ি তুলিবলৈ, দেশ-বিদেশৰ শেহতীয়া শিক্ষাৰ পৰিৱেশ নিয়মীয়াকৈ জানিবলৈ পাঁচগৰাকীকৈ আন্তঃৰাষ্ট্ৰীয় শৈক্ষিক পৰামৰ্শদাতা নিয়োগ কৰা হৈছে। ইয়াৰে অংশ হিচাপে ড° বেজবৰুৱাই ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়ন, গৱেষণা সম্পৰ্কত পৰামৰ্শ আগবঢ়ায়।





তিব্বেতান কজৰ ৰাষ্ট্ৰীয় সমন্বয়ক আৰ কে খ্ৰীমে আৰু অন্যান্যসকলৰ গ্ৰন্থ উন্মোচন, গুৱাহাটী প্ৰেছ ক্লাবত

## কোৰোকানি কাপ ফুটবল

# খোৱাং আৰু পথিকৃৎ যুৱ সংঘৰ অগ্ৰগতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাহমৰাঃ ১৭ নৱেম্বৰ ঃ** চৰাইদেউৰ মাহমৰা সমষ্টিৰ অন্তৰ্গত কোৰোকানি চ্যুকাফা যুৱক সংঘৰ উদ্যাগত আৰু স্থানীয় ৰাইজৰ সহযোগত চাৰিনং কোৰোকানি ৰাজহুৱা খেলপথাৰত চলি থকা প্ৰয়াত দ্ৰোণকান্ত গগৈ, সদেশ্বৰ গগৈ, ৰাম গগৈ, ৰেণু গগৈ আৰু ৰঙিলী পাটমাউত সোঁৱৰণী কোৰোকানি কাপ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাত খোৱাং মণিপথাৰ ফুটবল একাদশ আৰু পথিকৃত যুৱ সংঘ ফুটবল দলে অগ্ৰগতি লাভ কৰিছে। আজি অনুষ্ঠিত দুখন খেলত খোৱাং মণিপথাৰ ফুটবল দলে ৰামনগৰ কাৰচেং ক্লাৱক 2-0 গ'লত আৰু দিবৈ ৰাঙলী পথিকৃত যুৱক সংঘ দলে চেপন ফুটবল দলক 1-0 গ'লত পৰাজিত কৰি পৰৱৰ্তী পৰ্যায়ত প্ৰৱেশ কৰে। ৰেফাৰী— বিষ্ণুজ্যোতি লাচন, নিৰঞ্জন কোঁৱৰ, সৰেশ্বৰ সন্দিকৈ আৰু বিতুপন গগৈ।


MINISTRY OF MICRO, SMALL & MEDIUM ENTERPRISES
GOVT. OF INDIA

# এদিনীয়া সজাগতা কাৰ্যসূচী

'কয়ৰ ব'ৰ্ড, উপ-ক্ষেত্ৰীয় কাৰ্যালয়, গুৱাহাটী'য়ে ইং ১৮ নৱেম্বৰ, ২০২০ তাৰিখে নলবাৰী জিলাৰ এলেংগীদলস্থিত মানস কয়ৰ ক্লাষ্টাৰ্হত কয়ৰ উদ্যোগ বিকাশৰ বিষয়ত অনুষ্ঠিত হ'বলগীয়া "এদিনীয়া সজাগতা কাৰ্যসূচী"ৰ অৰ্থে আগ্ৰহী প্ৰাৰ্থীক নিম্নোলিখিত ঠিকনাত যোগাযোগ কৰিবলৈ আহ্বান কৰিছে।

**ভাৰপ্ৰাপ্ত বিষয়া**
উপ-ক্ষেত্ৰীয় কাৰ্যালয়
গুৱাহাটী, অসম
ই-মেইল ঃ cbsroghty@gmail.com
ফোন ঃ ০৩৬১-২৫৫৬৮২৮





# লুড' কাপ ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰত গুৱাহাটী জিএফচিচি

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোগামুখৰ, ১৭ নৱেম্বৰ ঃ** লোকেল ইউনাইটেড ডেভেলপমেণ্ট অৰগেনাইজেশ্বন চমুকৈ লুড'ৰ উদ্যোগত গোগামুখ উচ্চচতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত চলি থকা ফুটবল প্ৰতিযোগিতাত আজি গুৱাহাটী চিটি জি এফ চি চিয়ে চৰাইদেউ এফ চিক হৰুৱাই কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজি অনুষ্ঠিত হোৱা খেলত টাইব্ৰেকাৰৰ জৰিয়তে জি এফ চি চিয়ে চৰাইদেউ এফ চিক পৰাজিত কৰে। তীব্ৰ উত্তেজনাপূৰ্ণ খেলখনত নিৰ্ধাৰিত সময়ত দুয়োটা দলে এটাকৈ গল দিবলৈ সক্ষম হোৱাত খেল পৰিচালকে পেনাল্টিৰ সহায়ত খেলৰ ফলাফল নিৰ্ণয় কৰে। আজিৰ খেলখন উদ্বোধন কৰে গোগামমুখ এন চি ডি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰজিৎ দলে, ধেমাজি জিলা পৰিষদৰ সভাপতি মোহন গগৈ আৰু বিশিষ্ট ব্যৱসায়ী কল্যাণ গগৈয়ে। আজিৰ খেলখন পৰিচালনা কৰে গৌৰী শংকৰ ভৰালী, ব্ৰজেন বুঢ়াগোঁহাই, দীপক বুঢ়াগোঁহাইয়ে। চতুৰ্থ পৰিচালক হিচাপে সহযোগিতা আগবঢ়াই দীপক গগৈ, মণিৰাম পেগুৱে। ৰেফাৰীৰ তত্ত্বাবধায়ক হিচাপে উপস্থিত থাকে লক্ষী গগৈয়ে। মেচ কমিছনাৰ হিচাপে উপস্থিত থাকে বিমল স্বৰ্গীয়াৰীয়ে।

# তেজপুৰত ড্ৰাগ্‌ছ আসক্ত চোৰৰ টাৰ্গেট ফাৰ্মাচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৭ নৱেম্বৰ ঃ** তেজপুৰত ওলাইছে এবিধ ব্যতিক্ৰমী চোৰ। এই চোৰৰ দলক নালাগে টকা পইছা, সা-সম্পত্তি। চোৰৰ টাৰ্গেট ফাৰ্মাচী। চোৰে ফাৰ্মাচীৰ পৰা বাচি বাচি চুৰি কৰি নিয়ে নিচাসক্ত লোকৰ প্ৰয়োজনীয় ঔষধ। বিশেষকৈ টোপনি যোৱা টেবলেট আৰু কফ্‌ চিৰাফ ইত্যাদিহে চোৰৰ অধিক প্ৰিয়। উল্লেখ্য যে, তেজপুৰ চানমাৰীৰ শোণিতপুৰ মেডিকেল ষ্ট'ৰ নাম ঔষধ বিপনিখনৰ তলা ভাঙি কালি নিশা চোৰে প্ৰৱেশ কৰে আৰু ঔষধ বিপনিখনৰ পৰা কেতবোৰ নিচাসক্ত লোকৰ প্ৰয়োজনীয় ঔষধ চুৰি কৰি নিয়ে। চুৰি কাৰ্যৰ সৈতে কোনো নিচাসক্ত লোক জড়িত থকাৰ সন্দেহ কৰা হৈছে। বিপনিখনৰ স্বত্বাধিকাৰী বিশিষ্ট নাট্যকাৰ ঐশ্বৰ্য কাকৈতিয়ে জানিবলৈ দিয়া মতে বিপনিখনৰ দুটা তলা কাটি প্ৰায় তিনিজনীয়া চোৰৰ দলে প্ৰৱেশ কৰা বুলি সন্দেহ কৰা হৈছে। লক্ষ্যণীয়ভাৱে এই চোৰৰ দলটোৱে অন্য সামগ্ৰী চুৰি কৰাৰ পৰিৱৰ্তে কেৱল মাত্ৰ নিচাযুক্ত ঔষধহে চুৰি কৰি নিয়ে। তেওঁ জানিবলৈ দিয়া মতে অঞ্চলটোৰ নিচাসক্ত একাংশ যুৱকে প্ৰায়ে ফাৰ্মাচীত আহি এনে ঔষধ ক্ৰয় কৰিব বিচাৰে যদিও তেওঁ গ্ৰাহকক চিকিৎসকৰ প্ৰমাণ পত্ৰ অবিহনে ঔষধ নিদিয়ে। হয়তো সেইবাবেই বজাৰত নিচাযুক্ত টেবলেটৰ অভাৱ হোৱাত এনেদৰে চোৰৰ টাৰ্গেট হৈ পৰিছে তেজপুৰৰ চহৰৰ ফাৰ্মাচী। উল্লেখ্য যে, এই ফাৰ্মাচীখনৰ উপৰিও যোৱা সপ্তাহত তেজপুৰৰ আৰু দুখন ফাৰ্মাচীৰ পৰা অনুৰূপ ধৰণে চুৰি কৰিছিল নিচাযুক্ত টেবলেট। ইতিমধ্যে বিষয়টোৰ সন্দৰ্ভত স্বত্বাধিকাৰীয়ে আৰক্ষীক গোচৰ দিছে যদিও এই পৰ্যন্ত কোনো লোকক আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হোৱা নাই।




# এন পি এছ ইণ্টাৰনেশ্যনেল স্কুললৈ ৰাষ্ট্ৰীয় সন্মান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৭ নৱেম্বৰ ঃ** গুৱাহাটীৰ আগশাৰীৰ শিক্ষা প্ৰতিষ্ঠান এন পি এছ ইণ্টাৰনেশ্যনেল স্কুলে পুনৰ আন এক সফলতা কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। জল শক্তি মন্ত্ৰালয়, জল সংশোধন, নদী বিকাশ আৰু গংগা সংৰক্ষণ বিভাগৰ উদ্যোগত নেচনেল ৱাটাৰ এৱাৰ্ড ২০১৯ অনুষ্ঠিত কৰা হৈছিল। এই অনুষ্ঠান ভাগ অনুষ্ঠিত হয় নতুন দিল্লীৰ বিজ্ঞান ভৱনত। এই গুৰুত্বপূৰ্ণ অনুষ্ঠানত এন পি এছ ইণ্টাৰনেশ্যনেল স্কুলে 'জল সংৰক্ষণৰ ক্ষেত্ৰত অভিনৱতা' শিতানত অংশগ্ৰহণ কৰে আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ এই প্ৰতিযোগিতাত 'শ্ৰেষ্ঠ বিদ্যালয়'ৰ তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। চলিত বৰ্ষৰ নৱেম্বৰ মাহৰ ১১ আৰু ১২ তাৰিখে ভাৰ্চুৱেল প্লেটফৰ্মত এই প্ৰতিযোগিতাৰ বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ শুভ আৰম্ভণি কৰে ভাৰতৰ উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডুৱে। লগতে ভাৰতৰ জলশক্তি মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱাট, ৰাজ্যিক জল মন্ত্ৰী ৰতন লাল খাটাৰীয়া প্ৰমুখ্যে বহুতো গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠানৰ বঁটা গ্ৰহণৰ সময়ত বিদ্যালয়ৰ মুখ্য প্ৰতিষ্ঠাপক জে এন দাসে সমূহ বিদ্যালয়ৰ পৰিয়ালবৰ্গৰ তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰে আৰু ছাত্ৰ-ছাত্ৰীসকলৰ কষ্ট আৰু উদ্যমৰ ভূয়সী প্ৰশংসা কৰে।






CHIMNEYS WITH APPS I R.O. WATER PURIFIER I HOBS I GAS STOVE I OTHER KITCHEN APPLIANCES

Abhayapuri-94350-22784 I Agartala-98560-93668 I Baihata chariali-94351-42568/98641-40488 I Bangaigaon-7002184811, 9435547654,9435121367 I Barpeta road-94350-17865 99541-41975 I Barpeta town -94350-25127 I Bhawanipur-7002206773 I Bandardewa-98649-84753 I Bijoynagar -99570-98392/94010-01157/94353-40662 I Boko-94010-02588 I Chaygaon-9435014549 I Dadara -98546-98027 I Dhupdhara-96785-16189 I Dhamaji-99546-51322 I Dhubri-94350-29279 I Diphu-94350-66701/94350-66643 I Dudhnoi-94357-21505/94351-28048 I Goalpara-70023-10904/88762-23858 I Golaghat-96132-30384 I Guwahati -94355-59057/97065-94950 I Hajo-94353-47024/88763-09327 I Hojai-94357-29521/84028-59256 I Jorhat - 94350-53934/98541-06776 I Kharupitia -98541-44223 I Kokrajar-97070-29429/99548-88721/94354-81234 I Karimgunj-97061-39061 I Krishnai-88224-15337 I Lumding -94351-63327/97066-14137 I Mangaldoi -94350-87284/94351-86435/97065-39174/73994-79163 I Mirza-98540-71983/99572-81858 I Morigaon -94350-64986/80111-17171 I North lakhimpur-88224-21077 I Nagaon-97061-79408/94355-18665 I Nalbari -98644-14515/98540-30209 I Pathsala-80110-06658 I Dhekiajuli-98548-29934 I Dibrugarh-98548-11265 I Rangia -94351-05888/96782-26563 I Silchar -97061-39061/70054-86129 I Silapathar-70028-94393 I Shillong-90869-66640 I Suwalkuchi -98643-54859 I Tinsukia-94350-35156/94350-35511/94350-36463 I Tezpur-97060-73481 I Tihu-97068-53124 I Udalguri-97063-46492

Trade enq. 9435146909/9435559057/9435559056 www.capsindia.in Toll Free: 1800 103 4646



শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালতত্হে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ নৱেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি